ইংলেণ্ডৰ ডায়েৰী

ইছমাইল হোছেইন

বনলতা
বনলতা
গুৱাহাটী-১ • ডিব্ৰুগড়-১

ENGLANDOR DIARY (DIARY OF ENGLAND) : A Journey-note on United Kingdom, written by **Ismail Hossain** and published by **Sri Ananta Hazarika**, Banalata, Guwahati-1.
First edition : December,2009 ***Price Rs. :*** Seventy only.

প্ৰকাশক ঃ শ্ৰীঅনন্ত হাজৰিকা
বনলতা
পাণবজাৰ, গুৱাহাটী-১

মুখ্য কাৰ্যালয় ঃ নতুন বজাৰ, ডিব্ৰুগড়-১

গ্ৰন্থস্বত্ব ঃ ছাকিল ইন্‌জাম

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০০৯ চন

বেটুপাত ঃ পংকজ তালুকদাৰ

মূল্য ঃ ৭০.০০ টকা

ডি.টি.পি ঃ
ষ্টেণ্ডাৰ্ড ইম্‌প্ৰেচন্‌চ
উলুবাৰী চাৰিআলি, গুৱাহাটী-৭

ছপা ঃ শৰাইঘাট ফটো টাইপচ্‌ প্ৰাঃলিঃ
উদ্যোগপাম, বামুণীমৈদাম
গুৱাহাটী-২১

উৎসৰ্গ

যিগৰাকী ব্যক্তিৰ পৃষ্ঠপোষকতাত মই শঙ্কৰদেৱ সম্পৰ্কে ভাষণ দিবলৈ গৈ সংযুক্ত যুক্তৰাজ্য ভ্ৰমণৰ সুযোগ পালো, সেইগৰাকী মহান অসমীয়া, ইংলেণ্ডৰ ব্ৰেডফোৰ্ড নিবাসী ডাঃ **করুণা সাগৰ দাস**, তেখেতৰ সাদৰী পত্নী **ৰুমী বাইদেউ** (অৰুন্ধতী দাস), দুই জীয়ৰী ডাঃ **পাপৰি দাস** আৰু **প্ৰণামী দাস**লৈ মৰম আৰু ভালপোৱাৰে।

— **ইছমাইল হোছেইন**

সূচীপত্ৰ

প্ৰথম খণ্ড

- ইংলেণ্ডৰ ভূমিত প্ৰথম পদাৰ্পণ ১
- ব্ৰেডফোৰ্ড নগৰ ভ্ৰমিলোঁ ৬
- লণ্ডনত শঙ্কৰদেৱৰ জন্মোৎসৱত ১২
- তোমালোকে শ্বেইক্সপীয়েৰক ভগৱান বনালা ১৮
- 'আপুনিচোন আধা-মুছলমান' ২৪
- জীৱ-জন্তুৱেও য'ত মৰম বুজি পায় ২৯
- আমেৰিকা আৰু কানাডাৰ অসমীয়াৰ মাত শুনিলোঁ ৩৫
- লণ্ডনৰ প্ৰথম নিশা ৪১
- লণ্ডনৰ বাকিংহাম পেলেচত থিয় হৈ ৪৮
- গ্লাচগোত অসমীয়া পৰিয়ালৰ বিয়াত ৫৩
- এডিনবাৰ্গত থিয় হৈ কঁপি উঠিলোঁ ৫৮
- ইমান ধুনীয়াকৈ কোনে সৰজিলে ৬৩
- গুৰুদ্বাৰত এটি সন্ধিয়া আৰু ড' হীৰেন গোহাঁইৰ প্ৰতিক্ৰিয়া ৬৮
- প্ৰবাসী অসমীয়াৰ নতুন প্ৰজন্মৰ ভৱিষ্যৎ ৭৫
- লণ্ডনৰ মিউজিয়ামত অসমৰ ঐতিহ্যৰ সন্ধান ৮০
- লণ্ডনত শঙ্কৰদেৱৰ নামত সাংস্কৃতিক কেন্দ্ৰ গঢ়াৰ গুৰুত্ব ৮৬
- 'নৰকৰ অন্য এক নাম ভাৰতবৰ্ষ' ৯৩
- ফাটবিহু আৰু 'স্বাধীন অসম'ৰ প্ৰসঙ্গ ৯৮
- যুক্তৰাজ্যৰ ক'ত ক'ত অসমীয়াসকল থাকে? ১০২
- ইংলেণ্ডৰ শেষ দিন ১০৮
- ইংলেণ্ডৰ ভূমিৰপৰা বিদায় লওঁতে হোৱা উপলব্ধি ১১১

দ্বিতীয় খণ্ড

পৰিশিষ্ট (ক)

- ইংলেণ্ডলৈ আমন্ত্ৰিত ইছমাইল হোছেইন ১১৯
- লণ্ডনত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত ইছমাইল হোছেইনঃ শ্বেইক্সপীয়েৰতকৈ বহুগুণে শ্ৰেষ্ঠ শঙ্কৰদেৱৰ নাট্যশৈলী ১২০
- Sankardeva's birth anniversary observed in London ১২২
- লণ্ডনত জিলিকিল তিনিগৰাকী অসমীয়া— ডাঃ কৰুণাসাগৰ দাস ১২৪

পৰিশিষ্ট (খ)

- লণ্ডনত শঙ্কৰদেৱৰ মাত (কবিতা) ১২৬
- ষ্ট্ৰেটফোৰ্ডত শ্বেইক্সপীয়েৰৰ সৈতে মুখামুখি (কবিতা) ১২৮
- ব্ৰিটিছ যাদুঘৰত গোপাল তাঁতীৰে কথোপকথন (কবিতা) ১৩০

পৰিশিষ্ট (গ)

- লণ্ডন ভাষণ (শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়?) ১৩২
- শংকৰদেৱ, সত্ৰীয়া সংস্কৃতি আদি সম্পৰ্কে ইছমাইল হোছেইনৰ ভাষণ ১৫৩
- ইছমাইল হোছেইনৰ প্ৰকাশিত গ্ৰন্থৰাজি ১৬২

পৰিশিষ্ট (ঘ)

- ফটোগ্ৰাফ

পাতনি

ইংলেণ্ডলৈ কেনেদৰে গ'লোঁ

দম্পতীহালে মোৰ আবাসৰ চোতালত থিয় হৈ নমস্কাৰ জনাই সুধিলে, "আপুনিয়েই ইছমাইল হোছেইন নেকি?" ময়ো প্ৰতি-নমস্কাৰ জনাই ভিতৰলৈ মাতি বহিবলৈ দি ক'লোঁ, — "হয়, ময়েই ইছমাইল হোছেইন।" তাৰ পিছত অতি সৰলভাৱে মানুহগৰাকীয়ে পৰিচয় দি ক'লে, — "মই ডাঃ কৰুণা সাগৰ দাস। এওঁ মোৰ সহধৰ্মিণী অৰুন্ধতী দাস। ইংলেণ্ডৰ ব্ৰেডফোৰ্ডত থাকোঁ। মই 'লুইতৰ পৰা টেমচলৈ' নামৰ আলোচনী এখন সম্পাদনা কৰি আছোঁ। আপোনাক লগ পাবলৈ ....।" কথাখিনি শেষ নৌহওঁতেই ক'লোঁ, — "হয়, হয়। বুজি পাইছোঁ। আপোনাক মই সম্পূৰ্ণৰূপে জানো। যিগৰাকী ব্যক্তি মোৰ মনত কিংবদন্তীৰ দৰে হৈ পৰিছে তেখেতে মোক বিচাৰি অহাটো মোৰ সৌভাগ্য।" এইবুলি কৈ মই তেখেতসকলৰ সৈতে কথা পাতিবলৈ ধৰিলোঁ।

সেয়া আছিল ২০০৮ চনৰ ৯ এপ্ৰিল, দুপৰীয়া। মই আবাসত অকলেই আছিলোঁ। একাপ ফিকাচাহ কৰি দিলোঁ। খালে। তাৰ পিছত, প্ৰায় দুঘণ্টা আলোচনাৰ পিছত ক'লে সেই অভাৱনীয় প্ৰস্তাৱৰ কথাটো— "আপুনি এই বছৰৰ ভিতৰতে কমেও তিনি সপ্তাহৰ বাবে ইংলেণ্ডলৈ অতিথি হিচাপে যাবলৈ মানসিক প্ৰস্তুতি লওঁক। অসম সাহিত্য সভাৰ যুক্তৰাজ্য শাখাৰ হৈ মই আপোনাৰ সম্পূৰ্ণ খৰচ বহন কৰিম।"

প্ৰস্তাৱটো শুনি মই কেৱল আনন্দিত হোৱাই নহয়, স্তম্ভিতও হ'লোঁ। কাৰণ, মই ভাৰতৰ চুক-কোণ দেখিলেও বিদেশৰ মাটিত তেতিয়ালৈকে ভৰি দিয়া নাছিলোঁ। ইংলেণ্ডৰ ইংৰাজসকলে আমাৰ দেশখন শাসন কৰাৰ কথা কিতাপতহে পঢ়িছিলোঁ; কিন্তু তেওঁলোকক ওচৰৰ পৰা পাই মানসিকতাৰ বুজ লোৱাৰ সুযোগ পোৱা নাছিলোঁ। সেয়ে প্ৰস্তাৱটি শুনি ভাবিলো— ডাঃ দাস ডাঙৰীয়াই চাগে' বিশেষ উদ্দেশ্যত মোক বিদেশ ভ্ৰমণ কৰাৰ সুযোগ দিব বিচাৰিছে বা কোনোবা বিদেশী সংস্থাৰ আঁচনিমতে মোক তেনে প্ৰস্তাৱ দিছে। সেয়ে মনৰ মাজত কৌতূহল হোৱাত সুধিলোঁ, — "মোৰ দৰে সাধাৰণ মানুহ এজনক আপুনি যে প্ৰথম চিনাকিতেই ইংলেণ্ড ভ্ৰমণৰ প্ৰস্তাৱ দিলে? কিবা বিশেষ আঁচনি আছে নেকি?" তেখেতে মোৰ মুখলৈ চাই ক'লে— "নাই নাই, বিশেষ আঁচনি নাই। আপুনি মোৰ বহুদিনৰ চিনাকি। 'প্ৰান্তিক' আলোচনীখন আমি নিয়মীয়াভাৱে ৰাখোঁ। আপোনাৰ কবিতা, প্ৰবন্ধ, চিঠি-পত্ৰ আদি পঢ়িছোঁ। তদুপৰি আনেও আপোনাৰ বিষয়ে লিখা চিঠি-পত্ৰ আদি পঢ়িছোঁ। 'অসমীয়া প্ৰতিদিন' আৰু 'সাদিন'খনো ইণ্টাৰনেটত পঢ়োঁ। সেইবোৰত আপোনাৰ লেখা পঢ়ি ধাৰণা কৰিছিলো যে অসমীয়া সমাজ, অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ সন্ধানত আপুনি এক অভিযান আৰম্ভ কৰিছে। বিশেষকৈ অসম তথা অসমৰ বাহিৰত থকা অসমীয়া সমাজ, শ্ৰীমন্ত শঙ্কৰদেৱ

আৰু শঙ্কৰী সংস্কৃতি, ফাটবিহু, বৰাক উপত্যকাৰ অসমীয়া সমাজ আদি সম্পৰ্কে আপোনাৰ অভিযানৰ সঙ্গী আমি ইংলেণ্ড, স্কটলেণ্ড, আয়াৰলেণ্ড, ৱেলচ্ আদিৰ অসমীয়া সমাজেও হ'ব খোজো। সেই উদ্দেশ্যেৰেই আপোনালৈ আমাৰ এই প্ৰস্তাৱ। সম্ভৱতঃ অহা অক্টোবৰ মাহত আপুনি লণ্ডনৰ বুকুত 'শ্ৰীমন্ত শঙ্কৰদেৱ' সম্পৰ্কে এটি 'গুৰুত্বপূৰ্ণ ভাষণ' দিব লগা হ'ব পাৰে। নিৰ্দিষ্ট সময়ত আমন্ত্ৰণী পত্ৰ আৰু স্পনচৰ লেটাৰ পাব।"

প্ৰায় দুঘণ্টা সময় কথা পাতি দম্পতীহাল গুচি গ'ল। তেখেতসকলে গুচি যোৱাৰ পিছত মোৰ আবাস চৌহদৰ গছ-লতা, ফুল-ফল, চৰাই-পখিলা আদিয়ে নাচিবলৈ ধৰিলে যদিও মোৰ বুকুখন দুৰু-দুৰুকৈ কঁপিবলৈ ধৰিলে। মোৰ সহধৰ্মিণী আৰু পুত্ৰ বিদ্যালয়ৰ পৰা আবাসলৈ অহাৰ পিছত প্ৰস্তাৱৰ কথাটো ক'লোঁ। তেওঁলোকে শুনি আনন্দিত হ'ল যদিও আচৰিতো হ'ল। সিদিনাৰ পৰাই মই প্ৰস্তুতি আৰম্ভ কৰিলোঁ আৰু ২০০৮ চনৰ ১৮ অক্টোবৰত লণ্ডনত শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে ভাষণ দিবলৈ সক্ষম হ'লোঁ।

১৬-অক্টোবৰৰ পৰা ৫ নৱেম্বৰলৈকে তিনি সপ্তাহৰ যুক্তৰাজ্য যাত্ৰাৰ টোকা। ইয়াকে 'ইংলেণ্ডৰ ডায়েৰী' বুলি নামকৰণ কৰিলোঁ।

মোৰ ইংলেণ্ড যাত্ৰা যে কেৱল এটা ভাষণ দিয়া বা ভ্ৰমণ কৰাটোৱেই নাছিল; ই যে আছিল চিন্তাৰ জাগৰণৰ এক যাত্ৰা— সেই বিষয়ে এই গ্ৰন্থখনত পঢ়ুৱৈ সমাজে কিছু সমল বিচাৰি পাব। মই যুক্তৰাজ্যত ভৰি দি প্ৰতিদিনে মোৰ অভিজ্ঞতা আৰু নতুন চিন্তাৰ কথাবোৰ লিপিবদ্ধ কৰি গৈছিলোঁ। 'সাদিন' আৰু 'জনসাধাৰণ' কাকতত 'ইংলেণ্ডৰ ডায়েৰী' নামেৰে কে'বাটিও খণ্ড প্ৰকাশ পাইছে।

এবছৰ পিছত এয়া ডায়েৰীখন আপোনালোকৰ হাতত। এই ডায়েৰীৰ জন্মৰ আঁৰৰ ব্যক্তি ডাঃ কৰুণা সাগৰ দাস, তেখেতৰ সহধৰ্মিণী অৰুন্ধতী দাস (ৰুমী বাইদেউ), দুই জীয়ৰী পাপৰি আৰু প্ৰণামী আৰু প্ৰকাশক শ্ৰীযুত অনন্ত হাজৰিকাৰ ওচৰত মই কৃতজ্ঞ হৈ ৰ'লোঁ।

ইছমাইল হোছেইন

প্ৰবক্তা, ইলেক্‌ট্ৰনিকচ্ এণ্ড টেলিকম্যুনিকেচন্
ইঞ্জিনিয়াৰিং বিভাগ।
অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউট।
চানমাৰি, গুৱাহাটী-৩
ম'বাইল : ৯৪৩৫১-০৯৭৬৪
১৮ অক্টোবৰ, ২০০৯

প্ৰথম খণ্ড

(ইংলেণ্ডৰ ডায়েৰী)

ইংলেণ্ডৰ ভূমিত প্ৰথম পদাৰ্পণ

১৬ অক্টোবৰ, ২০০৮, বৃহস্পতিবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজি পুৱা ৯ বজাত বিমানৰ পৰা ব্ৰেডফোৰ্ড বিমান বন্দৰত নামি প্ৰথমবাৰৰ বাবে ইংলেণ্ডৰ মাটিত ভৰি থ'লোঁ। কালি আবেলি ৩.১৫ বজাত বৰঝাৰ বিমান বন্দৰৰ পৰা ডাঃ করুণাসাগৰ দাসৰ সৈতে দিল্লীলৈ বুলি যাত্ৰা আৰম্ভ কৰি নেডাৰলেণ্ডৰ আমষ্টাৰডাম হৈ ইংলেণ্ডৰ ব্ৰেডফোৰ্ডলৈ আহোতে ভাৰতীয় সময়মতে আবেলি প্ৰায় ১.৩০ বাজিছিল। ব্ৰেডফোৰ্ড বিমান বন্দৰৰ পৰা ওলাই আহোতে শ্ৰদ্ধেয় ডাঃ করুণাসাগৰ দাসৰ পত্নী শ্ৰীমতী অৰুন্ধতী দাস বাইদেৱে আমাক আদৰিলে। তাৰপৰা আমি দাস দম্পতীৰ ৩৩ ছেৰী ফিল্ড্চ, কিংচ ৰোড, ব্ৰেডফোৰ্ড, বি.ডি.-২ এল. বি., ইউ. কে ৰ বাসভৱনলৈ আহিলোঁ।

দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা ভাৰতীয় সময়মতে ৰাতি ১২.৫৫ বজাত কে. এল. ০৮৭২ নং বিমানত উঠি নেডাৰলেণ্ডৰ আমষ্টাৰডাম বিমান বন্দৰত নামোতে স্থানীয় সময়মতে পুৱা ৫.১০ বাজিছিল। ভাৰতীয় সময়মতে পুৱা ৯.৪৫। আমষ্টাৰডামত প্ৰায় তিনি ঘণ্টা সময় অতিবাহিত কৰি তাৰে স্থানীয় সময় পুৱা ৮.৩০ বজাত কে. এল. ১৫৪৩ নং বিমানযোগে ব্ৰেডফোৰ্ডলৈ আহি থাকোতে এক মনোৰম দৃশ্য উপভোগ কৰিলোঁ। তেনে দৃশ্য আগতে দেখা নাছিলো যদিও ইউৰোপ সম্পৰ্কে লিখা গ্ৰন্থসমূহত সেই বিষয়ে পঢ়াৰ সুযোগ পাইছিলোঁ। নেডাৰলেণ্ড, ইংলেণ্ড আদি দেশৰ গাঁও, নগৰ, পৰ্বত, পথাৰ সকলোতে যেন পৰিকল্পিত আঁচনিৰ স্বাক্ষৰ। বিমানৰ পৰা চাওঁতে ডাৱৰে আৱৰি থকা গাঁওবোৰ একোখন উদ্যান যেন অনুভৱ হ'ল। নগৰবোৰৰ সৌন্দৰ্যৰ তুলনা নাই। বিমানত বহি গাঁও আৰু নগৰবোৰ চাই চাই আহি থাকোতে ভাবিছিলোঁ— কি যে এক কদৰ্য পৰিৱেশত আমি বসবাস কৰি আছোঁ!

আমষ্টাৰডাম বিমান বন্দৰত লগ পাইছিলো এগৰাকী নিগ্ৰো ব্যক্তি, আমেৰিকাৰ ইউনিভাৰছিটি অব্ লাগোচৰ এনাট'মী বিভাগৰ অধ্যাপক ডাঃ

বুন্‌মী দাদাক। তেওঁৰ সৈতে নাইজেৰিয়াৰ নিগ্ৰোসকলৰ কথা, জৰ্জ ডব্লিউ বুশ্ব, নেলচন মেণ্ডেলা, উইনি মেণ্ডেলা, ওছামা বিন লাডেন, ৱৰ্ল্ড ট্ৰেড চেণ্টাৰৰ ১১ ছেপ্টেম্বৰৰ ঘটনা, আমেৰিকাৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ওবামা, আমেৰিকা-ইৰাক যুদ্ধ, ছাদ্দাম হুছেইন, আমেৰিকাৰ অৰ্থনীতি, অসমৰ মাজুলী, কাজিৰঙা, শ্ৰীমন্ত শঙ্কৰদেৱ, বিহু আদি সম্পৰ্কে এঘণ্টা সময় কথা পাতি বন্ধুত্ব স্থাপন কৰিলোঁ। তেওঁ অসম ভ্ৰমণলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। আমাৰ ঠিকনা দিলোঁ। তেওঁৰ পৰা জানিব পাৰিলোঁ যে আমেৰিকাৰ প্ৰতিখন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত কমেও এজনকৈ নাইজেৰিয়ান নিগ্ৰো অধ্যাপক আছে।

দিল্লীৰ পৰা আমষ্টাৰডাম হৈ ব্ৰেডফোৰ্ডলৈ আহোতে বিমানসমূহত নেডাৰলেণ্ডৰ ডাটচ্ (Dutch) ভাষী বিমান পৰিচাৰিকাসকলে (Air Hostesses) আমাক চোৱা-চিতা কৰিলে। আমি লক্ষ্য কৰিলোঁ, আমাৰ দেশৰ পৰিচাৰিকাসকলতকৈ তেওঁলোক বহুগুণে মুকলি আৰু যাত্ৰীৰ প্ৰতি অধিক তৎপৰ। আমাৰ দেশৰ পৰিচাৰিকাসকলৰ দৰে নেডাৰলেণ্ড বা ইংলেণ্ডৰ পৰিচাৰিকাসকলে বহুজাতিক নিগমৰ প্ৰসাধনসমূহ ব্যৱহাৰ কৰি কৃত্ৰিম সৌন্দৰ্যময়ী গাভৰু বা নাৰীৰূপে নিজকে প্ৰদৰ্শন নকৰে। তেওঁলোক কোনোধৰণৰ প্ৰসাধন ব্যৱহাৰ নকৰাকৈয়ে ধুনীয়া। বাহিৰা ৰং-চঙতকৈ তেওঁলোকে মানুহৰ মনৰ ভিতৰৰ সৌন্দৰ্যকহে অধিক গুৰুত্ব দিয়া অনুভৱ কৰিলোঁ। গুৱাহাটীৰ পৰা দিল্লীলৈ আহোতে ভাৰতীয় বিমানত খাদ্য-সামগ্ৰীৰ নামত পৰিচাৰিকাসকলে ব্যৱসায় কৰাৰ দৰে ইউৰোপৰ পৰিচাৰিকাসকলে ব্যৱসায় কৰা নেদেখিলোঁ। বিদেশৰ বিমানত বিনামূলীয়াকৈ খাদ্য পৰিবেশন কৰা হয়। দিল্লীৰ পৰা আমষ্টাৰডামলৈ আহোতে প্ৰায় ৯ ঘণ্টাৰ যাত্ৰাত ভাৰতীয় সময়মতে এবাৰ ৰাতি ২ বজাত আৰু এবাৰ পুৱা ৮ বজাত খাদ্যৰ যোগান দিয়া হয়। খাদ্যৰ ভিতৰত থাকে ৰুটী, আলু-মটৰৰ ভাজি, পায়স, দৈ, ফল-মূল, কিচ্‌মিচ, ব্ৰেড, পানীয়, চাহ আদি।

মুঠ ২২ ঘণ্টাৰ বিমান যাত্ৰা শেষ কৰি দাস দম্পতীৰ ঘৰলৈ আহি গা-পা ধুই ভাত-পানী খাই কিছু সময় কথা পাতি, ঘৰলৈ টেলিফোন কৰি, লগত লৈ অনা বাতৰি কাকতসমূহৰ লগতে ইংলেণ্ডৰ দুই-এখন বাতৰি কাকত পঢ়িলোঁ। আমি লগত লৈ অনা কাকতসমূহৰ অন্যতম আছিল 'অসমীয়া প্ৰতিদিন', 'দৈনিক অগ্ৰদূত', 'আমাৰ অসম', 'দৈনিক অসম', 'আজিৰ দৈনিক

বাতৰি', 'দৈনিক জনমভূমি', 'জনসাধাৰণ', 'আজি', 'এদিন', 'The Assam Tribune', 'সাদিন' আদি। 'প্রান্তিক' আলোচনীৰ এটা সংখ্যা লগত আনিছিলো যদিও ডাঃ কৰুণা সাগৰ দাসৰ গৃহত আলোচনীখনৰ আটাইবোৰ সংখ্যা বিচাৰি পালোঁ।

ইংলেণ্ডৰ সময়মতে গধূলি আঠ বজাত ডাঃ দাসৰ চুবুৰীয়া দুগৰাকী ব্যক্তি ক্রমে — অপিন্দৰজিৎ গুৰায়া আৰু ৰচপাল আহিল মোৰ সৈতে চিনাকি হ'বলৈ। আমি চাহ-পানী খাই চিনাকি হোৱাৰ পিছত অসমৰ সমাজ-সংস্কৃতি, শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, গুৰু নানক, বিহু আদি সম্পৰ্কে আলোচনা হ'ল। তেওঁলোকে পুৰণি হিন্দী গীত, গজল, শ্বায়েৰী আদি গালে। আমিও তেওঁলোকৰ সৈতে গীত গোৱাত সহযোগ কৰিলোঁ। বিহুনাম গাবলৈ কোৱাত বিহুনাম গাই নাচি দেখুৱালো। তেওঁলোকেও নাচিলে। মিচিং ভাষাত অই নিঃতম্ আৰু দেউৰী ভাষাত 'জিম'চ্ছায়া চাজেবা' গীত গালোঁ। অৰ্থ ভাঙি ক'লোঁ। তেওঁলোক অভিভূত হ'ল। তেওঁলোকৰ সৈতে আমি উৰ্দু শ্বায়েৰী গোৱাতো সমানে অংশ গ্ৰহণ কৰাত আচৰিত হ'ল। মই গোৱা প্ৰথম শ্বায়েৰীটো আছিল— 'চুবহ জব মেঁ ঘৰচে বাহৰ আয়া/ মেৰা দিল মে বহুত কুঁচ আৰ্মান থা; /আছানক মেৰা পাৱ এক হাড্ডি পৰ গিৰা / হাড্ডিনে মুঝে কহনে লগা/ অ' চলতে হুৱে মুছাফিৰ/ মে ভি তুম জেইছে এক আদমী থা।' (এদিন পুৱা যেতিয়া মই ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিলো তেতিয়া মনৰ মাজত বহু প্ৰত্যাশা কঢ়িয়াই ফুৰিছিলোঁ। মই খোজকাঢ়ি গৈ থাকোতে হঠাতে মোৰ ভৰি দুখনে এডাল হাড় গচকি গ'ল। হাড়ডালে দুখ পাই চিঞৰি উঠিল— হেৰা পদাতিক অতিথি, তুমি যে মোক গচকি গৈ আছা- মই বৰ দুখ পাইছোঁ; কাৰণ ময়ো তোমাৰ দৰেই এজন মানুহ আছিলোঁ।'

এই শ্বায়েৰীটো গোৱাৰ পিছতেই আমাৰ মাজত আৰম্ভ হৈছিল জীৱনবোধ, প্ৰেম আৰু ভালপোৱাৰ নৱ নৱ অধ্যায়ৰ আলোচনা-পৰ্ব। মোৰ ব্যক্তিগত জীৱন, পাৰিবাৰিক জীৱন, সাহিত্য জীৱন আৰু সাংস্কৃতিক জীৱন সম্পৰ্কেও তেওঁলোকে অনেক কথাই সুধিলে। মোৰ কাব্য আৰু প্ৰেমৰ জীৱন সম্পৰ্কে কোৱাৰ আগতে 'বিজ্ঞাপন' কবিতাটিৰ ইংৰাজী অনুবাদ 'Advertisement' গাই শুনালো আৰু কবিতাটিৰ আগৰ আৰু পিছৰ অন্তৰ্নিহিত কাহিনী ক'লোঁ। তেওঁলোক আনন্দত উৎফুল্লিত হ'ল। শংকৰদেৱ আৰু গুৰু নানকৰ ভক্তিবাদী দৰ্শনৰ কথাও ওলাল। শংকৰদেৱৰ দৰ্শনৰ উদাৰ

দিশসমূহৰ কথা ক'লোঁ। অৰুন্ধতী বাইদেৱে সকলো কথা হিন্দীত বুজাই দিলে। বৰগীত গাবলৈ কোৱাত মাধৱদেৱে শংকৰদেৱৰ প্ৰয়াণৰ পিছত ৰচনা কৰা 'কেমনে পাইবো হৰি /চৰণ তোৰে /এ দুঃখ সাগৰে উদ্ধাৰ মোৰে' শীৰ্ষক বৰগীতটি গাই শুনালোঁ। সুৰটো শুনি অপিন্দৰজিৎ আৰু ৰচপালে আনন্দত চিঞৰি উঠিল। সুৰৰ কোমলতাই তেওঁলোকৰ অন্তৰ স্পৰ্শ কৰি যোৱা বুলি অনুভৱ হ'ল। অৰুন্ধতী বাইদেৱে অৰ্থ বুজাই কোৱাত তেওঁলোকে অধিক আনন্দ পালে।

ৰাতি ১০ বাজিল। অতিথি দুগৰাকী যাবলৈ ওলাল। তেওঁলোকক আমি নিজে ৰচা 'এই বিদায় বেলাত বন্ধু জনাওঁ তোমাক সম্ভাষণ' শীৰ্ষক গীতেৰে বিদায় দিলো। আমাক তেওঁলোকৰ আবাসলৈ আমন্ত্ৰণ জনাই গুচি গ'ল। তেতিয়া ভাৰতীয় সময়মতে ৰাতি প্ৰায় ৩.৩০ টা বাজিছিল।

দীঘলীয়া যাত্ৰা হোৱা সত্ত্বেও মোৰ ভাগৰ লগা নাছিল। গুৱাহাটীত থাকোতে ভোগা পিঠিৰ বিষ, স্পণ্ডিলাইটিচ আদিও অনুভৱ নকৰা হ'লো। ইয়াৰ অন্যতম কাৰণ হ'ল ইয়াৰ স্বাস্থ্যকৰ পৰিৱেশ। ধূলি-বালি, মহ-মাখি আদি একেবাৰেই নাই। ডাঃ কৰুণা সাগৰ দাসৰ ঘৰখনো অতি মনোমোহা আৰু স্বাস্থ্যকৰ। আজি বেলি বুৰ যোৱাৰ আগে আগে ডাঃ দাসৰ গৃহৰ প্ৰাৰ্থনা কোঠাত অৰুন্ধতী বাইদেউৰ কণ্ঠত কীৰ্তন-ভাগৱত পাঠ শুনি এনে লাগিল যেন মই অসমৰেই কোনোবা নামঘৰত বহি আছোঁ। তেখেতৰ এই প্ৰাৰ্থনাগৃহত ভাগৱত-কীৰ্তনৰ উপৰি কোৰাণ আছে বুলি জানিব পাৰিলো। দাসক সোধোতে ক'লে,— 'আমি এক ভগৱানত বিশ্বাস কৰোঁ। সেই ভগৱানজন হিন্দুৰ কাৰণে ঈশ্বৰ, মুছলমানৰ কাৰণে আল্লাহ আৰু খ্ৰীষ্টানৰ কাৰণে গড্। মহাপুৰুষ শ্ৰীমন্ত শংকৰৱেৰ ধৰ্ম-দৰ্শনমতে এই ভগৱানজন হ'ল হৰি। মোৰ প্ৰাৰ্থনাগৃহত গুৰু আসন আৰু থাপনা আছে। তাত ভগৱান, ঈশ্বৰ, আল্লাহ, গড্, হৰি আটাইবোৰেই বিচৰণ কৰে বুলি ভাবোঁ।'

আজি প্ৰথম দিনটোতেই মই ডাঃ কৰুণা সাগৰ দাসৰ ঘৰত আৱিষ্কাৰ কৰিলোঁ মানৱ ধৰ্মৰ এক সোণালী অধ্যায়। তেখেতক মই যিমানখিনি জানিছিলো তাতোকৈ বহুগুণে বেছি জনাৰ সুযোগ পালোঁ। হৃদয়ত মানৱতাৰ বাণী কঢ়িয়াই ফুৰা এক মহৎ ব্যক্তিত্বৰ মানুহ এইগৰাকী ব্যক্তি। অপিন্দৰজিৎ আৰু ৰচপালেও দাস দম্পতীৰ মহত্ত্বৰ কথা কৈ গৌৰৱ কৰিলে।

এতিয়া ৰাতি ১১.৩০ বাজিছে। খন্তেক পিচতেই আমি ভাত খাম। এই

মুহূৰ্ত্তত অসমত ৰাতি ৪ বাজিছে, ধলপুৱা হ'বৰ হৈছে। অৰুন্ধতী বাইদেৱে মুৰ্গীৰ মাংস, কণী, ব্ৰুকুলি (কবিৰ দৰে এবিধ পাঁচলি) আদিৰে মেজত ভাত সজাই থৈছে। বাহিৰত ৫° ছেণ্টিগ্ৰেড উষ্ণতা। ঘৰখন চাৰিওফালৰ পৰা কাঁচেৰে আগুৰি থকা বাবে ভিতৰত শীতৰ প্ৰকোপ শূন্য। বাহিৰৰ পৰা অতি সাধাৰণ যেন লগা ঘৰখনৰ ভিতৰখন অতিকৈ মনোৰম, শিল্পসম্মত আৰু পৰিপাটি। অসমৰ নগৰীয়া জীৱনত এনে গৃহৰ কথা কল্পনাই কৰিব নোৱাৰি। আজি প্ৰথম দিনাই ব্ৰেডফোৰ্ডলৈ আহি জীৱন ধাৰণৰ উন্নত পদ্ধতি, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদি সম্পৰ্কে দেখি-শুনি যিখিনি শিকিলো সেইখিনি কৈশোৰতে শিকিব পৰা হ'লে জীৱনটোক নতুন ধৰণে সজাব পৰা গ'লহেঁতেন!

ৰাতি ১২.০০ বাজিছে। আমি ভাত খাই আজৰি হ'লোঁ। শুবৰ সময় হৈছে। আমাৰ গুৱাহাটীৰ ৰাইজ সাৰ পালে চাগে'। কেবাহাজাৰ কিলোমিটাৰৰ দূৰৰ পৰা অসমৰ ৰাইজলৈ মনত পৰিছে। মনে মনে আওৰাই ল'লোঁ এই অইনিঃতমটিঃ

'ব্ৰেডফোৰ্ডতী নগৰী আপ্লুন বাৰীদ্ দগৰী
অইনম্ মাঃঞি কাঃচুলা আমিগ্ মিক্চী চাগৰী।'
(ব্ৰেডফোৰ্ডখন নগৰ ফুলনিত ফুলিল তগৰ,
সপোনত তোমাক দেখি চকুলোৰে বিছনা সাগৰ।)

আজি ৰাতি ইংলেণ্ডৰ প্ৰথম নিশাটিত অসমৰ ৰাইজক সপোনত দেখিম বুলি ভাৱি এয়া শুবলৈ প্ৰস্তুতি লৈছোঁ। আজিৰ দিনলিপি ইমানতে সামৰি থ'লোঁ।

(ৰাতি ১২-২০ বজা। ব্ৰেডফোৰ্ড)

ব্ৰেডফোৰ্ড নগৰ ভ্ৰমিলোঁ

১৭ অক্টোবৰ, ২০০৮। শুক্ৰবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজি পুৱা ৬ বজাত অৰুন্ধতী বাইদেউৰ কণ্ঠত নাম-প্ৰসঙ্গ শুনি সাৰ পালোঁ। বাইদেৱে থাপনাৰ আগত বহি নাম-প্ৰসঙ্গ কৰোঁতে প্ৰায় আধাঘণ্টা সময় লাগিল। মই এই আধাঘণ্টা সময় অতি মনোযোগেৰে নাম-প্ৰসঙ্গ শুনিলোঁ। হৃদয়খন শাত পৰিল। ব্ৰেডফোৰ্ডতো যে এগৰাকী অসমীয়া মহিলাৰ কণ্ঠত এনেদৰে ভাগৱত-কীৰ্তন পাঠ আৰু নাম-প্ৰসঙ্গ শুনিব পাৰিম এই কথা মই সপোনতো ভৱা নাছিলোঁ।

পুৱা সাত বজাত ডাঃ কৰুণা সাগৰ দাস ককাইদেউ আৰু মই হাত-মুখ ধুই চাহ জলপান খাবলৈ বহিলোঁ। অৰুন্ধতী বাইদেৱে চাহ-জলপান আদি দিলে। পুৱা আঠ বজাত বাইদেৱে ব্ৰেক্‌ফাষ্ট খাই অফিচলৈ গ'ল। মই আৰু দাস ককাইদেৱে ন বজাত ব্ৰেক্‌ফাষ্ট খালোঁ। তেনেতে চুইজাৰলেণ্ডৰ বাৰ্ণত থকা আমাৰ বাইদেউ মালতী বৰদলৈয়ে ফোন কৰিলে। ডাঃ দাস ককাইদেৱে কিছু সময় কথা পতাৰ পিছত ফোনটো মোক দিলে। মালতী বাইদেউ মোৰ সৈতে কথা পাতি বৰ উৎফুল্লিত হ'ল। তেখেতে কাইলৈৰ মোৰ শঙ্কৰদেৱৰ সম্পৰ্কীয় ভাষণৰ বাবে শুভেচ্ছা জনালে।

মালতী বাইদেউ যোৰহাটৰ জীয়ৰী। চাকৰিসূত্ৰে চুইজাৰলেণ্ডত থাকে। 'প্ৰান্তিক' আলোচনীত প্ৰকাশ পোৱা মোৰ লেখা পঢ়ি টেলিফোনেৰে আমাৰ সৈতে চিনাকী। এবাৰ গুৱাহাটীলৈ যাওঁতে আমাৰ আবাসলৈ গৈছিল। আমি বাইদেউক বড়ো আৰ্‌নাইৰে আদৰিছিলোঁ। সেই আৰনাইখন এজন খৃষ্টান ভদ্ৰলোকে বাইদেউৰ পৰা নি তেওঁৰ প্ৰাৰ্থনা গৃহত সযতনে ৰাখিছে বুলি টেলিফোনত জনালে। বাইদেউৰ কথাষাৰ শুনি অসমত বড়ো আৰু মুছলমানসকলৰ সংঘাতৰ কথা মনত পৰিল। যি সময়ত বড়ো আৰু মুছলমানসকলৰ সংঘাত হৈছে সেই সময়ত মই মালতী বাইদেউক উপহাৰ দিয়া বড়ো আৰ্‌নাইখন চুইজাৰলেণ্ডৰ এগৰাকী খৃষ্টানধৰ্মীৰ প্ৰাৰ্থনা গৃহত শোভা

পাইছে— কথাষাৰ ভাৱিয়েই মনটো শীতল হ'ল। অৰুন্ধতী দাস বাইদেউৰ বাবেও মই এখনি বড়ো আৰ্নাই লৈ আহিছোঁ। ডাঃ কৰুণা সাগৰ দাস ককাইদেউৰ বাবে আনিছো এখনি মিচিং মিবু গালোক (দেউচোলা)। দুয়োকো দুয়োখন উপহাৰ দিলোঁ। দাস দম্পতীৰ বাবে মই 'আচিন মৌঃতম' নামৰ এখনি মিচিং কথা-কাহিনীৰ চি.ডি. লৈ আহিছোঁ। আমাৰ পুত্ৰ ছাকিলৰ 'টৌ খেলা শৈশৱ' নামৰ কাব্যগ্ৰন্থ আৰু মোৰ তিনিখনি কাব্যগ্ৰন্থ ক্ৰমে 'জীৱন আৰু মানুহ বিষয়ক', 'বিজ্ঞাপন' আৰু 'নৈপৰীয়া' দাস দম্পতীক উপহাৰ দিলোঁ।

দুপৰীয়া ১০ বজাত ডাঃ দাস ককাইদেউৰ সৈতে ব্ৰেডফোৰ্ডৰ বজাৰলৈ গ'লোঁ। মুঠ তিনিখন বজাৰত ঘূৰি-পকি তেখেতে মোক দুটা জেকেট আৰু এটা গৰম টুপী উপহাৰ দিলে। তাৰ পিছত মোক লৈ গ'ল তেখেতে পূৰ্বতে চাকৰি কৰা 'আণ্ডাৰক্লিফ হেল্‌থ কেয়াৰ চেণ্টাৰ'লৈ। তাত অৰুন্ধতী বাইদেউৰ সহকৰ্মী ৰুকচানা, ফাকাৰা আৰু ফাৰহানা নামৰ তিনিগৰাকী পাকিস্তানী গাভৰুৰ সৈতে চিনাকি কৰাই দিলে। তেওঁলোকৰ আধুনিক মনৰ পৰিচয় দেখি আনন্দিত হ'লোঁ। কে'বাগৰাকী ইংৰাজ গাভৰু আৰু মহিলায়ো আহি চিনাকি হ'ল। আমাক চাহ খাবলৈ দিলে। বৰ আনন্দেৰে তেওঁলোকৰ আপ্যায়ন গ্ৰহণ কৰিলোঁ। মই কবিতা, সাহিত্য আৰু সংস্কৃতিৰ সৈতে জড়িত বুলি জানি ডাঃ মমতাজ আহমেদ নামৰ এগৰাকী মহিলা আহি চিনাকি হ'ল। ডাঃ মমতাজ কবিতাপ্ৰেমী। তেওঁ ইংলেণ্ডৰ কাব্য-ক্ষেত্ৰৰ এক থুলমূল পৰিচয় দাঙি ধৰিলে। অহাবাৰ ব্ৰেডফোৰ্ডলৈ আমন্ত্ৰণ জনালে কবিতা পাঠ কৰিবলৈ। ছেপ্টেম্বৰৰ মাজভাগৰ পৰা এই কবিতা সমাৰোহ এমাহৰ বাবে অনুষ্ঠিত হয় বুলি জনালে। এবছৰ আগতেই হেনো নাম পঠাব লাগে। এইবাৰৰ কবিতা সমাৰোহ আৰু পাঁচদিনৰ পিছত সমাপ্ত হ'ব। সেইবাবে তেওঁ মোক তালৈ নিব নোৱাৰিব বুলি জনালে। ডাঃ মমতাজ কেৰেলাৰ জীয়ৰী। তেওঁৰ কলেজীয়া জীৱন কলকাতাত অতিবাহিত হৈছে। সেইবাবে তেওঁ ভালদৰে বাংলা ভাষা ক'ব পাৰে। মোৰ সৈতে বাংলা ভাষাতেই কথা পাতিলে। মই বাংলা আৰু অসমীয়া — দুয়োটা ভাষাতেই উত্তৰ দিলোঁ। ৰুকচানা, ফাকাৰা আৰু ফাৰহানাহঁতে উৰ্দু ভাষাত কথা পাতিলে। মই হিন্দী মিশ্ৰিত উৰ্দু ভাষাৰে লাহে লাহে কথা পতিলোঁ। ইংৰাজ গাভৰু আৰু মহিলাসকলৰ সৈতে ইংৰাজীতেই কথা পাতিলোঁ।

আণ্ডাৰক্লিফ হেল্‌থ কেয়াৰ চেণ্টাৰত পূৰ্বতে ডাঃ কৰুণা সাগৰ দাসে

চিকিৎসাসেৱা আগবঢ়াইছিল। বৰ্তমান এই চিকিৎসালয়খনৰ আটাইকেইগৰাকী চিকিৎসকেই ইছলামধৰ্মী। তেওঁলোক হ'ল— ডাঃ (শ্ৰীমতী) এছ. এছ. ৰাফাকট (পাকিস্তানী), ডাঃ (শ্ৰীমতী) এ. এল ছৈয়দ (পাকিস্তানী), ডাঃ (শ্ৰীমতী) এম. আহমেদ (কেৰেলিয়ান, ভাৰতীয়) আৰু ডাঃ এ. হাবিব (পাকিস্তানী)। নাৰ্চ দুগৰাকী হ'ল— এনি জেমচ্ আৰু ডন মেক্‌গ্ৰেগৰ। আনহাতে এডমিনিষ্ট্ৰেটিভ ষ্টাফ হিচাপে আছে মিষ্ট্ৰেচ ফ্ৰেন্সিচ বেৰী, মিষ্ট্ৰেচ জনী জ'নচ্, মিচ্ ফায়াজ আলি, মিষ্ট্ৰেচ্ ফাৰহানা ইউনিচ, মিচ্ ৰুকচানা খান, মিচ্ ইৰাম নিছা, মিষ্ট্ৰেচ ফাকাৰা নিছা, মিষ্ট্ৰেচ ৰোজালিন ফনটেইন, মিষ্ট্ৰেচ মেৰী লিষ্টাৰ আৰু মিষ্ট্ৰেচ ৰুমী দাস (অৰুন্ধতী দাস)।

চিকিৎসালয়খনৰ আটাইকেইগৰাকী চিকিৎসক আৰু নাৰ্চ-কৰ্মচাৰীৰ পৰা বিদায় লৈ আমি ছাগিৰ নামৰ এগৰাকী পাকিস্তানী মুছলমানৰ গৃহলৈ গ'লোঁ। ছাগিৰ হ'ল ডাঃ কৰুণা সাগৰ দাসৰ বন্ধু। তেখেতে মোক শুকুৰবৰীয়া নামাজ ব্ৰেডফোৰ্ডৰ মছজিদত তেখেতসকলৰ সৈতে পঢ়িবলৈ অনুৰোধ জনালে। মই ডাঃ দাসৰ ঘৰলৈ গৈ গা-পা ধুই কাপোৰ-কানি পিন্ধি ওলালোঁ। শিৱসাগৰৰ অলকাৰাণী চেতিয়া বাইদেৱে উপহাৰ দিয়া পাটৰ পাঞ্জাৱী, আমাৰ 'পাতি-লোৱা' জীয়ৰী চুমি ঠাকুৰীয়াই উপহাৰ দিয়া পাটৰ গামোচা, পায়জামা, চুৱেটাৰ, মিচিং মিবু গালোক আদি পিন্ধি ডাঃ দাসৰ সৈতে প্ৰথমে ছাগিৰৰ ঘৰলৈ আৰু তাৰ পিছত ছাগিৰৰ সৈতে কিছু দূৰৰ মছজিদলৈ গাড়ীৰে গ'লোঁ। যাওঁতে ছাগিৰে অসমৰ কথা আৰু আমাৰ ইংলেণ্ড যাত্ৰাৰ উদ্দেশ্যৰ কথা সুধিলে। তেখেতে শঙ্কৰদেৱৰ দৰ্শনৰ কথাও সুধিলে। মই থোৰতে শঙ্কৰদেৱৰ একশৰণ তত্ত্বৰ দৰ্শনৰ কথা ক'লো আৰু ইছলামৰ একত্ববাদৰ সৈতে শঙ্কৰদেৱৰ একশৰণ তত্ত্বৰ সম্পৰ্কৰ কথা বুজাই দিলোঁ। ছাগিৰে বৰ আনন্দ পালে। তেখেতে অসমৰ বড়ো আৰু মুছলমানসকলৰ সংঘাতৰ কথাও সুধিলে। দূৰদৰ্শন যোগে সেই সংঘাতৰ কথা হেনো জানিব পাৰিছে। মই সংঘাতৰ আঁৰৰ ৰাজনৈতিক উদ্দেশ্যৰ কথা বুজাই দিলোঁ। তেওঁ আশ্বস্ত হ'ল।

ডাঃ কৰুণা সাগৰ দাসক ছাগিৰে এগৰাকী মহান ব্যক্তি বুলি ভাৱে। তেখেতৰ মতে ডাঃ দাস হ'ল পাকিস্তানী মুছলমানসকলৰ অতি আপোন বন্ধু। ডাঃ দাসৰ দৰে মহান লোক তেওঁলোকে কমেই লগ পাইছে বুলি জনালে। এগৰাকী পাকিস্তানীৰ মুখত অসমীয়া চিকিৎসক এগৰাকীৰ প্ৰশংসা শুনি বৰ গৌৰৱবোধ কৰিলোঁ।

ব্ৰেডফোৰ্ড ইংলেণ্ডৰ উত্তৰ অঞ্চলৰ এখন মনোৰম নগৰ। ইয়াত হেনো সাতখনমান মছজিদ আছে। ইয়াৰ ইছলামধৰ্মীৰ নব্বৈভাগেই পাকিস্তানী। সেইবাবেই ঠাইখনক হেনো 'মিনি পাকিস্তান' বুলি কোৱা হয়। অৰুন্ধতী বাইদেউৰ পৰা জানিব পাৰিলোঁ যে মছজিদৰ উপৰি ব্ৰেডফোৰ্ডত হিন্দুধৰ্মীৰ মন্দিৰ আৰু শিখধৰ্মীৰ গুৰুদ্বাৰো আছে। মই সময়-সুযোগ বুজি মন্দিৰ, গীৰ্জা আৰু গুৰুদ্বাৰত সোমাম বুলি বাইদেউক ক'লোঁ।

আবেলিটো লেখা-মেলা কৰোঁতেই গ'ল। তাৰে মাজতে ইংলেণ্ডৰ কে'বাগৰাকী বিশিষ্ট অসমীয়াৰ সৈতে টেলিফোনত কথা পাতিলোঁ। তেওঁলোকৰ অন্যতম হ'ল তপন শৰ্মা, সুৰভি লাহন, ডাঃ আশ্ৰফ বৰা আদি। লণ্ডনত নামঘৰ বা 'শঙ্কৰদেৱ সাংস্কৃতিক কেন্দ্ৰ' এটি প্ৰতিষ্ঠা কৰা সম্পৰ্কেও কথা পাতিলোঁ। সূৰ্য হাজৰিকাৰ নেতৃত্বত গুৱাহাটীত ধন সংগ্ৰহৰ পৰ্ব আৰম্ভ হৈছে বুলি জনালোঁ। নামঘৰ বা সাংস্কৃতিক কেন্দ্ৰ প্ৰতিষ্ঠা হ'লে ইংলেণ্ডত অসমীয়া ভাষা-সংস্কৃতি চৰ্চাৰ পৰিৱেশ অধিক সজীৱ হৈ উঠিব বুলি আমাৰ আশা।

আবেলি ৪ বজাত দাস দম্পতীৰ দুই কন্যা পাপৰি আৰু প্ৰণামী বাৰ্মিংহাম ইউনিভাৰচিটিৰ হোষ্টেলৰ পৰা ঘৰ আহি পালে। ব্ৰেডফোৰ্ডৰ পৰা ডেৰশ কিলোমিটাৰ দূৰৰ পৰা তেওঁলোকে নিজা গাড়ী চলাই আহিছে। ডাঙৰজনী পাপৰি; তাই বাৰ্মিংহাম বিশ্ববিদ্যালয়ত চিকিৎসা শাস্ত্ৰ (মেডিচিন) পঢ়ি আছে। বৰ শান্ত ছোৱালী। সুন্দৰকৈ অসমীয়া ভাষা কয়। মই এবাৰ 'বয়চ এণ্ড গাৰ্লচ' বুলি কওঁতে তাই 'ল'ৰা-ছোৱালী' বুলি ক'লে। কথা কোৱাৰ অসমীয়া সঙ্গী নথকাতো তাই সুন্দৰকৈ অসমীয়া ভাষা কৈ জাতীয় গৌৰৱ অক্ষুণ্ণ ৰাখিছে। আনজনী প্ৰণামী। তাই একে বিশ্ববিদ্যালয়ত হিউমেন বায়'লজী বিষয়ত পঢ়ি আছে। প্ৰণামীয়ে নিজে গাড়ী চলাই আহিছে। পাপৰিৰ দৰেই তায়ো শুদ্ধ অসমীয়া কয়। তেওঁলোকৰ সৈতে ভাব বিনিময় কৰি বৰ ভাল পালোঁ।

আবেলিৰ ভাগত ইংলেণ্ডৰ বিভিন্ন ঠাইত কৰ্মৰত অসমীয়া ৰাইজৰ পৰা টেলিফোন আহিল। তেওঁলোকৰ মাজৰ অন্যতম হ'ল ডাঃ মুকুল হাজৰিকা। আধা ঘণ্টাৰো অধিক সময় ডাঃ হাজৰিকাই অতি আন্তৰিকতাৰে সৈতে কথা পাতিলে। তেখেতৰ সৈতে বাংলাদেশৰ চট্টগ্ৰাম, জাপলুং, বগাইতুৰুং, বাউৰভাগ আদিত থকা অসমীয়া সম্পৰ্কে কথা পাতিলোঁ। হাজৰিকাৰ প্ৰাচীন আৰু মধ্য

অসমৰ ভূগোল আৰু অসমীয়া জাতিৰ বিৱৰ্তনৰ ইতিহাস সম্পৰ্কে যথেষ্ট জ্ঞান আছে। বিদেশত কৰ্মৰত এগৰাকী অসমীয়া চিকিৎসকৰ এনে ধৰণৰ ইতিহাসৰ জ্ঞান সঁচাকৈয়ে শলাগিবলগীয়া। তেখেতে 'ঢেকেৰী' শব্দটোৰ উৎসৰ অনুসন্ধান কৰিবলৈ যাওঁতে দাৰ্জিলিঙৰ ওচৰত 'ঢেকেৰী' নামৰ ঠাই এখন থকাৰ কথা ক'লে। 'ঢেকেৰী' শব্দটো প্ৰাচীন কামৰূপী লোকৰ ক্ষেত্ৰত ব্যৱহাৰ হৈছিল বুলি মই ক'লোঁ। শব্দটো সন্দৰ্ভত অধিক অনুসন্ধানৰ প্ৰয়োজন আছে বুলি তেখেতক জনালোঁ। নৰ্থ ইংলেণ্ডবাসী ডাঃ মুকুল হাজৰিকাই সময় সুযোগ বুজি মোক এবাৰ লগ কৰিব বুলি ক'লে। লণ্ডনৰ হাৰলোত থকা জুৰি বৰুৱাৰ সৈতেও টেলিফোনত কথা পাতিলোঁ। শিৱসাগৰৰ অলকাৰাণী চেতিয়া বাইদেৱে জুৰিৰ ফোন নম্বৰ দিছিল। অলকাৰাণী বাইদেউ হ'ল জুৰিৰ জেঠাই। ইয়াৰ আগতে তপন শৰ্মাৰ সৈতে কথা পাতি বৰ ভাল লাগিল। শৰ্মা হ'ল বিখ্যাত লেখক-প্ৰকাশক শিৱনাথ ভট্টাচাৰ্য্য আৰু পদাৰ্থবিজ্ঞানৰ অধ্যাপক হিমেন বৰঠাকুৰৰ পৰিয়ালৰ লোক। যোৱা ২৭ ছেপ্টেম্বৰত কলকাতালৈ 'ভিছা' কৰিবলৈ যাওঁতে আলিপুৰৰ নেশ্বনেল লাইব্ৰেৰীত মই শিৱনাথ ভট্টাচাৰ্য্যই ১৯১৩ চনমানতে ৰচনা কৰা 'আসাম-ভূগোল' নামৰ এখন গ্ৰন্থ পঢ়িছিলোঁ। অসমৰ পুথিভঁৰালত গ্ৰন্থখন বিচাৰি নেপাই মই নেশ্বনেল লাইব্ৰেৰীত বিচাৰি পোৱাত গ্ৰন্থখনৰ ধূলি-মাকতি আৰু পোক-কীট আঁতৰাই পৰিষ্কাৰ কৰি জমা দিলোঁ। নেশ্বনেল লাইব্ৰেৰীত ৪ বছৰ ধৰি অসমীয়া বিভাগৰ লাইব্ৰেৰীয়ান নথকাত অসমীয়া গ্ৰন্থবোৰ অনাদৃত হৈ আছে। তাৰে মাজতে শিৱনাথ ভট্টাচাৰ্য্যৰ গ্ৰন্থখন নেশ্বনেল লাইব্ৰেৰীত অধ্যয়ন কৰাৰ কথা শৰ্মাদেৱক কোৱাত তেখেত বৰ উৎফুল্লিত হ'ল। সাপেখাতীৰ জীয়ৰী সুৰভি লাহন বাইদেউৰ সৈতেও কথা পাতি বৰ ভাল পালোঁ। বন্ধু দেৱব্ৰত বৰগোহাঞিয়ে সুৰভি বাইদেউৰ কথা আগতীয়াকৈ কৈ থৈছিল। সুৰভি বাইদেউ হ'ল ডাঃ খগেশ্বৰ লাহনৰ পত্নী। লণ্ডনত থাকে। আনহাতে কালিয়ে কথা পাতিছিলো লেইষ্টাৰৰ মঞ্জিৰা (মামনি) চৌধুৰী বাইদেউৰ সৈতে। মামনি বাইদেউৰ গিৰীয়েক হ'ল ডাঃ তৰুণ চৌধুৰী। বৰপেটাৰ গণককুছিত ঘৰ। মোৰ ঘৰো গণককুছিৰ ওচৰৰ কয়াকুছিত বুলি ক'লোঁ। মামনি বাইদেউ হ'ল অধ্যাপক ৰঞ্জিৎ নাৰায়ণ দেৱগোস্বামীৰ বায়েক আৰু ড° কেশৱানন্দ দেৱগোস্বামীৰ ভাগিনীয়েক। মামনি চৌধুৰী বাইদেউ, সুৰভি লাহন বাইদেউ আদিয়ে শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱ পালনত বিশেষ ভূমিকা পালন কৰি আছে বুলি বহুদিন আগতেই ডাঃ কৰুণা

সাগৰ দাস ককাইদেউৰ পৰা জানিব পাৰিছিলোঁ। সুৰভি বাইদেউৰ ঘৰ সাপেখাতীত বুলি জনাৰ পিছত তেখেতক এটি বিহুনাম আওৰাই শুনালোঁঃ “ম'হঘূলিৰ বেতগাজ সাপেখাতীৰ চেনীমাছ/ বালিগাঁৱৰ ডাবৰি শাক;/ ঔ-টেঙা ঐ টেঙেচী কিনো খাই যাবা ঐ/ বেথানো লগাই যোৱা মাত।”

মোৰ কণ্ঠত সাপেখাতীৰ নাম থকা বিহুনাম শুনি সুৰভি বাইদেৱে বৰ আনন্দ পালে। দিনটো আনন্দ আৰু উত্তেজনাত কটালোঁ। কাৰণ কাইলৈ মই লণ্ডনৰ চাউথগেটত ‘শঙ্কৰদেৱৰ সম্পৰ্কে’ ভাষণ দিব লাগিব। সেইবাবে আনন্দ আৰু উত্তেজনা দুয়োটাই বিৰাজ কৰিছে মনৰ মাজত।

আজি ব্ৰেডফোৰ্ড নগৰখনৰ এটা অংশ চাই ফুৰোতে মনৰ মাজত ভূমিকম্পৰ সৃষ্টি হ'ল। কাৰণ, নগৰখনৰ ক'তো কোনো ধৰণৰ লেতেৰা বস্তু নেদেখিলোঁ। আমাৰ দেশৰ দৰে নগৰবোৰ লেতেৰা নহয়; বিন্দু পৰিমাণৰ ধূলি-বালি নাই। দোকান-পোহাৰ সম্পূৰ্ণৰূপে পৰিপাটি। ক'তো দৰ-দাম কৰাৰ নিয়ম নাই। সকলোতে এক দাম। গে'ট খুলি দিয়াৰ পৰা পেট্ৰল পাম্পত তেল লোৱালৈকে সকলোতে কম্‌পিউটাৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হৈছে। বাহিৰত মানুহৰ আহ্‌-যাহ্‌ নাই; আটায়ে ব্যস্ত। শিল্প নগৰীৰূপে জনাজাত ব্ৰেডফোৰ্ডখনৰ ক'তো ধোঁৱা দেখিবলৈ পোৱা নেযায়। চাইনবোৰ্ড নেদেখিলে ধৰিবই নোৱাৰি যে এইখন এখন ব্যস্ত শিল্প নগৰী। বজাৰবোৰত সোমালে এনে লাগে যেন এক বিশাল সাম্ৰাজ্যতহে সোমালোঁ। আমাৰ দেশৰ সৈতে আকাশ-পাতাল পাৰ্থক্য। মনতে ভাবিলোঁ— এনে এখন দেশৰ লোকেই আমাৰ দেশখন প্ৰায় ডেৰশ বছৰ শাসন কৰিছিলনে?

গুৱাহাটীৰ আমাৰ পৰিয়াললৈ ফোন কৰি জানিব পাৰিলোঁ যে যোৱা দুদিনে শতাধিক টেলিফোন আহিছে মই ইংলেণ্ডলৈ অহাৰ কথা বাতৰি কাকতত প্ৰকাশ পোৱাৰ পিছত।

(ৰাতি ১২ বজাত। ব্ৰেডফোৰ্ড)

লণ্ডনত শঙ্কৰদেৱৰ জন্মোৎসৱত

১৮ অক্টোবৰ, ২০০৮। শনিবাৰ। লণ্ডন, ইংলেণ্ড ঃ আজি পুৱা ৬ বজাতে ৰুমী বাইদেউৰ (অৰুন্ধতী দাস) কণ্ঠত কীৰ্ত্তন পাঠ শুনি টোপনিৰ পৰা সাৰ পালোঁ। বৰগীতত কোৱাৰ দৰে কোনোবাই যেন মোক কৈ গ'ল— 'উঠ উঠৰে বাপু নিশি পৰভাতে ভৈল....'। হাত-মুখ ধুই চাহ-জলপান খালোঁ। গা-পা ধুই সাজু হওঁতে ডাঃ পল্লৱ দাসৰ গাড়ী আহি পালে। তেখেত ব্ৰেডফোৰ্ডৰ পৰা ৫০ মাইল দূৰৰ হাল (Hull)ত থাকে। গুৱাহাটীত জন্ম। কটন কলেজিয়েটত পঢ়িছিল। বৰ শান্ত মানুহ। নিজে গাড়ী চলাই আমাৰ সৈতে লণ্ডনলৈ যাব।

আমি খাই-বৈ দুশ মাইল দূৰৰ লণ্ডনলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। সময় দহ বজা। ভাৰতীয় সময়মতে আবেলি ৩.৩০ বজা। মই, ডাঃ কৰুণাসাগৰ দাস, ৰুমী বাইদেউ আৰু ডাঃ পল্লৱ দাস। ১৫০ মাইল গৈ নিউপৰ্ট পাগনেলৰ এখন ৰেষ্টুৰেণ্টত সোমালোঁ। তাতেই চিনাকি হ'লোঁ ইউ.কে.ৰ লিভাৰপুলত কৰ্মৰত অসমীয়া চিকিৎসক ডাঃ বেণু কাকতি আৰু তেখেতৰ পত্নী ইভা (প্ৰতিভা) কাকতিৰ সৈতে। বেণু কাকতিৰ জন্মস্থান অসমৰ বৰপেটা জিলাৰ সৰুপেটাৰ ওচৰৰ ভাৰেগাঁৱত; আমাৰ জন্মস্থান কয়াকুছিৰ পৰা বাৰ কিলোমিটাৰমান দূৰত। প্ৰথম পৰিচয়তেই ক'লে— "কয়াকুছি মোৰ শৈশৱৰ চিনাকি। মোৰ গাঁওখন ডকাইত-গুণ্ডাৰ গাঁও আছিল। আগতকৈ ভাল হ'ল। আমি যে তাৰে পৰা আহি ইংলেণ্ডৰ নাগৰিক হ'মহি সপোনতো ভবা নাছিলোঁ। আমাৰ জন্মস্থানৰ পৰা আহি আপুনি লণ্ডনত শঙ্কৰদেৱৰ বিষয়ে ভাষণ দিব— এই কথাই মোক আনন্দিত কৰিছে। সেয়ে পৰিয়ালসহ আহিছোঁ।" বৰ ভাল পালো ডাঃ কাকতিৰ মুকলিমূৰীয়া কথা-বতৰা শুনি। ইভা বাইদেউক ইংৰাজ মহিলা যেন লাগিল।

সুশোভিত বাট-পথ, গাঁও-নগৰ আদিৰ মাজেৰে লণ্ডন আহি পাওঁতে ১-৩০ বাজিল। লংপেণ্ট-চোলা সলাই লণ্ডনৰ চাউথ গে'টৰ ছেইণ্ট এন্দ্ৰিউজ চাৰ্চ হলত ধুতী-পাঞ্জাবী পিন্ধি ল'লোঁ। গুৱাহাটীৰ পৰা লণ্ডনলৈ আহোতে মোৰ গুৱাহাটীস্থ মা কানন বৰদলৈয়ে ধুতী, শিৱসাগৰৰ অলকাৰাণী চেতিয়া বাইদেৱে

পাটৰ পাঞ্জাৱী, জাপৰিগোগৰ কৃষ্ণনগৰ নামঘৰ পৰিচালনা সমিতি আৰু সৰুপথাৰ কলেজৰ প্ৰবক্তা মণিপ্ৰভা বৰাই পাটৰ গামোচা, সোণাপুৰ কলেজে চেলেং চাদৰ, যোৰহাটৰ ভণ্টী (টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ প্ৰবক্তা) চিত্ৰা দুৱৰাই ৰুমাল উপহাৰ দিছিল। সেইবোৰ পিন্ধি মই যেতিয়া চাৰ্চ হলত সোমালো তেতিয়া মোক দেখি অসমীয়া পুৰুষ-নাৰী, ডেকা-গাভৰুসকল আগবাঢ়ি আহি চিনাকি হ'ল। চাহ-জলপান খাবলৈ দিলে। ক্ষন্তেক পিছতে নাম-প্ৰসঙ্গ আৰম্ভ হ'ল। ৰাইজৰ সৈতে নাম-প্ৰসঙ্গত বহিলোঁ। মামনি বাইদেৱে (মঞ্জিৰা চৌধুৰী) নাম-প্ৰসঙ্গৰ নেতৃত্ব ল'লে। ডাঃ তৰুণ চৌধুৰীয়ে তাল আৰু ডাঃ খগেশ্বৰ লাহনে খোল বজালে। নাম-প্ৰসঙ্গৰ পিছত মাহ-প্ৰসাদ বিতৰণ কৰা হ'ল।

যুক্তৰাজ্য শাখা সাহিত্য সভাৰ সভাপতি গগন হাজৰিকাৰ আদৰণি ভাষণ আৰু সম্পাদিকা মঞ্জিৰা চৌধুৰীয়ে জনোৱা সম্বৰ্ধনাৰ পিছত বৃন্দাবনী বস্ত্ৰৰ ছবি প্ৰদৰ্শন কৰা হ'ল। তাৰ পিছত সুৰভি লাহনৰ গীতৰ মাজেৰে মুকলি সভাৰ মূল কাৰ্যসূচী আৰম্ভ হয়। আমাক আদৰণি জনোৱাৰ পিছত লণ্ডনৰ চাউথ হলৰ সাংসদ ভীৰেন্দ্ৰ শৰ্মাই তেওঁৰ ভাষণত শঙ্কৰদেৱক বিশ্বভাতৃত্বৰ বাহক বুলি অভিহিত কৰিলে। তেওঁ বিদায়ৰ মুহূৰ্তত তেওঁৰ আবাসলৈ আমাক নিমন্ত্ৰণ কৰি যায়। আমাৰ লিখিত ভাষণৰ ছপা কপি এটা শৰ্মাক উপহাৰ দিওঁ।

মই যেতিয়া ভাষণ দিবলৈ থিয় হওঁ তেতিয়া গধূলি ৬-৩০ বাজিছিল। ভাৰতীয় সময়মতে তেতিয়া ৰাতি ১১-০০ টা বাজিছিল। অসমবাসীৰ সৰহভাগেই গভীৰ নিদ্ৰাত। সেই মুহূৰ্তটিত মই আনন্দত শিহৰিত হৈ পৰিছিলোঁ। মই যেতিয়া চাৰ্চ হলৰ বিশাল মঞ্চত মাইক্ৰোফোনৰ আগত থিয় হৈ 'জয়গুৰু শঙ্কৰ' বুলি হল ভৰ্তি হৈ থকা ৰাইজৰ আগত থিয় হৈ সম্বোধন কৰিছিলো তেতিয়া শ্ৰোতা-দৰ্শকৰ চকু-মুখত বিৰাজ কৰা দেখিছিলো চৰম কৌতূহলৰ ছবি। সেই সময়ত মোক বিশেষভাৱে জনা মানুহ কেৱল দুগৰাকী আছিল। তেওঁলোক হ'ল ব্ৰেডফোৰ্ডৰ দাস-দম্পতী ডাঃ কৰুণা সাগৰ দাস ককাইদেউ আৰু ৰুমী বাইদেউ (অৰুন্ধতী দাস)। তেখেতসকল বাদে বাকী আটাইবোৰেই মোৰ অচিনাকি। প্ৰান্তিক, অসমীয়া প্ৰতিদিন আদিত মোৰ দুই-এটা লেখা পঢ়া বাদে মোৰ বিষয়ে তেওঁলোকে বিশেষ নাজানে। তৎসত্ত্বেও মোৰ প্ৰতি ইমান কৌতূহলী হোৱাৰ মূল কাৰণ আছিল শঙ্কৰদেৱ চৰ্চা।

কেইজনমানে জনাইছিল যে তেওঁলোকে মোৰ চমু জীৱনপঞ্জী ডাঃ কৰুণা সাগৰ দাসৰ পৰা আগতীয়াকৈ সংগ্ৰহ কৰিছিল। সেইবাবেই তেওঁলোকে অধিক কৌতূহলী হৈ পৰিছিল মোৰ ভাষণ শুনিবলৈ। ময়ো এক তত্ত্বগধূৰ আৰু চিন্তাৰ সমলযুক্ত ভাষণ এটি দিবলৈ প্ৰস্তুত হৈ গৈছিলো আৰু ভাষণটি সংৰক্ষণ আৰু প্ৰচাৰৰ সুবিধাৰ অৰ্থে ইংৰাজী আৰু অসমীয়া ভাষাত গ্ৰন্থ আকাৰে ছপা কৰি নিছিলোঁ। মোৰ ভাষণটি ইংৰাজী আৰু অসমীয়া ভাষাত পঢ়ি দিলে সময়ৰ প্ৰয়োজন হ'ব কমেও তিনি ঘণ্টা। সেয়ে তিনি ঘণ্টা ভাষণ পাঠ কৰি চৰম আমনিলগা কাম নকৰি মই মাত্ৰ এঘণ্টাতে দুয়োটা ভাষাত ভাষণ সামৰাৰ সিদ্ধান্ত ল'লোঁ আৰু ভাৰতীয় সময়মতে ৰাতি ১১-০০ বজাত ভাষণ আৰম্ভ কৰিলোঁ। ৰাইজক সম্বোধন কৰি মোৰ লণ্ডন যাত্ৰাৰ অনুভৱ আৰু শঙ্কৰদেৱ চৰ্চাৰ উদ্দেশ্যৰ কথা প্ৰায় দহ মিনিট সময় কোৱাৰ পিছত লক্ষ্য কৰিছিলো যে ৰাইজৰ চকুবোৰ অধিক উজ্জ্বল আৰু কৌতূহলী হৈ উঠিছে। মই ক'লোঁ, — "মই আজি শঙ্কৰদেৱৰ বিষয়ে ক'বলৈ পাই গৌৰৱবোধ কৰিছোঁ। এই গৌৰৱবোধৰ সুযোগ যুক্তৰাজ্যবাসী অসমীয়া সমাজ, যুক্তৰাজ্য শাখা অসম সাহিত্য সভা আৰু ব্ৰেডফোৰ্ড নিবাসী অসমীয়া চিকিৎসক তথা 'লুইতৰ পৰা টেম্‌চলৈ'আলোচনীৰ পৰিচালন সম্পাদক ডাঃ কৰুণা সাগৰ দাসে দিয়াত সদৌটিলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ.........মই বিশ্ববিশ্ৰুত নাট্যকাৰ শ্বেইক্সপীয়েৰৰ জন্মভূমিত থিয় হৈ কওঁ যে শঙ্কৰদেৱে শ্বেইক্সপীয়েৰতকৈ এশ পোন্ধৰ বছৰ আগতে জন্ম গ্ৰহণ কৰি ছখন অংকীয়া নাটেৰে পৃথিৱীৰ নাট্য আন্দোলনৰ সূচনা কৰা সত্ত্বেও অৱহেলিত হৈ থকাৰ একমাত্ৰ কাৰণ হ'ল আমাৰ হীনমন্যতা আৰু তেৰাৰ প্ৰতি আমাৰ অৱহেলা। মই বুকু ফুলাই ক'ব পাৰো যে শঙ্কৰদেৱৰ নাটকৰ শৈলী শ্বেইক্সপীয়েৰৰ নাটকৰ শৈলীতকৈ আছিল বহুগুণে শ্ৰেষ্ঠ। শ্বেইক্সপীয়েৰ ইংলেণ্ডৰ ষ্ট্ৰেটফোৰ্ডত জন্ম গ্ৰহণ কৰা বাবে আজি বিশ্ববন্দিত; কিন্তু শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ হৈও তেৰাৰ প্ৰচাৰ বিশ্বজুৰি নোহোৱাৰ কাৰণ হ'ল তেৰাই অসমত জন্ম গ্ৰহণ কৰিছিল। সেইবাবে যুক্তৰাজ্যৰ অসমীয়াসকলে কেমব্ৰিজ, অক্সফোৰ্ড আদি বিশ্ববিদ্যালয়ৰ বৈষ্ণৱী আন্দোলন সম্পৰ্কীয় শাখা আৰু নাট্যকোষৰ জৰিয়তে বিদেশৰ লোকক শঙ্কৰদেৱ সম্পৰ্কে গৱেষণাৰ সুযোগ দি গুৰুজনাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাত আগভাগ ল'ব লাগিব।.... আমেৰিকাৰ তৰুণ সাঁতোৰবিদ মাইকেল ফেল্পচে বেইজিং অলিম্পিকত বিশ্বৰেকৰ্ড গঢ়াৰ পিছত কৈছিল— "মই গৌৰৱান্বিত যে চীনৰ

দৰে বৈচিত্ৰ্যময় দেশ এখনৰ মাটিত মই মোৰ দেশ আমেৰিকাৰ পতাকা উৰুৱাব পাৰিছোঁ।” ঠিক তেনেদৰে ময়ো গৌৰৱান্বিত যে শ্বেইক্সপীয়েৰৰ দেশ ইংলেণ্ডৰ ৰাজধানী লণ্ডনৰ মাটিত থিয় হৈ মই শঙ্কৰদেৱৰ বিষয়ে আপোনালোকৰ আগত দু-আষাৰ ক’ব পাৰিছোঁ....।” এনেদৰে মোৰ ভাষণৰ আৰম্ভণি কৰাৰ লগে লগে লক্ষ্য কৰিছিলো উপস্থিত শ্ৰোতাসকলৰ মুখ ক্ৰমান্বয়ে উজ্জ্বল হৈ পৰিছে। লণ্ডনৰ চাউথ গে’টৰ বাহিৰেও ব্ৰেডফোৰ্ড, স্কটলেণ্ড, নিউকাচুল, বাৰ্মিংহাম, শ্বেফিল্ড, ষ্ট্ৰেটফোৰ্ড, টুটিং বেক, ৱেলচ্, নটিংহাম, ক’ভেণ্ট্ৰী, ৱালথামচ্, লিভাৰপুল, চাউথ উডফোৰ্ড, ইম্‌পেৰিয়েল কলেজ, কেণ্ট, ছাটনছাৰে কাউণ্টী, ডালেচ, হেজ, লেষ্টাৰ, চুইনডন, চিগৱেল আদি ঠাইৰপৰা সমবেত হোৱা অসমীয়া আৰু ইংৰাজীভাষী শ্ৰোতাৰ আগত মই অসমীয়া আৰু ইংৰাজী ভাষাত ভাষণ দিওঁতে কেতিয়া যে এঘণ্টা পাৰ হৈ গ’ল ক’বকে নোৱাৰিলোঁ। এই এঘণ্টা সময়ত মোৰ ভাষণৰ মাজে মাজে কুৰিবাৰতকৈ অধিকবাৰ ৰাইজৰ বিপুল হাত-চাপৰিয়ে ছেইণ্ট এন্ড্ৰিউজ চাৰ্চ হল উত্তাল কৰি তুলিছিল। মই যেতিয়া “জয় জয় শঙ্কৰ বিশ্বৰূপী খনিকৰ / তোমাৰ মহিমা অপাৰ; তোমাৰ নামতে পৰিচয় আমাৰ/ বিলালা বিশ্বত পোহৰ /হেনুৱা পোহৰত আমি বাট বুলিছোঁ /তোমাৰ গুণ-গান গাই; / অসমীয়া জাতিকে তুমি ধন্য কৰিলা তোমাৰ যে তুলনা নাই।”— বুলি ভাষণ শেষ কৰিলো তেতিয়া উল্লাসত ৰাইজে থিয় হৈ হাত-চাপৰি বজাই মোক যি অভাৱনীয় সন্মান জনালে তাক নেদেখাজনে কল্পনা কৰিব নোৱাৰে। মই অতিথিৰ আসনত বহাৰ লগে লগে বিভিন্নজনে তেওঁলোকৰ আসনৰপৰা উঠি আহি মোক পুনৰ সাৱটি ধৰি সন্মান আৰু মৰম জনালে, বহুতে চুমা খালে, ফটো তুলিলে! সেই দৃশ্য, সেই আন্তৰিকতা, সেই মৰম আৰু ভালপোৱাৰ স্পৰ্শত মোৰ হৃদয়ৰ ভিতৰখন সেমেকি উঠিল; ক’ব নোৱাৰাকৈয়ে দুচকুৰে বৈ আহিল আনন্দৰ চকুলো। সেই আনন্দ আৰু উল্লাসৰ মাজত প্ৰায় পোন্ধৰ মিনিটৰ বাবে সভাৰ কাৰ্যসূচী বন্ধ ৰাখিব লগা হ’ল। .... মই অভিভূত হৈ পৰিলোঁ। মনে মনে ভাবিলোঁ - শঙ্কৰদেৱৰ দৰ্শন, সমাজ-দৃষ্টিভঙ্গী আৰু সংস্কৃতিৰ প্ৰকৃত দিশসমূহৰ কথা কৈ সম্ভৱতঃ মই যুক্তৰাজ্যৰ বিভিন্ন ঠাইৰপৰা অহা দৰ্শক-শ্ৰোতাৰ হৃদয়-মন স্পৰ্শ কৰিব পাৰিছোঁ। তেওঁলোকে বৰ আগ্ৰহেৰে মোৰ লিখিত ভাষণৰ কপিবোৰ সংগ্ৰহ কৰিলে। কে’বাজনে ক’লে যে তেওঁলোকে ইংলেণ্ডৰ অনা-অসমীয়া নাগৰিকক ভাষণৰ লিখিত কথাখিনি

পঢ়িবলৈ দিব। কিছুমানে একাধিক কপিও দুই পাউণ্ডকৈ জমা দি কিনি ল'লে। আনকি আমাৰ পুত্ৰ ছাকিলে আঠ বছৰতে লিখা বাৰটকীয়া দামৰ কেছেট আকৃতিৰ 'ঢৌ খেলা শৈশৱ' নামৰ গ্ৰন্থখনো কে'বাগৰাকীয়ে দহ পাউণ্ডকৈ (প্ৰায় আঠশ টকা) দি আনন্দেৰে সৈতে কিনি ল'লে। গ্ৰন্থখন মই নিছিলো উপহাৰ দিবলৈ; কিন্তু তেওঁলোকে কিনি ল'লে। হীৰা বুলি ভাবি। বৰকৈ অভিভূত হ'লোঁ।

'শঙ্কৰদেৱৰ জন্মোৎসৱৰ সভা' শেষ হোৱাৰ পিছত আমি প্ৰীতি-ভোজত মিলিত হ'লোঁ। ৰাতি দহ বজালৈ প্ৰীতি-ভোজ চলিল। বিদায়ৰ মুহূৰ্তত আটায়ে একেলগে বিহুনাম গাই বিদায় ল'লোঁ। বাহিৰত উষ্ণতা ৬° ছেণ্টিগ্ৰেড্। হিৰ্‌হিৰীয়া ঠাণ্ডা বতাহ। ডাঃ পল্লৱ দাসে গাড়ী চলালে। ৰাতি দুই বজাত (ভাৰতীয় সময়মতে পুৱা ৬-৩০) ব্ৰেডফোৰ্ড আহি পালোঁ। ডাঃ দাসে হালৰ পৰা লণ্ডনলৈ অহা-যোৱা কৰোঁতে মুঠ আঠশ কিলোমিটাৰ পথ গাড়ী চলোৱা দেখি তবধ মানিলোঁ।

লণ্ডনৰ চাউথ গে'টৰ ছেইণ্ট এন্দ্ৰিউজ হলত যিসকলক অন্তৰঙ্গভাৱে লগ পালো তেওঁলোকৰ অন্যতম হ'ল গুৱাহাটীৰ কমল হাজৰিকা আৰু ধীৰা হাজৰিকা (টুটিংবেক, লণ্ডন), ডাঃ দ্বিজা মহন্ত আৰু কুঞ্জ মহন্ত (কভেন্ট্ৰী), ভূৱন চন্দ্ৰ বৰুৱা আৰু জীৱন কুমাৰী বৰুৱা (লণ্ডন), গুৱাহাটীৰ দিলীপ মেধি (ৱালথামচ্) সৰুপেটাৰ ভাৰেগাঁৱৰ ডাঃ বেণু কাকতি আৰু ইভা কাকতি (লিভাৰপুল), ডাঃ নীলমণি চিকদাৰ আৰু গীতা চিকদাৰ (কেণ্ট), গুৱাহাটীৰ লাখটকীয়াৰ ডাঃ আলতাফ আহমেদ আৰু ছেমিম আহমেদ (চাউথ উডফৰ্ড, লণ্ডন) গুৱাহাটীৰ ড° সাৰদা শৰ্মা আৰু বিণু শৰ্মা (ৱৰচেষ্টাৰ পাৰ্ক, ছুৰী), গীতা বৰুৱা (লণ্ডন), ঘিলামৰাৰ গগন হাজৰিকা আৰু পুষ্পা হাজৰিকা (ছাটনছাৰে কাউণ্টি, লণ্ডন), বৰপেটাৰ গায়নহাটীৰ ডাঃ লক্ষী দাস (লণ্ডন), বৰপেটাৰ ডাঃ তৰুণ চৌধুৰী আৰু মঞ্জিৰা (মামনি) চৌধুৰী (লেষ্টাৰ), ডিব্ৰুগড়ৰ ডাঃ বিমল চলিহা আৰু গায়ত্ৰী চলিহা (লণ্ডন), ডাঃ সতীশ মহন্ত আৰু কৃষ্টি মহন্ত (বাৰ্মিংহাম), গুৱাহাটীৰ জেউতি বৰা (লণ্ডন), শুৱালকুছিৰ ডাঃ দীনেশ কাকতি আৰু ভৱানী কাকতি (লণ্ডন), ডাঃ অনিল বৰঠাকুৰ আৰু লাহৰী বৰঠাকুৰ (ছুইনডন), ডাঃ অংকুৰণ কাকতি (লণ্ডন), মিত ৰয় আৰু মিনু ৰয় (ছুৰী), ডাঃ দীনা চৌধুৰী আৰু মঞ্জু চৌধুৰী (ফাৰেহাম হাটচ), ডাঃ জয়ন্ত মল্ল বৰুৱা আৰু উৰ্বশী বৰুৱা (ছিগৱেল), ডাঃ ৰঞ্জিৎ কাকতি আৰু

জাহ্নৱী কাকতি (ৱেলচ্ নৰ্থ), ডিব্ৰুগড়ৰ তপন শৰ্মা (লণ্ডন), ৰঙিয়াৰ অঞ্জন পাঠক আৰু বাবলি পাঠক (লণ্ডন), হাজোৰ কুলহাটীৰ ডাঃ কৰুণা সাগৰ দাস আৰু অৰুন্ধতী দাস (ব্ৰেডফোৰ্ড), সাপেখাতীৰ ডাঃ খগেশ্বৰ লাহন আৰু সুৰভি লাহন (গ্ৰীণফোৰ্ড), গোলাঘাটৰ ড° জিতেন বৰকাকতি (নৰ্থ বাৰ্ণ) আদি।

১৮ অক্টোবৰ, ২০০৮ চনৰ এই দিনটো মোৰ জীৱনৰ এক উল্লেখযোগ্য দিনৰূপে পৰিচিত হৈ থাকিব। কাৰণ, এই দিনটোৰ পৰা আৰম্ভ হ'ল মোৰ শঙ্কৰদেৱ সম্পৰ্কীয় আন্তৰ্জাতিক চিন্তা-চৰ্চাৰ যাত্ৰা। এই যাত্ৰাৰ সুযোগ দিয়াৰ বাবে ডাঃ কৰুণা সাগৰ দাস, শ্ৰীমতী অৰুন্ধতী দাস, যুক্তৰাজ্য অসম সাহিত্য সভা আৰু যুক্তৰাজ্যৰ অসমীয়া ৰাইজৰ ওচৰত মই কৃতজ্ঞ।

আজিৰ সভাত মই যুক্তৰাজ্যৰ অসমীয়া সমাজৰ অসমীয়া ভাষা-সংস্কৃতি চৰ্চাৰ পৰম্পৰা দেখি বৰ আনন্দিত হ'লোঁ। সভাত মোক মেখেলা-চাদৰ পিন্ধা গাভৰু ৰীতা কাকতিয়ে গামোচাৰে আদৰণি জনালে। ৰীতা হ'ল ডাঃ দীনেশ কাকতি আৰু শ্ৰীমতী ভবানী কাকতিৰ জীয়ৰী। তাই সত্ৰীয়া নৃত্য আৰু ভাৰত নাট্যমৰ শিল্পী। তেনেদৰে কে'বাগৰাকী গাভৰুৱে মেখেলা-চাদৰ পিন্ধি অহা দেখি বৰ ভাল পালোঁ। অৱশ্যে পুৰুষসকলৰ মাজত দুজনৰ বাদে আনসকলে ধুতী-পাঞ্জাৱী পিন্ধি যোৱা নেদেখিলোঁ। লণ্ডনত অত্যধিক ঠাণ্ডা বাবেও ধুতী নিপিন্ধিব পাৰে। যুক্তৰাজ্যৰ কে'বাগৰাকী অসমীয়াৰ সৈতে তেওঁলোকৰ যুক্তৰাজ্যৰ আগমন, প্ৰথম বিহু উৎসৱৰ আৰম্ভণি, শঙ্কৰদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদিৰ বিষয়ে অনুষ্ঠিত কৰা কাৰ্যসূচীৰ খতিয়ান, অসমত ক'ত জন্ম গ্ৰহণ কৰিছিল আদি সম্পৰ্কীয় কথা পাতিলো। এনেহে লাগিল যেন মই বহুদিন পিছত আপোন মানুহখিনিক লগ পাইছোঁ।

(ৰাতি ২.৩০ বজা। ব্ৰেডফোৰ্ড)

তোমালোকে শ্বেইক্সপীয়েৰক ভগৱান বনালা

১৯ অক্টোবৰ, ২০০৮। দেওবাৰ। ষ্ট্ৰেটফোৰ্ড, ইংলেণ্ড ঃ কালি ৰাতি ২-৩০ বজাত (ভাৰতীয় সময়মতে পুৱা ৯.০০ বজাত) টোপনি যোৱাত কিছু পলমকৈ সাৰ পালোঁ। চাহ-জলপান খাই কিছু সময় লেখা-মেলা কৰিলোঁ। ডাঃ দাস দম্পতীৰ দুই কন্যা পাপৰি আৰু প্ৰণামী বাৰ্মিংহামৰ ছাত্ৰীনিবাসলৈ যাব। সেয়ে তেওঁলোকে বাৰ্মিংহাম আৰু শ্বেইক্সপীয়েৰৰ জন্মস্থান তথা জন্মগৃহ ষ্ট্ৰেটফোৰ্ডলৈ যাবলৈ লগ ধৰিলে। দুপৰীয়া বাৰ বজাত ভাত খাই পাপৰিহঁতৰ সৈতে মই আৰু ডাঃ কৰুণা সাগৰ দাস বাৰ্মিংহামলৈ বুলি ৰাওনা হ'লোঁ।

পাপৰিয়ে বাৰ্মিংহাম বিশ্ববিদ্যালয়ত মেডিচিন বিভাগত চিকিৎসা শাস্ত্ৰ পঢ়ি আছে। প্ৰণামী হ'ল হিউমেন বায়'ল'জী বিভাগৰ স্নাতক মহলাৰ ছাত্ৰী। দুয়ো বৰ শান্ত। ইংৰাজ পৰিয়ালৰ গাভৰুৰ দৰেই ইংৰাজী কয়। আমাৰ সৈতে অসমীয়াত যোৱা তিনিদিনে কথা পাতিলে। মই ইংৰাজীত ক'লেও সিহঁতে অসমীয়াতেই কথা পাতে। আংকল বুলি নকয়, খুৰা বুলিহে কয়। এবাৰ মই ক'লোঁ, — তোমালোকে গাৰ্লচ স্কুলত পঢ়িছিলা নেকি? পাপৰিয়ে ক'লে, — "হয়, মই ছোৱালীৰ স্কুলত পঢ়িছিলোঁ। আমাৰ ল'ৰাৰ স্কুল বেলেগে আছে।" বৰ ভাল পালো পাপৰি আৰু প্ৰণামীহঁতৰ কথা শুনি। ৰুমী (অৰুন্ধতী দাস) বাইদেৱে জানিবলৈ দিছিল যে বাইদেৱে তেওঁলোকৰ সৈতে সদায় অসমীয়াতে কথা পাতে। সেয়ে পিতৃ-মাতৃৰ শিক্ষা তেওঁলোকে লৈছে।

প্ৰণামীয়ে সুদীৰ্ঘ এশ মাইল পথ অতি নিয়াৰিকৈ গাড়ী চলালে। উপগ্ৰহ নিয়ন্ত্ৰিত বাট-পথ। আমি অসমবাসীয়ে এনে বাট-পথৰ কথা ভাবিবই নোৱাৰোঁ। আমাৰ দেশৰ বেছিভাগ মানুহৰেই আচৰণ চোৰ-ডকাইতৰ দৰে। তেওঁলোকে দেশৰ কাৰণে চিন্তা নকৰে; কেৱল নিজৰ বাবেহে চিন্তা কৰে। সেইবাবেই বেছিভাগ মানুহৰেই মানসিকতা হৈ পৰিছে যিকোনো প্ৰকাৰে ধন ঘটি সুখে-সন্তোষে থকাটো। চাফ-চিকুণতা, চলন-ফুৰণ, কথা-বতৰা আদিৰ ক্ষেত্ৰত আমাৰ দেশৰ মানুহে নিম্নতম কথাখিনিও শিকা নাই যেন লাগে। গুৱাহাটীৰ দৰে গেলা-পচা নগৰীৰ কথা নকওঁৱেই যেনিবা; যোৱা ২৬-২৮ ছেপ্টেম্বৰত 'ভিছা'ৰ বাবে

কলকাতালৈ যাওঁতে চহৰখনৰ সবাতোকৈ ধুনীয়া আৰু গুৰুত্বপূৰ্ণ ৰাছেল ষ্ট্ৰীট আৰু পাৰ্কষ্ট্ৰীটৰ (এইবোৰ ভি.আই.পি. এলেকা) কে'বাঠাইতো দেখিলোঁ ফুটপাথৰ ওপৰতে বিহাৰী আৰু বঙালী লোকৰ চাহ-ৰুটিৰ দোকান। পুৱা ৬ বজাত প্ৰাতঃভ্ৰমণৰ বাবে যাওঁতে কে'বাঠাইতো 'ৰাতিৰ প্ৰহৰী'য়ে শৌচ কৰি থকা দেখা পালোঁ। ডাষ্টবিনবোৰত কাউৰী-কুকুৰৰ টনা-আঁজোৰা। ৰাস্তা-ঘাটে ভিক্ষাৰীৰ অস্বাভাৱিক উৎপাত; ঠগ- প্ৰবঞ্চকৰতো কথাই নাই। গুৱাহাটীখনতো অধিক গেলা!

যোৱা চাৰিটা দিনে ব্ৰেডফোৰ্ড, শ্বেফিল্ড, বাৰ্মিংহাম, কভেণ্ট্ৰী, লণ্ডন আদি ঘূৰি-পকি এনেহে লাগিল যেন আমি নৰকৰ পৰা স্বৰ্গলৈহে আহিছোঁ। যোৱা চাৰিদিনে প্ৰায় আঠশ কিলোমিটাৰ বাট-পথত কে'বাবাৰো অহা-যোৱা কৰি ক'তো এটা প্লাষ্টিক পেকেট বা কাগজৰ টুকুৰা, চিগাৰেটৰ পেকেট, পেলনীয়া বস্তু আদি নেপালোঁ। ৰাস্তা-ঘাটে অপ্ৰয়োজনীয়ভাৱে মানুহবোৰক ঘূৰি ফুৰাও নেদেখিলোঁ। ক'তো গাড়ীৰ জঁট নাই। মহ-মাখি দেখিবলৈকে নাই। আচৰিত, আচৰিত! আমাৰ দেশৰ সৈতে ইংলেণ্ডৰ সমাজ ব্যৱস্থা আৰু জীৱন-যাত্ৰাৰ তুলনা কৰি কথাবোৰ ভাৱি থাকোতেই প্ৰায় দুঘণ্টাৰ যাত্ৰাৰ অন্তত প্ৰণামীয়ে গাড়ীখন ৰখাই ক'লে— "খুৰা, আপোনালোকে নামক। এয়া উইলিয়াম শ্বেইক্সপীয়েৰৰ জন্মস্থান।"

গাড়ীৰ পৰা নামিলোঁ। স্থানীয় সময়মতে ২ বাজিছে। নামিয়েই চকু ফুৰালোঁ ঠাইখনলৈ। চাইনবোৰ্ডত লিখা আছে— "Shakespeare's Birth Place" বুলি। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে ন পাউণ্ড খৰচ কৰি প্ৰৱেশ-পত্ৰ আনি দিলে। আমাৰ ভাৰতীয় মুদ্ৰামতে সাতশ কুৰি টকা। ইংলেণ্ডত এটা ভাল জেকেটৰ দাম সাতশ কুৰি টকা। পৰহি ব্ৰেডফোৰ্ডৰ টেচক' মাৰ্কেটৰ পৰা ন পাউণ্ডেৰে জেকেট এটা কিনিছোঁ। মই ভাবিছিলোঁ যে এই সাতশ কুৰি টকাৰ টিকেটেৰে শ্বেইক্সপীয়েৰৰ জন্মস্থান চোৱাৰ উপৰি অন্য কিবা সুবিধা পাম। নাই, তেওঁলোকে জনালে যে কেৱল শ্বেইক্সপীয়েৰৰ গৃহ আৰু ক্ষুদ্ৰ যাদুঘৰ চোৱাৰ বাবেই টিকটৰ দাম ন পাউণ্ড।

টিকট হাতত লৈ সোমাই গ'লো যাদুঘৰৰ ভিতৰলৈ। সোমায়েই দেখিলো শ্বেইক্সপীয়েৰৰ দিনৰ বিদ্যালয়ৰ কিছু সামগ্ৰী, কাঠৰ বাকচ, শ্বেইক্সপীয়েৰলৈ পঠোৱা চিঠি, শ্বেইক্সপীয়েৰৰ হাতৰ আখৰ, শ্বেইক্সপীয়েৰক খৃষ্টান ধৰ্মত দীক্ষিত কৰা (Baptised) সময়ৰ ছবি (২৬ এপ্ৰিল, ১৫৬৪ খৃঃ),

শোৱা কোঠা, পিতৃ জন শ্বেইক্সপীয়েৰ আৰু মাতৃ মেৰী শ্বেইক্সপীয়েৰৰ ছবি, তেওঁলোকৰ কৰ্ম, ষ্ট্ৰেটফোৰ্ডৰ ঐতিহ্য আদি। এঘণ্টা সময় ধৰি এইবোৰ চোৱাৰ পিছত মই শ্বেইক্সপীয়েৰে শৈশৱৰ পৰা মৃত্যুলৈকে থকা কাঠ আৰু ইটাৰ দুমহলীয়া গৃহৰ ভিতৰত সোমালোঁ। আমাৰ সৈতে বিভিন্ন দেশৰ পৰা অহা প্ৰায় পঞ্চাছ্ গৰাকী লোক। শিশুৰ পৰা বৃদ্ধলৈকে আটায়েই বগা ছালৰ। কেৱল মইহে মাগুৰ বৰণীয়া ছালৰ। ফটো তুলিব নিদিয়ে যদিও তেওঁলোকে লুকাই চুৰকৈ কেমেৰা লৈ আহিছে। মোৰ সৈতে তেওঁলোকৰ কেমেৰাত শ্বেইক্সপীয়েৰৰ পিতৃগৃহৰ দৰজাৰ সন্মুখত ফটো তুলিলে। ক্ষন্তেক পিছতেই ওলাই আহিল এগৰাকী থুলন্তৰ বগা মানুহ। আমাক সম্ভাষণ জনাই ক'বলৈ আৰম্ভ কৰিলে, —"মই জন শ্বেইক্সপীয়েৰ; উইলিয়াম শ্বেইক্সপীয়েৰৰ পিতৃ। মোৰ এই গৃহৰ ভিতৰত সোমালে আপোনালোকে শ্বেইক্সপীয়েৰৰ জীৱনৰ সৈতে জড়িত অনেক বস্তু দেখিবলৈ পাব। ....।" এনেদৰে ৰসাল ভাষণেৰে আমাক আকৰ্ষিত কৰাৰ পিছত এটাৰ পৰা আনটো কোঠালৈ সোমাই গ'লোঁ। দুতলীয়া গৃহটোৰ বাৰটাতকৈ অধিক কোঠাত বিজ্ঞানসন্মত সংৰক্ষণ প্ৰণালীৰে সজাই থোৱা আছে বিভিন্ন ধৰণৰ সামগ্ৰী। সেইবোৰৰ ভিতৰত আছে শোৱা বিছনা, জুইশাল, পঢ়া মেজ, খোৱাঘৰৰ সামগ্ৰী, ৰান্ধনীশালৰ সামগ্ৰী, কাপোৰ-কানি, কেঁচি, কটাৰী, টুপী, মোনা, গজাল, মানুহৰ হাঁড়, ফণী, শিলৰ টুকুৰা, ফটা-ছিটা কাপোৰ, কপাহ, ফণি, স্নানাগাৰ, গ্লাচসদৃশ দৰজা আদি। এইবোৰ শ্বেইক্সপীয়েৰৰ মৃত্যুৰ পিছত তেওঁৰ গৃহত বিচাৰি পোৱা বুলি উল্লেখ আছে। এই সামগ্ৰীসমূহ চাওঁতে চল্লিছ মিনিটৰো অধিক সময় পাৰ হ'ল।

ইপিনে মোৰ বাবে বাহিৰত হাঁড় কঁপোৱা ঠাণ্ডাৰ মাজত অপেক্ষা কৰি আছে। ডাঃ কৰুণা সাগৰ দাস আৰু তেখেতৰ দুই জীয়ৰী পাপৰি আৰু প্ৰণামীয়ে। তেওঁলোকে পূৰ্বতে বহুবাৰ ঠাইখন চাইছে বাবে মোৰ সৈতে নোসোমালে। মই সোনকালে গৃহটিৰ পৰা ওলাই গৈ তেওঁলোকক মাত দিম বুলি প্ৰস্তুত হওঁতেই প্ৰস্থানপথৰ দাঁতিৰ কোঠাটিত সজাই থোৱা দেখিলো কেইখনমান মন্তব্যৰ বহী। বিভিন্ন দেশৰ পৰা বিভিন্ন সময়ত শ্বেইক্সপীয়েৰৰ ঘৰলৈ আহি যিসকল লোকে ভ্ৰমণ কৰি গৈছে তেওঁলোকৰ মন্তব্যৰে ভৰি আছে বহীবোৰ। হঠাৎ চকু পৰিল গ্লাচৰ প্ৰদৰ্শনী বাকচলৈ। তাত পৃথিৱীৰ কে'বাগৰাকী বিখ্যাত লোকৰ ফটো আছে যিসকলে এসময়ত শ্বেইক্সপীয়েৰ জন্মস্থান ভ্ৰমণ কৰি গৃহটিত সোমাই মন্তব্য দি গৈছে। ময়ো তেনে এখন বহীত

মন্তব্য দিব পাৰিম বুলি ভাবি মনটো আনন্দত নাচি উঠিল। কাৰণ, সেই বহীবোৰত যিসকল লোকে এসময়ত মন্তব্য দিছিল তেওঁলোকৰ অন্যতম আছিল নিবন্ধকাৰ আৰু বুৰঞ্জীবিদ থমাচ কার্লাইল, ঔপন্যাসিক আৰু কবি ৱালটাৰ স্কট, অভিনেত্ৰী এলেন টেৰী, অভিনেতা হেনৰী ইৰভিন, জন কীটচ্ (১৮১৭ খৃঃত), চার্লচ ডিকেনচ্ (১৮৩৮ খৃঃত) আদি।

কেৱল ষ্ট্ৰেটফোৰ্ডতেই নহয়, সমগ্ৰ ইংলেণ্ডতেই জিলিকি আছে শ্বেইক্সপীয়েৰৰ নাম। শ্বেইক্সপীয়েৰৰ নামত পুথিভঁৰাল, দোকান, বিদ্যালয়, মহাবিদ্যালয়, ৰাস্তা-ঘাট, গৃহ, সংঘ আদিৰ নামকৰণ কৰা হৈছে ইংলেণ্ডত। ইংলেণ্ডৰ চুকে-কোণে ব্ৰিটিছসকলে যুগ যুগ ধৰি স্মৰণ কৰি আছে শ্বেইক্সপীয়েৰক। শ্বেইক্সপীয়েৰ ধৰ্মগুৰু বা সংস্কৃতিৰ গুৰু নাছিল; তথাপিও তেওঁ ব্ৰিটিছসকলৰ পূজনীয় গুৰুত পৰিণত হোৱাৰ একমাত্ৰ কাৰণ হ'ল তেওঁৰ নাট্যক্ষেত্ৰলৈ অমূল্য অৱদান। জীৱনৰ অনেক ৰহস্যৰ উদ্‌ঘাটনৰ ক্ষেত্ৰত তেওঁৰ নাটকে যি চিন্তাৰ সমল যোগান ধৰিছিল তাৰ বাবেই পৃথিৱীৰ অনেক বিখ্যাত সাহিত্যিক-শিল্পীও পদাৰ্পণ কৰিছিল শ্বেইক্সপীয়েৰৰ জন্মগৃহত। আমি ওপৰত উল্লেখ কৰা ব্যক্তিসকলৰ মাজৰ ৱাল্টাৰ স্কট (১৭৭১-১৮৩২) আছিল ব্ৰিটিছ ৰোমাণ্টিক যুগৰ অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক। স্কটলেণ্ডৰ এডিনবাৰ্গত জন্ম গ্ৰহণ কৰা ৱাল্টাৰ স্কটৰ অন্যতম উপন্যাসসমূহ হ'ল— গাই মেনাৰিং (১৮১৫), দ্য এণ্টিকুৱেৰী (১৮১৫), দ্য ব্লেক ডাৰ্ফ এণ্ড অ'ল্ড মৰটেলিটী (১৮১৬), ৰব ৰয় (১৮১৭), হাৰ্ট অব মিডলোথিয়ান (১৮১৮), দ্য ব্ৰাইড অব্ লেমাৰম'ৰ এণ্ড লিজেণ্ড অৱ মণ্টৰ'জ (১৮১৯), ইভানহো (১৮২০), দ্য মনেষ্টাৰী (১৮২০), দ্য এব'ট (১৮২০), কেনিলৱৰ্থ (১৮২১), দ্য পাইৰেট (১৮২২), পেৰেভিল অৱ দ্য পিক (১৮২৩) আদি।

১৮৪৪ চনত শ্বেইক্সপীয়েৰৰ জন্মস্থানত খোজ দিয়া আলফ্ৰেড টেনীচন (১৮০৯-১৮৯২) আছিল ইংলেণ্ডৰ এক বিশিষ্ট কবি। তেওঁৰ সৃষ্টিসমূহ নাটকীয় গুণেৰে সমৃদ্ধ। আনহাতে ১৮৭৫ চনত শ্বেইক্সপীয়েৰৰ জন্মভূমিত খোজ দিয়া মাৰ্ক টুৱেইন (১৮৩৫-১৯১০) আছিল উনৈছ শতিকাৰ মহান আমেৰিকান লেখক। তেওঁৰ প্ৰকৃত নাম আছিল ছেমুৱেল লেংহৰ্ণ ক্লিমেনচ। ১৮৯৬ চনত শ্বেইক্সপীয়েৰৰ সমাধিস্থলত খোজ দিয়া থমাছ হাৰ্ডি (১৮৪০-১৯২৮) আছিল ইংলেণ্ডৰ প্ৰখ্যাত ঔপন্যাসিক আৰু কবি।

এইসকল বিশ্ববিখ্যাত সাহিত্যিক, বুৰঞ্জীবিদ, অভিনেতা আৰু

অভিনেত্ৰীয়ে খোজ পেলোৱা গৃহত থিয় হৈ আৰু তেওঁলোকে দিয়া মন্তব্যৰ বহী হাতেৰে চুই চাই মই কলম হাতত তুলি ল'লোঁ। প্ৰথমে লিখিলোঁ তাৰিখ ঃ ১৯ অক্টোবৰ, ২০০৮। তাৰ পিছত ইংৰাজী আৰু অসমীয়া বৰ্ণত লিখিলোঁ মোৰ ঠিকনা ঃ ইছমাইল হোছেইন। প্ৰবক্তা, অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউট। চানমাৰি, গুৱাহাটী-৩। অসম। ভাৰত। ফোন ঃ ৯৪৩৫১-০৯৭৬৪ (ম'বাইল)। এইখিনি লিখি ক্ষন্তেক সময়ৰ বাবে ভাৱিলোঁ— কি লিখা যায় মন্তব্যৰ শিতানত? ভাবি ভাবি বাওঁফালে মূৰটো ঘূৰাওঁতে দেখিলোঁ খিৰিকীৰে দেখা পোৱা আপেল গছৰ পৰা কেইটামান আপেল তলত পৰি আছে। তেতিয়া নিউটনৰ সেই মাধ্যাকৰ্ষণৰ সূত্ৰটোলৈ মোৰ মনত পৰিল। মোৰ এনে ভাব হ'ল যেন ওপৰলৈ দলিয়াই দিয়া নিউটনৰ আপেলটো মাটিত নপৰি মোৰ হাততহে পৰিল। মই লিখি পেলালো এই কথাষাৰিঃ "বৰ ধুনীয়া! আশ্চৰ্যজনক!! শঙ্কৰদেৱৰ দেশৰ পৰা শ্বেইক্সপীয়েৰৰ দেশলৈ আহি মানুহে মানুহৰ প্ৰতি সন্মান জনোৱা দেখি স্তম্ভিত হ'লোঁ। শ্বেইক্সপীয়েৰতকৈ ১১৫ বছৰ আগতে জন্ম গ্ৰহণ কৰি শঙ্কৰদেৱে ৬খন অংকীয়া নাট ৰচনাৰ মাজেৰে বিপ্লৱৰ সূচনা কৰিছিল। আজি শ্বেইক্সপীয়েৰ বিশ্ববন্দিত; কিন্তু শঙ্কৰদেৱ নিজ দেশতেই অৱহেলিত। হে ব্ৰিটিছ নাগৰিকসকল, ধন্যবাদ তোমালোকক— তোমালোক গৌৰৱান্বিত। কাৰণ, তোমালোকে শ্বেইক্সপীয়েৰক ভগৱান বনালা।"

Verry nice! wonderful!! Having come from the land of Sankaradeva to the land of Shakespeare, I am pleasantly surprised at the respect shown by man to man. Sankaradeva came 115 years before Shakespeare and created a revolution by writing six Ankiya Naat. Today, the whole world honours Shakespeare; but Sankaradeva is neglected in his country. Oh British citizens, my thanks to all of you—you are proud ; you have honoured Shakespeare as honoured God!

কথাখিনি লিখি শ্বেইক্সপীয়েৰৰ গৃহৰ পৰা ওলাই আহোতে দেখিলোঁ পাপৰিয়ে ভিডিঅ' কেমেৰা আৰু প্ৰণামীয়ে ষ্টিল কেমেৰা হাতত লৈ মোৰ বাবে প্ৰস্থান পথত অপেক্ষা কৰি আছে। বাহিৰলৈ ওলাই আহি পুনৰ ঠাইখিনিৰ বহিৰ্ভাগ চালো। হয়, ১৫৬৪ খৃঃৰ সেই ষ্ট্ৰেটফোৰ্ড নামৰ গাঁওখন এতিয়া

স্বপ্নপুৰী নগৰী, ব্ৰিটিছসকলৰ পুণ্যভূমি। প্ৰণামীয়ে গাড়ীখন ষ্টাৰ্ট দিওঁতে মনত পৰি গ'ল লক্ষ্মীনাথ বেজবৰুৱালৈ। চৰিত পুথিসমূহৰ পাতৰপৰা শঙ্কৰদেৱক উদ্ধাৰ কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান আঁহতগুৰিক লৈ আজিও অসমীয়া সমাজত কাজিয়াৰ অন্ত নাই। আনহাতে শঙ্কৰদেৱ? শঙ্কৰদেৱৰ জন্মস্থান আলিপুখুৰী নে বৰদোৱা তাকে লৈ যোৱা চাৰিশ বছৰে কাজিয়া। হায় অসমীয়া, তোমালোকৰ শুভবুদ্ধিৰ উদয় হ'ব কেতিয়া?

(ৰাতি ১২-৩০ বজা। ব্ৰেডফোৰ্ড)

'আপুনিচোন আধা-মুছলমান'

২০ অক্টোবৰ, ২০০৮। সোমবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজি পুৱা ৭-০০ বজাত (ভাৰতীয় সময়মতে আগবেলা ১১.৩০ বজা) সাৰ পালোঁ। হাত-মুখ ধুই চাহ খোৱাৰ পিছতেই শিৱসাগৰৰ অলকাৰাণী চেতিয়া বাইদেউৰ পৰা টেলিফোন আহিল। কথা পাতিলোঁ। লক্ষীমপুৰ জিলাৰ পাভ যুৱনগৰৰ ইয়াছিন আলী ভূএগ্ৰা, গোগামুখৰ সাংবাদিক বন্ধু পূৰ্ণ কুমাৰ চিন্তে আদিৰ পৰাও টেলিফোন পালোঁ। আমাৰ পৰিয়াললৈকো ফোন কৰিলোঁ। শ্বেইপীয়েৰৰ জন্মস্থানলৈ কালিয়ে যোৱা বুলি বাবাক (ছাকিলক) ক'লোঁ। বাবাই বৰ স্ফূৰ্তি পালে। শ্ৰীমতী ছাবেৰাই ক'লে, মই শঙ্কৰদেৱৰ বিষয়ে ভাষণ দিবলৈ ইংলেণ্ডলৈ অহাৰ পিছৰে পৰা যোৱা পাঁচদিনে কে'বাশলোকে টেলিফোনত খবৰ কৰি আছে। আটায়ে আনন্দিত আৰু উৎফুল্লিত হোৱা বুলি জনাইছে। মোলৈকো গ্ৰেট ব্ৰিটেইনৰ বিভিন্ন ঠাইৰ অসমীয়াসকলে ফোন কৰি খবৰ লৈ আছে। তেওঁলোকে মোৰ ভাষণ শুনাৰ পিছৰে পৰা মনৰ মাজত প্ৰশান্তি কঢ়িয়াই ফুৰিছে বুলি জনালে। আজি লণ্ডনৰ পৰা সুৰভি লাহন আৰু গগন হাজৰিকাই ফোন কৰিছে। দুয়োগৰাকীয়ে তেওঁলোকৰ ঘৰলৈ আমাক আমন্ত্ৰণ জনালে।

আজি আবেলিটোত ব্ৰেডফোৰ্ডৰ দোকান-পোহাৰ চাবলৈ গৈছিলোঁ। আমাৰ দেশৰ দৰে ৰাস্তা-ঘাটত খোলা-মেলা দোকান-পোহাৰ ইংলেণ্ডত নাই। দৰ-দাম কৰি বিৰক্তি কৰা, দুই নম্বৰী বস্তু এটাক এক নম্বৰী বুলি বিক্ৰী কৰা, গেলা-পচা পৰিৱেশত বস্তু বিক্ৰী কৰা আদি নিয়ম ইংলেণ্ডত নাই। আনকি আমাৰ দেশৰ দৰে অস্বাস্থ্যকৰ আৰু প্ৰদূষিত প্লাষ্টিকৰ ব্যৱহাৰো ব্ৰেডফোৰ্ডৰ বজাৰত নেদেখিলোঁ। পাচলি, মাছ, মাংস, মিঠাই আদি সকলো ধৰণৰ সামগ্ৰী পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত পৰিৱেশত বিক্ৰী কৰা হয়।

চিকেন ৰুষ্ট, চিকেন ৰুল আদি খুৱাব বুলি ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে মোক ব্ৰেডফোৰ্ডৰ এখন বজাৰলৈ লৈ গ'ল। যাওঁতে ক'লে, — "আপোনাক পাকিস্তানী মুছলমানৰ বজাৰ এখনলৈ লৈ যাম। তাত হালাল মুৰ্গী পোৱা যায়।" তালৈ গ'লো। বাহিৰৰ ফলকত লিখা আছে 'পাকিজাহ চুপাৰ মাৰ্কেট' বুলি। মুৰ্গীৰ ভজা মাংস কিনি থাকোতে চিনাকি দোকানীজনক ডাঃ

দাস ককাইদেৱে ক'লে, — "মই অসমৰ পৰা এগৰাকী অতিথি লৈ আহিছোঁ। এখেত ইছমাইল হোছেইন। মোৰ ঘৰতেই আছে। আজি মুৰ্গী খুৱাম। সেইবাবেই এইখন দোকানলৈ আহিছোঁ।" দোকানীজনে মূৰ তুলি মোৰ মুখলৈ চালে। পিন্ধনত তেওঁৰ দৰে পাকিস্তানী চোলা আৰু হলৌ পায়জামা নাই। দাড়ি-টুপী একোৱেই নাই মোৰ। অত্যধিক ঠাণ্ডা বাবে ডিঙি ঢাকি কান্ধত আঁৰি লৈছো মিচিং 'দুমেৰ'। মোৰ চেহেৰা-পাতি দেখি তথা ডাঃ দাসৰ ঘৰৰ আলহী বুলি জানি পাকিস্তানী দোকানীজনৰ মুখেৰে ওলাই আহিল, — "অ' আপতো হাফ-মুছলিম।"

দোকানীজনৰ কথাষাৰে মোক বিন্ধিলে। পোছাক- পৰিচ্ছদ আৰু শাৰীৰিক অৱয়বেৰে পাকিস্তানীসকলেও যে মুছলমান-অমুছলমানৰ পৰিচয় বিচাৰে সেই কথা বুজিবলৈ বাকী নাথাকিল। ব্রেডফোর্ডৰ সেই পাকিস্তানী দোকানীজনৰ চিন্তাৰ সংকীর্ণতা দেখি তেওঁলৈ পুতৌ জন্মিল। মই লাহেকৈ ক'লোঁ, — "হাফ-মুছলিম নেহী। হাম আছামিজ। আপ জেইচা মুছলিম, এইচা হাম নহী।" মোৰ মন্তব্যখিনি শুনি তেওঁ ভাল নাপালে। ভাবিলোঁ, এনে বুৰ্বক আৰু সংকীর্ণ মনৰ পাকিস্তানী মুছলমানক অধিক কথা শুনাই লাভ নাই। আমি বজাৰ কৰি গুচি আহিলোঁ।

ডাঃ দাস ককাইদেউৰ ঘৰলৈ আহি ৰুমী বাইদেউ, পাঞ্জাবী আংকল কাহেৰ গিল, ব্রেডফোর্ডৰ বেঙ্কত চাকৰি কৰা শিৱসাগৰৰ অসমীয়া ডেকা-ল'ৰা, অভিযন্তা ময়ুৰ বৰুৱা আদিৰ সৈতে পাকিস্তানী দোকানী আৰু অন্যান্য পাকিস্তানী সম্পর্কে কথা পাতিলোঁ। কাহেৰ সিঙে তেওঁৰ অভিজ্ঞতাৰ বহু কথাই ক'লে। তেওঁ পশ্চিম-দক্ষিণ এছিয়াৰ পাকিস্তানী, বাংলাদেশী আৰু ভাৰতীয় নাগৰিকৰ ইংলেণ্ড আগমনৰ অনেক কাহিনীও ক'লে। কাহেৰ সিং নিজেই ১৯৫৩ চনত কুৰি বছৰ বয়সত ইংলেণ্ডৰ ব্রেডফোর্ডলৈ আহিছিল। কেনেকৈ আহিলে বুলি সোধাত ক'লে যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বিপৰীত পক্ষই (জার্মানে!) ইংলেণ্ডৰ ঔদ্যোগিক অঞ্চলত ধাৰাসাৰ বোমা নিক্ষেপ কৰাৰ ফলত ঔদ্যোগিক চহৰসমূহত এনে এটা অৱস্থাৰ সৃষ্টি হৈছিল য'ত পুৰুষৰ মৃত্যু ঘটি পুৰুষ আৰু নাৰীৰ অনুপাত ১:৫ হৈছিলগৈ। অর্থাৎ, চহৰসমূহত পাঁচগৰাকী নাৰীৰ বিপৰীতে পুৰুষ আছিল মাত্ৰ এজনকৈ। এনে অৱস্থাত চহৰসমূহৰ কাৰখানাত চৈধ্য-পোন্ধৰ বছৰীয়া ব্রিটিছ গাভৰুৱে কাম কৰি কাৰখানাসমূহ জীয়াই ৰাখিব লগা হৈছিল। কিছুমান ঠাইত গাভৰু-মহিলাবো নাটনি হোৱাত

অনেক কাৰখানা বন্ধ হৈ যোৱাত দেশখনত অৰ্থনৈতিক সংকটেও দেখা দিছিল। সেই অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ ইংলেণ্ডত প্ৰয়োজন হৈছিল কৰ্মঠ মানুহৰ। সেই সময়তেই কাহেৰ সিং ইংলেণ্ডলৈ আহিছিল ভাৰতৰ পাঞ্জাবৰ পৰা। তেওঁ জাহাজেৰে আহি ইংলেণ্ডত ভৰি দিওঁতে বন্দৰৰ নিৰাপত্তাৰক্ষীসকলে হেনো পাৰপত্ৰ বা আন ধৰণৰ নথি-পত্ৰ বিচৰা নাছিল। কাৰণ, সেই সময়ত বাহিৰৰ পৰা যিমান মানুহ আহে সিমানেই মঙ্গলজনক আছিল ইংলেণ্ডৰ বাবে। সেইবাবেই পঞ্চাছৰ পৰা সত্তৰৰ দশকলৈ দক্ষিণ এছিয়াৰ পৰা ব্যাপক সংখ্যক লোক ইংলেণ্ডলৈ আহিছিল। কাহেৰ গিলে ১৯৫৩ চনত ইংলেণ্ডৰ ব্ৰেডফোৰ্ডলৈ আহোঁতে এই ঔদ্যোগিক নগৰখনত হেনো মাত্ৰ তিনিঘৰ এছিয়াবাসীৰ ঘৰ আছিল। সেই তিনিখন ঘৰত মুঠ মানুহ আছিল চৈধ্যগৰাকী। তাৰ পিছৰ পৰিস্থিতি বেলেগ। মৌ-বৰলৰ জাকৰ দৰে এছিয়াৰ মানুহ অহাৰ পিছত এনে এটা পৰিস্থিতিৰ সৃষ্টি হৈছে যে ব্ৰেডফোৰ্ডখন এতিয়া ভৰি পৰিছে অনা-ব্ৰিটিছ লোকেৰে। যোৱা পচপন্ন বছৰত (১৯৫৩-২০০৮) ইমানেই পাকিস্তানী আহিছে যে, এতিয়া বহুতেই ব্ৰেডফোৰ্ডখনক ক্ষুদ্ৰ পাকিস্তান (Mini Pakistan) বুলিয়ে কয়। মই নিজেও এই কেইদিন ব্ৰেডফোৰ্ডৰ য'লৈকে গৈছো তাতেই কেৱল পাকিস্তানী ঘৰ, পাকিস্তানী দোকান আৰু পাকিস্তানী মানুহ দেখিবলৈ পাইছোঁ। পাকিস্তানীৰ পিছতেই দক্ষিণ এছিয়াৰ লোকৰ ভিতৰত সবাতোকৈ বেছি আছে বাংলাদেশী, ভাৰতৰ গুজৰাটী, পাঞ্জাবী আদি। ব্ৰেডফোৰ্ডত অসমীয়া পৰিয়াল কেৱল এটাই। সেয়া হ'ল ডাঃ কৰুণা সাগৰ দাসৰ পৰিয়াল। ইংলেণ্ডৰ অন্যান্য ঠাইত যিবোৰ অসমীয়া পৰিয়াল আছে তেওঁলোকৰ আটায়েই পঞ্চাছ, ষাঠি আৰু সত্তৰৰ দশকত ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, বিষয়া আদিৰূপে যুক্তৰাজ্যলৈ আহি থিতাপি লৈছিল। অসমৰ কোনো এটা পৰিয়ালেই পাকিস্তানী, বাংলাদেশী, গুজৰাটী, পাঞ্জাবী, বাঙ্গালী আদিৰ দৰে ভাত-কাপোৰৰ সন্ধানত শ্ৰমিক-বনুৱাৰূপে অহা নাছিল। সেইবাবেই যুক্তৰাজ্যৰ অসমীয়া পৰিয়ালৰ মাজত ব্যৱসায়ী, বনুৱা আদি নাই।

ব্ৰেডফোৰ্ডৰ পাকিস্তানী মুছলমানৰ মাজত ধৰ্মীয় সংকীৰ্ণতা অত্যধিক যদিও ৰুকচানাইঁতৰ দৰে মুক্তমনৰ গাভৰুও লগ পাইছোঁ। আনকি উচ্চ শিক্ষিত আৰু চাকৰিয়াল গাভৰু ৰুকচানাইঁতে উপযুক্ত আৰু মুক্তমনৰ পাত্ৰ পালে অসমৰ যুৱকৰ সৈতেও বিয়াত বহিবলৈ প্ৰস্তুত। পৰ্দা প্ৰথা, ধৰ্মীয় সংকীৰ্ণতা আদিকো পছন্দ নকৰে ৰুকচানাইঁতে।

পাকিস্তানী মুছলমানসকলতকৈ আমাৰ ভাৰতৰ (বিশেষকৈ অসমৰ) মুছলমানসকলৰ মানসিকতাৰ ভিন্নতাৰ মূল কাৰণ হ'ল আমাৰ সামাজিক আৰু সাংস্কৃতিক সম্পৰ্ক। পাকিস্তান, আৰৱ, আফগানিস্তান, ইৰান, ইৰাক আদিৰ মুছলমানসকলে নিজৰ ধৰ্ম-সংস্কৃতিৰ বাদে আনৰ ধৰ্ম-সংস্কৃতিৰ অন্বেষণ কৰাৰ বিশেষ নজিৰ নাই। কিন্তু আমাৰ অসমৰ মুছলমানসকলৰ ক্ষেত্ৰত এই চিত্ৰ সম্পূৰ্ণ ভিন্ন। আমি জাতীয় জীৱনৰ স্বাৰ্থত সকলোৰে ধৰ্ম-সংস্কৃতিৰ অন্বেষণ কৰো আৰু সেইবোৰৰ মাজেৰে আমি আমাৰ মানসিক পুষ্টিৰ সন্ধান কৰোঁ। আমি সকলো ধৰণৰ বহল সংস্কৃতিক গ্ৰহণ কৰোঁ। সেইবাবেই শঙ্কৰদেৱৰ সংস্কৃতি, বিহু সংস্কৃতি, মিচিঙৰ আলি আঃয়ে লৃগাং, অইনিতম্, দেউৰীৰ জিম'চ্ছায়া চাজেবা, বড়োৰ বাগ'ৰুম্বা, খেৰাই আদি আমাৰ নিজৰো সংস্কৃতি।

পাকিস্তানী মুৰ্গী বেপাৰীৰ কথা বাদেই, অন্য কিছুমান শিক্ষিত পাকিস্তানীৰ মাজতো আমি চৰম সংকীৰ্ণতা দেখিবলৈ পাইছোঁ। পাকিস্তানীসকল ইমানেই গোড়া যে তেওঁলোকে ব্ৰেডফোৰ্ডৰ অমুছলমানৰ ঘৰলৈ গ'লে নিজে খোৱা-বস্তু ঘৰতে বনাই লৈ যায়। আনকি বজাৰৰ হালাল (ধৰ্মীয় নিয়মমতে শ্লোক মাতি ডিঙি কাটি হত্যা কৰা প্ৰথা) মুৰ্গী আনি ৰান্ধি দিলেও তেওঁলোকে অমুছলমানৰ ঘৰৰ খাদ্য নেখায়। খালেও তেওঁলোকে নিজে ৰন্ধা বস্তু লগত লৈ আনি অমুছলমানৰ ঘৰত খাদ্য খায়। পাকিস্তানীসকলৰ এনে হীনমন্যতা আৰু গোড়ামিৰ বিপৰীতে আমাৰ মাজত অন্য ধৰণৰ চিত্ৰ দেখিবলৈ পোৱা যায়। আমাৰ জীৱনতে তেনে উদাহৰণ বহুত আছে। জন্মস্থান কয়াকুছিত মোৰ মা, ভাই-ককাই, ভনী, ভতিজা-ভাগিনী আদি আছে। তেওঁলোকৰ বাদেও মোৰ অন্যান্য আত্মীয়সকল হ'ল মোৰ মা কানন বৰদলৈ (গুৱাহাটী), মাহী ড° সুচিত্ৰা কাকতি (গুৱাহাটী), বাইদেউ পুষ্পলতা ডেকা (গুৱাহাটী), বাইদেউ পুষ্পা গগৈ (ঢকুৱাখনা), বাইদেউ চম্পা হাজৰিকা (নাৰায়ণপুৰ), বাইদেউ মালতী বৰদলৈ (চুইজাৰলেণ্ড, যোৰহাটৰ জীয়ৰী), বাইদেউ বাসন্তী মৰাং (ঢকুৱাখনা), ভণ্টী চিত্ৰা দুৱৰা (যোৰহাটৰ চি. কে. বি. কলেজৰ অধ্যাপিকা), ভণ্টী প্ৰণীতা টাইড (ঘূণাসুঁতি), ভণ্টী মৰমী মুংলাং (নাৰায়ণপুৰ), ভাগিনী মনময়ুৰী গগৈ (টেঙাখাত), জীয়ৰী চুমি ঠাকুৰীয়া (আজাৰা) আদি। এইসকল মোৰ তেজৰ সম্পৰ্কৰ দৰেই আপোন। ব্ৰেডফোৰ্ডলৈ আহি আন এখন নিজৰ ঘৰ আৰু আপোন মানুহ পালোঁ। সেই আপোন মানুহৰ এগৰাকী হ'ল ডাঃ কৰুণা সাগৰ দাস (ককাইদেউ) আৰু অৰুন্ধতী দাস (বাইদেউ)। এনেধৰণৰ আপোন মানুহৰ

ঘৰ আমাৰ অসমত হাজাৰ-বিজাৰ আছে। এনে আপোনৰ সৈতে আমি বিহু, ঈদ, নাম-প্ৰসঙ্গ, শঙ্কৰদেৱৰ জন্মোৎসৱ আদি নাপাতিলে, একেলগে নাখালে আমাৰ মনলৈ শান্তি নাহে। মই যিদিনা গুৱাহাটীৰ পৰা ইংলেণ্ডলৈ যাত্ৰা আৰম্ভ কৰিছিলোঁ সেইদিনা পুৱা ৮ বজাৰ পৰা মা কানন বৰদলৈ আহি আবেলি ৩ বজাত উৰাজাহাজ এৰালৈকে মোৰ লগতেই আছিল। মই মাৰ বুকুৰ মৰম লৈ ইংলেণ্ডলৈ আহিছোঁ। মোৰ পুত্ৰ-পৰিবাৰেও মা-মাহীৰ যি মৰম পাইছে সেয়া পাকিস্তানীসকলৰ সপোনৰো অগোচৰ। সেইবাবেই তেওঁলোকৰ বাবে আমি আধা-মুছলমান। এই আধা মুছলমানৰ দেশত প্ৰথম মানৱ হজৰত আদমে হেনো ভৰি দি বিচৰণ কৰি এই ভূমিক পুণ্য কৰিছিল। এই পুণ্যভূমিৰ কথা স্মৰণ কৰি এবাৰ মক্কাত বহি হজৰত মহম্মদ(ছঃ)এ হেনো কৈছিল— "ভাৰতৰ পৰা অহা আধ্যাত্মিকতাৰ স্নিগ্ধ-শীতল বতাহে মোৰ হৃদয় শাঁত কৰে।" তেনে এখন পবিত্ৰ ভূমিৰ পৰা পাকিস্তান জন্মৰ মাজেৰে পাকিস্তানী মুছলমানসকল আঁতৰি গৈ প্ৰকৃত মুছলমান হ'ব পাৰিছে জানো? যদিহে তেওঁলোকে প্ৰকৃত মুছলমানেই হয় তেনেহ'লে আজি তেওঁলোকৰ মাজতেই গোষ্ঠী-দ্বন্দ্ব, হত্যা-সন্ত্ৰাস আৰু হিংসা-ঘৃণা কিয়? কেৱল পেটৰ ভাতমুঠিৰ বাবেই ইংলেণ্ডলৈ অহা সেই মুৰ্গী বেপাৰীৰ দৰে পাকিস্তানী কিছুমানৰ মানসিকতা মুৰ্গীৰ চিন্তা-চেতনাতকৈ হয়তো ওপৰত নহয়!

(ৰাতি ১২-০০ বজা। ব্ৰেডফোৰ্ড)

জীৱ-জন্তুৱেও য'ত মৰম বুজি পায়

২১ অক্টোবৰ, ২০০৮। মঙ্গলবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ ইংলেণ্ডৰ সময়মতে আজি পুৱা ৮-০০ বজাত টোপনিৰ পৰা উঠিলোঁ। বাহিৰত কিন্‌কিনীয়া বৰষুণ। হাঁড় কঁপোৱা ঠাণ্ডা। উষ্ণতা ৬° ছেণ্টিগ্ৰেডলৈ নামিছে। চাহ-পানী খাই গুৱাহাটীৰ মালৈ (কানন বৰদলৈলৈ) ফোন কৰিলোঁ। যোৱা ৰাতি আমাৰ সহকৰ্মী অধ্যাপিকা পল্লৱী চৌধুৰীৰ মাকৰ (প্ৰয়াত প্ৰদীপা চৌধুৰী) বছৰেকীয়া অনুষ্ঠানৰ কীৰ্তন পাঠত মই উপস্থিত থকাৰ সপোন দেখিলোঁ। পুৱা সাৰ পাই কথাষাৰ ভাবি বৰ ভাল লাগিল। সাংবাদিক হীৰেন শইকীয়ালৈ ফোন কৰিলোঁ। তেওঁ ইংলেণ্ডৰ পৰা কিতাপ এখন লৈ যাবলৈ ক'লে। মই 'হ'ব' বুলি ক'লো যদিও ইয়াৰ পৰা কিতাপ ক্ৰয় কৰি নিয়াটো সম্ভৱ নহয়। কাৰণ, যোৱা ১৮ অক্টোবৰত লণ্ডনলৈ যাওঁতে আমি হাইৱেৰ পাৰৰ ৰেষ্টুৰেণ্ট এখনত ৰঙা চাহ একাপকৈ খাওঁতে কেৱল চাহকাপতেই ১৪০ টকাকৈ (ভাৰতীয় মুদ্ৰামতে) ভৰিব লগা হ'ল। অন্য বস্তু ক্ৰয় কৰাৰ ক্ষেত্ৰত একে হাৰতেই ধন খৰচ কৰিব লাগে। যোৱা পৰহি শ্বেইক্সপীয়েৰৰ জন্মস্থান ষ্ট্ৰেটফোৰ্ডৰ পৰা ব্ৰেডফোৰ্ডলৈ বাছ আৰু ৰে'লেৰে মুঠ ৩৫০ কিলোমিটাৰ অহা-যোৱা কৰোঁতে গাইপতি পঞ্চাছ পাউণ্ডকৈ (ভাৰতীয় মুদ্ৰামতে প্ৰায় চাৰিহাজাৰ টকা) খৰচ হ'ল। ইংলেণ্ডত থাকি চাকৰি কৰা বা ব্যৱসায় কৰা মানুহৰ বাদে আমাৰ দেশৰ মুদ্ৰাৰে এই দেশত ভ্ৰমণ কৰা লোকে ইচ্ছা কৰিলেই কিবা এটা বস্তু কিনিব নোৱাৰে। আমাৰ দেশৰ যিখিনি ধনেৰে আমি ইংলেণ্ডৰ পাঁচশ কিলোমিটাৰ পথ বাছ বা ৰে'লেৰে অহা-যোৱা কৰিব পাৰো সেইখিনি ধনেৰে আমি ভাৰতৰ আকাশী পথেৰে দুবাৰ অহা-যোৱা কৰিব পাৰোঁ।

আজি পুৱাৰ ভাগতে ইংলেণ্ডৰ পৰা ডাঃ নীলমণি চিকদাৰৰ ফোন আহিল। বৰ মুকলিমূৰীয়া মানুহ। তেখেতৰ পত্নী গীতা চিকদাৰো বৰ মুকলিমূৰীয়া। ডাঃ চিকদাৰে গীত গায়। আমাৰ পৰিয়ালৰ উপাধিও চিকদাৰ

আছিল। দেউতাই চিকদাৰ উপাধি লিখিছিল। দুই-এজন ককাইদেৱেও চিকদাৰ উপাধি লিখে। মই হাইস্কুলীয়া জীৱনতে নামটো অধিক দীঘল হয় বাবে চিকদাৰ উপাধি এৰিলোঁ। চিকদাৰ উপাধিটো মূলতঃ বঙ্গৰ হিন্দুসকলৰ মাজত বিচাৰি পোৱা যায়। এনে উপাধিৰ লোক এসময়ত সৰু-সুৰা জমিদাৰ আছিল। আজিৰ পৰা প্ৰায় এশ যাঠি বছৰ আগতে আমাৰ পূৰ্বপুৰুষে ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। আমাৰ পৰিয়ালৰ গুৰি বিচাৰিলে হয়তো প্ৰাচীন কামৰূপৰ ৰংপুৰৰ চান্দসাই (শঙ্কৰদেৱৰ শিষ্য), শঙ্কৰদেৱৰ পূৰ্বপুৰুষ শ্ৰীচণ্ডীবৰৰ ভূঞা বংশধৰ আদিৰ সৈতে সম্পৰ্ক বিচাৰি পোৱা যাব।

ডাঃ চিকদাৰৰ উপৰি লণ্ডনৰ পৰা ৰিণি কাকতি বাইদেউৰ ফোন আহিল। তেখেতৰ সৈতে ইংলেণ্ড, স্কটলেণ্ড আদিত শঙ্কৰদেৱ চৰ্চা, বিহু চৰ্চা আদি সম্পৰ্কীয় কথা পাতিলোঁ। ৰিণি বাইদেউৰ পৰাই জানিব পাৰিলো যে লণ্ডনৰ সৰ্বত্ৰতে হাজাৰ-বিজাৰ গুজৰাটী, দক্ষিণ ভাৰতীয়, পাঞ্জাবী, পাকিস্তানী, বাংলাদেশী, বাঙ্গালী আদি পৰিয়াল আছে। তেওঁলোকে নিজৰ ধৰ্ম আৰু সংস্কৃতি চৰ্চাৰ কাৰণে লণ্ডনত অনেক মন্দিৰ, মছজিদ, গুৰুদ্বাৰ আদি সজাই লৈছে। কেৱল অসমীয়াখিনিৰ বাবেই হেনো লণ্ডন বা যুক্তৰাজ্যৰ ক'তো কোনো ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান নাই। সেইবাবেই শঙ্কৰদেৱৰ নামত ইংলেণ্ডৰ লণ্ডন বা আন ঠাইত নিৰ্মাণ কৰিব খোজা অনুষ্ঠানৰ ক্ষেত্ৰত আমি সম্ভাব্য সহযোগিতা আগবঢ়াম বুলি ক'লোঁ। তেনে অনুষ্ঠান গঢ় লৈ উঠিলে আমি অন্ততঃ গৌৰৱেৰে ক'ব পাৰিম যে বিদেশত আমাৰ অসমৰ থলুৱা ভাষা-সংস্কৃতি চৰ্চাৰ কেন্দ্ৰ এটা আছে।

স্থানীয় সময়মতে ১১-৩০ বাজিছে, ভাৰতীয় সময়মতে আবেলি ৪টা। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে ক'লে — "আপোনাক আজি এখন পাৰ্ক দেখুৱাম।" কথামতে কাম। আমি পাৰ্ক চাবলৈ গ'লোঁ— লিষ্টাৰ পাৰ্ক। সুশোভিত পাৰ্কৰ দুৱাৰমুখত আমাৰ গাড়ীখন ৰখাওঁতে দেখিলোঁ প্ৰায় আশী বছৰীয়া ব্ৰিটিছ বৃদ্ধা এগৰাকীয়ে তেওঁৰ গাড়ী ৰখাই আমাক ৰাস্তা পাৰ হৈ যাবলৈ ইংগিত দিছে। ডাঃ দাস ককাইদেউক বৃদ্ধা গৰাকীৰ কথা কওঁতে ক'লে, — "এই দেশত এশ বছৰীয়া বৃদ্ধা এগৰাকীয়েও গাড়ী চলাব পাৰে। যমে নিয়াৰ আগমুহূৰ্তলৈকো তেওঁলোক সক্ৰিয় হৈ থাকে। সেয়ে যমে নিব খুজিলেও তেওঁলোকে যমৰজাক কয়— ৰ'বা অলপদূৰ গাড়ী চলাই আহোঁ, ক্ষন্তেক পিছত মোক লৈ যাবাহি।"

হয়তো, এইকেইদিন ইংলেণ্ডত কণা, খুৰা, ভিক্ষাৰী, গেঙাই থকা বেমাৰী আদি নেদেখিলোঁ। আশী বছৰীয়া বৃদ্ধাগৰাকীয়ে গাড়ী চলাই থাকোতে তেওঁৰ চকু-মুখৰ উজ্জ্বলতা দেখি ভাবিলোঁ যে এই দেশখনৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশে মানুহক চিৰ সেউজ আৰু চিৰ তৰুণ কৰি ৰাখিছে। লিষ্টাৰ পাৰ্কখনৰ ভিতৰত সোমায়ো তেনে ধাৰণা গভীৰ হ'ল। পাৰ্কখনৰ এফালে বেঞ্চত বহি আছিল সত্তৰৰপৰা আশী বছৰীয়া চাৰিগৰাকী পাকিস্তানী বৃদ্ধ। ডাঃ দাস ককাইদেৱে ক'লে, — "আহক, পাকিস্তানী বৃদ্ধ কেইগৰাকীৰ সৈতে চিনাকি কৰাই দিওঁ।" এইবুলি আগবাঢ়ি গৈ দাস ককাইদেৱে বৃদ্ধ কেইগৰাকীক 'আচ্ছালামু আলাইকুম' বুলি সম্বোধন জনাই ক'লে,— "এখেত ইছমাইল হোছেইন। মোৰ আলহী। অসমৰপৰা আহিছে। চিনাকি হওঁক।" বৃদ্ধ কেইগৰাকীয়ে মোৰ নাম আৰু ৰাজ্যৰ নাম শুনিয়েই হাঁহি হাঁহি ক'লে, — "ছোৱালী নিবলৈ আহিছে?" কথা শুনি বিচুৰ্তি খালোঁ— আশী বছৰীয়া বৃদ্ধহঁতৰ মুখতো ছোৱালী নিয়াৰ কথা! তেওঁলোকে ধেমালি কৰি কোৱা কথাৰ উত্তৰ হিন্দী আৰু ইংৰাজী ভাষাত এনেদৰে দিলোঁ, — "নহয়, মোৰ ধুনীয়া ঘৈণীয়েক অসমত আছে। শঙ্কৰদেৱৰ বিষয়ে ভাষণ দিবলৈ আহিছোঁ। আপোনালোকে শঙ্কৰদেৱক জানে? আজান পীৰক? আমি শঙ্কৰদেৱ-আজানপীৰৰ অনুগামী। শঙ্কৰদেৱৰ একশৰণ ধৰ্মৰ মূলতত্ত্ব ইছলামৰ সৈতে একে। সেইবাবে আমি ইছলামধৰ্মী হৈয়ো শঙ্কৰদেৱক শ্ৰদ্ধা কৰো, তেৰাৰ ধৰ্ম-সংস্কৃতি আৰু সমাজ-চিন্তাৰ দ্বাৰা প্ৰভাৱান্বিত হওঁ। আপোনালোকৰ পাকিস্তানত আছেনে তেনে সমাজ-গুৰু — যিয়ে মুছলমান হৈয়ো অমুছলমানৰ হৃদয় জয় কৰিব পাৰে?" কথাখিনি কৈয়েই বৃদ্ধ কেইগৰাকীৰ সৈতে হাত মিলাই গুচি আহিলোঁ। আহোতে লক্ষ্য কৰিলোঁ যে মই তেওঁলোকক প্ৰথমবাৰ সম্বোধন কৰোঁতে মুখত যি হাঁহি আছিল সেই হাঁহি নাই। মোৰ কথাষাৰে যেন তেওঁলোকক শেলে বিন্ধা দি বিন্ধিলে। কালি ব্ৰেডফোৰ্ডৰ পাকিজাহ মাৰ্কেটত মোক 'আধা-মুছলমান' বুলি কোৱা পাকিস্তানীজনলৈ মনত পৰিল। হয়তো, তেওঁলোকৰ বেছিভাগৰেই চিন্তাৰ দৌৰচোন একেই!

কিন্‌কিনীয়া বৰষুণ, কোমল ৰ'দ, হিৰ্‌হিৰীয়া ঠাণ্ডা বতাহ আৰু নানাৰঙী পাতৰ গছ-গছনিৰ শোভাই পাৰ্কখনৰ পৰিৱেশ মনোৰম কৰি তুলিছে। আমি দুয়ো গছৰ ৰঙীন পাতবোৰ চুই চুই আগবাঢ়ি গৈ থাকোতে আমাৰ লগে লগে অতি সুশোভিত কেৰ্কেটুৱা এটাই জঁপিয়াই জঁপিয়াই গৈ থাকিল। এটা সময়ত

কেৰ্কেটুৱাটো গছত উঠিবলৈ ধৰোঁতে মই গছডালৰ ওচৰত থিয় হ'লোঁ। লগে লগে পাৰ্কখনৰ বিশাল পুখুৰীৰ সিপাৰৰ পৰা তিনি-চাৰিশমান পাৰ চৰাই আহি মোৰ চাৰিওফালে পৰিল। এডজনমান ৰাজহাঁহো পুখুৰীৰ পৰা উঠি আহিল। ৰাজহাঁহৰ সৈতে পানীকাউৰী আৰু ডাউকৰ দৰে তিনিটামান চৰাই। সিহঁতে মোৰ কাষলৈ আহিছে খাদ্য বিচাৰি। ডাঃ দাস ককাইদেৱে কেমেৰাত দৃশ্যটো ধৰি ৰাখিলে। আমি চৰাই আৰু কেৰ্কেটুৱাক কোনো ধৰণৰ খাদ্য দিব নোৱাৰি মনটো বেয়া লাগিল। অলপদূৰ আগবাঢ়ি যাওঁতে সিহঁতো উৰা মাৰি পুখুৰীৰ সিপাৰে গুচি গ'ল। সিপাৰত খাদ্য হাতত লৈ থিয় হৈ আছিল তিনিগৰাকী পাকিস্তানী মহিলা। তেওঁলোকৰ পিন্ধনত বোৰ্খা, দীঘল গৰম কোট আৰু মূৰত ক'লা পৰ্দা। তেওঁলোকৰ চকুকেইটাহে কেৱল দেখা পায়। তেওঁলোকে খাদ্য দলিয়াই দিয়াত পূৰ্বতকৈ দুগুণ পাৰ আহি ঠাইখিনিত ভীৰ কৰিলেহি। ডাঃ দাস ককাইদেৱে ক'লে— "আপুনি পাৰখিনিৰ ওচৰলৈ যাওঁক। মই ভিডিঅ' কেমেৰাত দৃশ্যটো ল'ম।" মই আগবাঢ়ি গৈ মহিলা কেইগৰাকীৰ পৰা নাতিদূৰত চৰাইবোৰৰ কাষত থিয় হ'লোঁ। এগৰাকী মহিলাই মোলৈ চোৱাত চালাম (নমস্কাৰ) জনাই ক'লোঁ, — "অসমৰ পৰা আহিছোঁ। চৰাইৰ সৈতে ফটো তুলিম। আপোনালোক কি পাকিস্তানী মুছলমান?" মোৰ কথাখিনি শেষ হোৱাৰ লগে লগে মহিলা কেইগৰাকীয়ে মুখবোৰ ঘূৰাই দিলে। তিনিওগৰাকীয়ে ভুৰ্ভুৰকৈ কিবা কৈ গুচি যাবলৈ খোজোতে এগৰাকীৰ চকুৰে চকুৰে মোৰ চকু পৰিল। ভাবিছিলো, তেওঁলোকক সুধিম— আপোনালোকৰ ওচৰলৈ আহি চৰাইৰ সৈতে ফটো তোলাৰ বাবে বেয়া পালে নেকি? কথাখিনি কোৱাৰ আগতেই এগৰাকীয়ে 'ৰক্ ৰক্' বুলি ছট্‌ফটকৈ কিবা কৈ বাকী দুগৰাকীৰ সৈতে পাৰ্কৰ প্ৰস্থান পথেৰে গুচি গ'ল। ডাঃ দাস ককাইদেৱে পৰিস্থিতিটো লক্ষ্য কৰি আছিল। তেখেতে ক'লে— "বোৰ্খা বা অৰ্ধবোৰ্খা পিন্ধা পাকিস্তানী মহিলাক একো নুসুধিব। কাৰণ, আমাৰ সৈতে তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ আৰু মানসিকতাৰ মুঠেই মিল নাই। আমাৰ অসমৰ মহিলাৰ দৰে তেওঁলোক বহল মনৰ নহয়।" ময়ো অনুভৱ কৰিলোঁ— হয়, তেওঁলোক সংকীৰ্ণ। অসমৰ এগৰাকী ইছলামধৰ্মী (বোৰ্খা নিপিন্ধা) মহিলাক এনেদৰে চালাম দিলে তেওঁ 'ৱালেকুম চালাম' বুলি কৈ সন্তুষ্টি লভিলেহেঁতেন। কিবা সুধিলেও ভদ্ৰভাৱে উত্তৰ দিলেহেঁতেন। কিন্তু পাকিস্তানী বোৰ্খা পিন্ধা 'আধুনিক' মহিলাখিনিৰ ক্ষেত্ৰত দেখিলো যে তেওঁলোক সম্পূৰ্ণৰূপে 'আনচিভিলাইজড্'

হৈ আছে। ধৰ্ম-কৰ্ম আৰু সন্তান উৎপাদনৰ বাদে তেওঁলোকক আন একো শিক্ষা দিয়া হোৱা নাই নেকি! পাকিস্তানী বৃদ্ধ চাৰিগৰাকীৰ কথা-বতৰাৰ পৰাও এনে এক ধাৰণা হ'ল যেন তেওঁলোকে ধন-সম্পদ, পাঁচবাৰ নামাজ আৰু নাৰীসঙ্গ-সুখৰ বাদে আন একো বুজি নেপায়। নহ'লে বাৰু অসমৰপৰা যোৱা এজন ৪৩ বছৰীয়া লোকক আশী বছৰীয়া বৃদ্ধই সোধেনে — 'ছোৱালী নিবলৈ আহিছে নেকি' বুলি!

পাকিস্তানী অপসংস্কৃতি-সম্পন্ন বৃদ্ধ আৰু ঘৰচীয়া জন্তুৰ দৰে আৱদ্ধ হৈ জীৱন-যাপন কৰা পাকিস্তানী মহিলা কেইগৰাকীৰ চিন্তাৰ শূন্যতা আৰু আচৰণৰ দৈন্যতা দেখি বিৰক্তিবোধ কৰিলেও লিষ্টাৰ পাৰ্কৰ জন্তু আৰু চৰাই-চিৰিকটিৰ আচৰণ দেখি বৰ আপ্লুত হ'লোঁ। জীৱ-জন্তু আৰু চৰাই-চিৰিকটিয়েও যে ভদ্ৰতা জানে, ভাষা বুজি পায়, মৰম দিব আৰু ল'ব জানে সেই শিক্ষা আজিৰ যাত্ৰাতে পালোঁ। আনকি এই শিক্ষাও পালোঁ যে কেৱল ধৰ্ম সাধনা কৰিলে মানুহবোৰ সংকীৰ্ণ হয়। যদিহে ধৰ্ম-কৰ্মৰ সৈতে সংস্কৃতি আৰু সামাজিক চিন্তাৰ সম্পৰ্ক থাকে তেনেহ'লে তেনে ধৰ্মই যিকোনো ধৰ্মাৱলম্বীক প্ৰকৃত মানুহ হোৱাত সহায় কৰে। লিষ্টাৰ পাৰ্কৰ পৰা ওলাই আহোতে ভাবি গৌৰৱান্বিত হ'লোঁ— মই অসমৰ সন্তান, শঙ্কৰদেৱৰ জন্মস্থানৰ মানুহ। সেইবাবেই আমাৰ মন অতিকৈ বহল। আমাৰ মহিলাবোৰ কেৱল সন্তান উৎপাদনকাৰী যন্ত্ৰ নহয়; তেওঁলোক আমাৰ সংস্কৃতি আৰু ঐতিহ্যৰো প্ৰতিভূ।

লিষ্টাৰ পাৰ্কৰ পৰা আহি আমাৰ দেশৰ জীৱ-জন্তুৰ সৈতে ইংলেণ্ডৰ জীৱ-জন্তুৰ আচৰণৰ তুলনা কৰিলোঁ। আমাৰ এগৰাকী বন্ধু ড° পৰেশ ডেকাই ইথিওপিয়াৰ এখন বিশ্ববিদ্যালয়ত চিভিল ইঞ্জিনিয়াৰিঙৰ অধ্যাপনাৰ কাম কৰে। তেওঁ এবাৰ অসমলৈ আহোতে কৈছিল যে বিশ্ববিদ্যালয় চৌহদত বনৰীয়া হৰিণী, গৰু, ম'হ, সাপ, শহাপহু আদি ভ্ৰমি ফুৰে। আনকি তেনে জন্তুবোৰ শ্ৰেণীকোঠা বা শিক্ষকৰ কোঠালৈকে সোমাই আহে। তেনেকৈ মানুহৰ কাষলৈ অহাৰ কাৰণ এয়ে যে সেই দেশত মানুহে জন্তু হত্যা নকৰে। সেইবাবেই জন্তুৱে মানুহৰ মৰম বুজি পায়। ইথিওপিয়াৰ গৰুৱে হেনো হেম্বেলিয়াবও নাজানে, কাউৰীয়ে উচ্চস্বৰে কা-কা কৰিব নাজানে, কুকুৰে নাজানে জোৰেকৈ ভুকিব। কিয় নোৱাৰে বুলি সোধাত ডেকাই কৈছিল, — "সেই দেশৰ মানুহবোৰে চিঞৰি কথা নকয়, জন্তুক আক্ৰমণ নকৰে। সেইবাবেই জন্তুৱেও মানুহৰ পৰা আচৰণ শিকিছে।"

হয়তো, লিষ্টাৰ পাৰ্কতো একে আচৰণেই দেখিলো চৰাই আৰু জন্তুৰ ক্ষেত্ৰত। আমাৰ দেশত ওলোটা কথা। স্বয়ং আমাৰ ৰাজ্যত মুখ্যমন্ত্ৰী এগৰাকীয়েই হৰিণী হত্যা কৰি তাৰ মাংস খোৱাৰ নিদৰ্শন আছে। আমাৰ দেশত বনমন্ত্ৰীয়েই ম'হ বলি দিয়ে। দেৱালয়, মন্দিৰ আদিৰ উপৰি 'বকৰিদ'ত জন্তু বলি দিয়া আৰু হত্যা কৰাৰ হিচাপ-নিকাচ নাই। আমাৰ দেশত জন্তু আৰু মানুহৰ আচৰণৰ সৈতে ইংলেণ্ডৰ জন্তু আৰু মানুহৰ আচৰণৰ পাৰ্থক্যৰ বিচাৰ কৰি লিষ্টাৰ পাৰ্কৰ পৰা ওলাই আহোতে মনত পৰিল শ্ৰীমন্ত শঙ্কৰদেৱে কোৱা সেই অমৃত বাণী ঃ

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম
সবাকো জানিয়া পৰি কৰিবা প্ৰণাম।।"

(ৰাতি ১১-৩০ বজা। ব্ৰেডফোৰ্ড)

আমেৰিকা আৰু কানাডাৰ অসমীয়াৰ মাত শুনিলোঁ

২২ অক্টোবৰ, ২০০৮। বুধবাৰ। ব্রেডফোর্ড, ইংলেণ্ড ঃ আজি পুৱা ৭.০০ বজাত (স্থানীয় সময়মতে) সাৰ পালোঁ। ৰুমী বাইদেৱে কীর্তন পাঠ কৰি আছে। মই আধা ঘণ্টামান বিছনাৰ পৰা নুঠাকৈয়ে দিনটোৰ বিশেষত্বৰ কথা মনত পেলালোঁ। বিশেষ বিশেষত্ব নাই যদিও এই দিনটোতেই মোৰ পিতৃ আব্দুল কদ্দুছৰ মৃত্যু হৈছিল। পিতাক আমি 'বাবা' বুলি মাতিছিলোঁ, গাঁৱৰ ৰাইজে মাতিছিল 'বগা' বুলি। 'বাবা'ৰ হৃদয়খনো আছিল বগা। বাবাৰ মৃত্যুৰ দিনা শৱদেহ বৰপেটাৰ অসামৰিক চিকিৎসালয়ৰ পৰা ঘৰলৈ আনোতে আমাৰ কয়াকুছি বজাৰৰ পৰা ঘৰৰ বাটত পথাৰৰ মাজেৰে ৰাতি ১২.৩০ বজাত প্রায় ৭ কিলোমিটাৰ পথ কান্ধত লৈ আনিছিলোঁ। যি পিতাই মোক কান্ধত, কোলাত, বুকুত লৈ ডাঙৰ-দীঘল কৰিছিল সেই পিতাৰ শৱদেহ মোৰ কান্ধত—কথাষাৰ ভাবি শিহৰিত হৈ পৰিলোঁ বাৰ বছৰ পিছত। পিতাৰ মৃত্যু হৈছিল ১৯৯৬ চনৰ ২২ অক্টোবৰত ৰাতি ১১.৩০ বজাত। দৰিদ্রতা আৰু অনাটনৰ মাজেৰে আমাৰ বৃহৎ পৰিয়ালক ডাঙৰ-দীঘল কৰা পিতাই জীৱনত সুখ কি দেখা নাছিল কেৱল মোৰ সান্নিধ্য আৰু মৰমৰ বাহিৰে। মাত্র প্রথম শ্রেণীলৈকে পঢ়া পিতাই ১৯৯৬ চনলৈকে প্রকাশিত মোৰ আটাইকেইখন গ্রন্থ পঢ়িছিল— সেয়াই আছিল মোৰ সন্তুষ্টি। মোৰ জীৱনৰ প্রথম গ্রন্থখন উৎসর্গ কৰিছিলোঁ পিতা আৰু মাৰ (গোলাপজান নেছা) নামত। ১৯৯৪ চনৰ ১ জানুৱাৰীত সেই প্রথম গ্রন্থখন প্রকাশ পাইছিল। নাম আছিল— 'জীৱন আৰু মানুহ বিষয়ক' (কাব্য গ্রন্থ)।

নাম-কীর্তন শেষ কৰি ৰুমী বাইদেৱে চাহ দিলে। চাহ খাই ইণ্টাৰনেটত 'অসমীয়া প্রতিদিন' আৰু 'আমাৰ অসম' কাকত দুখন চালোঁ। 'অসমীয়া প্রতিদিন'ৰ প্রথম পৃষ্ঠাত অতি গুৰুত্ব সহকাৰে ১৮ অক্টোবৰৰ শঙ্কৰদেৱৰ জন্মোৎসৱৰ বাতৰি দিছে। শিৰোনামাটো চালোঁ — "লণ্ডনত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত ইছমাইল হোছেইনঃ শ্বেইক্সপীয়েৰতকৈ বহুগুণে শ্রেষ্ঠ শঙ্কৰদেৱৰ নাট্যশৈলী।" দীঘলীয়া বাতৰি। একে ধৰণৰ বাতৰি এটা 'আমাৰ

অসম'তো পঢ়িলোঁ। শিৰোনামা — "শঙ্কৰদেৱক বিশ্বশ্ৰেষ্ঠ খনিকৰৰূপে প্ৰতিষ্ঠাৰ আহ্বান।" ইণ্টাৰনেটত বাতৰি কাকত পঢ়ি 'প্ৰান্তিক'খন পঢ়িলোঁ। ১৬-৩১ অক্টোবৰ, ২০০৮ সংখ্যা প্ৰান্তিকত কানাডাৰ অসমীয়া অধ্যাপক ড° নয়নানন্দ বৰঠাকুৰৰ 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু মাজুলী' শীৰ্ষক লেখা আৰু আমেৰিকাৰ মিচিগানৰ অধ্যাপক ড° ফণীন্দ্ৰ নাথ শৰ্মাৰ 'আমেৰিকাত ভৰি দিয়া প্ৰথম অসমীয়া ধনিৰাম আৰু সিৱৰামৰ খোজৰ ছাপ বিচাৰি' শীৰ্ষক প্ৰবন্ধ পঢ়িলোঁ। এটা জাতিৰ ঐতিহ্য আৰু ইতিহাসক স্মৰণ কৰিবলৈ এই দুয়োটা প্ৰবন্ধ অতি গুৰুত্বপূৰ্ণ লেখা। লেখা দুটা পঢ়ি দুয়োলৈকে দুখন চিঠি পঠাম বুলি কোৱাত ডাঃ কৰুণা সাগৰ দাসে ক'লে যে গধূলিৰ ভাগত তেখেতসকলৰ সৈতে কথা পতাই দিব।

দুপৰীয়া ভাত-পানী খাই ব্ৰেডফোৰ্ডৰ চিটী চেণ্টাৰলৈ গ'লোঁ চিয়াঁহীৰে লিখা কলম বিচাৰি। বিশাল বজাৰ, প্ৰায় কুৰিবিঘা ভূমি জুৰি কে'বামহলীয়া এখনেই বজাৰ। তেনে বজাৰৰ কথা ভাৰতত কল্পনাই কৰিব নোৱাৰি। চিয়াহীৰে লিখা কলম নেপালোঁ। জেলপেন তিনিটাকে ল'লো পাঁচ পাউণ্ডেৰে। একোটাত প্ৰায় এশ ত্ৰিছ টকাকৈ পৰিল। তেনে কলম অসমত বৰ বেছি কুৰি টকাকৈ। কলম কিনিবলৈ যাওঁতে গাড়ী পাৰ্কিঙত দিব লগা হ'ল এঘণ্টাত ষাঠি পেন্‌চকৈ। ষাঠি পেঞ্চত প্ৰায় ৪৮ টকা।

চিটী চেণ্টাৰত প্ৰথম ভিক্ষাৰী দেখা পালোঁ। ভিক্ষাৰীজন ওখ-পাখ, নিগ্ৰো। দামী লংপেণ্ট, চোলা আৰু জেকেট পিন্ধি আছে। ৰাস্তাৰ দাঁতিত বহি গীতাৰ বজাই ইংৰাজী গীত গোৱা ভিক্ষাৰীজনক দেখি আমাৰ ৰবীন্দ্ৰ ভৱনত গীত গোৱা এজন নামী-দামী গায়ক যেন লাগিল। ওচৰতে পাৰি থোৱা গীতাৰৰ ঢাকনিত প্ৰায় কুৰি পাউণ্ডৰ মুদ্ৰা (ভাৰতীয় মুদ্ৰামতে প্ৰায় ষোল্লশ টকা) গোট খোৱা দেখিলোঁ। কিছুমান ভিক্ষাৰীৰ হেনো এশ পাউণ্ডলৈকে আয় হয়। অৰ্থাৎ, ভাৰতীয় মুদ্ৰামতে আঠ হাজাৰ টকা, এনে হাৰত এমাহত আয় হ'ব ২৪০০০০.০০ টকা। ভাৰতীয় মুদ্ৰামতে তেনে আয়ৰ গৰাকী স্বয়ং ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰীও নহয়। অৱশ্যে ইংলেণ্ডত খৰচো সেই অনুপাতে হয়।

বজাৰৰ পৰা আহি চাহ খাওঁতে ডাঃ দাসে তেখেতৰ প্ৰথম ইংলেণ্ড যাত্ৰাৰ বেদনাদায়ক কাহিনী ক'লে। ১৯৭১-৭২ চনত ছিলঙত অসমৰ ৰাজধানী থাকোতে তেখেতে চৰকাৰী চিকিৎসকৰ চাকৰিৰ বাবে দৰখাস্ত কৰি ছিলঙলৈ তাঁত-বাতি কৰিছিল। সেই সময়ত স্বাস্থ্যমন্ত্ৰী আছিল ছত্ৰসিং টেৰণ। টেৰণৰ

কথা মই চিলচৰত থাকোতে অসমৰ কমিউনিষ্ট পাৰ্টিৰ খণ্ড-ইতিহাস ড° হীৰেন গোহাঁই সম্পাদিত 'নতুন পদাতিক'ৰ পাঁচটা সংখ্যাত ধাৰবাহিকভাৱে লিখোঁতে জানিব পাৰিছিলোঁ যে তেওঁ চল্লিছ-পঞ্চাছৰ দশকত ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ সংগ্ৰামী আছিল। তেওঁৰ নেতৃত্বত গুৱাহাটীৰ বেলতলা, বীৰকুছি, গণেশপাৰা আৰু অসমৰ অন্যান্য ঠাইতো জঙ্গী আৰু সশস্ত্ৰ কৃষক আন্দোলন গঢ় লৈ উঠিছিল। কমিউনিষ্ট পাৰ্টিৰ বিভাজন আৰু কৰ্মপথ সলনিৰ পিছত টেৰণে পূৰ্বৰ 'শত্ৰুপথ' কংগ্ৰেছত যোগদান কৰি মন্ত্ৰী হৈছিলগৈ। সেইজন টেৰণৰ কমিউনিষ্ট সতীৰ্থ আছিল গুৱাহাটীৰ উকীল শৈলেন মেধি। ডাঃ দাসৰ পিতৃৰ ঘনিষ্ঠ আছিল মেধি। সেয়ে দাসৰ দৰিদ্ৰ পিতৃয়ে কিছু টকা ধাৰ কৰি মেধিক ছিলঙলৈ পঠাইছিল টেৰণৰ সৈতে সাক্ষাৎ কৰি চাকৰিৰ ব্যৱস্থা কৰিবলৈ। আচৰিত কথা যে এবছৰৰো অধিক সময় খাটি-মেলি ডাঃ দাসে চাকৰিৰ ব্যৱস্থা কৰিব নোৱাৰিলে। দাসৰ লগৰ বহুতকেই মন্ত্ৰী টেৰণে চাকৰিৰ ব্যৱস্থা কৰি দিলে স্বজন-প্ৰীতি আৰু ব্যক্তিগত সম্পৰ্কৰ বিনিময়ত; কিন্তু সৎ ব্যক্তিৰূপে পৰিচিত দাসৰ চাকৰি নহ'ল। অৱশেষত তেখেতে আমন্ত্ৰণ পাই ইংলেণ্ডলৈ গুচি আহি ব্ৰেডফোৰ্ডত 'জেনেৰেল প্ৰেক্টিচনাৰ' হিচাপে কাম কৰি অৱসৰ গ্ৰহণ কৰিলে। এনেদৰেই তেখেত হৈ পৰিল ব্ৰিটিছ নাগৰিক। তেখেতৰ বিষয়ে পিছলৈ বহলাই লিখিম।

ডাঃ দাসৰ ইংলেণ্ড আগমনৰ কাহিনী শুনি মই যন্ত্ৰণাত দগ্ধ হোৱা বুলি ভাবি ডাঃ দাস ককাইদেউ আৰু ৰুমী বাইদেৱে ক'লে— "মনটো পাতলাবলৈ আমেৰিকাৰ দুগৰাকী অসমীয়াৰ সৈতে কথা পাতক। ভাল পাব।" ফোনটো লগাই দিলে। 'হেল্ল' বুলি কোৱাৰ লগে লগে মোৰ পৰিচয় দিলোঁ। ড° নয়নানন্দ বৰঠাকুৰৰ মাত। বৰ আনন্দিত হ'ল। প্ৰান্তিক, অসমীয়া প্ৰতিদিন, সাদিন আদিত মোৰ লেখা নিয়মিতভাৱে পঢ়ে বুলি ক'লে। তেখেতৰ লেখাও মই সুদীৰ্ঘ দিন ধৰি 'প্ৰান্তিক'ৰ পাতত পঢ়ি আছোঁ বুলি ক'লোঁ। প্ৰায় আধা ঘণ্টা সময় তেখেতৰ সৈতে কথা পাতি এটি অনুৰোধ কৰি ক'লোঁ, — "আপুনি অসমলৈ আহোতে আপোনাৰ প্ৰকাশিত প্ৰবন্ধবোৰ লৈ আহিব। সেইখিনি আমাৰ নতুন প্ৰজন্মৰ অনুসন্ধিৎসু ল'ৰা-ছোৱালীৰ বাবে বৰ প্ৰয়োজনীয় দলিল। বিশ্বজুৰি বিচৰণ কৰিবলৈ আপোনাৰ লেখাখিনিয়ে অসমৰ ডেকা-গাভৰুক প্ৰেৰণা যোগাব। মই প্ৰকাশকৰ ব্যৱস্থা কৰি দিম। গ্ৰন্থাকাৰে প্ৰকাশ পালে অসমীয়া জাতিৰ সমৃদ্ধিতো গ্ৰন্থখনে সহায় কৰিব।" তেখেতে আহোতে লৈ

আহিব বুলি কৈ ইংলেণ্ডলৈ আমি অহাৰ কাৰণ সম্পৰ্কে সুধিলে। মই ক'লোঁ—"ডাঃ কৰুণা সাগৰ দাসৰ পৃষ্ঠপোষকতাত আৰু যুক্তৰাজ্য সাহিত্য সভাৰ আমন্ত্ৰণত ১৮অক্টোবৰত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে ভাষণ দিবলৈ আহিছিলোঁ। ৫ নৱেম্বৰত অসমলৈ উভতিম।" উদ্দেশ্যৰ কথা শুনি তেখেতে বৰ ভাল পালে। তদুপৰি মই বিশ্বজুৰি সিঁচৰতি হৈ থকা অসমীয়া সমাজ সম্পৰ্কে অধ্যয়ন চলাই এখন গ্ৰন্থ ৰচনাৰ পৰিকল্পনা কৰিছোঁ বুলি কোৱাত তেখেত অতিশয় আনন্দিত হ'ল। মই তেখেতৰ সহায় বিচাৰিলোঁ। লগ পালে সবিশেষ কথা পাতিম বুলি কৈ তেখেতৰ পৰা টেলিফোনেৰে বিদায় ল'লোঁ।

ডাঃ দাস ককাইদেৱে আন এগৰাকী মহান অসমীয়া ড° মতিউৰ ৰহমানৰ সৈতে টেলিফোনত কথা পতাই দিলে। প্ৰথমতে তেখেতৰ পত্নী নাচিমআৰা বাইদেৱে ফোন ধৰিলে। মোৰ পৰিচয় দিওঁতে ৰহমান চাৰক দিলে। ৰহমান চাৰে কাণেৰে কমকৈ শুনে বাবে অতিকৈ জোৰেৰে কথা পাতিব লগা হ'ল। প্ৰায় চল্লিছ মিনিট সময় কথা পাতিলোঁ। বৰ গুণী মানুহ। মঙ্গলদৈৰ ডুমুনিচকীৰ দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰি বৰ্তমানে বিশ্বৰ এগৰাকী অগ্ৰণী গণিতজ্ঞ আৰু বিজ্ঞানী। একাধিক আন্তৰ্জাতিক সন্মান আৰু বঁটাৰে সন্মানিত প্ৰথম অসমীয়া। যোৰহাট ইঞ্জিনিয়াৰিং কলেজ (১৯৬৪-৬৬), লণ্ডনৰ ইম্পেৰিয়েল কলেজ, কানাডাৰ উইণ্ডচৰ বিশ্ববিদ্যালয়, ম'নেটন বিশ্ববিদ্যালয়, মনিটবা বিশ্ববিদ্যালয়, কানাডাৰ ৰাষ্ট্ৰীয় গৱেষণা পৰিষদ, টেক্নিকেল ইউনিভাৰচিটি অৱ ন'ভাস্কটিয়া, ইউনিভাৰচিটি কলেজ অৱ লণ্ডন, বেডফোৰ্ড ইন্‌ষ্টিটিউট অব্ অ'ছেনোগ্ৰাফী আদিত অধ্যাপক, বিজ্ঞানী, গৱেষণা বিশেষজ্ঞ আদি হিচাপে কাম কৰি ড° ৰহমানে এবছৰ আগতে ডেলহাউচি বিশ্ববিদ্যালয়ৰপৰা গণিত, পৰিসংখ্যা আৰু কম্পিউটাৰ বিজ্ঞানৰ অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰিছে। এনে এগৰাকী কৃতী অসমীয়াৰ সৈতে কথা পাতি ধন্য হ'লোঁ। তেখেতৰ বিষয়ে ছিপাঝাৰৰ পৱন কুমাৰ কলিতাই 'ড° মতিউৰ ৰহমানঃ জীৱন আৰু কৃতি' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ লিখিছে। গ্ৰন্থখন নতুন প্ৰজন্মৰ অসমবাসীয়ে পঢ়িলে বিশ্ব-অভিমুখী হোৱাত পথ নিৰ্দেশনা পাব।

এই দুগৰাকী কৃতী অসমীয়াৰ সৈতে টেলিফোনত কথা পাতি মোৰ মনৰ দিগন্ত অধিক বহল হ'ল। বিদেশত থাকি জন্মভূমিৰ হকে চিন্তা কৰা অসমীয়া সম্পৰ্কেও তেখেতসকলৰ পৰা কিছু আভাস ল'লোঁ। ডাঃ দাস

ককাইদেৱে আন এজন অসমীয়াৰ টেলিফোন সংযোগ কৰিলে যদিও লাইন নাপালে। তেওঁ হ'ল যোৰহাটৰ ৱাহিদ চালেহ্। বৰ্তমান নেডাৰলেণ্ডৰ আমষ্টাৰডামৰ বাসিন্দা। ডাটচ্ ছোৱালী বিয়া কৰাইছে যদিও তেওঁৰ মন-প্ৰাণ সম্পূৰ্ণৰূপে অসমীয়া হৈ আছে বুলি ডাঃ দাস ককাইদেৱে ক'লে। কে'বাগৰাকী অসমীয়াক আমষ্টাৰডামলৈ আমন্ত্ৰণ কৰি নি চালেহে অনুষ্ঠান পৰিৱেশন কৰাইছে বুলি ৰুমী বাইদেউৰ পৰা জানিব পাৰিলোঁ।

যোৱা ৰাতি ২ বজাত টোপনিৰপৰা সাৰ পোৱাৰ পিছত চাৰে তিনি বজালৈকে টোপনি নহ'ল। সাৰ পাইছিলোঁ মোৰ হাইস্কুলীয়া জীৱনৰ এক লোমহৰ্ষক ঘটনাৰ কথা সপোনত মনত পেলাই। সেই বিষয়ে পিছলৈ লিখিম। ১৯৮০ চনৰ সেই ঘটনাৰ পিছৰে পৰা শেহতীয়াভাৱে যোৱা ছেপ্টেম্বৰ মাহলৈকে অসমৰ সমাজ-জীৱনৰ সংঘাতৰ ছবিয়ে যোৱা ৰাতি মোক দগ্ধ কৰি গ'ল। ডেৰঘণ্টা সময় টোপনি নোহোৱাত অসমৰ যোৱা ডেৰ কুৰি বছৰৰ (১৯৭৮-২০০৮) ঘটনাৱলীৰ কথা মনৰ মাজত পুনৰাবৃত্তি হ'বলৈ ধৰিলে। এই ডেৰ কুৰি বছৰত কিমান মানুহ বিদেশী বিতাড়ণ আন্দোলন, জনজাতি-অজনজাতি সংঘাত, অসমীয়া-অনাঅসমীয়া সংঘাত, উগ্ৰবাদ, স্বাধীন অসম, চৰকাৰী দমন, ভুৱা প্ৰচাৰ আদিৰ নামত যে মৰিল—তাৰ বিনিময়ত সমস্যাবোৰৰ সমাধান হ'লনে? এই দুপৰ ৰাতিখন কথাবোৰ ভাবি ভাবি বেদনাত চকুলো ওলাই আহিল। যি সময়ত আমি আমাৰ জাতীয় ঐতিহ্য আৰু গৌৰৱ-গাথাক বুকুত সাঁচি লৈ শিক্ষা আৰু জ্ঞান অন্বেষণৰ অভিযানেৰে বিশ্ববিজয়ৰ সপোন দেখিব লাগিছিল সেই সময়ত আমি লিপ্ত হৈছোঁ হত্যা, সন্ত্ৰাস আৰু সংঘাতত। অসমৰ এই অশান্ত পৰিৱেশৰ সুযোগ গ্ৰহণ কৰি দেশী-বিদেশী বহিৰাগতই অসমখন ছানি ধৰাৰ উপৰি ৰাজ্যৰ এচামে লুণ্ঠন কৰি আছে আমাৰ ৰাইজৰ সম্পদ। দুৰ্নীতিয়ে ছানি ধৰিছে অসমখন। লুণ্ঠনকাৰী, ঠগ-প্ৰৱঞ্চক, হত্যাকাৰী আদিৰ ৰাজত্ব। বাতৰি কাকতসমূহ পঢ়িবই নোৱাৰি এনেবোৰ নেতিবাচক ঘটনাৱলীৰ বাতৰিৰ বাবে। কৰ্ম-সংস্কৃতি একেবাৰে নাইকিয়া হৈ গৈছে। মই ইংলেণ্ডলৈ আহিম বুলি বিভাগীয় ছুটী আৰু অনুমতি বিচাৰি দৰখাস্ত কৰোঁতে দেখিবলৈ পাইছিলোঁ আমাৰ ৰাজ্যৰ এচাম কৰ্মচাৰী-বিষয়াৰ লেহেম গতি, দায়িত্বহীনতা, দুৰ্নীতি কৰাৰ মানসিকতা আৰু নেতিবাচক চিন্তা।

কথাবোৰ ভাবি ভাবি পুনৰ ৰাতি ৩-৩০ বজাত টোপনি গ'লোঁ। গধূলিৰ ভাগত ৰাতিৰ সেই কথাবোৰ পুনৰ মনত পেলালোঁ। সমগ্ৰ ইউৰোপৰ ভৌগোলিক পৰিসীমা, জনগোষ্ঠীগত বিন্যাস, অৰ্থনীতি, জলবায়ু আদিৰ বিষয়েও আজি দুখনমান গ্ৰন্থ আৰু মানচিত্ৰৰপৰা জানিব পাৰিলোঁ। ইউৰোপখন যে আমাৰ দেশতকৈ কমেও দুশ বছৰ আগবাঢ়ি আছে সেই বিষয়ে কোনো সন্দেহ নাই। কাৰণ সমগ্ৰ ইউৰোপৰ ইংলেণ্ড, নেডাৰলেণ্ড, স্কটলেণ্ড, আয়াৰলেণ্ড, ৱেলচ্, ফ্ৰান্স, জাৰ্মান, চুইজাৰলেণ্ড আদিৰ নগৰ-মহানগৰ, বাটপথ, বিমান বন্দৰ, বজাৰ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ৰে'লপথ, গাঁও, খেতি-বাতি, পথাৰ, নদী-নিয়ন্ত্ৰণ, বননি আদি ইমানেই উন্নত, পৰিপাটি আৰু সুশোভিত যে সেইবোৰৰ তুলনাত আমাৰ দেশখন একোৱেই নহয়। এসময়ত যুদ্ধ-বিগ্ৰহে অস্থিৰ কৰি ৰখা ইউৰোপখন এনেদৰে জাকত-জিলিকা হৈ উঠাৰ মূল কাৰণেই হ'ল ইউৰোপীয়ানসকলৰ উন্নত চিন্তা, বহল দৃষ্টিভঙ্গী আৰু জন্মভূমিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱা। ড° দয়ানন্দ বৰঠাকুৰ, ড° মতিউৰ ৰহমান আদি প্ৰবাসী অসমীয়াৰ সৈতে টেলিফোনত কথা পাতিয়ো আমেৰিকা, কানাডা আদিৰ ৰাইজৰ দৃষ্টিভঙ্গীৰ উমান পালোঁ। মই অসমলৈ গৈ এইবোৰ কথা নতুন প্ৰজন্মক ক'ম আৰু তেওঁলোকক বিশ্বমুখী হৈ অসমৰ নাম উজ্বলাবলৈ আহ্বান জনাম।

(ৰাতি ১২-৩০ বজা। ব্ৰেডফোৰ্ড)

লণ্ডনৰ প্ৰথম নিশা

২৩ অক্টোবৰ, ২০০৮। বৃহস্পতিবাৰ। লণ্ডন ঃ আজি পুৱা ৮.০০ বজাত টোপনিৰ পৰা সাৰ পাই উঠি ৰুমী বাইদেৱে কৰি দিয়া চাহ খাই গা-পা ধুলোঁ। ক্ষন্তেক পিছতে লণ্ডনলৈ যাবলৈ সাজু হ'লোঁ। পুৱা ১০.০০ বজাত ইংলেণ্ডৰ বাছসেৱা নেশ্বনেল এক্সপ্ৰেছত উঠি আবেলি চাৰি বজাত লণ্ডনৰ ভিক্টোৰিয়া পালোঁ। তাৰ পৰা ভূতলৰ ৰে'লেৰে (যাক 'টিউব' বুলি কোৱা হয়) আহি কিংচ্‌ক্ৰচৰ ট্ৰেভেলজ হোটেল পালোঁহি। হোটেলত সামগ্ৰীখিনি থৈ পুনৰ টিউবেৰে গৈ ছেৰিংক্ৰচৰ নেশ্বনেল পট্ৰেইট গেলাৰী পালোঁহি। এই ঠাইখিনিৰ গুৰুত্ব ঠিক গুৱাহাটীৰ পাণবজাৰ, ৰবীন্দ্ৰ ভৱন, মিউজিয়াম, জিলা পুথিভঁৰাল আদিৰ দৰে।

নেশ্বনেল পট্ৰেইট গেলাৰীলৈ যোৱাৰ উদ্দেশ্য আছিল অসমৰ জীয়ৰী মেনকা পি. পি. বৰাৰ সত্ৰীয়া নৃত্য চোৱা। মেনকাই লণ্ডন ইউনিভাৰচিটিৰ গ'ল্ডস্মিথ কলেজত 'মেডিয়া এণ্ড কম্যুনিকেচন্' বিভাগত ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণা কৰি আছে। তদুপৰি তেওঁ লণ্ডনৰ কিংচ্‌ষ্টন ইউনিভাৰচিটিতো নৃত্যৰ প্ৰবক্তা হিচাপে কাম কৰি আছে। ডাঃ কৰুণা সাগৰ দাসে প্ৰায় দুশপাউণ্ড (প্ৰায় যোল্ল হাজাৰ টকা) টকা খৰচ কৰি মেনকাৰ অনুষ্ঠান চাবলৈ মোক লৈ আহিছে লণ্ডনলৈ।

স্থানীয় সময়মতে গধূলি ৭ বজাত মেনকাৰ অনুষ্ঠান আৰম্ভ হ'ল। ঝুমুৰা, চালি নৃত্য, বৰগীত আদিৰে মুখৰিত হৈ পৰিল আৰ্ট গেলাৰী। নৃত্যৰ মাজে মাজে মেনকাই শ্ৰীমন্ত শঙ্কৰদেৱৰ অংকীয়া নাট, মুখাৰ ব্যৱহাৰ, সত্ৰীয়া নৃত্যৰ পটভূমি, চিত্ৰ-ভাগৱতৰ চিত্ৰৰ বৈশিষ্ট্য, নামঘৰ-সত্ৰৰ বৈশিষ্ট্য আদি সম্পৰ্কে সুন্দৰ ব্যাখ্যা ইংৰাজী ভাষাত আগবঢ়াই গ'ল। অসমত ১৯৫০ চন মানত গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে ভাওনাত সহ-অভিনয়ৰ ব্যৱস্থা কৰাৰ কথাও মেনকাই উল্লেখ কৰিলে। এঘণ্টাৰ অনুষ্ঠানৰ শেষত মেনকাই শ্ৰোতাৰ বিভিন্ন প্ৰশ্নৰ উত্তৰো দিলে। গধূলি ৮-৩০ বজাত অনুষ্ঠানৰ সামৰণি পৰিল।

এই অনুষ্ঠানতেই লগ পালোঁ সাংবাদিক বন্ধু, কবি, চলচ্চিত্ৰ সমালোচক মনোজ বৰপূজাৰীক। বৰপূজাৰী আহিছে ইউনিভাৰচিটি অৱ লণ্ডনৰ গ'ল্ডস্মিথ কলেজত অসম তথা ভাৰতৰ চিনেমা সম্পৰ্কে ভাষণ দিবলৈ। কথাষাৰ শুনি আনন্দত মনটো নাচি উঠিল। কাৰণ, মাত্ৰ এসপ্তাহৰ ভিতৰতে তৰুণ প্ৰজন্মৰ তিনিগৰাকী অসমীয়াৰ ভাষণ আৰু অনুষ্ঠান লণ্ডনৰ বুকুত অনুষ্ঠিত হোৱাটো কম গৌৰৱৰ কথা নহয়। যোৱা ১৮ অক্টোবৰত লণ্ডনৰ চাউথ গে'টৰ চাৰ্চ হলত মোৰ শঙ্কৰদেৱ সম্পৰ্কীয় ভাষণ, আজি ২৩ অক্টোবৰত লণ্ডনৰ নেশ্বনেল পট্ৰেইট গেলাৰীত সত্ৰীয়া নৃত্য আৰু চিত্ৰ সম্পৰ্কে মেনকা পি. পি. বৰাৰ অনুষ্ঠান আৰু ২৫ অক্টোবৰত গ'ল্ডস্মিথ কলেজত অসমীয়া চলচ্চিত্ৰৰ ঐতিহ্য সম্পৰ্কে মনোজ বৰপূজাৰীৰ ভাষণ— অসমীয়া ভাষা, সংস্কৃতি আৰু জাতীয় ঐতিহ্যৰ বাবে ই এক গুৰুত্বপূৰ্ণ কথা হ'ব নিশ্চয়। বিদেশত অসমীয়া ভাষা, সংস্কৃতি, সাহিত্য, শিল্পকলা আদি চৰ্চাৰ ক্ষেত্ৰত ই নিশ্চয় এক শুভ পদক্ষেপ হ'ব। নতুন প্ৰজন্মই লণ্ডনত এসপ্তাহত এই তিনিওটা অনুষ্ঠানৰ কথা জানি নিশ্চয় উৎসাহিত হ'ব।

মেনকাৰ অনুষ্ঠান চাবলৈ যাওঁতে লগ পালোঁ লণ্ডন নিবাসী অসমীয়া ড° জিতেন্দ্ৰলাল বৰকাকতি (লণ্ডন স্কুল অৱ ইক'ন'মিক্সৰ অৱসৰপ্ৰাপ্ত অধ্যাপক) আৰু লণ্ডনৰ উডফোৰ্থ গ্ৰীনৰ ৰমেন গোস্বামীক (ৰাণা)। অন্য অসমীয়াসকল অনুষ্ঠানলৈ নহাত তেখেতসকলে ক'লে যে 'উইক ডেজ'ত মানুহ্‌বোৰ ব্যস্ত থাকে বাবে আহিব নোৱাৰিলে। আমি ফটো তুলিলোঁ। মেনকাই মোৰ উপস্থিতি দেখি বৰ আনন্দ পোৱা বুলি ক'লে। এই অনুষ্ঠানতে লগ পালোঁ গুজৰাটী অধিবক্তা বসন্ত কোঠাৰীক। কোঠাৰীয়ে লণ্ডনত অসমীয়া সমাজৰ সৈতে ভাল সম্পৰ্ক বজাই ৰাখিছে।

অনুষ্ঠানৰ অন্তত পট্ৰেইট গেলাৰীৰ তিনি মহলাৰ পৰা লণ্ডন নগৰীৰ চাৰিওফালে চালোঁ। লণ্ডনৰ হিথ্‌ৰ' বিমান বন্দৰত প্ৰতি মিনিটত এখনকৈ উৰাজাহাজ নামিছে বিভিন্ন দেশৰ পৰা আহি। লণ্ডন, আমষ্টাৰডাম আদিৰ বিমান বন্দৰত আমাৰ গুৱাহাটীৰ চিটি বাছতকৈয়ো অধিক ঘনকৈ উৰাজাহাজ আহি থাকে। উৰাজাহাজ উৰি যোৱা আৰু নমা দৃশ্যটো মনোৰম। কিংচ্‌ক্ৰচৰ পৰা ছেৰিংক্ৰচলৈ আহোতে লণ্ডনৰ বাট-পথ আৰু চাৰিআলিবোৰত গীত-মাত আৰু নাচৰ কিছুমান মনোৰম দৃশ্য উপভোগ কৰিলোঁ। জুইৰ ভোটা জ্বলাই গধূলিৰ পৰা দুপৰ নিশালৈকে কিছুমান গাভৰুৱে বাটৰ দাঁতিত নৃত্য কৰি ধন

সংগ্ৰহ কৰা দৃশ্য সঁচাকৈয়ে চাবলগীয়া। বয়সীয়াল মহিলা কিছুমানে গীতাৰ বজাই গীত গাই ধন সংগ্ৰহ কৰা দৃশ্যও দেখিলোঁ— ছেৰিংক্ৰচৰ নেশ্বনেল গেলাৰীৰ সন্মুখত। ওচৰতে গীতাৰ বজাই গীত গাই ধন সংগ্ৰহ কৰি থকা সম্ভ্ৰান্ত ভিক্ষাৰীও দেখিলোঁ। তেনে দৃশ্য ভূতলৰ ৰে'লপথৰ প্ৰৱেশপথ সমূহতো সুলভ।

ৰাতি ৯.০০ বাজিছে। তেনেতে মেনকা পি. পি. বৰাৰ পিতৃ প্ৰফুল্ল প্ৰসাদ বৰাই (পি.পি. বৰা) আমাক নেশ্বনেল পট্ৰেইট গেলাৰীৰ ৰেষ্টুৰেণ্টত চাহ খাবলৈ আমন্ত্ৰণ জনালে। আমি ৰেষ্টুৰেণ্টত সোমাই গ'লোঁ। আমি মানে মই, ডাঃ করুণা সাগৰ দাস, ড° জিতেন্দ্ৰ লাল বৰকাকতি, ৰমেন গোস্বামী (ৰাণা), মনোজ বৰপূজাৰী, প্ৰফুল্ল প্ৰসাদ বৰা, বসন্ত কোঠাৰী, মেনকা আৰু মেনকাৰ বন্ধু-বান্ধৱী। কে'বাগৰাকী ইংৰাজ ডেকা-গাভৰুৱে মদ্যপান কৰি আছে মুখামুখিকৈ কোলাত বহি। ওচৰতে আন দুগৰাকী গাভৰুৰ বুকুৰ দহ শতাংশত কাপোৰে ঢকা; বাকী নৱৈ শতাংশত কাপোৰ নাই। মদ্যপান কৰি বিলাসত বিভোৰ। এনে দৃশ্য হেনো গুৱাহাটীৰ কিছুমান অত্যাধুনিক ৰেষ্টুৰেণ্টতো সুলভ হৈ পৰিছে। দুপৰ নিশাৰ পৰা শেষ নিশালৈ শকত ধনৰ বিনিময়ত তেনে ৰেষ্টুৰেণ্টত কিছুমান ডেকা-গাভৰুৱে সময় পাৰ কৰা কথা শুনিছো যদিও দেখা নাই। লণ্ডনৰ ৰেষ্টুৰেণ্টত তেনে দৃশ্য দেখি গুৱাহাটীত মাজনিশাৰ ৰেষ্টুৰেণ্ট সম্পৰ্কে ধাৰণা গভীৰ হ'ল।

ডেকা-গাভৰুহঁতে আমনি নোপোৱাকৈ আমি ৰেষ্টুৰেণ্টখনৰ এচুকত গৈ বহিলোঁ। আটায়ে ৰেড ৱাইন আৰু অন্যান্য কিবাকিবি খালে; মই খালোঁ একাপ ফিকা চাহ। ৰাতি দহ বজাত ৰেষ্টুৰেণ্টখনৰ পৰা ওলাই আহিলোঁ। তেতিয়া গুৱাহাটীত ৰাতি ২.৩০ বাজিছে। ভাবিলো, এই মুহূৰ্তত চাগে' গুৱাহাটীৰ কিছুমান ৰেষ্টুৰেণ্টত যৌৱনৰ অবাধ উপভোগ চলিছে। গুৱাহাটীৰ পুলিচে সকলো কথা জনাৰ পিছতো সেই ৰেষ্টুৰেণ্টবোৰত সোমাই উতনুৱা আৰু উশৃঙ্খল ডেকা-গাভৰুক নিয়ন্ত্ৰণ কৰাৰ সাহস গোটাব নোৱাৰে। কাৰণ, তেনে ৰেষ্টুৰেণ্টৰ মালিকসকলৰ বেছিভাগেই অসমৰ বাঘা-বাঘা লোকৰ সন্তান। তেওঁলোকৰ কথামতেই হেনো পুলিচ চলে!

নেশ্বনেল পট্ৰেইট গেলাৰীৰ ৰেষ্টুৰেণ্টৰ পৰা ওলাই আহি লণ্ডনৰ বাট-পথটোত দেখিলো কিছুমান ডেকা-গাভৰুৰ মুক্ত জীৱনৰ বহুৱালি। ৰাস্তা-ঘাটে মদৰ বটল। প্ৰবল শীতৰ মাজতো কিছুমানৰ গাত কাপোৰ প্ৰায় নায়েই।

সেইবোৰ দৃশ্য চাই চাই আমি ভূতলৰ ৰে'লপথৰ (টিউব) ৰে'লত উঠিলোঁ। ছেৰিংক্ৰচৰ পৰা কিংচ্‌ক্ৰচলৈ টিউবেৰে গৈ থাকোতে কথাবোৰ ভাবি আছিলোঁ। তেনেতে আমাৰ গন্তব্যস্থান ৱাৰেন ষ্ট্ৰীটত নামি অন্য টিউবত যোৱাৰ কথা। ডাঃ দাসে নামিলে যদিও মই কথাবোৰ ভাবি থাকোতে নামিবলৈ পাহৰি গ'লোঁ। ইতিমধ্যে টিউবৰ স্বয়ংক্ৰিয় দৰজা বন্ধ হৈ গ'ল। সৰ্বনাশ! মই ডাঃ দাস ককাইদেউলৈ অসহায়ভাৱে খিৰিকীৰ গ্লাচৰ মাজেৰে চালোঁ। তেখেতে ইঙ্গিত দিলে গৈ থাকিবলৈ। মই গৈ গৈ ইউষ্টন নামৰ ষ্টেচনত নামিলোঁ। নামিয়েই কঁপিবলৈ ধৰিলোঁ। কাৰণ, টিউবৰ টিকটটো মোৰ হাতত নাই, ডাঃ দাসৰ হাততহে আছে। টিকট নহ'লে ষ্টেচনৰ পৰা ওলাই যাব নোৱাৰি। সকলোবোৰ ইলেকট্ৰনিক কন্ট্ৰোল, স্বয়ংক্ৰিয়। তদুপৰি মোৰ হাতত ইংলেণ্ডৰ পাউণ্ডও নাই। চৰম উত্তেজনাত ষ্টেচনৰ প্ৰস্থান পথত থিয় হৈ ইফালৰ পৰা সিফাললৈ তাঁত-বাতি কাঢ়ি পৰৱৰ্তী টিউবলৈ অপেক্ষা কৰি আছোঁ। সম্ভাব্য বিপদৰ কথা ভাবি প্ৰবল ঠাণ্ডাতো ঘামিবলৈ ধৰিলোঁ। যদিহে ডাঃ দাস ককাইদেৱে মোক বিচাৰি নেপায় তেনেহ'লে মোৰ কি অৱস্থা হ'ব! গোটেই ৰাতি ষ্টেচনত বহি থাকিব লাগিব। ৰাতি বাৰটা বজালৈকে টিউব চলে। বাৰটা বজাৰ পিছত পুলিচে সুধিবহি বৈ থকাৰ কথা। মই কোৱাৰ পিছতো যদিহে বিশ্বাস নকৰে? তেতিয়া কি হ'ব মোৰ! ভাবিলোঁ— হয়, তেওঁলোকে মোক কিংচ্‌ক্ৰচৰ ট্ৰেভেলজ নামৰ হোটেলত থৈ আহিব নহ'লে লক্‌আপত সোমাই থ'ব। মই যে এজন পৰ্যটক সেই কথা প্ৰমাণ কৰিবলৈ পাছ্‌পৰ্টখনো লগত নাই। পাছ্‌পৰ্টখন ব্ৰেডফোৰ্ডত এৰি আহিছোঁ। শ্ৰীমতীয়ে আহোতে গুৱাহাটীৰ পৰা কৈ পঠাইছিল— 'পাচপৰ্ট আৰু ভিছাখন ফটোষ্টেট কৰি লগত ৰাখিবা।' মই বিপদত পৰি সেই দুপৰ ৰাতিখন কথাবোৰ মনত পেলালোঁ। পাউণ্ড লগত নৰখাৰ কাৰণ আছিল এয়ে যে ডাঃ দাস ককাইদেৱেই মোৰ সকলো খৰচ বহন কৰিছিল। বিপদত পৰি ভাবিলো— কাইলৈৰ পৰা পকেটত পাউণ্ড ৰাখিম। সম্ভাব্য বিপদৰ কথা ভাবি থাকোতে মোৰ হাতত এটাই প্ৰমাণ আছিল— সেয়া হ'ল মোৰ শঙ্কৰদেৱ সম্পৰ্কীয় লণ্ডন ভাষণৰ ছপা গ্ৰন্থ, মই চাকৰি কৰা অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ পৰিচয় পত্ৰ আৰু মোৰ 'বিজ্ঞাপন' নামৰ কাব্যগ্ৰন্থ। মনতে ভাবিলোঁ— পুলিচক মোৰ ভাষণৰ ইংৰাজী পাঠখিনি দেখুৱালে বা 'বিজ্ঞাপন' কবিতাৰ ইংৰাজী অনুবাদ পঢ়ি শুনালে অন্ততঃ মোক টিকটবিহীন যাত্ৰী বা অপৰাধী অথবা অবৈধ অনুপ্ৰৱেশকাৰী হিচাপে লক আপ বা জে'ললৈ নপঠায়।

সেয়ে নিজক ৰক্ষা কৰিব পাৰিম বুলি মনৰ মাজত সাহস গোটালোঁ।

ইমানপৰে দহ মিনিট সময় পাৰ হৈ গৈছে। টিউব এখন আহিল। প্ৰথম ডবাৰ পৰা শেষৰ ডবালৈকে চকু ফুৰালোঁ। এখন ডবাৰ পৰা কোনোবাই হাতেৰে ইঙ্গিত দিয়া বুলি লক্ষ্য কৰিলোঁ। টিউব ৰৈ যোৱাত ডাঃ দাস ককাইদেউ নামি হাত দাঙিলে। মই আগবাঢ়ি গ'লোঁ। তেখেতক দেখি জীউটো ৰক্ষা পৰিল। তেখেতে ক'লে, — "টিউবত সতৰ্ক হৈ থাকিব লাগিব। চেকেণ্ডৰ ইফাল সিফাল হ'লেই বিপদ। ময়ো বৰ চিন্তিত হৈ পৰিছিলোঁ। কাৰণ, আপোনাৰ হাতত ম'বাইল ফোন নাই। আমাৰ ঘৰলৈ ফোন কৰিবলৈকো পাউণ্ড নাই। কাইলৈ পাউণ্ড হাতত ৰাখিব লাগিব। বিপদৰ কথা ক'ব নোৱাৰি। ব'লক, ভিক্টোৰিয়াৰ টিউবত উঠিব লাগিব। মোক ফল' কৰিব।"

পুনৰ ভিক্টোৰিয়াৰ টিউবত উঠি কিংচ্‌ক্ৰচ পালোঁহি। ৰাতি ১১-১৫ বাজিছে। ভাত খাবলৈ হোটেল বিচাৰিলোঁ। এখন হোটেলৰ চাইনবোৰ্ডত লিখা আছে—'ইণ্ডিয়া তন্দুৰী হোটেল'। ভাৰতীয় হোটেল বুলি সোমাই গ'লোঁ। কৰ্মচাৰী কেইজনৰ সৈতে কথা-বতৰা পাতি জানিব পাৰিলোঁ যে হোটেলখনৰ মালিক আৰু কৰ্মচাৰী আটায়ে বাংলাদেশী। তেওঁলোকে ভাৰতীয় গ্ৰাহকক আকৰ্ষিত কৰিবলৈহে তেনে নাম দিছে। আনকি যিখন দেশত ধৰ্মৰ নামত উন্মাদনা সেই দেশৰ মুছলমানসকল লণ্ডনলৈ আহি মুকলিকৈ মদৰ ব্যৱসায় কৰিছে। লণ্ডনত কে'বাহাজাৰ বাংলাদেশী আৰু লাখৰ ওপৰত পাকিস্তানী মুছলমানে সমান্তৰালভাৱে মদ আৰু হোটেলৰ ব্যৱসায় কৰি আছে। ইংলেণ্ডত ড্ৰাগচ খোৱা ডেকা ল'ৰাৰ ব্যাপক অংশ হেনো পাকিস্তানী মুছলমান।

হোটেলৰ পৰা আহি ল'জত সোমাওঁতে ৰাতি বাৰটা বাজিল। আমাৰ 'ডাবল বে'ড'ৰ বিছনা বাবে ডাঃ দাস ককাইদেৱে মজিয়াত আন এখন বিছনা পাৰি টোপনি গ'ল। মই বহুবাৰ কোৱা সত্ত্বেও তেখেতে ডাঙৰ বিছনাখনত নুশুলে। বিশাল বিছনাখন মোক এৰি দিলে। তেখেতৰ মহত্ত্ব দেখি অভিভূত হ'লোঁ। মই টোপনি নগৈ ডায়েৰী লিখিবলৈ আৰম্ভ কৰিলোঁ। লণ্ডনৰ প্ৰথম নিশাৰ অভিজ্ঞতাৰ ডায়েৰী। এখন শান্ত মহানগৰীৰ ডায়েৰী; ৰাতিৰ অশান্ত আৰু উত্তাল মহানগৰীৰ ডায়েৰী। এই মহানগৰীত বিচৰণ কৰোঁতে আজি এনে অনুভৱ হ'ল যেন সমগ্ৰ পৃথিৱীখনেই আছে এই লণ্ডন মহানগৰীত। 'মহানগৰী' বুলি নকৈ লণ্ডনক 'বিশ্বনগৰী' বুলি কোৱাহে যুগুত হ'ব। যিখন মহানগৰীৰ এশ-ডেৰশ ফুট তললৈকে ৰে'লপথ। যিখন মহানগৰীৰ ৰে'লপথৰ ওপৰতেই

কোটি কোটি মানুহৰ বসতি, য'ত পৃথিৱীৰ আধুনিক কাৰিকৰী আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ ঘটিছে সেই মহানগৰীৰ প্ৰথম নিশাটোত বহু চেষ্টা কৰিয়ো টোপনি যাব পৰা নাই। মনৰ মাজত কেৱল ভূমুকি মাৰি আছে এশ দহ কোটি জনসংখ্যাৰ দেশ ভাৰতৰ কথা। সাগৰীয় পথেৰে গৈ ভাস্কো-ডি-গামাই ভাৰতবৰ্ষ আৱিষ্কাৰ কৰাৰ পিছত ব্ৰিটিছসকলে সাগৰৰ মাজৰ দীপপুঞ্জ ইংলেণ্ডৰ পৰা গৈয়ে কোটি কোটি ভাৰতীয়ক কেনেদৰে শাসন কৰিছিল— সেইবোৰ কথাই মনৰ মাজত ভূমুকি মাৰিবলৈ ধৰিলে। সভ্যতাৰ চৰম শিখৰত পদাৰ্পণ কৰা এই ইংলেণ্ড — অথচ ইয়াতেই ৰাতিৰ নগৰীবোৰ যেন এটা সময়ত হৈ উঠে এচাম উন্মাদৰ বিচৰণথলী। টিউবেৰে ৰাতি ১১ বজাত আহি থাকোতে দেখিলোঁ তেনে ডেকা-গাভৰুৰ উন্মাদনাৰ দৃশ্য। এজাক ইংৰাজ গাভৰুৰ গাত কাপোৰ বুলিবলৈ বুকুৰ দহভাগ আৰু কঁকালৰ কুৰিভাগ ঢাকি থোৱা আছে। জানিব পাৰিলোঁ যে তেওঁলোক ডিস্কো ক্লাব আৰু বাৰৰ পৰা পপ ডেন্স কৰি ওলাই আহিছে। তেনেকুৱা পপ ডেন্সৰ দল প্ৰায় পাঁচটামান দেখিলোঁ। একেখন ৰে'লতে আন এক দৃশ্য দেখি মনটো আনন্দৰে ভৰি পৰিল। আমাৰ ওচৰতে বহি আহিছিল দুগৰাকী দীপলিপ গাভৰু। বয়স ওঠৰৰ পৰা বাইছ বছৰৰ ভিতৰত। দুয়োগৰাকীৰ হাতত দুখন গ্ৰন্থ। দুয়ো পঢ়াত ব্যস্ত। চিনাকি হ'বৰ মন আছিল; কিন্তু ব্যস্ততা দেখি আমনি দিবলৈ মন নগ'ল। ৰাতি তেতিয়া ১০-৩৫ বাজিছে। গাভৰু দুগৰাকী সম্ভৱতঃ কামৰপৰা আহিছে। আমাৰ দৰেই পঢ়াৰ পোক হোৱা বাবে সম্ভৱতঃ দিনটোত পঢ়াৰ সময় পোৱা নাই। সেয়ে আবাসলৈ উভতাৰ পথত টিউবত বহি গ্ৰন্থ পঢ়ি গৈ আছে। মোৰ হাততো গ্ৰন্থ এখন দেখি তাৰে এগৰাকী গাভৰুৱে এবাৰ মূৰ তুলি মোলৈ চালে। তেনেতে তেওঁৰ হাতৰ গ্ৰন্থখনৰ নামটো চোৱাৰ সৌভাগ্য হ'ল। গ্ৰন্থখনৰ নামটো চাই থমকি ৰ'লোঁ। কাৰণ পুঁজিবাদী ৰাষ্ট্ৰ ইংলেণ্ডৰ গাভৰুৰ হাতত পুঁজিবাদৰ শত্ৰুৰ বিষয়ে লিখা গ্ৰন্থ! তাকো ৰাতি ১০-৩৫ বজাত, টিউব ৰে'লত। গ্ৰন্থখনৰ শিৰোনাম— 'Castro: The Grand Illusion'। অৰ্থাৎ, আজন্ম বিপ্লৱী, আধুনিক কিউবাৰ জন্মদাতা, আমেৰিকাৰ চিৰশত্ৰু ফিডেল কাষ্ট্ৰো বিষয়ক গ্ৰন্থ। পুঁজিবাদী ৰাষ্ট্ৰৰ গাভৰুৱেও ঘোৰ কমিউনিষ্ট এজনৰ বিষয়ে জানিবলৈ প্ৰায় দুপৰ ৰাতি গ্ৰন্থ পঢ়ি পঢ়ি গৈ আছে— মই যেন এক নতুন লণ্ডনৰ এক নতুন অধ্যায় আৱিষ্কাৰ কৰিলোঁ। আনগৰাকী গাভৰুৰ হাতত ইৰভিনৰ এখন গ্ৰন্থ। দুয়োগৰাকী বান্ধৱী চাগে'। মই সেই ৰাতিখন টিউবৰ

পৰা যথাস্থানত নামোতে বিলম্ব ঘটি চৰম বিপদত পৰাৰ অন্যতম কাৰণ আছিল এই দুগৰাকী গাভৰু। কাৰণ, লণ্ডন মহানগৰীত যৌৱন প্ৰদৰ্শন আৰু যৌৱন উপভোগ কৰি থকা গাভৰুহঁতৰ কথা ভাবি থাকোতে মই গ্ৰন্থ পঢ়ি থকা এই দুগৰাকী ইংৰাজ গাভৰুক দেখি পাহৰি গৈছিলো গন্তব্যস্থানৰ কথা। হয়, এই দুগৰাকী গাভৰুৱেওতো দিব পাৰে পথহাৰা লোকৰ পথৰ সন্ধান!

(ৰাতি ২.৩০ বজা। লণ্ডন)

লণ্ডনৰ বাকিংহাম পেলেচত থিয় হৈ

২৪ অক্টোবৰ, ২০০৮। শুক্ৰবাৰ। লণ্ডন ঃ যোৱা ৰাতি শোওঁতে দুটা ত্ৰিছ বাজিল। ডাঃ করুণা সাগৰ দাসক মোৰ 'বিজ্ঞাপন' কাব্যগ্ৰন্থখনৰ পৰা 'ভোক' আৰু 'ইতিহাসে ক্ষমা নকৰিব তোমালোকক' শীৰ্ষক কবিতা দুটা পঢ়ি শুনালোঁ। 'ভোক' কবিতাটিৰ শেষৰ শাৰী দুটা আছিল — "কথাবোৰ তোমালোকক সুধিছোঁ ভাই ঃ/ যিসকল ভোগৰ পৃথিৱীত ৰমন বিলাস কৰা /ভোক কি চিনি নোপোৱা; / যিসকলৰ তেজৰ কলিজা নাই!" শাৰী দুটা শুনি ডাঃ দাস ককাইদেৱে বহু সময় ধৰি মোৰ চকুলৈ চাই থাকি কৈছিল— "বহুদিন পিছত এটা সত্য কথা শুনিলোঁ। সচাঁকৈয়ে আমি ভোগৰ পৃথিৱীত ৰমন বিলাস কৰি আছোঁ; কিন্তু ভোক কি চিনি নেপালোঁ। আমাৰ কলিজাৰ তেজ শুকাই গ'ল; আমি কাঠৰ কলিজা কঢ়িয়াই ফুৰিছোঁ। মানুহৰ হৃদয়ৰ বতৰা তেনে কলিজাই ল'ব পৰা নাই। এই ইংলেণ্ডৰ বুকুত বত্ৰিছটা বছৰ বিচৰণ কৰি আজি যেন জীৱনৰ মৰ্মবাণী এটা শুনিলোঁ।"

পুৱা ৮ বজাত সাৰ পালোঁ। ট্ৰেভেলজ হোটেলৰ আমাৰ কোঠাতেই ৰঙাচাহ বনাই বিস্কুটেৰে খালোঁ। দুপৰীয়া বাৰটা বজাত হোটেল এৰিব লাগিব। সেয়ে গা-পা ধুই ১১-৩০ বজাতেই হোটেলখন এৰি আমি গ'লোঁ লণ্ডনৰ চিটী চেন্টাৰৰ ওচৰৰ বাকিংহাম পেলেচলৈ। বিশাল চৌহদ। এই চৌহদতেই ইংলেণ্ডৰ ৰাণী থাকে। চৌহদত হেলিকপ্টাৰ নমোৱাৰ পৰা আৰম্ভ কৰি সকলো ধৰণৰ সুবিধা আছে। ভিতৰলৈ পৰ্যটক বা দৰ্শনাৰ্থীক যাবলৈ নিদিয়ে যদিও বাহিৰৰ পৰা চৌহদখন চাব পাৰি। আমি চৌহদৰ প্ৰৱেশদ্বাৰত থিয় হৈ ফটো তুলিলোঁ। ফটো তোলোতে বেগখন মাটিত থৈছিলোঁ। বন্দুকধাৰী প্ৰহৰীয়ে বেগখন হাতত ল'বলৈ ক'লে। কাৰণ, লণ্ডনত ফুৰিলে কোনেও নিজৰ হাতৰ বস্তু মাটিত থ'ব নোৱাৰে। বেগ বা টোপোলা মাটিত থ'লে পুলিচে সন্দেহ কৰে — কিজানিবা বোমা বা বিস্ফোৰক সামগ্ৰীয়েই আছে!

ব্ৰেডফোৰ্ডৰ লিষ্টাৰ পাৰ্কত দেখাৰ দৰেই বাকিংহাম পেলেচতো এটা কেৰ্কেটুৱাই দৰ্শনাৰ্থীৰ হাতৰ পৰা খোৱাবস্তু লোৱা দেখি আনন্দ পালোঁ।

ওচৰতে থিয় হৈ আছিল এহাল লোক। মূলাতকৈয়ো গাৰ ৰং ৰঙা। পোছাক-পাতি দেখি আৰবৰ মুছলমান বুলি ভাবিলোঁ। ডাঃ করুণা সাগৰ দাস ককাইদেৱে ক'লে, —"নহয়, তেওঁলোক ইহুদী। মুখলৈ নাচাব বা একো নুসুধিব। এওঁলোক বৰ খঙাল আৰু অহংকাৰী। অযথা সন্দেহ কৰে।"

ইহুদীহালক দেখি মনত পৰিল হিটলাৰে গেছ চেম্বাৰত ভৰাই হাজাৰ হাজাৰ ইহুদীক হত্যা কৰাৰ কথা। ইহুদী নাৰীবোৰ বৰ ধুনীয়া। হিটলাৰৰ হেনো এগৰাকী ইহুদী নাৰীৰ সৈতে যৌন-সম্পৰ্ক আছিল। দেহোপজীৱিনী সেই ইহুদী মহিলাগৰাকীৰ সৈতে জাৰ্মান সম্রাট হিটলাৰৰ শাৰীৰিক সম্পৰ্ক ঘটাত তেওঁৰ দেহাত হেনো চিফিলিচৰ দৰে বীজাণুৱে (আজিৰ এইডচ্‌ৰ দৰে) বাহ লৈছিল। সেয়াই আছিল ইহুদীৰ প্ৰতি হিটলাৰৰ বিদ্বেষৰ অন্যতম কাৰণ। হিটলাৰে এজনী ইহুদী দেহোপজীৱিনীৰ বাবেই হেজাৰ হেজাৰ ইহুদীক হত্যা কৰিছিল। নিৰাপৰাধী ইহুদীসকলক হত্যা কৰোঁতে জাৰ্মানত বিশেষ প্ৰতিবাদ সাব্যস্ত নোহোৱাত জাৰ্মান বুদ্ধিজীৱী তথা কবি পেষ্ট'ৰ নেইমুলাৰে লিখিছিল ঃ

"যেতিয়া তেওঁলোকে ইহুদীক বিচাৰি আহিছিল
তেতিয়া মই প্ৰতিবাদ কৰা নাছিলোঁ;
কাৰণ মই ইহুদী নহয়।
ইয়াৰ পিছত তেওঁলোকে কমিউনিষ্টসকলক বিচাৰি আহিছিল
মই তেতিয়াও প্ৰতিবাদ কৰা নাছিলো;
কাৰণ মইতো কমিউনিষ্ট নহয়!

তাৰ পিছত তেওঁলোকে কেথ্‌লিকসকলক বিচাৰি আহিছিল
তেতিয়াও মই প্ৰতিবাদ কৰা নাছিলো;
কাৰণ মই যে কেথ্‌লিক নহয়!

অৱশেষত যেতিয়া তেওঁলোকে মোক বিচাৰি আহিল
তেতিয়া মোৰ হকে মাত মাতিবলৈ কোনো যে নাথাকিল।"

অৱশ্যে ইহুদীসকলো কম গোড়া নহয়। তেওঁলোকৰ মাজত মৌলবাদী প্ৰৱণতা বৰ বেছি, প্ৰগতিশীল চিন্তা প্ৰায় শূন্য। আৰবৰ মুছলমানসকলৰ পোছাক-পাতিৰ দৰে ইহুদীসকলৰ পোছাক-পাতিতো গোড়ামিৰ স্পষ্ট প্ৰমাণ পোৱা যায়। অৱশ্যে ই তেওঁলোকৰ ধৰ্মকেন্দ্ৰিক সংস্কৃতিও হ'ব পাৰে।

দুপৰীয়া ১২-৩০ বাজিছে। বাকিংহাম পেলেচৰ বজাৰত সোমালোঁ। বজাৰৰ পৰা ওলাই আহোতে এজন কৰ্তব্যৰত বিষয়াই আমি ডিঙিত আঁৰি যোৱা মিচিং দুমেৰখন চাব খুজিলে। দেখুৱালোঁ। তেওঁ হাতেৰে চুই ক'লে, — "কিনিব পায়নে? কিমান দাম?" মই ক'লোঁ, — "অসমত পায়। এইটো মিচিং জনজাতিৰ পোছাক। দহ পাউণ্ড লাগিব।" মোৰ লগত অতিৰিক্ত এখন আছে নেকি সুধিলে। নাই বুলি ক'লো। ইংৰাজ মানুহজনক ভাল লাগি গ'ল। একে অভিজ্ঞতা হৈছিল কালি ডিমাচাসকলৰ ৰিচা এখন ডিঙিত আঁৰি যাওঁতে। মই এইকেইদিন লণ্ডন, বাৰ্মিংহাম, ষ্ট্ৰেটফোৰ্ড, ব্ৰেডফোৰ্ড আদিলৈ যাওঁতে বড়ো, মিচিং, দেউৰী, ৰাজবংশী, ৰাভা, তিৱা, মৰাণ আদি জনগোষ্ঠীৰ গামোচা, দুমেৰ, আৰনাই, মিবু গালোক আদিৰ এখন হ'লেও গাত আঁৰি লৈ গৈছোঁ। ইংৰাজসকলে আগ্ৰহেৰে চাইছে আমাৰ জনজাতিসকলৰ বয়ন শিল্প। ইংৰাজসকলৰ আগ্ৰহ দেখি মোৰ ভাব হ'ল যেন লণ্ডনৰ বুকুত অসমৰ থলুৱা কাপোৰৰ বিপণী এখন থাকিলে ভালকৈয়ে চলিব। অৱশ্যে বাঙালী, গুজৰাটী, পাঞ্জাৱী, পাকিস্তানী, মাৰাঠী আদিৰ কাপোৰ আৰু অন্যান্য সামগ্ৰীৰ একাধিক দোকান লণ্ডনত আছে। কেৱল অসমীয়া ৰাইজৰহে দোকান নাই। বাকিংহাম পেলেচ চাই লণ্ডনৰ পৰা ব্ৰেডফোৰ্ডলৈ আহোতে 'লাহৰী' নামৰ এখন দোকান দেখি ভাবিলোঁ—এয়াতো অসমীয়া শব্দ। অসমীয়া মানুহৰ দোকান হ'ব পায়! পিছে মোৰ ধাৰণা ভুল বুলি প্ৰমাণিত হ'বলৈ এক মিনিটো সময় নালাগিল। কাৰণ, ওচৰৰ দোকানখনৰ নাম হ'ল কৰাচী পেলেচ। বুজিবলৈ বাকী নাথাকিল যে সেই অঞ্চলটো পাকিস্তানী লোকৰ থকা ঠাই। 'লাহৰী' শব্দটো তেওঁলোকেই দিয়া নাম। পাকিস্তানৰ লাহোৰ নগৰৰ নামৰ পৰা 'লাহৰী'। অৰ্থাৎ, দোকানখনৰ মালিক লাহোৰৰ চাগে'। যিয়ে নহওঁক, নেদেখা পাকিস্তানীজনক ধন্যবাদ, অন্ততঃ অসমীয়া নামৰ সৈতে সামঞ্জস্য থকা নাম এটিৰে দোকানৰ নাম দিয়া বাবে! লণ্ডনৰ ষ্টাৰ ষ্ট্ৰীট, কন্নট ষ্ট্ৰীট, চেণ্ট্ৰেল জ'ন, এড্‌জৱেৰ ৰোড, এলিজাবেথ ষ্ট্ৰীট, গ্ৰছভেনৰ প্লেছ, চপল ষ্ট্ৰীট, হাইড পাৰ্ক, লণ্ডন পাৰ্ক আদি অঞ্চলত অনেক পাকিস্তানী, বাংলাদেশী আৰু গুজৰাটী আছে। তেওঁলোকে নিজা ভাষা-সংস্কৃতিৰ আধাৰত দোকান-পোহাৰবোৰ নামকৰণ কৰাৰ উপৰি মন্দিৰ, মছজিদ আদিও গঢ়ি তুলিছে। সেইবোৰ অঞ্চলত তেওঁলোকৰ মেয়ৰও আছে।

লণ্ডনৰ পৰা ব্ৰেডফোৰ্ডলৈ আহি আছোঁ। মোৰ ওচৰতে বহিছে এজন

পঁচিছ বছৰীয়া ইংৰাজ ডেকা ল'ৰা। মুখৰ পৰা কিবা এটা গোন্ধ ওলাইছে। কিছু অস্বাভাৱিক আচৰণ। নিজৰ হাতৰ আঙুলিত নিজেই চিকুটিছে। বুজিবলৈ বাকী নাথাকিল যে তেওঁ ড্ৰাগচত আসক্ত যুৱক। ব্ৰেডফোৰ্ডত গাড়ীৰ পৰা নামিয়েই ৰৈ থকা বান্ধৱীৰ ডিঙিত সাৱটি চুমা খাই খাই খোজকাঢ়ি গৈ থাকিল। বান্ধৱীজনীয়েও অধীৰ হৈ ওঁঠত চুমা খাই যাবলৈ ধৰিলে।

মোৰ আসনৰ সোঁহাতৰ পৃথক আসনত বহি লণ্ডনৰ পৰা ব্ৰেডফোৰ্ডলৈ কিতাপ পঢ়ি পঢ়ি আহি আছিল প্ৰায় পঁয়ত্ৰিশ বছৰীয়া ইংৰাজ গাভৰু। সুদীৰ্ঘ ছঘণ্টা সময় একেৰাহে কিতাপ পঢ়া দেখি তেওঁলৈ শ্ৰদ্ধা আৰু মৰম উপজিল। কাৰণ, মোৰ বাওঁহাতে ড্ৰাগচ সেৱনকাৰী পঁচিছ বছৰীয়া যুৱক আৰু সোঁহাতে বহি ছঘণ্টা সময় জুৰি কিতাপ পঢ়ি গৈ আছে পঁয়ত্ৰিছ বছৰীয়া গাভৰু। দৃশ্যটো মোৰ বাবে অভিজ্ঞতালব্ধ। চিনাকি হ'ব খুজিছিলোঁ, নহ'লোঁ। মাজে মাজে তেওঁলৈ চালোঁ। মোলৈকো চালে। কাৰণ, ময়ো তেওঁৰ দৰেই 'History of England' নামৰ এখন গ্ৰন্থ পঢ়ি গৈ আছিলোঁ। গাভৰুজনী ব্ৰেডফোৰ্ডত নামিল। ৰাতি ১০.০০ বাজিছে তেতিয়া। আকৌ তাইলৈ চালোঁ, প্ৰায় ছফুট ওখ। সকলো ধৰণৰ সৌন্দৰ্য আৰু কমনীয়তা তাইৰ দেহাত। অপেক্ষা কৰি থকা কোনোবাই আহি তাইক গাড়ীত তুলি লৈ গ'ল। মই আৱিষ্কাৰ কৰিলোঁ তাইৰ মাজত এজনী চিন্তাশীলা গাভৰুৰ ব্যক্তিত্ব। তায়ো বাৰু লণ্ডনৰ টিউবত দেখা গাভৰুজনীৰ দৰেই ফিডেল কাষ্ট্ৰো সম্পৰ্কীয় কিতাপ পঢ়ি গৈ আছিল নেকি? নে শ্বেইক্সপীয়েৰ দেৱতা হোৱাৰ কাহিনী?

লণ্ডনৰ পৰা আবেলি তিনি বজাত যাত্ৰা আৰম্ভ কৰি ব্ৰেডফোৰ্ড পাওঁতে আমাৰ ৰাতি ১০-৩০ বাজিছিল। যান-বাহনৰ ভীৰৰ বাবেই পলম হ'ল। আচলতে তিনিশ কিলোমিটাৰৰ পথছোৱাত তিনিঘণ্টাহে লাগে। সমগ্ৰ পথছোৱা অতি শুৱনি, সংকেত ফলকবোৰ ইলেক্‌ট্ৰনিক নিয়ন্ত্ৰিত। গাঁওবোৰো এখনকৈ নগৰৰ দৰে। ৰাতিৰ ভাগত যিকোনো পথেৰে আহি থাকোঁতে সমগ্ৰ ইংলেণ্ডখন যেন ইলেকট্ৰিক বাগিছাৰ দৰে লাগে; যেন সমগ্ৰ ৰাতি বিৰামহীনভাৱে পৰি আছে পোহৰৰ বৰষুণ।

ৰাতি দহ বজাত ব্ৰেডফোৰ্ডত সোমায়েই দেখিলোঁ ইলেক্‌ট্ৰিক লাইটেৰে লিখা ফলকত 'Happy Diwali'। হয়তো, দেৱালী আহি আছে! আমাৰ দেশখন অন্ধকাৰময় হ'ব ফটকাৰ ধোঁৱাত। আকাশ, বতাহ, পানী, শব্দ সকলোতে প্ৰদূষণ হ'ব। এই কেইদিন ইংলেণ্ডৰ ক'তো প্ৰদূষণৰ নামমাত্ৰ

নেদেখিলোঁ। নগৰ আৰু গাঁৱৰ ড্ৰেইনবোৰ আণ্ডাৰগ্ৰাউণ্ড কৰা আছে। ক'তো গোন্ধ নাই। গেলা-পচা বস্তু খাবলৈ কাউৰী বা কুকুৰো নাই। সকলোৱে দায়িত্ববোধ বুজি নগৰ আৰু গাঁওবোৰ পৰি-পাটি কৰি ৰাখে। আমাৰ কদৰ্য নগৰী গুৱাহাটীৰ কথা ভাৱি মানসিক চাপ বাঢ়িল। মৰাগৰু, ছাগলী, কুকুৰ, মেকুৰীৰ পৰা আৰম্ভ কৰি গেলা-পচা খাদ্য-সামগ্ৰীৰে গুৱাহাটীৰ বাট-পথ, ডাষ্টবিন আদি ভৰি থাকে। পৌৰ নিগম এটা বগা হাতী। বিষয়া-কৰ্মচাৰীসকলৰ দায়িত্ববোধ নাই। বিল বনোৱা, পাছ কৰা আৰু ধন আত্মসাৎ কৰাতে বেছিভাগৰ চকু। এনে মানসিকতাৰ অসমবাসীৰ দ্বাৰা আমাৰ ৰাজ্যখন কোনোদিনে চহকী নহয়। বিদেশীসকলৰ পৰা আমি চহকী হোৱাৰ বহু কথাই শিকিব লাগিব।

কালি লণ্ডনলৈ যাওঁতে মোৰ সৈতে একেলগে বহি গৈছিল সঞ্জয় দে নামৰ এগৰাকী বাঙালী যুৱক। সঞ্জয়ৰ ঘৰ কলকাতাত। বৰ্তমানে লণ্ডনত থাকে। ৰবীন্দ্ৰ সঙ্গীত আৰু বাংলা লোকগীত গায়। মোৰ হাতত 'বিজ্ঞাপন' কাব্যগ্ৰন্থখন দেখি চিনাকি হ'ল। কলকাতাৰ কথা ওলাল। কবি সুনীল গঙ্গোপাধ্যায়, কৃষ্ণা বসু আদিৰ সান্নিধ্যৰ কথা ক'লোঁ। মোক তেওঁৰ ২৮ অক্টোবৰৰ সঙ্গীতৰ অনুষ্ঠান এটিলৈ আমন্ত্ৰণ জনালে। টেলিফোন নম্বৰো দিলে। কিংচ্‌ক্ৰচত অনুষ্ঠানটি হ'ব। তালৈ গ'লে ইংলেণ্ডৰ টি. ভি.ৰ বাংলা চেনেলত শঙ্কৰদেৱ, বিহু আৰু অসমৰ লোক-সংস্কৃতি সম্পৰ্কীয় এটি সাক্ষাৎকাৰ লৈ দিব বুলি ক'লে। সময় আৰু সুযোগ পালে যাম বুলি ক'লোঁ।

ৰাতি ১০-৩০ বজাত ডাঃ দাস ককাইদেউৰ ঘৰ আহি পালোঁ। মেনকা পি. পি. বৰাৰ পিতৃ প্ৰফুল্ল প্ৰসাদ বৰাৰ পৰা ফোন আহিল। ইংলেণ্ডৰ অসমীয়া সমাজ, শঙ্কৰদেৱকৃত সংস্কৃতিৰ বিশ্বজোৰা চৰ্চা আৰু প্ৰচাৰ, অসমীয়া সমাজৰ সীমাবদ্ধতা, অসমৰ ৰাইজৰ সংকীৰ্ণতা আদি সম্পৰ্কীয় বহু কথাই ক'লোঁ। বৰাদেৱে ক'লে, "মেনকাৰ অনুষ্ঠানত লণ্ডনৰ অসমীয়া সমাজৰ উপস্থিতি অধিক প্ৰয়োজন আছিল।"

ৰাতি ১২.০০ বাজিছে। লেখা-মেলা কৰি, খাই-বৈ শুৱাৰ প্ৰস্তুতি চলালোঁ।

(ৰাতি ১২.০৫ বজা। লণ্ডন)

গ্লাচগোত অসমীয়া পৰিয়ালৰ বিয়াত

২৫ অক্টোবৰ, ২০০৮। শনিবাৰ, গ্লাচগো, স্কটলেণ্ড ঃ আজি পুৱা দহ বজাত ব্রেডফোৰ্ডৰ পৰা গ্লাচগোলৈ আহিলোঁ। গ্লাচগো হ'ল সংযুক্ত যুক্তৰাজ্যৰ (United Kingdom) এখন ৰাজ্য স্কটলেণ্ডৰ প্ৰধান চহৰ। লণ্ডনৰ পৰা চাৰিশ মাইল দূৰত্ব। ইংলেণ্ড আৰু স্কটলেণ্ডত দূৰত্ব মাইলত জোখা হয়। ভাৰতীয় জোখ-মাপ মতে লণ্ডনৰ পৰা গ্লাচগোৰ দূৰত্ব প্ৰায় ছশ কিলোমিটাৰ। ব্রেডফোৰ্ডৰ পৰা গ্লাচগোলৈ আহোতে সমগ্ৰ দিনটো বৰষুণ দি আছিল বাবে প্ৰাকৃতিক দৃশ্য চাব নোৱাৰিলোঁ। তাৰে মাজতে দুই-এঠাইত দেখিলো মনোৰম দৃশ্যৰাজি। আগতে নেদেখা এখন নতুন পৃথিৱী। স্কটলেণ্ডৰ মানুহবোৰো নতুন যেন লাগিল। বেছিভাগ মানুহেই শকত। ইংলেণ্ডৰ মানুহৰ তুলনাত অধিক বগা আৰু গোলপীয়া বৰণৰ। মই আৰু ডাঃ কৰুণা সাগৰ দাস ককাইদেউ ব্রেডফোৰ্ডৰ পৰা গ্লাচগোলৈ আহি থাকোতে আমাৰ ওচৰতে এগৰাকী শকত-আৱত মহিলা বহিছিল। বয়স সম্ভৱতঃ পঞ্চাছ বছৰ। তেনে শকত মহিলা জীৱনত দেখা নাই। আনকি কুস্তি খেলত টেলিভিছনত দেখা টাইৱানৰ মহিলাবোৰো তেনে শকত নহয়। মহিলাগৰাকীৰ স'তে ইংৰাজীত কথা পাতিলোঁ। বৰ মুকলি মনৰ। তেওঁৰ কাষৰ আসনত বহাৰ ইচ্ছা আছিল যদিও বহা নহ'ল। কাৰণ, মহিলাগৰাকী ইমানেই শকত আৰু মেদবহুল যে তেওঁৰ অকলেই দুখন আসনৰ প্ৰয়োজন। আমাৰ দৰে মানুহ চাৰিজনৰ প্ৰয়োজন হ'ব তেওঁক ঘেৰি ধৰিবলৈ। তেওঁৰ এহাতৰ বাহুৱেই হ'ব আমাৰ সমগ্ৰ শৰীৰৰ সমান। ইমান শকত হোৱাৰ পিছতো মহিলাগৰাকী ফুৰা-চকা কৰাত কোনো আহুকালৰ সৃষ্টি হোৱা নাই। বৰঞ্চ আমাতকৈ অধিক খৰখেদাকৈ খোজ দিব পাৰে। আমাৰ অসমৰ মহিলা সমাজলৈ মনত পৰিল। অসমত থকা হেঁতেন তেনে মহিলাই সমগ্ৰ জীৱন নৰিয়াপাটীতেই কটাব লগা হ'লহেঁতেন। মোৰ কাষৰ আসনত আন এগৰাকী ষাঠিবছৰীয়া স্কটিছ্ শকত মহিলা বহিছিল। তেওঁৰ সৈতে কথা পাতি আছিলোঁ। মোক কে'বাবাৰো চক্‌লেট দিলে। 'অসমীয়া হিচাপে' তেওঁ মোক লগ পাই বৰ ভাল পালে বুলি ক'লে।

গ্লাচগোত নামি কঁপি উঠিলোঁ। আইচলেণ্ড আৰু আয়াৰলেণ্ডৰ ওচৰৰ স্কটলেণ্ড বৰফৰ ঠাই। শীতৰ বাবে উষ্ণতা পাঁচ ডিগ্ৰী ছেণ্টিগ্ৰেডলৈ নামিছে। আমি হোটেল এখনত সোমাই কাপোৰ সলালোঁ। ওচৰৰে থিচল (Thistle) নামৰ প্ৰকাণ্ড হোটেলত অসমীয়া পৰিয়াল এটিৰ বিয়া। গৃহস্থৰ নাম ডাঃ জগদীশ শৰ্মা। গ্লাচগো নিবাসী অসমীয়া। তেখেতৰ ল'ৰাৰ বিয়া। ল'ৰাজন ডাক্তৰ। কইনাজনীও ডাক্তৰ। ইংৰাজ পৰিয়ালৰ জীয়ৰী। হোটেলত সোমাই প্ৰায় কুৰিটামান অসমীয়া পৰিয়ালৰ সৈতে চিনাকি হ'লোঁ। বিয়াৰ আনুষ্ঠানিকতা আৰম্ভ হ'ল। দৰা-কইনাই কেক্ কটাৰ লগে লগে আটায়ে হাত-চাপৰি দিলে। কইনাই পাটৰ মেখেলা-চাদৰ পিন্ধি আছিল। দৰাই পিন্ধিছিল সম্পূৰ্ণৰূপে স্কটিচ্ পোছাক। কথাটো ওলোটা হ'ল! কেক্ কটাৰ পিছত আৰম্ভ হ'ল আপ্যায়নৰ পৰ্ব। হোটেলৰ বাৰখন টেবিলত দহজনকৈ মুঠ এশ কুৰিজনৰ আসন। আমাৰ টেবিলৰ নাম আছিল ডিলাইট। মই, ডাঃ কৰুণা সাগৰ দাস, ডাঃ উৎপল বৰুৱা, শ্ৰীমতী বিৰিণী বৰুৱা, ডাঃ কুমুদ শৰ্মা, ডাঃ ইন্দিৰা শৰ্মা, অভিযন্তা দেবেন ফুকন আৰু শ্ৰীমতী ৰঞ্জিতা ফুকন। অন্যান্য অসমীয়া পৰিয়ালৰ ভিতৰত আছিল ডাঃ দেবেন ভাগৱতী, ডাঃ ৰমা ভাৰতীয়, ডাঃ আশ্ৰফ বৰা, শ্ৰীমতী জুলী বৰা, ড° সাৰদা শৰ্মা, শ্ৰীমতী বিণু শৰ্মা, ডাঃ আফতাব আহমেদ খান, ডাঃ লিয়াকত হাজৰিকা, ডাঃ সমুদ্ৰ শৰ্মা, শ্ৰীমতী অনিমা শৰ্মা, ড° জিতেন্দ্ৰলাল বৰকাকতি, ড° নীৰা বৰকাকতি, অভিযন্তা জিতেন বৰুৱা, ডাঃ জিতেন দত্ত, ডাঃ ৰথীন খাউণ্ড, শ্ৰীমতী নিৰলা বৰুৱা, শ্ৰীৰমেন গোস্বামী, শ্ৰীমতী জান গোস্বামী, আৰ্কিটেক্ট বিপুল কটকী, ড° ৰিতু কটকী, ডাঃ অমিত শৰ্মা আদি। সম্পূৰ্ণ ইংৰাজ নিয়মত খাদ্য পৰিৱেশন কৰাৰ পিছত আটায়ে একেলগে নাচিলে।

বিয়াখনৰ পিছত আমি হোটেলৰ কৰিডৰত বহু সময় ধৰি কথা পাতি আছিলোঁ। ওচৰৰ বৃহৎ হলত নাচ-গানৰ অনুষ্ঠান চলি আছিল। ডাঃ দাস ককাইদেউক সুধিলোঁ, — "এয়া কি?" তেখেতে ক'লে, — "সেয়া পপ ডেন্সৰ পাৰ্টি। ৰাতি ৯ বজাৰ পিছত এইবোৰ সুলভ।" কন্তেক সময়ৰ বাবে হোটেলখনৰ দুৱাৰমুখৰ বাহিৰত থিয় হ'লোঁ। দুটা চুৱেটাৰ আৰু এটা জেকেট পিন্ধি যোৱাৰ পিছতো ঠাণ্ডাত কঁপিবলৈ ধৰিলোঁ। তেতিয়া ৰাতি বাৰটা বাজিছে। তেনেস্তে দেখিলোঁ অদ্ভুত দৃশ্য। চাৰিগৰাকী ইংৰাজ গাভৰুৱে পপ ডেন্স কৰি বাহিৰলৈ আহিছে চিগাৰেট হুঁপিবলৈ। পশ্চিমীয়া দেশবোৰত

পুৰুষতকৈ মহিলাই বেছিকৈ চিগাৰেট হুঁপে। গাভৰুকেইগৰাকীয়ে চিগাৰেট হুঁপি থাকোতে শীতল বতাহে আমাক কঁপাই তুলিছিল। তেওঁলোকৰ গাত কাপোৰ বুলিবলৈ বুকুত আৰু কঁকালতহে আছে। তথাপিও তেওঁলোকে ঠাণ্ডাত কঁপা নাই। মই ঠাণ্ডাত ৰ'ব নোৱাৰি পুনৰ হোটেলৰ ভিতৰলৈ সোমাই গ'লোঁ। এইবাৰ দেখিলো পপ ডেন্সৰ প্ৰকৃত ৰূপ! ডেকা-গাভৰুৰ পৰা আৰম্ভ কৰি মধ্য বয়সীয়া পুৰুষ-মহিলালৈকে— এক মাতাল পৰিৱেশত আটায়ে নৃত্য কৰিছে। মাজে মাজে তেওঁলোকৰ গীতত 'চেক্স' আৰু 'গড্' শব্দ দুটা সমান্তৰালভাৱে শুনিবলৈ পালোঁ।

মোৰ ইংলেণ্ড আৰু স্কটলেণ্ড যাত্ৰাৰ অভিজ্ঞতাৰ কথা অসমীয়া সমাজৰ কে'বাগৰাকীৰ সৈতে পাতিলোঁ। সবাতোকৈ অন্তৰঙ্গভাৱে কথা পাতিলোঁ ডাঃ উৎপল বৰুৱা আৰু বিৰিণা বৰুৱা, ডাঃ কুমুদ শৰ্মা আৰু ডাঃ ইন্দিৰা শৰ্মা, ডাঃ আশ্ৰফ বৰা আৰু জুলী বৰা, ড° সাৰদা শৰ্মা আৰু বিণু শৰ্মা, ডাঃ অনিল বৰঠাকুৰ আৰু লাহৰী বৰঠাকুৰ আদিৰ সৈতে। তেখেতসৱক সুধিলোঁ, — "আপোনালোকে ইয়াৰ সমাজ-সংস্কৃতিৰ সৈতে কেনেদৰে সম্পৰ্ক বজাই ৰাখে?" তেখেতসকলে ক'লে, — "আমি বিয়া-বাৰু আৰু সাংস্কৃতিক অনুষ্ঠানত গোট খাওঁ। কিন্তু এই ঠাইৰ উদ্দাম আৰু যৌৱন-সৰ্বস্ব সংস্কৃতিৰ সৈতে আমাৰ মুঠেই সম্পৰ্ক নাই। তেওঁলোকৰ দায়িত্ব তেওঁলোকে পালন কৰিছে আৰু আমি পালন কৰিছোঁ আমাৰ দায়িত্ব। আমাৰ নতুন প্ৰজন্মক সোঁৱৰাই দিছো তেওঁলোক যাতে গ্ৰহণ কৰিবপৰাখিনিহে গ্ৰহণ কৰে; নিজক পাহৰি যাতে উটি-ভাঁহি নাযায়।"

ইংলেণ্ডলৈ আহি প্ৰথম কেইদিন যি দৃশ্য দেখিলোঁ, এতিয়া দিন যোৱাৰ লগে লগে অধিক অভিজ্ঞতাসমৃদ্ধ দৃশ্য দেখিবলৈ পাই আছোঁ। আজি অসমীয়া পৰিয়ালৰ বিয়াত অসমীয়া পৰম্পৰাৰ বিশেষ একো নেদেখিলেও ইয়াত গোট খোৱা ইংলেণ্ড আৰু স্কটলেণ্ডৰ বিভিন্ন ঠাইৰ পৰা অহা অসমীয়া সমাজৰ সৈতে কথা পাতি অনেক নতুন তথ্য সংগ্ৰহ কৰিব পাৰিলোঁ। এখেতসকলৰ পৰা জানিব পাৰিলোঁ যে অসমীয়া পৰিয়ালৰ নতুন প্ৰজন্মই ইংলেণ্ড, স্কটলেণ্ড, উত্তৰ আয়াৰলেণ্ড ৱেলচ্ আদি ৰাজ্যৰ সমাজ, শিক্ষা আৰু চাকৰি জীৱনত সুনাম আৰু প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে। তিনিগৰাকী অসমীয়া ক্ৰমে ডাঃ ৰমা ভাৰতীয়া (বাৰ্ণচলি), ডাঃ বিনয় পাঠক (নটিংহাম) আৰু ডাঃ প্ৰকাশ কাকতিয়ে (বাৰ্ণচলি) আমাৰ দেশৰ 'পদ্মশ্ৰী'ৰ সমতুল্য ব্ৰিটিছ সন্মান এম. বি. ই.

(Member of British Excellence) পোৱাটো গৌৰৱৰ কথা। লক্ষীমপুৰৰ সন্তান তথা হেমিলটনৰ বাসিন্দা ডাঃ লিয়াকত হাজৰিকাৰ ছোৱালী এজনীয়ে যুক্তৰাজ্যৰ লেবাৰ পাৰ্টিৰ ৰাজনীতিত ওখ আসন দখল কৰিছে। তাই ভৱিষ্যতে যুক্তৰাজ্যৰ সাংসদ হোৱাৰো সম্ভাৱনা আছে। ১৯৫৪ চনত কটন কলেজিয়েটৰ পৰা অসমৰ ভিতৰত প্ৰথম হোৱা সাৰদা শৰ্মা লণ্ডনৰ ইম্‌পেৰিয়েল কলেজৰ চিভিল ইঞ্জিনিয়াৰিঙৰ অধ্যাপকৰূপে অৱসৰ লৈছে। তেখেত ইংলেণ্ডৰ এগৰাকী ভূমিকম্প বিশেষজ্ঞ। ড° শৰ্মাৰ পুত্ৰ সুদীপ শৰ্মা ইংলেণ্ডৰ বাৰ্কলে বেঙ্কৰ উচ্চ পৰ্যায়ৰ পৰিচালক। ড° শৰ্মাৰ জীয়ৰী ইভা ইন্‌ভেষ্টমেণ্ট বেঙ্কৰ উচ্চ পৰ্যায়ৰ বিষয়া। লণ্ডন স্কুল অব ইক'ন'মিকচৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জিতেন্দ্ৰলাল বৰকাকতিৰ পত্নী ড° নীৰা বৰকাকতি হ'ল ইংলেণ্ডৰ ফাৰ্মাচিউটিকেল কোম্পানীৰ একমাত্ৰ মহিলা জ্যেষ্ঠ বিজ্ঞানী। আন এগৰাকী কৃতী অসমীয়া মহিলা হ'ল ডাৰহাম বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° ৰিতু কটকী। তেখেতৰ স্বামী বিপুল কটকীও হ'ল ডাৰহামৰ এগৰাকী নামজ্বলা আৰ্কিটেক্ট। তেখেতে ভাৰতীয় ঐতিহ্য সম্বলিত 'ৰাৰ মেম'ৰী' নামৰ এটি স্থাপত্যৰ কাম কৰি আছে বুলি জনালে। চাউথ হেমিল্টনৰ তৰুণ বৰুৱা হ'ল 'প্ৰথম অসমীয়া পাইলট'। অভিযন্তা জিতেন বৰুৱাই পঞ্চাছৰ দশকত অসম ক্ৰিকেট টীমক নেতৃত্ব দিছিল। তেখেতে লেডাৰ টেকন'ল'জী পঢ়িয়ো লণ্ডনৰ এখন বিদ্যালয়ত প্ৰধান শিক্ষকৰূপে অৱসৰ লৈছে। আইৰিচ এয়াৰলাইনচ্‌ৰ মুখ্য অভিযন্তাৰূপে অৱসৰ গ্ৰহণ কৰা ডাবলিনৰ দেবেন ফুকনৰ এক উচ্চ আসন আছে যুক্তৰাজ্যত। তেখেতৰ পত্নী ৰঞ্জিতা ফুকনে নিজা উদ্যোগত স্কুল খুলি নতুন প্ৰজন্মক শিক্ষা দিছে। ডাঃ জিতেন দত্তৰ জীয়ৰী আয়না দত্তই এণ্ডাৰচন কন্‌চালটেন্‌চিৰ ডাইৰেক্টৰ হিচাপে সুনাম অৰ্জন কৰিছে। অসমৰ ডাঃ ধনীৰাম বৰুৱাৰ পত্নী নিৰলা বৰুৱাই সন্তানসহ পৃথকভাৱে স্কটলেণ্ডৰ গ্লাচগোত থাকে। তেওঁলোকৰ দুগৰাকী সন্তানে ডাক্তৰ আৰু পুলিচ বিষয়া হিচাপে স্কটলেণ্ডত সুনাম অৰ্জন কৰিছে। ব্ৰেডফোৰ্ডৰ ডাঃ কৰুণা সাগৰ দাস আৰু অৰুন্ধতী দাসৰ (ৰুমী)ৰ দুই জীয়ৰী পাপৰি আৰু প্ৰণামী, হালৰ বাসিন্দা ডাঃ পল্লৱ দাসৰ দুই জীয়ৰী আদিয়েও চিকিৎসা-শিক্ষা ক্ষেত্ৰত সুনাম অৰ্জন কৰিছে। ইংলেণ্ডৰ লেষ্টাৰৰ বাসিন্দা ডাঃ তৰুণ চৌধুৰী আৰু মঞ্জিৰা চৌধুৰীৰ সন্তানে শিক্ষা ক্ষেত্ৰৰ উপৰি বৰগীত, সত্ৰীয়া নৃত্য আদিতো সুনাম অৰ্জন কৰি অসমীয়াৰ গৌৰৱ অটুট ৰাখিছে। লণ্ডনৰ ডাঃ ৰনেন শৰ্মাই প্ৰযোজনা কৰিছে 'অহিৰ্ ভৈৰৱ' নামৰ অসমীয়া কথাছবি। ডাঃ দীনেশ কাকতিয়ে 'ভাৰত গৌৰৱ' বঁটা লাভ কৰিছে।

যুক্তৰাজ্যৰ চাৰিওখন প্ৰদেশৰ এইসকল অসমীয়াৰ কৃতিত্বৰ ডুখৰীয়া ছবিখিনি সংগ্ৰহত সহায় কৰিলে ডাঃ উৎপল বৰুৱা, বিৰিণা বাইদেউ আৰু ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে। প্ৰায় তিনি-চাৰি ঘণ্টাৰ বিয়াপাৰ্টিত অসমৰ সমাজ-সংস্কৃতিৰ বহু কথাই ওলাল। আজিকালিৰ ল'ৰা-ছোৱালীয়ে যে বিয়ানাম, লোকগীত, বিহুনাম আদি পাহৰি গৈছে সেইবোৰ কথাও ওলাল। ১৮ অক্টোবৰত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত ভাষণ দিওঁতেও মই বিয়ানাম, পুৰণি বিহুনাম, অইনিঃতম্, বৰগীত, জিকিৰ আদি গাই শঙ্কৰদেৱসৃষ্ট সংস্কৃতিৰ তুলনামূলক বিশ্লেষণ দাঙি ধৰিছিলোঁ। আজিৰ বিয়াথলীত সেইবোৰ কথা সুঁৱৰি বহুতেই উৎফুল্লিত হ'ল। যিসকলে ভাষণ শুনা নাছিল তেওঁলোকেও দুঃখ প্ৰকাশ কৰিলে। মই কে'বাগৰাকীক মোৰ ইংৰাজী আৰু অসমীয়া ভাষাত লিখা ভাষণৰ ছপা কপি আৰু আমাৰ পুত্ৰ ছাকিলৰ 'টৌ খেলা শৈশৱ' নামৰ ক্ষুদ্ৰ গ্ৰন্থখনি উপহাৰস্বৰূপে দিলোঁ। ডাঃ আশ্ৰফ বৰাৰ পত্নী জুলী বৰাই মোক বিভিন্ন প্ৰশ্ন কৰি মোৰ পৰা শঙ্কৰদেৱ আৰু আজান পীৰৰ দৰ্শন সম্পৰ্কীয় বহু কথাই জানি ল'লে। এগৰাকী ইছলামধৰ্মী মহিলা হিচাপে জুলী বাইদেউৰ অনুসন্ধিৎসু মন দেখি বৰ ভাল পালোঁ।

বিয়াথলীতেই ইংলেণ্ডৰ ইছলামধৰ্মী সমাজৰ এটি আভাস ল'লোঁ। এজনে ধেমালি কৰি ক'লে, — "হজলৈ যোৱাৰ আগলৈকে বিলাতী মদ খোৱাত আপত্তি নাই। হজ কৰি অহাৰ পিছতহে মদ খাব নোৱাৰি।" কথাষাৰ শুনি বহু সময় ধৰি চিন্তা কৰিলোঁ। হয়তো, ইংলেণ্ড, স্কটলেণ্ড আদিৰ সমাজ-জীৱনত বিলাতী মদ খোৱাটো সাধাৰণ কথা; কাৰণ হ'ল স্থানীয় সংস্কৃতি। কিন্তু অসমীয়া বা আন ভাৰতীয় লোকৰ বাবে কৃতিত্ব হ'ল বিলাতী মদ নোখোৱাকৈ থাকিব পৰাটোহে। ঠিক তেনেদৰে ইংলেণ্ডৰ পৰিৱেশত খৃষ্টান নিয়মত গীত গোৱা আৰু নাচিব পৰাটো সাধাৰণ কথা। কিন্তু কৃতিত্বৰ অংশীদাৰী তেতিয়াই হ'ব পৰা যাব যেতিয়া ইংলেণ্ডৰ অসমীয়া পৰিয়ালৰ বিয়াত বিয়ানামৰ কলি দুটামান শুনাব পৰা যাব।

(ৰাতি ২.০০ বজা। গ্লাচগো)

এডিনবাৰ্গত থিয় হৈ কঁপি উঠিলোঁ

২৬ অক্টোবৰ, ২০০৮। দেওবাৰ, এডিনবাৰ্গ, স্কটলেণ্ড ঃ আজি ২৬ অক্টোবৰ। আজিৰ পৰা সমগ্ৰ যুক্তৰাজ্যৰ ঘড়ীৰ কাঁটা এঘণ্টা পিছুৱাই গ'ল। অৰ্থাৎ, কালিলৈকে ভাৰতৰ সৈতে যুক্তৰাজ্যৰ সময়ৰ পাৰ্থক্য আছিল ৪.৩০ ঘণ্টা। আজিৰ পৰা পাৰ্থক্য হ'ব ৫.৩০ ঘণ্টা। সেইমতে স্কটলেণ্ডত পুৱা আঠ বাজিলে ভাৰতত আবেলি ১-৩০ বাজিব।

আমি পুৱা দহ বজাৰ বাছত উঠি ১১.১৫ বজাত এডিনবাৰ্গ (এডিনবৰা) পালোঁ। গ্লাচগোৰ পৰা এডিনবাৰ্গৰ দূৰত্ব প্ৰায় ৬০ মাইল। ঠাইখন গ্লাচগোৰ পৰা পূব দিশত উত্তৰসাগৰ পাৰত অৱস্থিত। ঠাণ্ডা বতাহে স্পৰ্শ নকৰা বাছত বহি নগৰখনৰ মাজেৰে গৈ থাকোঁতে শিলেৰে নিৰ্মিত ঘৰবোৰ দেখি বিস্মিত হ'লোঁ। ইমান ধুনীয়া নগৰী! পূবদিশত সাগৰ। সাগৰৰ পাৰত সুশোভিত ঘৰবোৰ। ৰংচঙীয়া পাতৰ গছবোৰে নগৰখনৰ চাৰিওফালে উদ্যানৰ সৃষ্টি কৰিছে। যাত্ৰাপথত এয়াৰড্ৰি, হুইটবাৰ্ণ আদি ঠাইবোৰৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিলোঁ।

বাছৰ পৰা নামি খোজ দিলোঁ এডিনবাৰ্গ নগৰীৰ মূল কেন্দ্ৰলৈ । প্ৰথম খোজ দিয়েই আনন্দত মনটো নাচি উঠিল। নগৰখনৰ কোনফালে চাম, ক'লৈ যাম- তেনে উগুল-থুগুল মন লৈ গৈ থাকোঁতে হঠাৎ সাগৰৰ পিনৰ পৰা বতাহ বলিল। হাঁড়ৰ ভিতৰলৈ সোমাই যাব পৰা ঠাণ্ডা বতাহ। থৰ্থৰকৈ কঁপি উঠিলোঁ। ডাঃ কৰুণা সাগৰ দাস ককাইদেউ তেনে পৰিৱেশত অভ্যস্ত। কাৰণ, তেখেত বত্ৰিছ বছৰে যুক্তৰাজ্যত কটাইছে। সেয়ে তেষষ্ঠি বছৰ বয়সতো তেখেত কঁপি উঠা নাই। মোৰ বয়স তিৰাল্লিছ বছৰ। শীত সহ্য কৰিবপৰা বয়স। তথাপিও থৰ্থৰকৈ কঁপি উঠিলোঁ। কঁপনিত দাঁত দুপাৰিৰ পৰাও টক্‌টককৈ শব্দ ওলাবলৈ ধৰিলে। দেখিলোঁ, এই অৱস্থাত খোজকাঢ়ি গৈ থাকিলে তেজ চলাচল বন্ধ হৈ বাটতেই পৰি যাব পাৰোঁ। উষ্ণতা পাঁচ ডিগ্ৰী ছেন্টিগ্ৰেডলৈ নামিছে। সেয়ে ডাঃ দাস ককাইদেউক ক'লোঁ— "মই নোৱাৰিলোঁ। এইখন দোকানত সোমাওঁ। আপুনি লাহে লাহে গৈ থাকক।"

তেখেত পাৰ্কখনত সোমালে। মই সোমালোঁ দোকান এখনত। সোমাই দেখিলোঁ বিশাল সাম্ৰাজ্যৰ দৰে দুবিঘা ভূমিৰ সমান মাটিকালিত এখনেই দোকান। প্ৰায় পঞ্চাছ গৰাকী গ্ৰাহকৰ আটায়ে ইংৰাজ আৰু স্কটিছ গাভৰু আৰু

মহিলা। বিক্ৰীদাৰে মোক দেখি আচৰিত হ'ল। কাৰণ, সেই দোকানখনত পুৰুষ নোসোমায়। কেৱল মহিলাৰহে সামগ্ৰী; মানে হাজাৰবিধ প্ৰসাধন সামগ্ৰী — নেলপলিচ, ক্ৰীম, স্নো, লিপষ্টিক, সৌগন্ধ আদি। এপাক ঘূৰি চালোঁ। তেনেতে কঁপনি কিছু কমিল। প্ৰৱেশ পথলৈ ওলাই আহি দেখোঁ ডাঃ দাস ককাইদেউ বিশাল পাৰ্কখনৰ সিপাৰ পাইছেগৈ। তেখেতৰ পৰা হেৰাই গ'লে কি যে সৰ্বনাশ হ'ব মোৰ! সেয়ে শীতল বতাহৰ মাজতো দোকানখনৰ পৰা ওলায়েই দৌৰিলোঁ। দ্বাৰ ৰক্ষীজনে মোলৈ চাই থাকিল। অদৃশ্যমান হোৱাৰ আগতেই দাস ককাইদেউৰ ওচৰ পালোঁ। মই তেখেতৰ পিছে পিছে আহি থকা বুলি ভাবি আছিল। সেইবাবেই তেখেত মোক এৰি আগবাঢ়ি গৈছিল বহু দূৰলৈ। তেখেতক লগ পাই পুনৰ এক বিপদৰ পৰা ৰক্ষা পৰিলোঁ।

আমি যিমানেই আধুনিক আৰু চাল-চলনত পাৰ্গত নহওঁ কিয়, বিদেশৰ আচহুৱা পৰিৱেশত আমাৰ কিছু আহুকালৰ সৃষ্টি হ'বই। কাৰণ, আমাৰ দেশৰ ৰাস্তা-ঘাট, গাড়ী, ৰে'ল আদিৰ নিয়ম-নীতিতকৈ পশ্চিমীয়া দেশৰ নিয়ম-নীতি বহুগুণে পৃথক। আমাৰ দেশত টিকট কাটি বা নেকাটি যেনি-তেনি গাড়ীত উঠিব পাৰি; কিন্তু ইংলেণ্ড বা স্কটলেণ্ড আদিত নোৱাৰি। ইউৰোপৰ সমগ্ৰ দেশবোৰতেই নগৰসমূহৰ যান-বাহন, অফিচ-কাছাৰী, দোকান-পোহাৰ আদি ইলেকট্ৰনিক ব্যৱস্থাৰে নিয়ন্ত্ৰিত। 'ষ্ট্ৰীট লাইট' অনুসৰণ নকৰাকৈ ৰাস্তা পাৰ হ'লে বিপদ অনিবাৰ্য। কাৰণ, আমাৰ গুৱাহাটী বা দিল্লীৰ বাট-পথতকৈ ইংলেণ্ড, স্কটলেণ্ড আদিৰ বাট-পথ এশগুণে উন্নত। ক'ৰবাত বাট-পথ বেয়া হ'লেও তাৰ মেৰামতি কৰাৰ পদ্ধতিও অতি খৰ আৰু অত্যাধুনিক যন্ত্ৰপাতিৰ দ্বাৰা নিয়ন্ত্ৰিত। এডিনবাৰ্গ নগৰীখন নিৰ্মাণ কৰোঁতেও আধুনিক কলা-কৌশল আৰু নিৰ্মাণশৈলীৰ সম্পূৰ্ণখিনি ইলেকট্ৰনিক ব্যৱস্থাৰ দ্বাৰা প্ৰয়োগ কৰা হৈছে। সেয়ে সমগ্ৰ ইউৰোপৰ অন্যতম ধুনীয়া নগৰী হ'ল এই এডিনবাৰ্গ। ইয়াৰ বিশ্ববিদ্যালয়খনো পৃথিৱীৰ অন্যতম নামজ্বলা শিক্ষানুষ্ঠান। ইয়ালৈ অসমীয়া ছাত্ৰও পঢ়িবলৈ আহে।

ইমানদিনে য'লৈকে গৈছো তালৈকে মিচিং, বড়ো, ৰাভা, দেউৰী, ডিমাচা, মৰাণ আদি জনগোষ্ঠীৰ দুমেৰ, আৰনাই বা গামোচা ডিঙিত আঁৰি নিছোঁ। ইংলেণ্ড, স্কটলেণ্ড আদিৰ লোকে ডিঙিত উলৰ মাফ্‌লাৰ পিন্ধে। মই মাফ্‌লাৰৰ সলনি অসমৰ জনজাতীয় পোছাকবোৰ ডিঙি বা কান্ধত আঁৰি লোৱাত মানুহবোৰে মোক খুউব চাইছিল। মোৰ মুখ, শাৰীৰিক অৱয়ব আদিৰ বাবে নহয়, অজনজাতি হৈ জনজাতীয় পোছাক পৰিধানৰ বাবেহে মোক বাৰে

বাৰে চাইছিল। মই লক্ষ্য কৰিছিলো লণ্ডন, ব্ৰেডফোৰ্ড, গ্লাচগো, এডিনবাৰ্গ, বাৰ্মিংহাম, ষ্ট্ৰেটফোৰ্ড আদিৰ সমাজত শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ পিন্ধা পোছাকত বিশেষত্ব নাই; শতকৰা এশভাগ পোছাকেই কাৰখানাত নিৰ্মিত, বেছিভাগৰ ৰং ক'লা বা ঈষৎ নীলা। তাৰে মাজতে মই ৰঙা, হালধীয়া, সেউজীয়া, বগা, গোলপীয়া, কমলা বৰণীয়া আদি জনজাতীয় পোছাক পৰিধান কৰি যোৱাটো আকৰ্ষণৰ অন্যতম কাৰণ আছিল। এডিনবাৰ্গতো দুই-এজনে আমাৰ জনজাতীয় পোছাক কিনাৰ আগ্ৰহ প্ৰকাশ কৰিছিল। কালি গ্লাচগোৰ অসমীয়া পৰিয়ালৰ বিয়ালৈ যাওঁতে অসমীয়া-অনাঅসমীয়া আটাইবোৰ অতিথিয়ে টাই পৰিধান কৰি আহিছিল। ময়ো পৰিধান কৰিছিলোঁ মিচিংসকলৰ তাঁতত বোৱা কাপোৰৰ টাই। টাইডাল মোক দিছিল গোগামুখৰ বন্ধু পূৰ্ণ কুমাৰ চিন্তেই। হালধীয়া, ৰঙা, ক'লা আৰু সেউজীয়া সূতাৰে তৈয়াৰ কৰা ফুলাম টাই। তেনে টাই ইংলেণ্ড বা স্কটলেণ্ডৰ সমাজ-জীৱনত দুৰ্লভ। এনে টায়ে সহজতে পশ্চিমীয়া বজাৰ দখল কৰিব পাৰে। পূৰ্ণ কুমাৰ চিন্তেই মুগাৰ কাপোৰৰ আন এডাল টাই পিন্ধিবলৈ দিছিল। দুয়োখন টাই হেনো লক্ষীমপুৰৰ হেমচন্দ্ৰ কাৰদণ্ডৰ পত্নী উকামান্তি কাৰদণ্ডে তেওঁলোকৰ তাঁতশালত চিলাই কৰা। উল্লেখ্য যে কালি গ্লাচগোৰ অসমীয়া পৰিয়ালৰ বিয়াত পিন্ধা টাইডালেই আছিল মোৰ জীৱনত টাই পিন্ধাৰ প্ৰথম অভিজ্ঞতা।

আজি এডিনবাৰ্গৰ শীতল পৰিৱেশত টাই, দুমেৰ বা আৰনাই নথকাত শীতৰ প্ৰকোপত বৰ শাস্তি পালোঁ। দুটা চুৱেটাৰ, গৰম চোলা, গেঞ্জী, টুপী, এটা জেকেট আদিয়েও নিয়ন্ত্ৰণ কৰিব পৰা নাই শীতৰ প্ৰকোপ। আমি এডিনবাৰ্গৰ অ'ত-ত'ত ঘূৰি -ফুৰি নগৰখন চোৱাৰ পিছত এখন বিশাল বজাৰত সোমালোঁ। আণ্ডাৰ গ্ৰাউণ্ডত ইলেকট্ৰনিক ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত বজাৰ। এক বাজিছে। আমাৰ পেটত তেতিয়ামানে ভোকৰ জুই জ্বলিছিল। ভাত বিচাৰি পাবলৈ নাই। চে'উইচ, আলুভাজি, কেক, ক্ৰীম, মাছভাজি আদিৰ বাহিৰে অন্য খাদ্য নাই। উপায়ো নাই। আমি ভোক নিবাৰণ কৰিবলৈ সাগৰীয় মাছ আৰু আলুভাজিৰ অৰ্ডাৰ দিলোঁ। আলু মানে আমাৰ অসমৰ তামোল বা বগৰীৰ আকাৰৰ আলু নহয়। কোমোৰা, নাৰিকল, তাল, বেল আদিৰ সমান আলুবোৰ টুকুৰা কৰি ভাজিছে। ইংলেণ্ড আৰু স্কটলেণ্ডৰ পিয়াঁজবোৰো আমাৰ অসমৰ তাল বা বেলৰ সমান। ভজা মাছৰ টুকুৰাটোৰ আকাৰো প্ৰায় বাৰ ইঞ্চি। ভোকৰ মাজত আলুভাজি আৰু মাছভাজিকেই তৃপ্তিৰে খালোঁ। খাই থাকোঁতে ১৯৮৯

চনত মাদ্রাজ মেৰাইন বীচত এটকাৰে প্রকাণ্ড সাগৰীয় মাছ এটা কিনি খোৱাৰ অভিজ্ঞতাৰ কথা মনত পৰি গ'ল। সেইবাৰ মেৰাইন বীচত যোৰহাটৰ প্রিন্স অব্ ৱেলচৰ ছাত্র-ছাত্রীৰ টিচাৰ-গাইড্ হিচাপে গৈ তিনি ঘণ্টামান সাঁতুৰিছিলোঁ। সেইবাৰৰ সাগৰীয় ভজামাছ খোৱাৰ সোৱাদ আজিলৈকে জিভাত লাগি আছে। সেই অনুপাতে এডিনবাৰ্গত খোৱা ভজা মাছখিনিৰ সোৱাদ নেপালোঁ।

খাই-বৈ উঠি আহোতে বজাৰখনৰ মাজতলাৰ লিফ্টৰ কাষত দেখিলো ডেকা-গাভৰু এহাল একপ্রকাৰ বলিয়া হৈ ইজনে-সিজনক সাৱটি ওঁঠত আৰু গালত চুমা খাই আছে। ক্রমান্বয়ে মুক্ত প্রেমৰ সহজ ক্ষেত্র এখন চকুৰ আগত ভাঁহি উঠিল। এইকেইদিন বাটে-ঘাটে, বাছ ষ্টপত, বজাৰত, বাৰত এনেবোৰ দৃশ্য সুলভ হৈ উঠিছে। ডেকা-গাভৰুহালৰ সেই দৃশ্য দেখি বজাৰখনৰ বাহিৰলৈ ওলাই আহোতে দেখিলোঁ চাৰিহাল ডেকা-গাভৰুৱে বগা পোছাক পিন্ধি পথচাৰীৰ মাজত চক্লেট বিলাই আছে। মোকো দুটামান চক্লেট দিলে। সুধিলোঁ — "হুৱাই অ'ফাৰিং দিজ চক্লেটচ্?" এজনে ক'লে, — "অ'ফাৰিং ইন দ্য নেম অব্ গড্।"

আবেলি দুই বাজিছে। এডিনবাৰ্গৰ এখন পাৰ্কত সোমাই দিগন্তৰ সাগৰলৈ চালোঁ। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে দূৰলৈ আঙুলিয়াই ক'লে, — "সৌৱা, শিল কাটি নিৰ্মাণ কৰা দুৰ্গ— এডিনবাৰ্গ কাচল"। দুৰ্গটো এতিয়া পৰ্যটকৰ আকৰ্ষণথলীত পৰিণত হৈছে। আমাৰ ৰংঘৰ বা কাৰেংঘৰ আদিৰ দৰে জহি-খহি যোৱা দুৰ্গ নহয়; স্কটলেণ্ড চৰকাৰে অতি যতনেৰে সংৰক্ষণ কৰি ৰাখিছে এই দুৰ্গটি। আমাৰ অসমৰ প্রত্নতত্ত্ব আৰু পুৰাতত্ত্ব বিভাগৰ বিষয়াসকলে এনেবোৰ দুৰ্গ আৰু প্রাচীন সংৰক্ষিত সামগ্রী চাই সংৰক্ষণৰ প্রণালী সম্পৰ্কে নতুন চিন্তা-চৰ্চা কৰা উচিত। কেৱল সেয়াই নহয়, আমাৰ দেশৰ ৰাজনীতিকসকলেও জনা উচিত- নিজে গৌৰৱান্বিত হ'বলৈ নিজৰ দেশখনকো কেনেদৰে ভাল পাব লাগে, চহকী কৰিব লাগে। **আমাৰ দেশত মন্ত্রী মানে চৰকাৰী সা-সুবিধাৰে বিলাসী জীৱন-যাপন কৰা, গপত টপ্ হৈ বুকু ওফোন্দাই ঘূৰি ফুৰা, চৰকাৰী ধনেৰে দেশৰ বেঙ্ক চহকী নকৰি ব্যক্তিগত বেঙ্ক চহকী কৰা একো একোজন বিয়াগোম লোক। আমাৰ দেশৰ দুৰ্ভগীয়া প্রজায়ো মন্ত্রী-বিধায়কক তেওঁলোকৰ ভাগ্য-নিয়ন্তা বুলি ভাবে। কিন্তু পশ্চিমীয়া দেশবোৰত দেখা যায় সম্পূৰ্ণ ভিন্ন চিত্র। ইয়াৰ এজন মন্ত্রী, বিধায়ক বা সাংসদ হ'ল প্রকৃতপক্ষে জ্ঞানী, দূৰদৰ্শী আৰু দেশপ্রেমিক। তেওঁলোকে শাসন ক্ষমতা**

দখল কৰি গাদীত উঠিয়েই ঘোষণা কৰে— "আমাৰ দেশৰ বিষয়া-কৰ্মচাৰীসকলে দেশৰ বেঙ্ক চহকী কৰা। ৰাইজৰ টকাৰে নিজৰ বেঙ্ক চহকী নকৰিবা।"

ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে এডিনবাৰ্গৰ দৰে ধুনীয়া নগৰী গঢ় লৈ উঠাৰ অন্তৰালৰ কাহিনী কৈ ইংলেণ্ড, স্কটলেণ্ড আদিৰ নাগৰিকৰ দায়িত্ববোধৰ অনেক উদাহৰণ দিলে। মই নিজেও এডিনবাৰ্গত ঘূৰি ফুৰোঁতে তেনে নিদৰ্শন অনেক পালোঁ। এডিনাৰ্গত থিয় হৈ অনুভৱ কৰিলোঁ দেশৰ নাগৰিক, মন্ত্ৰী, বিধায়ক, সাংসদ, ৰাজনৈতিক নেতা, বিষয়া-কৰ্মচাৰী আদি সমান্তৰালভাৱে সৎ, সচেতন আৰু কৰ্মঠ নহ'লে দেশ এখন কোনোকালেই আগবাঢ়ি যাব নোৱাৰে। **নিজৰ মনৰ পবিত্ৰতা আৰু মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ হ'লে নাগৰিক এজনে দেশৰ পবিত্ৰতা আৰু মৰ্যাদাও অক্ষুণ্ণ ৰাখিব লাগিব। মানুহ এজন দূৰদৰ্শী আৰু আশাবাদী নহ'লে নিজক তেনে সচেতন আৰু সৎ নাগৰিকৰূপে গঢ়ি তুলিব নোৱাৰি। এই ক্ষেত্ৰত আত্মসন্মানবোধো এটা বিষয় হ'ব পাৰে।** আমি ব্যক্তিগত জীৱনত কোনে কি খাওঁ, কি কথা পাতোঁ, কি পোছাক পিন্ধোঁ, কেনেদৰে জীৱন-যাপন কৰো সেইবোৰতকৈ বহুগুণে **ডাঙৰ কথা হ'ল সামাজিক জীৱনত আমাৰ ভূমিকা কি আৰু আমি নাগৰিক হিচাপে কেনে আচৰণ কৰোঁ।** মই পশ্চিমীয়া দেশৰ ৰাতি ন বজাৰ পিছৰ বাৰ, ক্লাব বা পপডেন্সৰ অনুষ্ঠানৰ কথা কোৱা নাই; ক'ব খুজিছো দেশৰ নাগৰিক হিচাপে দৈনন্দিন জীৱনত পশ্চিমৰ দেশসমূহৰ ৰাইজে পালন কৰা দায়িত্ববোধৰ কথা। এই দায়িত্ববোধৰ বাবেই আজি সমগ্ৰ ইউৰোপে হাঁহিছে আৰু আমি অসমৰ দৰে প্ৰাকৃতিক সৌন্দৰ্যৰে চহকী ৰাজ্যত বসবাস কৰি কান্দিছোঁ। আমাৰ কান্দোনত স্তিমিত হৈ পৰিছে আমাৰ দেশৰ গৌৰৱ-গাথা আৰু ঐতিহ্য। **এডিনবাৰ্গত থিয় হৈ ভাবিছো, কেৱল গুৱাহাটী মহানগৰীকেই ইউৰোপৰ যিকোনো ধুনীয়া নগৰীতকৈ অধিক ধুনীয়াকৈ গঢ়ি তুলিব পৰা গ'লহেঁতেন যদিহে এগৰাকী সংস্কৃতিবান, দূৰদৰ্শী আৰু সৌন্দৰ্য-পিপাসু মুখ্যমন্ত্ৰী নাগৰিকৰ দায়িত্বৰ ক্ষেত্ৰত কঠোৰ হ'লহেঁতেন!**

(ৰাতি ২.০০ বজা। গ্লাচগো)

ইমান ধুনীয়াকৈ কোনে সৰজিলে

২৭ অক্টোবৰ, ২০০৮। সোমবাৰ। গ্লাচগোৰ পৰা ব্ৰেডফোৰ্ডলৈঃ আজি পুৱা আঠ বজাত টোপনিৰ পৰা সাৰ পাই ট্ৰেভেলজ হোটেলৰ খিৰিকীৰে বাহিৰলৈ চাওঁতে আচৰিত দৃশ্য দেখিলোঁ। কিন্‌কিনীয়া বৰষুণৰ বতৰত হোটেলৰ প্ৰথম মহলাৰ ছাঁদত পৰি আছে পাঁচখনকৈ বাইবেল। ইংলেণ্ড, স্কটলেণ্ড আদি ৰাজ্যত খৃষ্টান ধৰ্মৰ প্ৰাধান্য হেতুকে প্ৰতিখন হোটেলৰ প্ৰতিটো কোঠাত পৰ্যটকৰ বাবে এখন বা দুখনকৈ বাইবেল ৰখা হয়। আমি থকা কোঠাতো দুখন বাইবেল আছিল। তাৰে এখন নাই। তেনেকৈ আন কোঠাৰ বাইবেলবোৰো কোনোবা ধৰ্মবিদ্বেষী বা খৃষ্টানবিদ্বেষী লোকে খিৰিকীৰে বাহিৰলৈ দলিয়ালে। মই কথাটো হোটেল কৰ্তৃপক্ষক কোৱাত তেওঁলোকে সম্পূৰ্ণকৈ তিতি যোৱা বাইবেলকেইখন উদ্ধাৰ কৰিলে।

হাত-মুখ ধুই চাহ খালোঁ। আমি গ্লাচগোৰপৰা ব্ৰেডফোৰ্ডলৈ যাত্ৰা আৰম্ভ কৰিবলৈ হাতত আঢ়ৈ ঘণ্টা সময় আছিল। সেয়ে টি.ভিটো অন্ কৰিলোঁ। প্ৰকৃতি, পুথিভঁৰাল, জীৱ-জন্তু, ভাস্কৰ্য আদি সংৰক্ষণৰ কে'বাটাও অনুষ্ঠান চোৱাৰ পিছত আন এটা চেনেল চাওঁতে দেখিলোঁ বিশাল প্ৰেক্ষাগৃহত অপূৰ্ব সুন্দৰী গাভৰু এগৰাকীয়ে পপ ডেন্স দি আছে। দেহাৰ কুৰি শতাংশতো কাপোৰ নাই। তাইৰ সৈতে সহযোগ কৰিছে প্ৰেক্ষাগৃহৰ কে'বাশ দৰ্শকে। তেওঁলোকৰ মুখত যীচুখৃষ্টৰ নাম। ইফালে যীচুখৃষ্টৰ নাম সম্বলিত গীতৰ তালে তালে গাভৰুগৰাকীয়ে নিজৰ দেহাৰ বিভিন্ন অংশৰ প্ৰদৰ্শনেৰে যৌন ভঙ্গীমা দি আছে। ক্ষন্তেক পিছতে তাই প্ৰেক্ষাগৃহৰ এফালৰ জখলাৰে ওপৰলৈ বগাই গীত গাবলৈ ধৰিলে। আমাৰ ৰাজ্যৰ এজন গায়কেও কিছুদিন আগতে গীত গাওঁতে দেৱাল বগাই ওপৰলৈ উঠা দৃশ্যটোৰ কথা মনত পৰিল!

টি.ভি.ত দেখিলোঁ ঘোষকসকলে কোটচোলাত পপি ফুল গুঁজি লৈছে। এতিয়া হেনো পপি ফুলৰ বতৰ। এই ফুলপাহক খৃষ্টানসকলে পৱিত্ৰ ফুল বুলি ভাবে। ফুলবিধ বিক্ৰী কৰি পোৱা ধনেৰে মৃত সৈনিকৰ পৰিয়ালক সহায় কৰে। এইখন দেশত অনাথ, অন্ধ, খোৰা আদিৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ। সেইবাবেই ইয়াত ৰাস্তা-ঘাটে ভিক্ষাৰী নাই।

পুৱা এঘাৰ বজাত নেশ্বনেল এক্সপ্ৰেছত উঠি গ্লাচগোৰ পৰা ব্ৰেডফোৰ্ডলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। পুনৰ দেখিলোঁ অদ্ভুত চেহেৰাৰ দুগৰাকী মহিলা। এগৰাকীৰ পেটটো দহমোনীয়া ধানৰ ডুলিৰ নিচিনা। ওখই প্ৰায় চাৰে পাঁচ ফুট আৰু পথালিয়ে কমেও চাৰে তিনিফুট। ফৰ্ফৰকৈ প্ৰকাণ্ড বেগ কঢ়িয়াই গৈ আছে। ডাঃ দাস ককাইদেউক সোধোতে ক'লে যে অধিক শীতৰ মাজত থাকে বাবে তেওঁলোকে সৰহকৈ খায়। সেইবাবেই অস্বাভাৱিক শকত। উচ্চ ৰক্তচাপ, হৃদৰোগ আদি নাই। সম্পূৰ্ণৰূপে স্বাস্থ্যবান। স্কটলেণ্ড আৰু ইংলেণ্ডৰ মানুহবোৰ স্বাস্থ্যবান নহ'বনো কিয়? য'ত প্ৰকৃতিয়ে সদায় অপূৰ্ণ ৰূপ ধাৰণ কৰে, য'ত কোনো ধৰণৰ প্ৰদূষণ নাই, তাত মানুহবোৰ নিৰোগী হ'বই।

পৰহি গ্লাচগোলৈ যাওঁতে বৰষুণৰ বতৰ আছিল। সেইবাবে স্কটলেণ্ডৰ প্ৰকৃতিৰ শোভা চাব পৰা নাছিলোঁ। আজি বতৰ ফৰকাল। গ্লাচগোৰ পৰা তিনি কিলোমিটাৰ আহিয়েই অপৰূপ দৃশ্য দেখিলোঁ। সমগ্ৰ পথৰ দুয়োপাৰে সৰু সৰু টিলা। টিলাবোৰত পাইনকে ধৰি বিভিন্ন তৰহৰ ৰঙীণ গছ-গছনি। সেউজীয়া সুশোভিত পথাৰবোৰত হাজাৰ-বিজাৰ ভেৰা, গৰু, চৰাই-চিৰিকটি আদিৰে ভৰি আছে। চৰাইৰ ভিতৰত গঙাচিলনী আৰু পাৰ অধিক। টিলা আৰু পাহাৰবোৰত পোৰা শিলৰ টুকুৰাৰে পথাৰৰ সীমা বান্ধি সেইবোৰত হাজাৰ-বিজাৰ ভেৰা মেলি দিছে। গ্লাচগোৰপৰা ব্ৰেডফোৰ্ডলৈ আহোতে কে'বালাখ (হয়তো কোটিৰ ওপৰত) ভেৰা দেখিছোঁ। সমগ্ৰ স্কটলেণ্ড আৰু ইংলেণ্ডৰ পথাৰ তথা টিলাবোৰত তেনে ভেৰা কিমান কোটি যে হ'ব তাৰ হিচাপ নাই। এই দেশত ভেৰা, গৰু আদি কোটি কোটি আছে; কিন্তু মানুহ কম। আমাৰ দেশত ওলোটা চিত্ৰ। কাৰণ, আমাৰ দেশত মানুহ আছে কোটি কোটি; কিন্তু জীৱ-জন্তু কম। সেইবাবেই চাগে' আমাৰ বহুতৰেই আচৰণ জীৱ-জন্তুৰ দৰে!

স্কটলেণ্ড আৰু ইংলেণ্ডৰ আৰু এটা দৃশ্যই আমাক মোহিত কৰিলে। সেয়া হ'ল সৰু সৰু হ্ৰদ। ইংলেণ্ডৰ লেক্ ডিষ্ট্ৰিৰ হ্ৰদবোৰত কোটি কোটি চৰাই। আজি আবেলি দুই বজাত এজাক চৰাই যোৱা দেখিলো য'ত লাখৰ ওপৰত চৰাই আছে। ইংলেণ্ড আৰু স্কটলেণ্ডৰ ৰাইজে চৰাই নামাৰে। সেইবাবে স্বয়ং লণ্ডন, গ্লাচগো আদিৰ বাছ ষ্টেচনৰ যাত্ৰীৰ বহা কোঠাত একাধিক পাৰ উৰি থকা দেখিলোঁ। খাদ্য দিলে পাৰবোৰ আহি হাতৰ তলুৱাত বহেহি।

আমাৰ দেশৰ দৰে অপতৃণ ইলেণ্ড আৰু স্কটলেণ্ডত নেদেখিলোঁ। এই দুয়োখন ৰাজ্যত এনে গছ বা লতা নাই যিটো ৰাইজৰ কামত অহা নাই। ৰাস্তাৰ পাৰে পাৰে গছপুলি ৰোৱাৰ পদ্ধতিয়েই বেলেগ। এডাল গছপুলিও মৰহি নাযায়। আমাৰ দেশৰ দৰে গছপুলি ৰোৱাৰ নামত কোটি কোটি টকা আত্মসাৎ কৰাৰ মানসিকতা ইংলেণ্ড বা স্কটলেণ্ডৰ মানুহৰ নাই। আজিৰ পৰা পাঁচশ বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'এক বৃক্ষ দশ পুত্ৰসম' বুলি কৈ যোৱাৰ পিছতো প্ৰকৃতিৰ প্ৰতি আমাৰ দেশৰ মানুহবোৰ দায়বদ্ধ কিয় নহ'ল বুজি নাপালোঁ। ৰাইজতো দূৰৰে কথা, স্বয়ং আমাৰ দেশ বা ৰাজ্যৰ বনমন্ত্ৰী, বন বিষয়া আদিৰ বন ধ্বংসৰ নিদৰ্শন দেখিলে তেওঁলোকক ঘিণ কৰিবলৈ মন যায়। বন বিভাগৰ সাধাৰণ ৰেঞ্জাৰ এগৰাকীয়ে অতি কম দিনৰ ভিতৰতে গুৱাহাটী মহানগৰীত যি ধনৰ পাহাৰ গঢ়ে তাৰ পৰাই বুজিব পাৰি ধনৰ নামত আমাৰ দেশৰ একাংশ মানুহ কিমান তললৈ গৈছে। এনে লোকৰ কাম-কাজক আমি ঘিণ কৰিবলৈ শিকাৰ সলনি তেওঁলোকক সভাই-সমিতিয়ে মাতি আনি ফুলৰ মালা পিন্ধাওঁ। যি দেশত গৰুক চিনেমা দেখুওৱাৰ নামত সংসদত কোটি কোটি টকাৰ কেলেঙ্কাৰীৰ কাহিনী সদৰি হয়, তাত কোনোপধ্যেই জন্তু আৰু প্ৰকৃতি সুৰক্ষিত নহয়।

গ্লাচগোৰপৰা ব্ৰেডফোৰ্ডলৈ আহি থাকোতে ইংলেণ্ড আৰু স্কটলেণ্ডৰ প্ৰকৃতিৰ শোভা, পথাৰৰ গঠন প্ৰণালী, হ্ৰদ, চৰাই-চিৰিকটি, জন্তু আদি চাই এনেবোৰ প্ৰতিক্ৰিয়া মনলৈ আহিছে। ইংলেণ্ড আৰু স্কটলেণ্ডৰ পথাৰ, টিলা, পাহাৰ আদিৰ অকণমানো ঠাই নাই যি ঠাই অব্যৱহৃত হৈ পৰি আছে। দুয়োখন ৰাজ্যৰ প্ৰকৃতি সুৰক্ষাৰ দায়িত্ব সম্পূৰ্ণৰূপে চৰকাৰৰ। আমাৰ দেশত ইংৰাজে শাসন কৰাৰ সময়ত প্ৰকৃতিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাৰ কথা জনা যায়। আহোম ৰজাসকলেও দেশৰ প্ৰাকৃতিক সৌন্দৰ্য অটুট ৰখাৰ ক্ষেত্ৰত সচেতন আছিল। উজনি অসমৰ আহোম ৰজাৰ মৈদামসমূহ চালেই বুজিব পাৰি যে আহোম ৰজাসকল প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। আনকি বিদেশৰ পৰা আহি সম্ৰাট বাবৰে ভাৰত শাসন কৰোঁতে আফগানিস্তান, সিন্ধু প্ৰদেশ আদিৰ মাজেৰে আহি প্ৰকৃতিৰ সৌন্দৰ্য দেখি চমকি উঠিছিল। বাবৰৰ আত্মজীৱনী 'বাবৰ নামা' পঢ়িলে জনা যায় যে তেওঁ এগৰাকী শ্ৰেষ্ঠ কবি আছিল আৰু তেওঁৰ কবিতাৰ বিষয় আছিল প্ৰকৃতি-প্ৰেম।

সুদীৰ্ঘ দিন বাবৰ, অন্যান্য মোগল সম্ৰাট, ইংৰাজ আদিয়ে ভাৰত শাসন

কৰি যোৱাৰ পিছতো বৰ্তমানৰ ভাৰতীয় শাসকসকলে দেশখন পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত লুণ্ঠনৰ বাহিৰে একো এটা নকৰিলে। আমাৰ অসম ৰাজ্যৰ ৰাজনীতিকসকলেও পূৰ্বৰ শাসক আৰু বিদেশীসকলৰ পৰা বিশেষ একো নিশিকিলে। বৰঞ্চ প্ৰকৃতি ধ্বংস কৰি তেওঁলোকে সাজিলে বিলাসী অট্টালিকা। গুৱাহাটী মহানগৰীত আমি এনে কিছুমান এ.চি.এছ. বিষয়া, এ.পি. এছ. বিষয়া, বন বিষয়া, অভিযন্তা আদি লগ পাইছোঁ যিসকলে কাৰ্বি আংলং, উত্তৰ কাছাৰ, মানাহ অভয়াৰণ্য আদিত চাকৰি কৰোঁতে কোটি কোটি টকাৰ হিচাপত বনাঞ্চলৰ কাঠ চোৰাংকৈ বা ক'লা পদ্ধতিৰে আনি নিজৰ গৃহ নিৰ্মাণ কৰিছে। উগ্ৰপন্থী আৰু চোৰাং কাৰবাৰীৰ সৈতে মিলিয়ো তেওঁলোকে ৰক্ষকেই ভক্ষক হৈ বনাঞ্চল ধ্বংস কৰিছে।

আমাৰ দেশৰ প্ৰশাসন ব্যৱস্থা নিকা নহ'লে দেশখন নিকা নহয়। ইংলেণ্ড আৰু স্কটলেণ্ডৰ প্ৰকৃতি দেখি আমাৰ যি প্ৰতিক্ৰিয়াই মনত বাহ লৈছে তাৰে আধাৰত ক'ব পাৰি যে ইচ্ছা কৰিলে এগৰাকী বনমন্ত্ৰী বা মুখ্য বন বিষয়াই দেশখনৰ প্ৰাকৃতিক চৰিত্ৰ সলাই দিব পাৰে। তেনে যোগ্য বনমন্ত্ৰী স্বাধীনতাৰ যোৱা এষষ্ঠিটা বছৰে অসম চৰকাৰে ৰাইজক দিব নোৱাৰাটো বৰ দুৰ্ভাগ্যজনক কথা। **এগৰাকী দূৰদৰ্শী বনমন্ত্ৰী নেথাকিলে ৰাজ্যখনৰ বাবে শুদ্ধ বননীতি প্ৰস্তুত কৰা আৰু কাৰ্যকৰী কৰা অসম্ভৱ কথা। অসম্ভৱ বাবেই** আজি অসমত অবাধে **ধ্বংস কৰা হৈছে বনাঞ্চল, মাহে মাহে হত্যা কৰা হৈছে কাজিৰঙাৰ গঁড়, বানপানীত উটি গৈছে শ শ হৰিণা আৰু হাতী পোৱালি। লজ্জিত; গছ-গছনি, চৰাই-চিৰিকটি আৰু জীৱ-জন্তুক মৰম কৰিব নোৱাৰি আমি চৰমভাবে লজ্জিত।**

মনৰ মাজত সৃষ্টি হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়া কঢ়িয়াই স্কটলেণ্ড আৰু ইংলেণ্ডৰ সুশোভিত দৃশ্য উপভোগ কৰি গধূলি ছয় বজাত ব্ৰেডফোৰ্ড পালোঁহি। আহিয়ে ৰুমী বাইদেউৰ (অৰুন্ধতী দাস) পৰা জানিব পাৰিলোঁ যে যোৱা দুদিনে অসমৰ পৰা কেঁবাটাও ফোন আহিছে আমাৰ শুভাকাংক্ষীৰ পৰা। সেই শুভাকাংক্ষীসকলৰ অন্যতম হ'ল সৰুপথাৰ কলেজৰ অধ্যাপিকা মণিপ্ৰভা বৰা বাইদেউ, টেঙাখাতৰ বন্ধু নৱ কুমাৰ গগৈ, লক্ষীমপুৰৰ পাভ যুৱনগৰৰ ইয়াছিন আলী ভূঞা আদি। তেওঁলোকে ইংলেণ্ড আৰু স্কটলেণ্ডৰ বিষয়ে জানিবলৈ বিচৰাত ক'লোঁ, — "নিজ চকুৰে নেদেখিলে কল্পনা কৰিব নোৱাৰি এখন ধুনীয়া দেশ গঢ়িবলৈ কিমানখিনি দূৰদৰ্শী আৰু বহল অন্তৰৰ অধিকাৰী হ'ব লাগে।

ইউৰোপৰ এই ঠাইবোৰ চাই মোৰ চিন্তাৰ দিগন্তৰ বিস্তৃতি ঘটিছে। আমাৰ ৰাজনীতিক আৰু আমোলাসকলে দেশখন ধুনীয়াকৈ গঢ়ি তুলিব পাৰে। মই মন্ত্ৰী বা বিভাগীয় আমোলা নহয়; কিন্তু তৎসত্ত্বেও মই যুক্তৰাজ্য ভ্ৰমণৰ মাজেৰে এটা কাম কৰিব পাৰিম— সেয়া হ'ল সমস্যাবহুল দেশখনৰ সমস্যা সমাধানৰ অৰ্থে কৰা সংগ্ৰামত অৰিহণা যোগোৱাৰ উপৰি প্ৰতিজন নাগৰিকৰ বাবে প্ৰয়োজনীয় ধুনীয়া মন এটি গঢ়ি তোলা। মোৰ লেখা, চিন্তা আৰু কৰ্মৰ মাজেৰে ভৱিষ্যতে সেই কামফেৰাকেই কৰি যাম।"

(ৰাতি ১২.০০ বজা। ব্ৰেডফোৰ্ড)

গুৰুদ্বাৰত এটি সন্ধিয়া আৰু
ড° হীৰেন গোহাঁইৰ প্ৰতিক্ৰিয়া

২৮ অক্টোবৰ, ২০০৮। মঙ্গলবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজিপুৱা সাত বজাত সাৰ পালোঁ। ৰুমী বাইদেৱে পুৱাৰ নাম-প্ৰসঙ্গ কৰি চাহ খাবলৈ দিলে। ৰাতি সপোনত বাবা (পিতা), ছাবেৰা (পত্নী) আৰু বেটাক (ছাকিল) দেখিলোঁ। মোৰ শিক্ষানুষ্ঠান অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ ছাত্ৰ-ছাত্ৰীসকলকো টোপনিত দেখিলোঁ। প্ৰায় প্ৰতি ৰাতিয়েই টোপনিত অসমৰ অনেকজনক দেখোঁ।

পুৱা আঠবজাত টেঙাখাতৰ পৰা নব কুমাৰ গগৈৰ টেলিফোন আহিল। ইংলেণ্ডৰ খবৰ ল'লে। তেখেতৰ জীয়ৰী (আমাৰ ভাগিন) মনময়ুৰী গগৈয়েও ফোনত কথা পাতিলে। বন্ধু মিহিৰ বৰুৱায়ো টেঙাখাতৰ পৰা ফোনত কথা পাতিলে। তাত হেনো কবি সন্মিলন হৈ আছিল। সেয়ে তৰুণ কবিসকললৈ শুভেচ্ছা জনাই কিবা এটা ক'বলৈ ক'লে। মই মোৰ কবিতাৰ দুটা পংক্তিৰে শুভেচ্ছা জনালোঁ। পংক্তি দুটা আছিল — (ক) "মানুহৰ প্ৰিয়তম শব্দ জীৱন; / শাশ্বত কালৰ ই এক স্ৰোতস্বিনী নদী / যাৰ পাৰে পাৰে চেতনাৰ বিদীৰ্ণ ইতিহাস; মানুহ তাৰ সমতলৰ নাচি থকা গছ।" (খ) "এটা কবিতাৰ মূল্য নিৰূপিত হ'লে কবিতা হ'ব পাৰে আস্থাৰ প্ৰতীক; কবিতা ৰাজনীতিৰ বিকল্প হ'ব পাৰে; আনকি খাদ্য আৰু ঔষধৰো। কবিতাৰ মূল্য নিৰূপিত হ'লে কি কৰিব নোৱাৰে কবিতাই? কবিতাই বিদ্ৰোহৰ সূচনা কৰিব পাৰে, নিঃস্বজনৰ কণ্ঠৰ কোৰাচ হৈ কবিতাই গাব পাৰে দিন সলনিৰ গান।"

কবিতাৰ পংক্তি দুটা পাঠ কৰি আটাইকে নাচি থকা গছৰ দৰে সেউজীয়া হৈ থাকিবলৈ কৈ আৰু কবিতাক সমাজ সলনিৰ অস্ত্ৰৰূপে গ্ৰহণ কৰিবলৈ কৈ বন্ধু মিহিৰ বৰুৱাৰ পৰা বিদায় ল'লোঁ।

দুপৰীয়া ভাত খাই ওলাই গ'লো ব্ৰেডফোৰ্ডৰ লিষ্টাৰ পাৰ্কৰ ওচৰৰ ইছলামিক এডুকেচনেল এণ্ড কালচাৰেল চেণ্টাৰলৈ। যোৱা ২১ অক্টোবৰত লিষ্টাৰ পাৰ্কলৈ যাওঁতে উক্ত চেণ্টাৰৰ চাইনবোৰ্ডখন চকুত পৰিছিল। তাতনো কি সংস্কৃতি চৰ্চা হয় তাকে চোৱাৰ হেঁপাহ আছিল। মই আৰু ডাঃ কৰুণা

সাগৰ দাস ককাইদেৱে তালৈ গৈ চেণ্টাৰৰ দুৱাৰমুখত পঁচিছ বছৰীয়া এজন ডেকাল'ৰাক পালোঁ। তেওঁক চেণ্টাৰখনৰ বিষয়ে সোধোতে ক'লে — "এইটো এটা মছজিদ। দিনত পাঁচবাৰ নামাজ পঢ়াৰ উপৰি সৰু ল'ৰা-ছোৱালীক নামাজ পঢ়িবলৈ শিকোৱা হয়।"মই ক'লোঁ, — "অ', তাৰ মানে মক্তব ৷" ডেকা ল'ৰাজনে 'হয়' বুলি ক'লে। মই পুনৰ সুধিলোঁ, — "তেনেহ'লে কালচাৰেল চেণ্টাৰ বুলি লিখা হৈছে কিয়?" ডেকাজন নিৰুত্তৰ। আমি গুচি আহিলোঁ।

আবেলি দুই বজাৰ পৰা গধূলি সাত বজালৈ লেখা-মেলা কৰি পূৰ্ব-নিৰ্ধাৰিত কাৰ্যসূচীমতে মই, ডাঃ কৰুণা সাগৰ দাস ককাইদেউ আৰু পাঞ্জাবী বন্ধু অপিন্দৰজিৎ গুৰায়া ব্ৰেডফোৰ্ডৰ মূল গুৰুদ্বাৰলৈ গ'লোঁ। ব্ৰেডফোৰ্ড নগৰখনত হেনো ছখনৰো অধিক গুৰুদ্বাৰ আছে। ডেৰলাখৰো অধিক শিখধৰ্মী পাঞ্জাবী লোকে এই চহৰখনত বসবাস কৰে। বেছিভাগেই ব্যৱসায়ী। অপিন্দৰে কোৱামতে সমগ্ৰ ইংলেণ্ডত শতাধিক গুৰুদ্বাৰ আছে। সবাতোকৈ বেছি আছে লণ্ডনত। তেওঁ কোৱামতে পৃথিৱীৰ শতাধিক দেশত শিখধৰ্মী লোক আছে। তাৰে ৪৬ খন দেশত সৰু-ডাঙৰ গুৰুদ্বাৰ আছে। ব্ৰেডফোৰ্ডৰ গুৰুদ্বাৰলৈ যাওঁতে দেখিলোঁ তিনিগৰাকীমান ইংৰাজ গাভৰু শিখধৰ্মীৰ বোৱাৰী হৈ আহিছে। তেওঁলোকৰ পিন্ধনত চেলুৱাৰ কুৰ্তা। মনতে ভাবিলোঁ, অসমীয়া ল'ৰাই ইংৰাজ গাভৰু বিয়া কৰালে মেখেলা-চাদৰ পিন্ধাই নামঘৰলৈ আনিব পাৰিবনে? বিদেশত কোনো অসমীয়া নামঘৰ গঢ়ি তুলিব পাৰিছেনে? শিখসকলৰ ঐক্য দেখি তেওঁলোকলৈ শ্ৰদ্ধা উপজিল। তেওঁলোক পৃথিৱীৰ য'লৈকে গৈছে তালৈকে নিজৰ সংস্কৃতি লৈ গৈছে। অসমীয়া সমাজ এইক্ষেত্ৰত কম সজাগ। তেওঁলোক বেছি উদাৰ বাবে নিজৰ সন্তানৰ নাম সলাই পশ্চিমীয়া নাম দিছে। বহুতৰেই ল'ৰাই বিদেশী ছোৱালী আৰু ছোৱালীয়ে বিদেশী ল'ৰাক বিয়া কৰোৱাৰ পিছত তেওঁলোকেও অসমীয়া পৰিচয় এৰি পেলাইছে। প্ৰথম আৰু দ্বিতীয় পুৰুষত এনে বিপৰ্যয় অহাৰ পিছত তৃতীয় পুৰুষত অসমীয়াৰ চিন-চাব নাইকিয়া হৈ যাব। শিখসকল এই ক্ষেত্ৰত সজাগ। তেওঁলোকে বিদেশত দুটা পৰিয়াল থাকিলেও নিজৰ মাত-কথা আৰু সংস্কৃতি হেৰাই যাবলৈ নিদিয়ে।

আমি গুৰুদ্বাৰৰ ভিতৰলৈ সোমাই গৈ গৰম হালুৱা খোৱাৰ উপৰি কিছু সময় বহি প্ৰাৰ্থনাগীত শুনিলোঁ। তাৰ পিছত আমাক লৈ গ'ল ৰুটি, পায়স আদি খুৱাবলৈ। ৰাইজৰ সৈতে বহি ৰুটি, পায়স আদি খালোঁ। এয়া গুৰুদ্বাৰত

প্ৰথম খাদ্য গ্ৰহণ। ১৯৯৯ চনত অমৃতসৰলৈ যাওঁতে শিখসকলৰ ধৰ্মস্থান স্বৰ্ণমন্দিৰত সোমাইছিলোঁ। আজি দ্বিতীয়বাৰৰ বাবে শিখধৰ্মীৰ ধৰ্মানুষ্ঠানত সোমালোঁ। গুৰুদ্বাৰৰ দুৱাৰত লিখা আছে— "There is none but only one God."। আমাৰ শঙ্কৰদেৱেও একেই কথা কৈছিল, — "এক দেৱ এক সেৱ এক বিনে নাই কেৱ।' ইছলামৰো একেই কথা — "আল্লাহ বাহিৰে আন কোনো সৃষ্টিকৰ্তা নাই।"

শিখধৰ্মৰ প্ৰধান ধৰ্মগুৰু গুৰু নানক বহুক্ষেত্ৰত উদাৰ আৰু দূৰদৃষ্টিসম্পন্ন আছিল। শঙ্কৰদেৱতকৈ প্ৰায় কুৰি বছৰ কনিষ্ঠ আছিল গুৰু নানক। তেওঁ জীৱনৰ এটা সময়ত ইছলাম সম্পৰ্কেও গভীৰ অধ্যয়ন কৰিছিল। সেইবাবেই গুৰু নানকৰ ধৰ্মই ষোল্ল-সোতৰ শতিকাত সৰ্বস্তৰৰ লোকক আঁকোৱালি লৈছিল। মই গুৰুদ্বাৰত সোমাই গুৰুদ্বাৰৰ মূল কৰ্ম-কৰ্তাক মোৰ পৰিচয় দিয়াত বৰ ভাল পালে। তেওঁলোকৰ মাজত জাত-পাতৰ চোৱা-চুই নেদেখিলোঁ।

গুৰুদ্বাৰৰ পৰা আহি গুৱাহাটীলৈ ফোন কৰিলোঁ। তেতিয়া গুৱাহাটীত ৰাতি ১২-৩০ বাজিছে। শ্ৰীমতী ছাবেৰাই সাৰ পাই কথা পাতিলে। তেওঁ জনালে যে "অসমীয়া খবৰ" কাকতত ড° হীৰেন গোহাঁই চাৰে হেনো মোৰ লণ্ডন ভাষণত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি লিখিছে। শঙ্কৰদেৱৰ নাট্যশৈলী শ্বেইক্সপীয়েৰৰ নাট্যশৈলীতকৈ বহুগুণে শ্ৰেষ্ঠ বুলি 'অসমীয়া প্ৰতিদিন'ত প্ৰকাশ পোৱা মোৰ ভাষণ ড° গোহাঁই চাৰে হেনো গ্ৰহণ কৰিব পৰা নাই। কথাটো শুনি মই ভালেই পালোঁ। কাৰণ, মোৰ ভাষণত গোহাঁই চাৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাটো মোৰ বাবে শুভ কথা। ড° গোহাঁই চাৰ মোৰ শুভাকাংক্ষীয়েই নহয়; তেখেত মোৰ বৌদ্ধিক অভিভাৱকৰ দৰেও। অসমৰ যি দুই-তিনিগৰাকী বুদ্ধিজীৱী আৰু চিন্তাবিদৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখি কাম কৰি আছো তেখেতসকলৰ শীৰ্ষত আছে ড° গোহাঁই চাৰ। সেইবাবেই গোহাঁই চাৰেই হ'ল মোৰ আস্থাৰ শ্ৰেষ্ঠ গুৰু। সেইবুলি যে তেখেতৰ সৈতে মোৰ মত-বিৰোধ নহ'ব সেইটো ডাঠিকৈ ক'ব নোৱাৰি। চাৰৰ সৈতে বিৰোধ হোৱাটোও একো অস্বাভাৱিক কথা নহয়। ড° গোহাঁই চাৰে দুয়োগৰাকী নাট্যকাৰৰ নাটক গভীৰভাৱে অধ্যয়ন কৰিছে আৰু সেই সম্পৰ্কে লিখিছেও। কিন্তু তেখেতৰ সৈতে মোৰ চিন্তাৰ বিৰোধ হয়তো এইখিনিতেই হ'ব পাৰে যে মই শঙ্কৰদেৱৰ আটাইকেইখন অংকীয়া নাট অধ্যয়ন কৰাৰ উপৰি 'ৰাম বিজয়' আৰু 'ৰুক্মিণী হৰণ'ত ভাও লৈছোঁ। ভাও ল'বলৈ যাওঁতে ব্যৱহাৰিক অভিজ্ঞতাৰে দেখিছোঁ

যে এখন নাট পৰিৱেশনৰ ক্ষেত্ৰত যি নাট্যশৈলী শঙ্কৰদেৱে প্ৰয়োগ কৰিছে তাৰ দহভাগৰ এভাগো শ্বেইক্সপীয়েৰে কৰিব পৰা নাছিল। কাৰণ, শঙ্কৰদেৱৰ নাট্যশৈলীৰ মাজত নতুন নতুন আৱিষ্কাৰ আছিল— পোছাকৰ আৱিষ্কাৰ, সংলাপৰ আৱিষ্কাৰ, পৰিৱেশন পদ্ধতিৰ আৱিষ্কাৰ, ভাষাৰ আৱিষ্কাৰ, প্ৰসাধন সামগ্ৰী আৰু অলঙ্কাৰৰ আৱিষ্কাৰ, মঞ্চপ্ৰৱেশৰ নতুন শৈলী, সূত্ৰধাৰী নাচ, সৰু ধেমালি, বৰ ধেমালি, সূত্ৰধাৰৰ কথন-ভঙ্গী আদি। শঙ্কৰদেৱে শ্বেইক্সপীয়েৰতকৈ এশ পোন্ধৰ বছৰ আগতে জন্ম গ্ৰহণ কৰি সাঁচিপাতত লিখি নাটকৰ পাণ্ডুলিপি প্ৰস্তুত কৰিছিল। আনহাতে শ্বেইক্সপীয়েৰৰ জন্মৰ (জন্ম ঃ ১৫৬৪ খৃঃ) বহু আগতেই ১৪৭৪ খৃঃত ইংলেণ্ডত কাগজ আৰু ছপাশালৰ প্ৰচলন ঘটিছিল। সেয়ে শ্বেইক্সপীয়েৰে শঙ্কৰদেৱৰ দৰে কাগজ, চিয়াঁহী আদিৰ সমস্যাত ভুগিবলগীয়া অৱস্থাৰ সন্মুখীন হোৱা নাছিল। শঙ্কৰদেৱৰ নাটকত ঈশ্বৰ-ভক্তিৰ কথা প্ৰকাশ পালেও নৈতিকতাক তেৰাই আগস্থান দিছিল। আনকি 'ৰামবিজয়', 'ৰুক্মিণী হৰণ' আদি অংকীয়া নাটৰ মাজেৰে শঙ্কৰদেৱে সীতা আৰু ৰুক্মিণীৰ আদৰ্শ চৰিত্ৰ তুলি ধৰি সমগ্ৰ নাৰী সমাজৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি থৈ গৈছে। শঙ্কৰদেৱৰ ৰুক্মিণী চৰিত্ৰটি এক অনন্য সৃষ্টি। শ্বেইক্সপীয়েৰে হেমলেট, মেকবেথ আদি নাটকত অপূৰ্ব নাৰী চৰিত্ৰৰ সৃষ্টি কৰিলেও তেওঁৰ নাটকৰ সংলাপত ব্যৱহাৰ কৰা 'বিশ্বাসঘাতক (চঞ্চলতা!) তোমাৰ নামেই নাৰী' শীৰ্ষক কথাষাৰিৰে নাৰী সমাজক পণ্য-সামগ্ৰীত পৰিণত কৰিছে। এনে ধৰণৰ অনেক উদাহৰণৰ বাবেই শঙ্কৰদেৱৰ নাট্যশৈলীক মই শ্বেইক্সপীয়েৰৰ নাট্যশৈলীতকৈ বহুগুণে শ্ৰেষ্ঠ বুলি ১৮ অক্টোবৰত লণ্ডনৰ চাউথ গে'টৰ চাৰ্চ হলত শঙ্কৰদেৱ সম্পৰ্কীয় ভাষণত কৈছিলোঁ। এই বিষয়ে মই গুৱাহাটীলৈ গৈ ড° হীৰেন গোহাঁই চাৰৰ সৈতে অধিক কথা পাতিম। মই শঙ্কৰদেৱৰ অংকীয়া নাটত ভাও লৈ উচ্চ পৰ্যায়ৰ নাট্যশৈলীৰ কিছু অংশ আহৰণ কৰিব পাৰিছোঁ বাবেই শ্বেইক্সপীয়েৰৰ জন্মভূমিত থিয় হৈ তেনেদৰে ক'ব পাৰিছোঁ। সেইবুলি মই শ্বেইক্সপীয়েৰক সৰু কৰি দেখুৱাব খোজা নাই। কাৰণ, তেওঁ আছিল মহান নাট্যকাৰ। পেছাদাৰী হ'লেও শ্বেইক্সপীয়েৰৰ নাটকৰ কাহিনী আৰু বক্তব্যত মানৱ জীৱনৰ প্ৰেম, দ্বন্দ্ব আৰু সংঘাতৰ অপূৰ্ব চিত্ৰায়ন ঘটিছে। কোনোবাই মোক সুযোগ-সুবিধা দিলে স্বয়ং কেমব্ৰিজ বা অক্সফোৰ্ড ইউনিভাৰচিটিৰ আলোচনা সভাতো একেই কথা ক'ম আৰু শঙ্কৰদেৱৰ নাট্যশৈলী অভিনয় কৰি দেখুৱাম। এই ক্ষেত্ৰত মই ড° হীৰেন গোহাঁই চাৰৰো সহায় বিচাৰিম।

ড° হীৰেন গোহাঁই চাৰৰ প্ৰতিক্ৰিয়াৰ কথা ডাঃ কৰুণা সাগৰ দাস ককাইদেউৰ সৈতে পাতিলোঁ। তেখেতেও কথাটো শুনি ক'লে,— "ড° হীৰেন গোহাঁই চাৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাটো আমাৰ বাবে শুভ কথা। ই নতুন চিন্তাৰ বিস্তাৰৰ ক্ষেত্ৰত এক গতিপথো হ'ব পাৰে।"

ৰাতি ১১-৩০ বাজিছে। পুৱা ন বজাতেই লণ্ডনলৈ যাম। গুৱাহাটীত পুৱা ৫.০০ বাজিছে। এই সময়ত ড° হীৰেন গোহাঁই চাৰ প্ৰাতঃভ্ৰমণলৈ যাবলৈ সাজু হৈছে চাগে'। মই চাৰৰ সুস্বাস্থ্য কামনা কৰি শুবৰ বাবে কোঠালৈ যাবলৈ ওলালোঁ।

(ৰাতি ১১.৩৫ বজা। ব্ৰেডফোৰ্ড)

সংযোজনঃ লণ্ডনৰ পৰা আহি ড° হীৰেন গোহাঁই চাৰলৈ নিম্নোক্ত চিঠিখন লিখিলোঁ।

প্ৰতি,
শ্ৰীযুত ড° হীৰেন গোহাঁই চাৰ
নিজৰাপাৰ, গুৱাহাটী-৩

শ্ৰদ্ধাৰ গোহাঁই চাৰ,

আন্তৰিক শ্ৰদ্ধা গ্ৰহণ কৰিব। আশা কৰোঁ আপুনি কুশলে আছে। আজি মই ইংলেণ্ডৰ পৰা আহি 'অসমীয়া খবৰ'ৰ ২৪ অক্টোবৰ, ২০০৮ সংখ্যাত আপুনি লিখা 'সংকীৰ্ণতাৰ পৰা সাৱধান' শিৰোনামাৰ কথাখিনি পঢ়িলোঁ। তাত আপুনি লিখিছে— "বাতৰি কাকতত লিখিছে, ইংলেণ্ডত শ্ৰীমান ইছমাইল হোছেইনে হেনো কৈছে যে শ্বেইক্সপীয়েৰৰ জন্মভূমিত তেওঁ ঘোষণা কৰিব খোজে যে শঙ্কৰদেৱ শ্বেইপীয়েৰতকৈ বহু ওপৰত। তাতে তেওঁ আত্মপ্ৰকাশ কৰিছিল শ্বেইক্সপীয়েৰতকৈ এশ বছৰ আগতে।"

"সঁচাকৈ যদি তেওঁ এনে উক্তি কৰিছে তেন্তে সেইটো দুৰ্ভাগ্যজনক আৰু দুশ্চিন্তাকৰ। শ্বেইক্সপীয়েৰ ধৰ্ম প্ৰচাৰক নাছিল। তদুপৰি শঙ্কৰদেৱৰ লীলাভূমি, ব্যক্তিত্ব আৰু সংগীত আদি ক্ষেত্ৰত নৈপুণ্য শ্বেইক্সপীয়েৰৰ থকাৰ প্ৰশ্নই নাই। শঙ্কৰদেৱৰ যে মহিমামণ্ডিত যুগন্ধৰ প্ৰতিভা আছিল, কোনে অস্বীকাৰ কৰিব? কিন্তু তাকে লৈ গৌৰৱ কৰোতে আন জাতি বা সমাজতকৈ আমাৰ জাতি, সমাজ, সংস্কৃতি শ্ৰেষ্ঠ বুলি ভবাৰ দুৰ্বুদ্ধি যেন আমাৰ নহয়। ই কেৱল

অহমিকা, যি বিকাশৰ বাট ৰুদ্ধ কৰে। এই কথাও স্পষ্টকৈ কোৱা ভাল যে শ্বেইক্সপীয়েৰত এনে বস্তু আছে যি শঙ্কৰদেৱত দুৰ্লভ।"

চাৰ, আপোনাৰ এইখিনি কথা মই ইংলেণ্ডৰ পৰা আহি পঢ়াৰ পিছত দেখিলোঁ যে মোৰ ভাষণৰ সৈতে কথাখিনিৰ মিল নাই। 'অসমীয়া প্ৰতিদিন'ৰ যোৱা ২২ অক্টোবৰ, সংখ্যাত 'লণ্ডনত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত ইছমাইল হোছেইনঃ শ্বেইক্সপীয়েৰতকৈ বহুগুণে শ্ৰেষ্ঠ শঙ্কৰদেৱৰ নাট্যশৈলী' শীৰ্ষক শিৰোনামাৰে প্ৰকাশ পোৱা বাতৰিত মোৰ ভাষণৰ উদ্ধৃতি দি কোৱা হৈছে,— "শঙ্কৰদেৱক আমি জগতগুৰু বুলি এই কাৰণেই কওঁ যে তেৰাই ধৰ্ম আৰু নৈতিকতাৰ উপৰি জাতীয় সংস্কৃতি দি গৈছে। যিটো কাম বিশ্বৰ অন্য ধৰ্মগুৰুৰ ক্ষেত্ৰত পৰিলক্ষিত নহয়। তেৰাৰ বৰগীত, সত্ৰীয়া বা শঙ্কৰী নৃত্য আৰু অংকীয়া ভাওনা অসমৰ সকলো ধৰ্ম-বৰ্ণৰ লোকৰ সংস্কৃতিত পৰিণত হোৱাটোৱেই শঙ্কৰদেৱৰ শ্ৰেষ্ঠত্বৰ প্ৰমাণ। মই বিশ্ববিশ্ৰুত নাট্যকাৰ শ্বেইক্সপীয়েৰৰ জন্মভূমিত থিয় হৈ কওঁ যে শঙ্কৰদেৱে শ্বেইক্সপীয়েৰতকৈ এশ পোন্ধৰ বছৰ আগতে জন্ম গ্ৰহণ কৰি ছুখন অংকীয়া নাটেৰে পৃথিৱীৰ নাট্য আন্দোলনৰ সূচনা কৰা সত্ত্বেও অৱহেলিত হৈ থকাৰ একমাত্ৰ কাৰণ হ'ল আমাৰ হীনমন্যতা আৰু তেৰাৰ প্ৰতি আমাৰ অৱহেলা। মই বুকু ফুলাই ক'ব পাৰো যে শঙ্কৰদেৱৰ নাটকৰ শৈলী শ্বেইক্সপীয়েৰৰ নাটকৰ শৈলীতকৈ আছিল বহুগুণে শ্ৰেষ্ঠ। শ্বেইক্সপীয়েৰ ইংলেণ্ডৰ ষ্ট্ৰেটফোৰ্ডত জন্ম গ্ৰহণ কৰা বাবে আজি বিশ্ববন্দিত; কিন্তু শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ হৈও তেৰাৰ প্ৰচাৰ বিশ্বজুৰি নোহোৱাৰ কাৰণ হ'ল তেৰাই অসমত জন্ম গ্ৰহণ কৰিছিল। সেইবাবে যুক্তৰাজ্যৰ অসমীয়াসকলে কেমব্ৰিজ, অক্সফোৰ্ড আদি বিশ্ববিদ্যালয়ৰ বৈষ্ণৱী আন্দোলন সম্পৰ্কীয় শাখা আৰু নাট্যকোষৰ জৰিয়তে বিদেশৰ লোকক শঙ্কৰদেৱ সম্পৰ্কে গৱেষণাৰ সুযোগ দি গুৰুজনাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাত আগভাগ ল'ব লাগিব।"

চাৰ, মই লণ্ডনৰ সভাত কোৱা এই কথাখিনিত শ্বেইক্সপীয়েৰৰ সৈতে শঙ্কৰদেৱৰ তুলনা কৰা নাই। আনকি শ্বেইক্সপীয়েৰৰ নাটকৰ কাহিনী বা বক্তব্যৰো তুলনা কৰা নাই। মই কেৱল শঙ্কৰদেৱৰ নাটকৰ শৈলী (কথনভঙ্গী তথা সংলাপ প্ৰক্ষেপণ, পোছাকৰ নতুনত্ব, পৰিৱেশন পদ্ধতিৰ অভিনৱত্ব, ভাষা, প্ৰসাধন সামগ্ৰী, অলঙ্কাৰ, মঞ্চপ্ৰৱেশ, সূত্ৰধাৰৰ কথনভঙ্গী আৰু নাচ, সৰু ধেমালি বৰ ধেমালি, নাটমেলা আদি) সম্পৰ্কেহে শ্বেইক্সপীয়েৰৰ নাটকৰ

সৈতে তুলনা কৰিছোঁ। মই সেই কথাখিনি এইকাৰণেই ক'ব পাৰিছোঁ যে শঙ্কৰদেৱৰ ৰামবিজয়, ৰুক্মিণী হৰণ আদি অংকীয়া নাটকত মই ভাও লৈ অভিজ্ঞতা সঞ্চয় কৰিছোঁ। কাকো সৰু বা ডাঙৰ বুলি দেখুওৱাটো মোৰ উদ্দেশ্য নহয়; মোৰ উদ্দেশ্য হ'ল ব্যক্তি এজনৰ মহৎ কৰ্মখিনিক তুলি ধৰি আমাৰ জাতীয় জীৱনৰ মহত্বৰ সন্ধান কৰা।

আপোনাৰ কথাখিনিয়ে মোৰ বক্তব্যৰ সৈতে বিৰোধ সৃষ্টি কৰা বাবেই আপোনাক লিখিত আকাৰে জনাই থ'লোঁ। আশা কৰো ভুল নুবুজিব।

শ্ৰদ্ধাৰে,

ইছমাইল হোছেইন

৬/১১/২০০৮, গুৱাহাটী

আজি গধূলি ড° গোহাঁই চাৰৰ ঘৰলৈ গৈ দুঘণ্টা সময় ধৰি ৰাজ্যৰ পৰিস্থিতিৰ বিষয়ে কথা পাতি ৬ নৱেম্বৰতে লিখা চিঠিখন দেখুৱালোঁ। চাৰৰ সৈতে মোৰ যথেষ্ট মতবিৰোধ হ'ল। অৱশেষত তেখেতে ক'লে, — "কি ক্ষেত্ৰত শঙ্কৰদেৱৰ নাট্যশৈলী শ্বেইক্সপীয়েৰতকৈ শ্ৰেষ্ঠ সেই সম্পৰ্কে তুমি প্ৰবন্ধ এটা লিখাচোন।" মই অচিৰেই লিখিম বুলি কৈ বিদায় ল'লোঁ।

(৮ নৱেম্বৰ, গুৱাহাটী)

প্ৰবাসী অসমীয়াৰ নতুন প্ৰজন্মৰ ভৱিষ্যৎ

২৯ অক্টোবৰ, ২০০৮। বুধবাৰ। লণ্ডন, ইংলেণ্ড ঃ আজি পুৱা ৭.০০ বজাত সাৰ পাই বৰ ঠাণ্ডা অনুভৱ কৰিলোঁ। পুৱাৰ চাহ কাপ ৰুমী বাইদেৱে আনি দিলে।

আজি পুৱা দহ বজাত ব্ৰেডফোৰ্ডৰ পৰা লণ্ডনলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। নেছনেল এক্সপ্ৰেছেৰে গৈ থাকোতে মোৰ কাষৰ আসনত এগৰাকী ইংৰাজ মহিলা বহিল। মোৰ পৰিচয় সোধাত অসমৰ বুলি ক'লোঁ। জনী নামৰ এই পঞ্চাছ বছৰীয়া মহিলাগৰাকীয়ে অসমৰ কাজিৰঙা, মাজুলী আৰু গুৱাহাটীক ভালকৈয়ে জানে বুলি ক'লে। জনীৰ গিৰীয়েক পোলেণ্ডৰ। পোলেণ্ডৰ কমিউনিষ্ট শাসনৰ সংকটৰ পিছত তেওঁৰ গিৰীয়েক ইংলেণ্ডলৈ গুচি আহি ইয়াৰ স্থায়ী নাগৰিকত্ব গ্ৰহণ কৰিছে। ইংলেণ্ডৰ সমাজ-জীৱনৰ কিছু সংকটৰ কথাও তেওঁ ক'লে। আমি লণ্ডন পোৱাৰ আগতে এখন ফলকত লিখা বাক্য এটালৈ জনীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। বাক্যটো আছিল,— "Give the jobs to whites" অৰ্থাৎ "বগা মানুহবোৰক কাম দিয়ক।" ইংলেণ্ডৰ বগা মানুহবোৰ বিশেষ সংকটত পৰিছে নেকি বুলি সোধাত জনীয়ে ক'লে, — "হয়, নতুন প্ৰজন্মৰ ব্ৰিটিছ নাগৰিকৰ মাজত যোৱা তিনিটা দশকত কৰ্ম-সংস্কৃতি লোপ পোৱাত আফ্ৰিকা আৰু দক্ষিণ-পূৱ এচিয়াৰ পৰা ব্যাপক সংখ্যক লোক ইংলেণ্ডলৈ আহি কৰ্ম কৰি ইয়াত স্থায়ীভাৱে থিতাপি লৈছে। জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে এই পুঁজিবাদী ৰাষ্ট্ৰখনত কৰ্ম-সংস্থাপনৰ নতুন পথো ওলোৱা নাই। সেয়ে ব্ৰিটিছ নাগৰিকৰ নতুন প্ৰজন্ম খুবেই চিন্তিত। তাৰেই কিছুমান হতাশাগ্ৰস্ত যুৱকে হয়তো ক'লা আৰু বগাৰ পাৰ্থক্য বিচাৰ কৰি তেনেদৰে কামৰ দাবী কৰিছে।"

ইংলেণ্ড, স্কটলেণ্ড আদিত কাম নকৰাকৈ বহি খোৱাৰ নিয়ম নাই। চৰকাৰে সংস্থাপন দিব নোৱাৰা যুৱক-যুৱতীক আৰ্থিক সহায় কৰে। তৎসত্ত্বেও তেওঁলোকৰ মাজত হতাশাই দেখা দিছে। আমাৰ অসমত পিতৃৰ ধনেৰে ফুটনি মাৰি ঘূৰি ফুৰা উতনুৱা ডেকাবোৰ আৰু দেহাত প্ৰসাধনৰ প্ৰলেপেৰে বগীজনী হ'ব খোজা একাংশ গাভৰুলৈ মনত পৰিল। তেওঁলোকৰ বেছিভাগৰেই দেশ

আৰু জাতিৰ উন্নয়ন, স্বচ্ছলতা আৰু ব্যক্তিগত উৎকৰ্ষতাৰ প্ৰতি কোনো চিন্তা নাই। দুৰ্নীতিগ্ৰস্ত লোকৰ ল'ৰা-ছোৱালীবোৰতো অধিক উতনুৱা। কোনো ধৰণৰ আয় নথকা কিছুমান ডেকা ল'ৰাই অসমত যিদৰে মোবাইল আৰু বাইব কাল্‌চাৰৰ জৰিয়তে ধন উৰুৱায়— তেওঁলোকৰ ধনৰ উৎস বাৰু কি? এই যে অসমৰ কিছুমান ছাত্ৰ-যুৱ নেতাই কোনো ধৰণৰ চাকৰি বা ব্যৱসায় নকৰাকৈ কোটিৰ হিচাপত ধনৰ অধিকাৰী হয়— তেওঁলোকে বাৰু ক'ৰপৰা ধন গোটায়? এটা জাতি, এখন ৰাজ্য তেওঁলোকৰ দ্বাৰা চহকী হৈছেনে? — কথাবোৰ ভাবি ভাবি জনীৰ পৰা বিদায় লৈ মই আৰু ডাঃ কৰুণা সাগৰ দাস ককাইদেউ লণ্ডনৰ কিংচ্‌ক্ৰচৰ ট্ৰেভেলজত সোমালোঁ। তাত কিছু সময় জিৰণি লৈ লণ্ডনৰ কলিনডেলত স্থায়ীভাৱে বসতি কৰা তপন শৰ্মাৰ গৃহলৈ গ'লোঁ।

আজি সমগ্ৰ ইংলেণ্ডৰ দক্ষিণ অংশত বৰ ঠাণ্ডা পৰিছে। লণ্ডনলৈ আহি থাকোতে চাৰিওফালে বৰফ পৰি থকা দেখিলোঁ। এফালে ৰ'দ, আনফালে বৰফ। দৃশ্যটো বৰ ধুনীয়া। পথাৰবোৰ বগা হৈ আছিল। প্ৰথমে পথাৰত ইউৰীয়া সাৰ ছটিয়াই দিয়া বুলি ভাবিছিলোঁ। দূৰৰ গাঁৱৰ ঘৰবোৰৰ চালিবোৰ বগা। আচৰিত, আগদিনা সেই চালিবোৰতচোন টিনপাত নাছিল; শিল আৰু ইটাহে আছিল। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে ক'লে, — "নহয়। সেইবোৰ বৰফ। সেইবাবে বগা দেখাইছে।" বৰ নয়নাভিৰাম দৃশ্য এটি দেখিলোঁ। লণ্ডনত নামি 'দ্য লণ্ডন পেজ' নামৰ কাকতখন পঢ়ি জানিব পাৰিলোঁ যে ১৯৩৪ চনত হেনো অক্টোবৰ মাহত লণ্ডনত বৰফ পৰিছিল। আজি সুদীৰ্ঘ ৭৪ বছৰ পিছত লণ্ডন আৰু দক্ষিণ ইংলেণ্ডত অক্টোবৰ মাহত বৰফ পৰিছে। মই সমগ্ৰ লণ্ডন চহৰত অক্টোবৰ মাহত বৰফ পৰা দৃশ্যটোৰ সাক্ষী হৈ সৌভাগ্যবান বুলি ভাবিলোঁ। যোৱা পোন্ধৰটা দিনে ইংলেণ্ড আৰু স্কটলেণ্ডত ঘূৰি-পকি প্ৰকৃতিয়ে বৰণ সলোৱাও দেখিলোঁ। এই সময়ত যুক্তৰাজ্যৰ প্ৰায়বোৰ গছৰ পাতে সঘনাই বৰণ সলাই লাহে লাহে সৰিবলৈ ধৰে।

লণ্ডনত বৰফ পৰাৰ পিছত আমি দুটাকৈ চুৱেটাৰ আৰু এটা জেকেট একেলগে পিন্ধাৰ পিছতো ঠাণ্ডাৰ প্ৰকোপত অস্থিৰ হৈ পৰিছোঁ। তৎসত্বেও ভূতলৰ ৰে'লপথ 'টিউবে'ৰে কলিনডেললৈ গৈ তপন শৰ্মাৰ ঘৰত উপস্থিত হ'লোগৈ। শৰ্মাৰ স্ত্ৰী নীতা বাইদেউ, পুত্ৰ ৰণিম শৰ্মা, শহুৰ পুলিন কটকী আৰু শাহু অমিয়া কটকীয়ে আমাক আদৰি নিলে। তপন শৰ্মাৰ ঘৰ ডিব্ৰুগড়ত, নীতা বাইদেউৰ মা-দেউতাৰ ঘৰ যোৰহাটৰ ৰজামৈদামত। শৰ্মাই লণ্ডনত ব্যৱসায়

কৰে। এগৰাকী চিন্তাশীল ব্যক্তি। উদাৰ আৰু প্ৰগতিশীল মনৰ। তেখেতৰ পুত্ৰ ৰণিমো এজন সচেতন যুৱক। কলেজৰ ছাত্ৰ। আমাৰ সৈতে শুদ্ধ অসমীয়াত কথা পাতিলে। জিতুল সোণোৱালৰ "যদি কেতিয়াবা অকলে জ্বলে মোৰ বুকু নীৰৱে" শীৰ্ষক গীতটি ৰণিমে গোৱা চি.ডি.ত শুনিলোঁ। ৰণিমে অসমীয়া ক'ব পাৰে যদিও পঢ়িব নোৱাৰে। আমাৰ পুত্ৰ ছাকিলৰ 'টৌ খেলা শৈশৱ' গ্ৰন্থখন উপহাৰ দিয়াত তেওঁ ক'লে, — "মই অতি সোনকালে অসমীয়া পঢ়িবলৈ শিকি এই গ্ৰন্থখন পঢ়িম।" ৰণিমৰ আগ্ৰহৰ কথা শুনি ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে তেওঁক শলাগিলে।

নীতা বাইদেৱে আমাক চাহ খাবলৈ দিয়াৰ পিছত আমি অন্বেষণ কৰিবলৈ আৰম্ভ কৰিলোঁ, ভাৰতৰ বাহিৰত বসবাস কৰি থকা প্ৰবাসী অসমীয়াৰ নতুন প্ৰজন্মৰ ভৱিষ্যতৰ কথা। আমাৰ আলোচনাত মুখ্য স্থান পালে পঞ্চাছৰ পৰা সত্তৰৰ দশকত যুক্তৰাজ্যৰ বিভিন্ন ঠাইত বসবাস কৰি স্থায়ী নাগৰিকত পৰিণত হোৱা অসমীয়াসকলৰ নতুন প্ৰজন্মৰ ভৱিষ্যৎ-চিন্তাই। বৰ্তমান ইংলেণ্ড আৰু স্কটলেণ্ডত প্ৰবাসী অসমীয়াৰ দ্বিতীয় প্ৰজন্মৰ যুগ চলিছে। প্ৰথম প্ৰজন্মৰ বেছিভাগৰে বয়স ষাঠিৰ ওপৰত। তাৰে দুই-চাৰিজনে নাতি-নাতিনীৰ মুখো দেখিছে। আনহাতে দ্বিতীয় প্ৰজন্মৰ বেছিভাগেই কলেজত পঢ়ি আছে বা উচ্চ শিক্ষা সম্পন্ন কৰি চাকৰি কৰি আছে। দুই-চাৰিজনে যুক্তৰাজ্যৰ সামাজিক জীৱনতো প্ৰতিপত্তি বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। দ্বিতীয় প্ৰজন্মৰ যিসকলে বিয়া-বাৰু পাতিছে তেওঁলোকৰ বহুতেই স্থানীয় ইংৰাজ গাভৰুক জীৱনৰ সঙ্গীৰূপে লৈছে। দুই-এজনী অসমীয়া গাভৰু ইংৰাজ ল'ৰালৈকো গৈছে। কিছুমানে অসমৰ জীয়ৰীকো বোৱাৰী কৰি আনিছে। এই বিচাৰত ইংলেণ্ড, স্কটলেণ্ড, আয়াৰলেণ্ড, ৱেলচ্ আদিৰ অসমীয়া সমাজৰ দ্বিতীয় প্ৰজন্মৰ বৈবাহিক জীৱনৰ মাজেৰে সানমিহলি সামাজিক জীৱনে গঢ় লৈ উঠিছে। দ্বিতীয় প্ৰজন্মৰ এইসকল লোকে যুক্তৰাজ্যত শিক্ষা গ্ৰহণ কৰিব লগা হোৱা হেতুকে তেওঁলোকৰ প্ৰায় নিৰানব্বৈ ভাগেই অসমীয়া পঢ়িব নাজানে বা অসমীয়া বৰ্ণৰ সৈতে পৰিচিত নহয়। সেইবাবে অসমীয়া ভাষা-সাহিত্যৰ পৰাও তেওঁলোক বহুদূৰ নিলগত। তাৰে মাজতে কেইটামান পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃৰপৰা অসমীয়া ভাষা ক'বলৈ শিকাত তেওঁলোকে অসমীয়া গীত-মাতো গাবলৈ শিকিছে। সত্ৰীয়া নৃত্য, বৰগীত, আধুনিক গীত আদিও দুই-চাৰিজনে চৰ্চা কৰিছে। কিন্তু দ্বিতীয় প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ পিতৃ-

মাতৃৰ মৃত্যুৰ পিছত তেওঁলোকৰ পৰৱৰ্তী প্ৰজন্মই (অৰ্থাৎ তৃতীয় প্ৰজন্মই) অসমীয়া মাত-কথা ক্ষীণকৈ হ'লেও ধৰি ৰাখিবলৈ সক্ষম হ'ব পাৰিব নে নাই এই বিষয়ে চিন্তিত হৈ আজি আমি গধূলি ছয়বজাৰপৰা ৰাতি দহ বজালৈ আলোচনা কৰিলোঁ। আমাৰ আলোচনাৰ পৰা এই সিদ্ধান্তই হ'ল যে যুক্তৰাজ্য বা আন দেশৰ প্ৰবাসী অসমীয়া সমাজৰ নতুন প্ৰজন্মই অসমীয়া ভাষা ক'ব নে নাই, তেওঁলোকে বৈবাহিক আৰু পৰিয়ালৰ পৰিচয়েৰে অসমৰ সৈতে সম্পৰ্ক ৰাখিব নে নাই সেয়া তেওঁলোকৰ ব্যক্তিগত কথা। এইক্ষেত্ৰত আমি তেওঁলোকৰ ওপৰত কোনো সিদ্ধান্ত জাপি দিব নোৱাৰোঁ। কাৰণ, তেওঁলোকে যি সামাজিক পৰিৱেশত ডাঙৰ-দীঘল হৈছে তাৰ সৈতে সম্পৰ্ক ৰাখিহে ভৱিষ্যতৰ চিন্তা কৰিব। সেয়ে তেওঁলোকৰ ভৱিষ্যৎ তেওঁলোকৰ ওপৰত; সেয়া কেৱল আমাৰ ওপৰত বা অসমৰ ৰাইজৰ নিৰ্ভৰ নকৰে।

আমাৰ আলোচনাৰ দ্বিতীয় স্তৰত যুক্তৰাজ্যৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা পাকিস্তানী, বাংলাদেশী, পাঞ্জাবী, গুজৰাটী, ভাৰতীয় বাঙ্গালী আদি সমাজৰ কথালৈ আহিছিলোঁ। ইংলেণ্ড আৰু স্কটলেণ্ডৰ যিখন চহৰলৈ গৈছো তাতেই দেখিছো এই সমাজবোৰ ঐক্যবদ্ধ। কাৰণ, তেওঁলোক জন্মভূমি এৰি ব্ৰিটিছ নাগৰিকত্ব গ্ৰহণ কৰোঁতে দলবদ্ধ, সংগঠিত, পৰিকল্পিত আৰু পৰিয়ালগতভাৱে আহিছিল। তেওঁলোকে যুক্তৰাজ্যলৈ আহি য'তেই বসবাস কৰিছিল তাতেই তেওঁলোকে গঢ়ি তুলিছিল নিজস্ব ভাষা-সংস্কৃতি আৰু ধৰ্ম চৰ্চাৰ অনুষ্ঠান। লণ্ডন, ব্ৰেডফোৰ্ড, গ্লাচগো আদি নগৰবোৰত ফুৰিলে জানিব পাৰি যে একোখন চহৰত পাঞ্জাবী, গুজৰাটী, বাঙ্গালী, বাংলাদেশী আনকি মাৰাঠীসকলৰ একাধিক অনুষ্ঠান আছে। এই জনগোষ্ঠীসমূহে যুক্তৰাজ্যৰ কে'বাটাও ব্যক্তিগত চেনেলত নিজা ভাষা-সংস্কৃতিৰ অনুষ্ঠানো পৰিৱেশন কৰে। তেওঁলোকৰ মাজত বিয়া-বাৰু পাতিব লগা হ'লে দৰা-কইনা বিচাৰি আন সমাজলৈ যাব নালাগে; কাৰণ তেওঁলোকৰ জনসংখ্যাৰ সংখ্যাধিক্যই তেওঁলোকক সামাজিকভাৱে ঐক্যবদ্ধ কৰি ৰাখিছে। তেওঁলোকৰ মাজৰ কোনোবাই আন সমাজৰ ছোৱালী বা ল'ৰাৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰিলেও তেওঁলোকে সেই সমাজৰ প্ৰতি সম্পূৰ্ণৰূপে ঢাল খোৱাৰ প্ৰশ্নই নাহে। কাৰণ, তেওঁলোকৰ ব্যাপক সংখ্যক সমাজৰ সংস্পৰ্শলৈ আহি আন সমাজৰ ডেকা-গাভৰুৱে তেওঁলোকৰেই সংস্কৃতি গ্ৰহণ কৰে। অন্ততঃ সাজ-পোছাক, ধৰ্ম-সংস্কৃতি আদিৰ ক্ষেত্ৰত তেওঁলোকে নিজস্বতা ৰক্ষা কৰিব পাৰে।

তেওঁলোকৰ বহুতৰে ককা-আইতাও লগত থকাত তেওঁলোকৰ পৰা সামাজিক সম্পৰ্ক, আচাৰ-ব্যৱহাৰ আদিৰ অনেক কথাই শিকি লৈছে। এনে সুবিধাবোৰ নতুন প্ৰজন্মৰ অসমীয়া সমাজে পোৱা নাই। কাৰণ, তেওঁলোকৰ শতকৰা এভাগৰ ককা-আইতায়ো তেওঁলোকৰ সৈতে প্ৰবাসত নাথাকে। যিসকলে প্ৰবাসত চাকৰি বা ব্যৱসায় কৰি ককা-আইতা হ'বলৈ সক্ষম হৈছে তেওঁলোকেও নাতি-নাতিনীক সময় দিব নোৱাৰাত বা জীৱনৰ শেষ বয়সত তেওঁলোকক এৰি আন ঠাইলৈ গুচি যোৱাত তেওঁলোকৰ মাজত সামাজিক দূৰত্ব ক্ৰমাৎ বৃদ্ধি হ'বলৈ ধৰিছে। মই যুক্তৰাজ্যৰ বিভিন্ন ঠাইৰ অসমীয়া সমাজ, আনকি টেলিফোনেৰে আমেৰিকাৰ অসমীয়া সমাজৰ সম্পৰ্কলৈ আহি জানিব পাৰিছো যে চাকৰি বা ব্যৱসায়ৰ পৰা অৱসৰ লোৱাৰ পিছত কে'বাগৰাকী অসমীয়া পৰিয়ালে স্পেইনত ঘৰ কিনিছে। তেওঁলোকৰ কোনোবাই ইংলেণ্ড বা স্কটলেণ্ডত প্ৰথমে থিতাপি লৈছিল; কিন্তু ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ পিছত বা বিভিন্ন কৰ্মস্থললৈ গুচি যোৱাৰ পিছত সেই সম্পত্তিবোৰ তেওঁলোকক দি বা বিক্ৰী কৰি অনেক জ্যেষ্ঠ অসমীয়াই বৃদ্ধ বয়সত তুলনামূলকভাৱে কম ঠাণ্ডা থকা ঠাই স্পেইনলৈ গৃহ সলাইছে বা সলোৱাৰ প্ৰস্তুতি চলাইছে। ফলত তেওঁলোকৰ মাজত প্ৰজন্মৰ দূৰত্ব বাঢ়ি গৈ গৈ পৰিয়ালগত পৰম্পৰা বা সম্পৰ্কত ভেটা পৰিছে।

আজিৰ আলোচনাত আমি তপন শৰ্মাৰ কলিনডেলৰ বাসভৱনত যিবোৰ কথা পাতিলোঁ তাৰপৰা আহৰণ কৰা আন এটা সিদ্ধান্ত হ'ল— **যুক্তৰাজ্যত প্ৰবাসী অসমীয়াসকলৰ প্ৰথম প্ৰজন্ম জীয়াই থাকোতেই লণ্ডনৰ যিকোনো ঠাইত অসম- ভিত্তিক এক সাংস্কৃতিক কেন্দ্ৰ এটি স্থায়ীভাৱে গঢ়ি তুলিব লাগিব; য'ত মাহত, তিনিমাহত, ছমাহত বা বছৰেকত এবাৰ হ'লেও পুৰণি আৰু নতুন প্ৰজন্মৰ অসমীয়া সমাজ গোট খাব পাৰে, পৰস্পৰে পৰস্পৰৰ সৈতে চিনাকি হোৱাৰ উপৰি ন্যূনতম সামাজিক সম্পৰ্ক বজাই ৰাখিব পাৰে। তেনে কৰিলে হয়তো বিভিন্ন দেশৰ প্ৰবাসী অসমীয়াই তেওঁলোকৰ ঐতিহ্যক স্মৰণ কৰিবলৈ সুবিধা পাব।**

(লণ্ডন। ৰাতি ২-৩০ বজা)

লণ্ডনৰ মিউজিয়ামত অসমৰ ঐতিহ্যৰ সন্ধান

৩০ অক্টোবৰ, ২০০৮। বৃহস্পতিবাৰ। লণ্ডন, ইংলেণ্ড ঃ আজি পুৱা লণ্ডনৰ ট্ৰেভেলজ হোটেলৰ ৫৪২ নং কক্ষত বহি আমি সিদ্ধান্ত ল'লো এই বিশ্ব নগৰীখনৰ মূল যাদুঘৰ (মিউজিয়াম) আৰু পুথিভঁৰালসমূহত অসমীয়া জাতিৰ ঐতিহ্যৰ সন্ধান কৰিম। সেই উদ্দেশ্যে আমি গা-পা ধুই পুৱা দহ বজাতেই ওলালো লণ্ডনৰ ইউষ্টন ৰোডত অৱস্থিত ব্ৰিটিছ লাইব্ৰেৰীলৈ বুলি।

এক অপূৰ্ব নান্দনিক বৈশিষ্ট্যৰে সুসজ্জিত ব্ৰিটিছ লাইব্ৰেৰী চৌহদ। মূল ভৱনৰ অভ্যৰ্থনা কক্ষত সোমাই দায়িত্বশীল বিষয়াক আমাৰ পৰিচয় দিলো আৰু উদ্দেশ্যৰ কথা ক'লোঁ। আমাৰ উদ্দেশ্য আছিল লাইব্ৰেৰীত কেইখনমান গ্ৰন্থ উপহাৰ দিয়া আৰু লাইব্ৰেৰীখনৰ আন্তঃগাঁথনি চোৱা। আমি প্ৰথমেই আমাৰ দ্বাৰা ৰচিত 'বিজ্ঞাপন' (কাব্যগ্ৰন্থ। প্ৰকাশক ঃ বনলতা), 'গড়মূৰীয় সংগ্ৰামী সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ জীৱন আৰু দৰ্শন' (প্ৰকাশকঃ বনলতা), 'ফাটবিহুৰ ইতিহাস আৰু ঐতিহ্য', 'ৰঙালী বিহুৰ ঐতিহ্য বিচাৰ' (প্ৰকাশক ঃ জ্যোতি প্ৰকাশন), 'শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়?'' শীৰ্ষক লণ্ডন ভাষণৰ ইংৰাজী আৰু অসমীয়া সংস্কৰণৰ একত্ৰ সংকলন (প্ৰকাশক ঃ চিনাকী প্ৰকাশন, গোগামুখ), আমাৰ পুত্ৰ ছাকিলৰ 'টৌ খেলা শৈশৱ' নামৰ ক্ষুদ্ৰ গ্ৰন্থ আদি এখন প্ৰ-পত্ৰ পূৰণৰ মাজেৰে ব্ৰিটিছ লাইব্ৰেৰীলৈ দান দিলোঁ। দান দিওঁতে ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে আমাৰ ফটো তোলাৰ উপৰি ভিডিঅ' ৰেকৰ্ডিং কৰিলে। বিষয়াজনে গ্ৰন্থসমূহ 'এছিয়ান এণ্ড আফ্ৰিকান গেলাৰী'ৰ 'ইণ্ডিয়ান কালেক্‌চন' শাখালৈ সংৰক্ষণৰ বাবে পঠাই দিলে। তাৰ পিছতেই আমি গ'লোঁ ব্ৰিটিছ লাইব্ৰেৰীৰ প্ৰদৰ্শনী কক্ষ, গ্ৰন্থ বিপণী, দুষ্প্ৰাপ্য গ্ৰন্থ আৰু গীত সংগ্ৰহৰ কক্ষ, অধ্যয়ন কোঠা আদিলৈ। পুথি সংৰক্ষণৰ আধুনিক ব্যৱস্থা দেখি বিচুৰ্তি খালোঁ। সম্পূৰ্ণ ইলেকট্ৰনিক ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত লাইব্ৰেৰীখন দেখি আমাৰ অসমৰ ৰাজ্যিক লাইব্ৰেৰীলৈ মনত পৰিল। ব্ৰিটিছ লাইব্ৰেৰী যদিহে এখন জেট বিমান হয় তেনেহ'লে আমাৰ ৰাজ্যিক পুথিভঁৰালখন এটা সৰু পখিলা। শিশুৰ পৰা বৃদ্ধলৈকে বিভিন্ন দেশৰ পঢ়ুৱৈ আৰু দৰ্শনাৰ্থীৰে ভৰি

আছে এই জ্ঞান মন্দিৰ লাইব্ৰেৰীখন। দুঘণ্টা সময় ব্ৰিটিছ লাইব্ৰেৰীত অতিবাহিত কৰি আমি ভূতলৰ ৰে'লসেৱা 'টিউব'ৰ মাজেৰে গ্ৰেট ৰাছেল ষ্ট্ৰীটৰ ব্ৰিটিছ মিউজিয়ামলৈ আহিলোঁ।

আমি ব্ৰিটিছ মিউজিয়ামলৈ অহাৰ উদ্দেশ্য আছিল অসমৰ বড়ো, মিচিং, ৰাভা, দেউৰী, তিৱা, ৰাজবংশী, মৰাণ, কাৰ্বি, ডিমাচা আদি জনগোষ্ঠীৰ পৰম্পৰাগত কিছুমান বস্ত্ৰৰ উপৰি চেলেং চাদৰ, ফুলাম গামোচা আদি সংৰক্ষণৰ বাবে দান দিয়াটো। তথ্যকেন্দ্ৰত এই বিষয়ে খবৰ কৰাত দায়িত্বশীল বিষয়া টি.ৰিছাৰ্ড ব্লাৰটনে আমাক দেখা কৰি কিছুমান নিয়ম-নীতিৰ কথা ক'লে। সেইমতে আমি দুমাহমান আগতে অগ্ৰিম অনুমতি লৈ আহিব লাগিছিল। তেনে নিয়মৰ কথা আমি আগতীয়াকৈ নজনা বাবে বস্ত্ৰখিনি ব্ৰিটিছ মিউজিয়ামত সেই সময়ত আনুষ্ঠানিকভাৱে দান দিয়া নহ'ল। অৱশ্যে ব্লাৰটনে পিছলৈ বিভাগীয় পদ্ধতিমতে বস্ত্ৰখিনি পঠাবলৈ ক'লে। দায়িত্বটো ডাঃ কৰুণা সাগৰ দাসক দি আমি ব্লাৰটনৰ পৰা বিদায় ল'ব খোজোতেই ডাঃ কৰুণা সাগৰ দাসৰ পত্নী ৰুমী বাইদেউৰ পৰা ফোন আহিল। গুৱাহাটীত হেনো ভয়ঙ্কৰ বোমা বিস্ফোৰণ হৈছে। শতাধিকৰ মৃত্যুও হৈছে। সেই মুহূৰ্তত নিহত মানুহৰ তেজেৰে যেন আমাৰ হাতৰ গামোচা, চেলেং চাদৰ, আৰনাই, দুমেৰ আদি ৰাঙলী হৈ পৰিল। আমি বাক্ৰুদ্ধ হৈ পৰিলোঁ। ভগ্ন হৃদয়েৰে ব্লাৰটনৰ পৰা বিদায় লৈ আমি ব্ৰিটিছ মিউজিয়ামৰ বিভিন্ন কক্ষলৈ সোমাই গ'লোঁ। আমাৰ দ্বিতীয় উদ্দেশ্য আছিল এই মিউজিয়ামত সংৰক্ষিত হৈ থকা অসমীয়া সামগ্ৰীখিনিৰ বুজ লোৱা। সেইমতে আমি মিউজিয়ামৰ আটাইবোৰ প্ৰদৰ্শনী কক্ষ বহুবাৰ ঘূৰি-পকি চলাথ কৰিলোঁ যদিও উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ সমাজ-সংস্কৃতি, শিল্প, ভাস্কৰ্য, পোছাক-পৰিচ্ছদ আদিৰ কুটা এগছিও বিচাৰি নেপালোঁ। ব্ৰিটিছ মিউজিয়ামত বৃন্দাবনী বস্ত্ৰ বুলি পৰিচিত যি বস্ত্ৰলানি আছে সেয়া হেনো শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মথুৰাদাস বুঢ়াআতাই নিৰ্মাণ কৰা ষষ্ঠদশ শতিকাৰ সাত বৈকুণ্ঠৰ চিত্ৰপট অংকিত বৃন্দাবনী বস্ত্ৰ নহয়। সেইখনো দৰ্শনাৰ্থীয়ে চাব পৰাকৈ প্ৰদৰ্শনী কক্ষত নেৰাখি ক'ৰবাত ভঁৰালত ৰাখি থৈছে হেনো। আশীৰ দশকত এই মিউজিয়ামত দুই-এজনে অসমীয়া ভাষাত লিখা শ্ৰীমৎ ভাগৱত আৰু সাঁচিপাত দেখিছিল হেনো। আমি হ'লে তেনে কোনো সামগ্ৰীয়েই নেদেখিলোঁ। তথ্যকেন্দ্ৰৰ পৰাও আমাক কোনো তথ্য যোগান দিব নোৱাৰিলে।

ব্ৰিটিছ মিউজিয়ামৰ ৯১নং প্ৰদৰ্শনী কোঠাৰ দুৱাৰমুখত লিখা আছিল— "Between Tibet and Assam : Cultural Diversity in the Eastern Himalayans" বুলি। এই অস্থায়ী প্ৰদৰ্শনীখন ২০০৯ চনৰ ১৩ এপ্ৰিললৈকে চলিব। 'অসম' নামটো পাই আমি কিছু আশাবাদী হৈ কিবা এটা বিচাৰি পাওঁ নেকি বুলি ভাবি ভিতৰলৈ সোমাই গ'লোঁ। নাই, অসমৰ সূতা এডালো নেপালোঁ। এঠাইত ভোৰতাল এযোৰ দেখিলোঁ। সেইযোৰো ভূটানৰ। শ্ৰীমন্ত শঙ্কৰদেৱৰ ভূটীয়া শিষ্য দামোদৰে সম্ভৱতঃ তেনে তালকেই অসমলৈ হৈ আহিছিল।

ব্ৰিটিছ মিউজিয়ামত ভাৰতবৰ্ষৰ যিখিনি সামগ্ৰী দেখিলোঁ তাৰে আটাইখিনিয়েই উত্তৰ, পশ্চিম আৰু দক্ষিণ ভাৰতৰ। অসম, চিকিম, ত্ৰিপুৰা, অৰুণাচল, মণিপুৰ, মিজোৰাম নগালেণ্ড, মেঘালয় আদিৰ কোনো সামগ্ৰীয়েই ভাৰতীয় প্ৰদৰ্শনী কোঠাত নাই। এই মিউজিয়ামৰ নবৈ ভাগ ঠাই দখল কৰি আছে প্ৰাচীন গ্ৰীচ, আফ্ৰিকা, চীন, মেক্সিকো, উত্তৰ আমেৰিকা, ইজিপ্ত, আৰব, ইটালী, ইংলেণ্ড, জাপান আদিৰ সামগ্ৰীয়ে। অমৰাৱতীৰ একাধিক প্ৰকাণ্ড শিল, বৌদ্ধমূৰ্ত্তি আদিয়েও ব্ৰিটিছ মিউজিয়ামৰ প্ৰদৰ্শনী কক্ষত শোভা পাই থকা দেখিলোঁ। তাৰে তুলনাত অসমৰ কোনো ধৰণৰ শিলৰ ফলি বা ভাস্কৰ্যৰ চিন-চাব মিউজিয়ামখনত বিচাৰি নেপালোঁ।

ব্ৰিটিছ মিউজিয়ামত কোনো ধৰণৰ অসমীয়া সামগ্ৰী বিচাৰি নেপাই হতাশাগ্ৰস্ত মন লৈ মই আৰু ডাঃ কৰুণা সাগৰ দাস ককাইদেউ পুনৰ টিউবেৰে গৈ পালো চাউথ কেনচিংটনৰ ভিক্টোৰিয়া এণ্ড এলবাৰ্ট মিউজিয়ামলৈ। পৃথিৱীৰ সৰ্ববৃহৎ এই মিউজিয়ামত ভৰি দিয়েই চমকি উঠিলো কাৰু-কাৰ্য দেখি। দুটামান প্ৰদৰ্শনী কোঠাত সোমায়েই ধাৰণা হ'ল যে এনে এখন মিউজিয়ামত নোসোমোৱাকৈ কোনো এজন শিল্পৰসিক লোকৰ জীৱন পূৰ্ণ নহয়। এফালৰ পৰা বৃহৎ মিউজিয়ামৰ কে'বাটাও মহলাৰ বিভিন্ন প্ৰদৰ্শনী কোঠালৈ গ'লোঁ। ক'তো অসম তথা উত্তৰ-পূৱ ভাৰতৰ ৰাজ্যসমূহৰ কোনো শিল্প-সামগ্ৰী বিচাৰি নোপোৱাত বৃন্দাৱনী বস্ত্ৰৰ সন্ধান বিচাৰি তথ্যকেন্দ্ৰলৈ গ'লোঁ। তথ্যকেন্দ্ৰৰ কোনো এজন বিষয়াই বৃন্দাবনী বস্ত্ৰৰ সন্ধান দিব নোৱাৰাত এজনে মোক ওপৰলৈ লৈ গ'ল। মই তেওঁক বৃন্দাবনী বস্ত্ৰ সম্পৰ্কে ধাৰণা এটা দিয়াত বন্ধ কোঠা এটাৰ খিৰিকীৰ মাজেৰে দেখুৱাই ক'লে যে ৰেকত থকা কাপোৰ টুকুৰাই বৃন্দাবনী বস্ত্ৰ। মই হাতেৰে চুবলৈ খোজাত বিভাগীয় অনুমতি

নোহোৱাকৈ দেখুৱাব পৰা নাযাব বুলি ক'লে। মোৰ ধাৰণা হ'ল যে, মোক দূৰৰ পৰা দেখুৱাই দিয়া কাপোৰ টুকুৰা বৃন্দাবনী বস্ত্ৰ নহয়। সেয়া অন্য কিবা বস্ত্ৰ হ'ব পাৰে। অৱশ্যে এই কথা ঠিক যে প্ৰকৃত বৃন্দাবনী বস্ত্ৰৰ এটুকুৰা ভিক্টোৰিয়া এণ্ড এলবাৰ্ট মিউজিয়ামতেই আছে। এবাৰ প্ৰান্তিকৰ পাতত ইভা হাজৰিকা বৌৱে (সূৰ্য হাজৰিকাৰ পত্নী) বস্ত্ৰটিৰ ৰঙীণ ফটোসহ প্ৰবন্ধ এটি লিখিছিল। একেদৰে আৰতি দাস বাইদেৱেও ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত হৈ থকা বুলি এটুকুৰা বৃন্দাবনী বস্ত্ৰৰ ছায়া-চিত্ৰসহ প্ৰবন্ধ লিখিছিল। ডাঃ কৰুণা সাগৰ দাস ককাইদেউৰ পৰা জানিব পৰা মতে পেৰিচৰ গুইমেট মিউজিয়ামতো হেনো বৃন্দাবনী বস্ত্ৰ সংৰক্ষিত হৈ আছে। দুখন দেশৰ তিনিখন মিউজিয়ামত এখন বৃন্দাবনী বস্ত্ৰ সংৰক্ষিত হৈ থকা কথাই আমাক বিমোৰত পেলালে। ইপিনে আমি অসম সাহিত্য সভাৰ যুক্তৰাজ্য শাখাৰ সভাপতি গগন হাজৰিকাৰ পৰা আগতীয়াকৈ ব্ৰিটিছ মিউজিয়াম আৰু গুইমেট মিউজিয়ামৰ সংৰক্ষিত বৃন্দাবনী বস্ত্ৰৰ ৰঙীণ ছায়া-চিত্ৰ সংগ্ৰহ কৰিছিলোঁ। সেইবোৰত অংকিত সাত বৈকুণ্ঠৰ চিত্ৰপটৰ সৈতে প্ৰকৃত চিত্ৰপটৰ অনেক পাৰ্থক্য পৰিলক্ষিত হয়।

বিভাগীয় নিয়ম-নীতিৰ বাবে আমি প্ৰকৃত বৃন্দাবনী বস্ত্ৰ চোৱাত ব্যৰ্থ হ'লেও দুয়োখন মিউজিয়ামত সমগ্ৰ পৃথিৱীৰ অনেক আপুৰুগীয়া সম্পদ চাবলৈ সক্ষম হ'লোঁ। দুয়োখন মিউজিয়ামত বিভিন্ন দেশৰ শিল্পকলা, কাপোৰ-কানি, জাঙ্গিয়া, ব্ৰেছিয়াৰ, কাৰ্পেট আদিৰ পৰা আৰম্ভ কৰি লাওখোলালৈকে সংৰক্ষিত হৈ আছে। কিন্তু উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ জনজাতিসকলৰ সাজ-পোছাক, গহনা, বাদ্য-যন্ত্ৰ আদিৰ উপৰি অসমৰ আপুৰুগীয়া সম্পদ কাঁহ-পিতলৰ সামগ্ৰী, সাঁচিপাত, খোল, তাল, শৰাই, জাপি, পেঁপা, সুতুলি, টকা, গগনা, গামখাৰু, মুখা, হাতীদাঁতৰ সামগ্ৰী, আহোম যুগৰ অস্ত্ৰ-শস্ত্ৰ, শিলৰ ফলি আদিৰ কোনো এটা সামগ্ৰীয়েই ব্ৰিটিছ মিউজিয়াম আৰু ভিক্টোৰিয়া এণ্ড এলবাৰ্ট মিউজিয়ামৰ প্ৰদৰ্শনী কক্ষত দৰ্শনাৰ্থীয়ে চাব পৰাকৈ সংৰক্ষণ কৰি নৰখাটো আমাৰ বাবে হতাশাৰ কথা। কাৰণ, এই দুয়োখন মিউজিয়ামত ভাৰতবৰ্ষৰ বিভিন্ন সামগ্ৰীৰ নামত আটাইবোৰ ৰাজ্যৰ ঐতিহ্যই প্ৰতিনিধিত্ব কৰিছে যদিও কেৱল উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনহে বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত লণ্ডনৰ মিউজিয়াম দুখনৰ কৰ্তৃপক্ষতকৈ আমাৰ দেশৰ মিউজিয়াম সঞ্চালকালয়কহে আমি দায়ী কৰিব পাৰোঁ। কাৰণ, তেওঁলোকৰ পক্ষপাতিত্ব আৰু অৱহেলাৰ বাবেই শিল্পকলা আৰু পোছাক-পাতিৰ ক্ষেত্ৰত পৃথিৱীৰ অন্যতম চহকী উত্তৰ-

পূৰ ভাৰতৰ ৰাজ্যকেইখন বিশ্ব-মিউজিয়াম দুখনত প্ৰতিনিধিত্ব কৰাৰ পৰা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত আমাৰ মিউজিয়ামসমূহৰ সঞ্চালক বা বিষয়ববীয়াসকলৰ অভিজ্ঞতা আৰু দূৰদৃষ্টিৰো অভাৱ। কাৰণ, তেওঁলোকৰ শতকৰা নব্বৈভাগেই লণ্ডনৰ বিশ্বমানৰ শ্ৰেষ্ঠতম মিউজিয়ামত পদাৰ্পণ কৰাৰ সুযোগ পোৱা নাই বা নিজা উদ্যোগতো অধ্যয়নশীল মানসিকতাৰে মিউজিয়ামসমূহ চাই অভিজ্ঞতা আৰু জ্ঞান সঞ্চয় কৰি তাৰ ব্যৱহাৰিক প্ৰয়োগ ঘটাব পৰা নাই। সেইবাবেই আমাৰ দেশৰ ৰাজ্যসমূহৰ মিউজিয়ামবোৰ অতি পুতৌজনক অৱস্থাত আছে।

লণ্ডনৰ মিউজিয়াম আৰু পুথিভঁৰালসমূহত ৰুচীনাথ কামৰূপীৰ 'অসমীয়া কামৰূপী অভিধান', আৰবী লিপিত লিখা 'অহমীয়া জবান', 'আসাম বিলাসিনী', মিচিংসকলৰ বস্ত্ৰ 'মিৰিজিম' আদি সংৰক্ষিত হৈ আছে বুলি জনা যায় যদিও সেইবোৰ প্ৰদৰ্শনী কক্ষত আমি বিচাৰি নেপালোঁ। তৎসত্ত্বেও আমি বিশ্বৰ সৰ্বাতোকৈ চহকী দুখন মিউজিয়াম আৰু এখন লাইব্ৰেৰীত দিনটো অতিবাহিত কৰি ধন্য হ'লোঁ।

গধূলি সাত বজাত লণ্ডনৰ চাউথ উডফোৰ্ডত থকা ডাঃ আলতাফ আহমেদ আৰু শ্ৰীমতী ছামিম আহমেদৰ ঘৰলৈ গ'লোঁ। ছামিম বাইদেৱে অসমীয়া ব্যঞ্জনেৰে আদৰ-সাদৰকৈ এসাঁজ খুৱালে। ডাঃ আলতাফ আহমেদ গুৱাহাটীৰ লাখটকীয়াৰ সন্তান। সত্তৰৰ দশকতে লণ্ডনলৈ আহি ইয়াৰ স্থায়ী বাসিন্দা হৈছে। বৰ দূৰদৰ্শী মানুহ। ছামিম বাইদেউকো আপোন বাইদেউৰ দৰে লাগিল। তেখেতসকলৰ সৈতে যুক্তৰাজ্যৰ অসমীয়া সমাজৰ মানসিকতা, তেওঁলোক সম্পৰ্কে অসমৰ ৰাইজৰ ধাৰণা, অসমৰ মহিলা আৰু যুক্তৰাজ্যৰ অসমীয়া মহিলাৰ কৰ্ম-ব্যস্ততা আৰু মানসিকতাৰ তুলনামূলক বিশ্লেষণ আদি অনেক গুৰুত্বপূৰ্ণ কথা পাতিলো। ছামিম বাইদেৱে প্ৰায় বাৰবিধ ব্যঞ্জনেৰে আমাক ৰান্ধি-বাঢ়ি কেনেকৈ খুৱালে বুলি সোধাত ক'লে,— "আমাৰ যুক্তৰাজ্যৰ অসমীয়া পৰিয়াল বা আন পৰিয়ালত ঘৰুৱা কাম কৰা বাহিৰা মানুহ নাই। আমাৰ ঘৰ-দুৱাৰ চাফা কৰা, ৰন্ধা-বঢ়া, কাপোৰ-কানি ধোৱা, বাচন ধোৱা, ভাত-চাহ বনোৱা, ল'ৰা-ছোৱালী স্কুললৈ পঠোৱা আদি কৰ্ম কৰিয়ো আমি দায়িত্ব সহকাৰে চাকৰিৰ কৰ্তব্যখিনি কৰোঁ। অসমত বেছিভাগ মহিলাই স্বনিৰ্ভৰশীল হ'ব পৰা নাই; তেওঁলোক পৰনিৰ্ভৰশীল হৈ আছে। যুক্তৰাজ্যৰ প্ৰতিগৰাকী মহিলাই স্বনিৰ্ভৰশীল। আমি যিকোনো পৰিস্থিতিত মানসিক

দৃঢ়তাৰে কাম কৰি যাব পাৰোঁ। সেইবাবেই অকলশৰীয়াকৈ থাকিয়ো আমি সকলোখিনি চম্ভালি ল'ব পাৰিছোঁ। অসমৰ মহিলাই কষ্ট কৰিব পাৰিলে তেওঁলোকো স্বনির্ভৰশীল হ'ব পাৰিব।"

ছামিম বাইদেউৰ কথাখিনি অসমৰ মহিলাৰ বাবে আদৰ্শনীয় পৰামৰ্শ হ'ব পাৰে। আমি আপোন মানুহৰ সান্নিধ্যৰে ৰাতি এঘাৰ বজাত কিংচ্‌ক্ৰচৰ হোটেললৈ গুচি আহিলোঁ।

(ৰাতি ২ বজা। লণ্ডনৰ ট্ৰেভেলজ হোটেল)

লণ্ডনত শঙ্কৰদেৱৰ নামত সাংস্কৃতিক কেন্দ্ৰ গঢ়াৰ গুৰুত্ব

৩১ অক্টোবৰ, ২০০৮। শুক্ৰবাৰ। লণ্ডন, ইংলেণ্ড ঃ আজি দহ বজাতেই হোটেলৰ পৰা ওলাই মই আৰু ডাঃ কৰুণা সাগৰ দাস ককাইদেউ ভিক্টোৰিয়ালৈ আহিলোঁ। তাৰ পৰা গাইপতি পঁচিছ পাউণ্ডেৰে (ভাৰতীয় মুদ্ৰামতে দুইহাজাৰ টকা) টিকট কিনি পৰ্যটন বাছ এখনত উঠি সমগ্ৰ লণ্ডন মহানগৰীৰ উল্লেখযোগ্য ঠাই, কীৰ্তিচিহ্ন আদি চালোঁ। সেইবোৰৰ অন্যতম আছিল বাকিংহাম পেলেচ, নেশ্বনেৰ্ল গেলাৰী, দ্য লণ্ডন আই, ট্ৰেফেলগাৰ স্কোৱাৰ, পিকাডিলী চাৰ্কাচ, নেছাৰেল হিষ্ট'ৰী মিউজিয়াম, চাইন্স মিউজিয়াম, হাইজ পাৰ্ক, লণ্ডন ব্ৰিজ, টেমচ্ নৈ, টাৱাৰ ব্ৰিজ, দ্য টাৱাৰ অৱ লণ্ডন, বেঙ্ক অৱ ইংলেণ্ড মিউজিয়াম, বিগ বেন এণ্ড পাৰ্লিয়ামেণ্ট, শ্বেইক্সপীয়েৰচ্ গ্ল'ব, ৱেষ্টমিনিষ্টাৰ এবে, ছেইণ্ট জেমচ্ পেলেচ, ৰিটজ হোটেল, লেমবেথ পেলেচ, হৰ্চ গাৰ্ডচ পেলেচ, লণ্ডন ডাঙ্গেন, মেডাম টুছুডচ্ আদি। এইবোৰ চাই উভতি আহি ভিক্টোৰিয়া বাছ ষ্টেচনত লগ পালো কবি-সাংবাদিক মনোজ বৰপূজাৰীক। বৰপূজাৰীয়ে ২৫ অক্টোবৰত অসমীয়া বোলছবি সম্পৰ্কে লণ্ডনৰ গ'ল্ড স্মিথ কলেজত দিয়া ভাষণ সম্পৰ্কে সুধিলোঁ। তেওঁ শ্ৰোতা-দৰ্শকৰ ব্যাপক সঁহাৰিৰ কথা ক'লে। অসমৰ বোমা বিস্ফোৰণ সম্পৰ্কেও বৰপূজাৰীৰ সৈতে আলোচনা হ'ল।

মনোজ বৰপূজাৰীৰ পৰা বিদায় লৈ আমি লণ্ডনৰ হিথৰোত অৱস্থিত আন্তৰ্জাতিক বিমান বন্দৰ চাবলৈ গ'লোঁ। সম্পূৰ্ণ ইলেক্ট্ৰনিক ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত এই বিমান বন্দৰ নোচোৱাকৈ কল্পনা কৰিব নোৱাৰি যে পৃথিৱীখন কিমান দ্ৰুতগতিত আগবাঢ়ি গৈছে। বিমান বন্দৰৰ পৰা বিশেষ ৰে'লেৰে গৈ আমি হানচ্‌লো ষ্টেচনত নামিলোঁ। তাৰপৰা আমাক অঞ্জন পাঠকে আদৰি তেওঁৰ হেইজত (Hyes) থকা বাসভৱনলৈ লৈ গ'ল। তাত গৈ পোৱাৰ লগে লগে অঞ্জনৰ পত্নী বাবলিয়ে আমাক আদৰি নি জিৰণি কোঠাত বহিবলৈ দিলে।

অঞ্জন পাঠক হ'ল ৰঙিয়াৰ অধ্যাপক যোগেন্দ্ৰ নাথ পাঠকৰ পুত্ৰ। তেওঁ

কম্পিউটাৰ চায়েন্সত শিক্ষা সমাপ্ত কৰি ১৯৯৯ চনৰ পৰা লণ্ডনত চাকৰি কৰি হেইজত নিজা ঘৰ-বাৰী কিনি বসতি কৰি আছে। তেওঁৰ পত্নী বাবলি পাঠকো বৈদ্যুতিক অভিযন্তা। দুয়ো বৰ গতিশীল যুৱক-যুৱতী। ১৮ অক্টোবৰত লণ্ডনৰ চাউথ গে'টৰ ছেইন্ট এন্দ্রিউজ চাৰ্চ হলত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ দিবলৈ যাওঁতে তেওঁলোকক প্ৰথমবাৰৰ বাবে তাতেই লগ পাইছিলোঁ। দুয়োকে প্ৰথমবাৰৰ বাবে দেখিয়ে অনুভৱ হৈছিল যে তেওঁলোকে লণ্ডনত অসমীয়া জাতিৰ ঐতিহ্যক তুলি ধৰাৰ ক্ষেত্ৰত আগভাগ ল'ব পাৰিব। আজি তেওঁলোকৰ ঘৰলৈ গৈয়ো একেধৰণৰেই অনুভৱ হ'ল। সেয়ে আমি কথা-বতৰা পতাৰ আগে আগে চাহ-পানী খাই হেইজ অঞ্চলটোত বসবাস কৰা লোকৰ বিষয়ে এটি আভাস ল'লোঁ। অঞ্জনে ক'লে যে দহ কিলোমিটাৰৰ ভিতৰত প্ৰায় আঠটামান অসমীয়া পৰিয়াল আছে। তাৰ তুলনাত অন্যান্য ভাৰতীয় লোক আছে ব্যাপক সংখ্যক। হেইজৰ ওচৰৰ ছাউথল নামৰ ৰে'ল ষ্টেচন এটা আছে য'ত ফলক লিখা হৈছে পাঞ্জাবী ভাষাত। অৰ্থাৎ সেই ষ্টেচনৰ অঞ্চলটিত পাঞ্জাবী লোকৰ একচেটিয়া বসতি। অসমীয়া লোকৰ তেনে একচেটিয়া বসতিৰ কথা স্বয়ং বৃহত্তৰ গুৱাহাটীৰ কোনো ৰে'ল ষ্টেচনৰ ওচৰে-পাঁজৰে কল্পনা কৰিব নোৱাৰি। আনকি ধুবুৰীৰ পৰা জোনাই, চিলচৰ আদিলৈকে য'ত য'ত ৰে'ল ষ্টেচন আছে সেইবোৰতো শতকৰা নব্বৈ ভাগ লোকেই অসমৰ বাহিৰৰ পৰা আহি বসতি গঢ়ি তুলিছে। যি বুজিলোঁ, অসমীয়া মানুহৰ ঘৰগোণা স্বভাৱৰ বাবেই বাহিৰৰ মানুহবোৰ গৈ অসমত থিতাপি ল'বলৈ সমৰ্থ হৈছে। আনকি বহি খোৱা স্বভাৱৰ বাবে অসমীয়া মানুহৰপৰা কৰ্ম-সংস্কৃতিও লোপ পাইছে।

অঞ্জন পাঠকৰ ঘৰত অসমৰ কৰ্ম-সংস্কৃতিৰ পৰা আৰম্ভ কৰি লণ্ডনত শঙ্কৰদেৱৰ নামত নামঘৰ বা সাংস্কৃতিক কেন্দ্ৰ এটি গঢ়ি তোলা সম্পৰ্কে আলোচনাত বহিলোঁ। মই আৰু ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে যোৱা যোল্লটা দিনে ইংলেণ্ড আৰু স্কটলেণ্ডৰ বিভিন্ন ঠাইত বসবাস কৰা অসমীয়াসকলক লগ কৰি অসমৰ ঐতিহ্য আৰু সংস্কৃতিৰ চানেকি স্বৰূপ এটি সাংস্কৃতিক কেন্দ্ৰ লণ্ডনত গঠন সম্পৰ্কে আলোচনা কৰিছিলোঁ। তাৰে কেইজনমানে ব্যাপক আগ্ৰহ দেখুৱাইছিল যদিও আন কেইজনমানে শঙ্কৰদেৱৰ নাম বা নামঘৰ শব্দটো ব্যৱহাৰৰ ক্ষেত্ৰত আপত্তি দৰ্শাইছিল। তেওঁলোকৰ যুক্তি আছিল এয়ে যে শঙ্কৰদেৱৰ নাম ব্যৱহাৰ কৰিলে অশংকৰী কিছুমানে আপত্তি দৰ্শাব। কাৰণ, শঙ্কৰদেৱৰ ধৰ্মই সমগ্ৰ অসমীয়া সমাজক প্ৰতিনিধিত্ব নকৰে।

আনহাতে যুক্তৰাজ্যৰ কিছুমান ইছলামধৰ্মী অসমীয়াই শঙ্কৰদেৱৰ নামটো ব্যৱহাৰ কৰাত আপত্তি নকৰিলেও নামঘৰ শব্দটোত আপত্তি কৰিব পাৰে। কাৰণ, নামঘৰ এটা যুক্তৰাজ্যৰ ভিন্ ভিন্ ধৰ্ম-সম্প্ৰদায়ৰ অসমীয়াৰ কাৰণে সামূহিক সাংস্কৃতিক কেন্দ্ৰ হৈ নুঠিবও পাৰে। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ লোকেও কেৱল অসম, শঙ্কৰদেৱ বা নামঘৰ আদি শব্দ ব্যৱহাৰ কৰি সামূহিক কেন্দ্ৰ এটি গঢ়ি তোলাত সমৰ্থন নজনাবও পাৰে। সেয়ে বহুতৰ ধাৰণা যে প্ৰস্তাৱিত সামূহিক কেন্দ্ৰটোৰ নাম হ'ব লাগে 'উত্তৰ-পূৱ ভাৰত সাংস্কৃতিক কেন্দ্ৰ' (North-East India Cultural Centre) বা 'উত্তৰ-পূৱ ভাৰত সামূহিক ভৱন' (North-East India Community Hall) আদি। তেনে এটা কেন্দ্ৰ গঢ়ি তুলিলে হেনো যুক্তৰাজ্যত বসবাস কৰা বা পঢ়িবলৈ অহা অৰুণাচল, মিজোৰাম, মণিপুৰ, মেঘালয়, নগালেণ্ড, ত্ৰিপুৰা আদি ৰাজ্যৰ লোকেও সহযোগ কৰিব। সেয়ে বেছিভাগৰে হেনো মত যে শঙ্কৰদেৱ, অসম, নামঘৰ আদি শব্দ ব্যৱহাৰ নকৰাকৈ সামূহিক কেন্দ্ৰটি গঠন কৰিব লাগে।

ইংলেণ্ড বা স্কটলেণ্ডত এনে এক নিয়ম আছে যে চৰকাৰে কোনো ধৰণৰ ধৰ্মীয় অনুষ্ঠান গঠন কৰিবৰ বাবে ধন বা ভূমি আবণ্টন নিদিয়ে। সেয়ে কোনোবাই নামঘৰ গঢ়িব খুজিলেও ব্ৰিটিছ চৰকাৰৰ পৰা সহায় নেপায়। তাৰ বিপৰীতে ব্যক্তিগত উদ্যোগত বা সামূহিক উদ্যোগত ধন সংগ্ৰহ কৰি সেই ধনেৰে ভূমি ক্ৰয় কৰি নামঘৰ সাজিব পাৰে। যুক্তৰাজ্যত মুষ্টিমেয় অসমীয়াই বসবাস কৰা হেতুকে কেৱল নামঘৰ সজাৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হ'ব পাৰে বুলি কে'বাগৰাকী অসমীয়া লোকে জনালে। বিষয়টো অঞ্জনৰ ঘৰতো উত্থাপন হোৱাত আমি গভীৰভাৱে চিন্তা কৰিলোঁ। দাস ককাইদেউ, অঞ্জন, বাবলি আৰু মই এই সিদ্ধান্তত উপনীত হ'লোঁ যে নামঘৰ নহ'লেও লণ্ডনৰ বুকুত অসমৰ আৰু বৃহৎ অসমীয়া জাতিৰ ঐতিহ্য প্ৰতিফলিত হ'ব পৰাকৈ কিবা এটা কৰিব লাগে। অসম, অসমীয়া, শঙ্কৰদেৱ আদি শব্দ ব্যৱহাৰ কৰিলে কোনোবাই যদি প্ৰবাসী অসমীয়াক সংকীৰ্ণ বুলি কয় কওঁক। কাৰণ, এনে শব্দবোৰ ব্যৱহাৰ কৰি আমাৰ পৰিচয় দাঙি ধৰিলেই যদিহে সংকীৰ্ণ হয় তেনেহ'লে দেখোন অন্য দেশৰ পৰা আহি যুক্তৰাজ্যত বসবাস কৰা সকলোবোৰ মানুহেই সংকীৰ্ণ বুলি চিহ্নিত হ'ব। মই নিজেও ব্যক্তিগত অভিজ্ঞতাৰে যোৱা যোল্লটা দিনে ইংলেণ্ড আৰু স্কটলেণ্ডৰ বিভিন্ন ঠাইত ঘূৰি-পকি দেখিছো যে

ভাৰতৰ পাঞ্জাব, গুজৰাট, মহাৰাষ্ট্ৰ, পশ্চিমবঙ্গ, তামিলনাডু আদিৰ পৰা গৈ ইংলেণ্ডত স্থায়ীভাৱে বসবাস কৰা লোকৰ নিজস্ব জাতিগত পৰিচয়ৰ বাবে বিভিন্ন ধৰণৰ অনুষ্ঠান গঢ়ি তুলিছে। আনকি তেওঁলোকে ধৰ্মগত পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ মন্দিৰ, মছজিদ, গুৰুদ্বাৰ আদিও গঢ়ি তুলিছে। চীন, পাকিস্তান, বাংলাদেশ, ব্ৰহ্মদেশ, কোৰিয়া, আফ্ৰিকা আদিৰ পৰা অহাসকলেও তেওঁলোকৰ স্বকীয় ভাষা-সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ হকে অনেক অনুষ্ঠানৰ জন্ম দিছে। তেনেস্থলত প্ৰবাসৰ অসমীয়াসকলে অসমৰ ঐতিহ্যক সুঁৱৰিবলৈ যোৱাটো একো পশ্চাদগামী কাম নহ'ব নিশ্চয়।

আমি অঞ্জনৰ ঘৰত ৰাতিৰ আহাৰ গ্ৰহণ কৰি পুনৰ আলোচনাত বহিলোঁ। আমাৰ আলোচনাত সমগ্ৰ ইউৰোপৰ উন্নয়ন আৰু ঐতিহ্যৰ কথা ওলাল। বিশেষ ধৰণৰ প্ৰাকৃতিক সম্পদত চহকী নোহোৱাকৈয়ো সমগ্ৰ ইউৰোপৰ দেশবোৰে কেনেকৈ আৰ্থিক, ভৌগোলিক, ৰাজনৈতিক, শৈক্ষিক আৰু ভাষা-সাহিত্যৰ দিশত ঠন ধৰি উঠিছে তাৰ এক থুলমূল আভাস আমি ল'লোঁ। মই প্ৰবাসত অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰচাৰ আৰু সুৰক্ষা, শঙ্কৰদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা আদিৰ উদাৰ আৰু দূৰদৃষ্টিসম্পন্ন কৰ্মৰাজিৰ মূল্যায়নেৰে কিদৰে বৃহৎ অসমীয়া জাতিৰ ঐতিহ্য আৰু গৌৰৱ-গাথাক তুলি ধৰিব পৰা যায় সেই সম্পৰ্কে উনুকিয়াই লণ্ডনত এক সাংস্কৃতিক কেন্দ্ৰৰ পোষকতা কৰি যিখিনি কথা ক'লো তাৰ সাৰমৰ্ম এনে ধৰণৰ ঃ

(ক) যুক্তৰাজ্যৰ প্ৰবাসী অসমীয়া আৰু অসমৰ চিন্তাশীল অসমীয়া সমাজৰ যৌথ উদ্যোগত লণ্ডনত এটি সাংস্কৃতিক-সামাজিক কেন্দ্ৰ গঢ়ি তুলিব লাগিব। এই সাংস্কৃতিক কেন্দ্ৰটি নামঘৰৰ ৰূপত গঢ়ি উঠাত কোনোবাই আপত্তি কৰিলেও অন্য নামতো গঢ়ি উঠিব পাৰে। আনকি 'শঙ্কৰদেৱ নামঘৰ' বুলি সেই কেন্দ্ৰটি গঢ়ি উঠিলেও বিশেষ আপত্তিৰ থল নাথাকে বুলি ব্যক্তিগতভাৱে ভাবোঁ। কাৰণ, নামঘৰ আৰু সত্ৰানুষ্ঠানসমূহ কেৱল ধৰ্মানুষ্ঠানেই নহয়। এইবোৰ অসমীয়া সংস্কৃতিৰ একো একোটা যাদুঘৰ। শঙ্কৰদেৱ যিহেতু আমাৰ জাতীয় সংস্কৃতিৰ প্ৰতিভূ, সেয়ে তেৰাক আমি জাতীয় গুৰু হিচাপে ধৰি লৈ নামঘৰ শব্দটোক সকলো ধৰ্মৰ অসমীয়াৰ ধৰ্ম আৰু সংস্কৃতি চৰ্চাৰ কেন্দ্ৰৰূপে গ্ৰহণ কৰিব পাৰোঁ।

(খ) কোনোবাই যদিহে নামঘৰ শব্দটো ব্যৱহাৰ কৰাত আপত্তি কৰে তেনেহ'লে অসমীয়াৰ সাংস্কৃতিক কেন্দ্ৰটোৰ নাম 'শঙ্কৰদেৱ সাংস্কৃতিক কেন্দ্ৰ, লণ্ডন' বুলি নামকৰণ কৰিব পৰা যায়। এই ক্ষেত্ৰতো কোনোবাই যদি আপত্তি কৰে তেনেহ'লে কেন্দ্ৰটোৰ নাম 'শঙ্কৰদেৱ ভৱনঃ উত্তৰ-পূব ভাৰত সাংস্কৃতিক কেন্দ্ৰ' এনেদৰে ৰাখিব পৰা যায়।

(গ) কোনোবাই যদিহে শঙ্কৰদেৱৰ নাম ব্যৱহাৰ কৰাত আপত্তি কৰে তেনেহ'লে তেওঁ হীনমন্যতাত ভোগা বুলিহে আমি ক'বলৈ বাধ্য হ'ম। কাৰণ, শঙ্কৰদেৱৰ নাম বাদ দি 'উত্তৰ-পূব ভাৰত সাংস্কৃতিক কেন্দ্ৰ' বা তেনেধৰণৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান লণ্ডনত প্ৰতিষ্ঠা কৰাৰ কোনো বিশেষত্ব নাই।

(ঘ) শঙ্কৰদেৱৰ নামটোৱে অবিভক্ত ভাৰতৰ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰে। শঙ্কৰদেৱে নতুন ধৰ্ম, সমাজ আৰু সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল; কোচবিহাৰ, ঢাকা, মৈমনসিংহ, ৰংপুৰ, উৰিষ্যা আদিৰ এশ কুৰিটা জনগোষ্ঠী, ধৰ্ম আৰু বৰ্ণৰ লোকক একগোট কৰিবলৈ সক্ষম হৈছিল। বৃহৎ অসমৰ সমাজ জীৱনো তেওঁৰ অৱদানৰ মাজেৰে গঢ় লৈ উঠিছে। শঙ্কৰদেৱক আমি কেৱল ধৰ্মগুৰু বুলি ক'লেই নহ'ব; তেওঁ আছিল উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ আৰু সংস্কৃতিৰো গুৰু। শঙ্কৰদেৱৰ শিষ্য আৰু অনুগামীসকলৰ মাজত ব্ৰাহ্মণ, কায়স্থ, কলিতা, কোচ, ৰাজবংশী, আহোম, কৈৱৰ্ত্ত, মুছলমান, মিচিং, গাৰো, জয়ন্তীয়া, কাৰ্বি, বড়ো, ৰাভা, চুতীয়া, মৰাণ, নগা আদি জনগোষ্ঠীৰ লোক আছিল আৰু বৰ্তমানেও আছে। গতিকে শঙ্কৰদেৱৰ নামটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ-সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পাৰে। তেনেস্থলত লণ্ডনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে শঙ্কৰদেৱৰ নামটোৱেই ব্যৱহাৰ কৰাটো যথোপযুক্ত।

যুক্তৰাজ্যত যিসকল অসমীয়াই বসবাস কৰে সেইসকলক লৈ অসমবাসীয়ে গৌৰৱ কৰোঁ। সেয়ে সেই গৌৰৱ-গাথাক স্থায়ী আৰু দীৰ্ঘ ৰূপ দিবলৈ লণ্ডনত যি সাংস্কৃতিক কেন্দ্ৰ গঢ় লৈ উঠাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে তাৰ মধ্যমণি হোৱা উচিত শঙ্কৰদেৱ। সেইসূত্ৰে কেন্দ্ৰটোৰ নাম হোৱা উচিত 'শঙ্কৰদেৱ ভৱনঃ উত্তৰ-পূব ভাৰত সাংস্কৃতিক কেন্দ্ৰ' বুলি। ইংৰাজীত হ'ব 'Sankaradeva Hall : North-East India Cultural Centre'। অঞ্জন পাঠকে কম্পিউটাৰত প্ৰস্তুত কৰা এই ভৱনটিৰ এটি আন্তঃগাঁথনি আমাক দেখুৱালে। নামকৰণ কৰা হৈছে 'Sankaradeva Cultural Centre of

North-East India' বুলি। এই নামটোও গ্ৰহণ কৰিব পাৰি। অঞ্জনে জনোৱামতে, এই কেন্দ্ৰটিত উত্তৰ-পূৱ ভাৰতৰ সকলো জনগোষ্ঠীৰ ধৰ্ম, সংস্কৃতি, ভাষা আৰু ঐতিহ্য চৰ্চাৰ সুবিধা থাকিব। ইয়াৰ বাবে এজন তত্ত্বাৱধায়ক নিয়োগ কৰা হ'ব। দুমহলীয়া ভৱনটোৰ এটা মহলা অতিথিশালাৰ বাবেও ব্যৱহাৰ কৰিব পৰা যাব। তলৰ মহলাত থাকিব মুকলি প্ৰেক্ষাগৃহ আৰু প্ৰাৰ্থনা গৃহ। এনেধৰণৰ এক ভৱনৰ পৰিকল্পনা কৰি যুক্তৰাজ্যৰ প্ৰবাসী অসমীয়াৰ লগতে উত্তৰ-পূৱ ভাৰতৰ চিন্তাশীল লোকসকলে আগভাগ ল'লে কামটো সম্পন্ন হ'বলৈ দুবছৰো নালাগিব। ধৰ্মানুষ্ঠানৰ সলনি সাংস্কৃতিক ভৱন বুলি নামকৰণ কৰিলে ব্ৰিটিছ চৰকাৰৰ উপৰি ভাৰত চৰকাৰৰ পৰাও সহায় লাভ কৰিব পৰা যাব। আনহে নালাগে, উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ প্ৰায় ত্ৰিছগৰাকী সাংসদে তেওঁলোকৰ পুঁজিৰ পৰা দহলাখকৈ টকা আগবঢ়ালেওচোন সমগ্ৰ পৰিকল্পনা বাস্তৱত পৰিণত হ'বগৈ। তদুপৰি তেনে এটি ভৱন অকলেই লণ্ডনত স্থাপন কৰিব পৰাকৈ অনেক ধনবান অসমীয়া অসমত আছে। অৱশ্যে তেনে অসমীয়া যুক্তৰাজ্যতো নথকা নহয়। এই আটাইবোৰ অসমীয়াৰ সহযোগত নতুন চিন্তাৰে আগবাঢ়ি গ'লে কামটো সহজ হৈ পৰিব।

অঞ্জনক মই এটা পৰামৰ্শ দিলোঁ। তেওঁ লণ্ডনৰ যিটো অঞ্চলত থাকে সেই অঞ্চলত আঠগৰাকীমান অসমীয়াৰ ঘৰ আছে। অদূৰ ভৱিষ্যতে যদিহে কোনো অসমীয়া পৰিয়ালে লণ্ডনত থিতাপি ল'ব খোজে তেনেহ'লে লণ্ডনৰ হেইজ অঞ্চলটোতে বসতি কৰাৰ সুযোগ দিব লাগে। তেনে কৰিলে অসমীয়া পৰিয়ালখিনি সহজতে একগোট হোৱাত সহায়ক হ'ব। আনকি উত্তৰ পূৱ-ভাৰতৰ কোনো ৰাজ্যৰ লোকে লণ্ডনত স্থায়ী গৃহ সাজিব খুজিলে তেওঁলোককো হেইজ অঞ্চললৈ আমন্ত্ৰণ জনাব লাগে। মোৰ এই পৰামৰ্শটি অঞ্জনে এক গঠনমূলক পদক্ষেপ বুলি গ্ৰহণ কৰিলে। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱেও প্ৰস্তাৱটিত সমৰ্থন জনালে। কালি চাউথ উডফোৰ্ডৰ ডাঃ আলতাফ আহমেদ ককাইদেউ আৰু ছেমিম বাইদেৱেও আমাৰ তেনে এটি প্ৰস্তাৱত সঁহাৰি দিছিল।

লণ্ডনৰ আজিৰ দিনটো 'উইক ডে' হোৱা বাবে আন অসমীয়া পৰিয়ালক লগ কৰাটো বা তেওঁলোকৰ তালৈ যোৱাটো সম্ভৱ নহ'ল। লণ্ডন এক বৃহৎ অঞ্চল। মুঠতে এখন সৰু ৰাজ্যৰ দৰে। সেয়ে এই কেইদিন লণ্ডনত ঘূৰি-পকি পাঁচ শতাংশ ঠাইলৈকো যাব নোৱাৰিলোঁ। লণ্ডনত যিমানেই ফুৰিছোঁ সিমানেই মানসিকভাৱে সমৃদ্ধ হৈছোঁ; নতুন নতুন অভিজ্ঞতাৰে চহকী হৈ নতুন

চিন্তা কৰাৰ বাট বিচাৰি পাইছোঁ। এনে এখন ঠাইত আমি স্থায়ীভাৱে নাথাকিলেও ঠাইখনৰ পৰা শিকিব লগা বহু কথাই আছে। বিশেষকৈ আমাৰ হীনমন্যতা নাইকিয়া কৰিবলৈ আৰু চিন্তাৰ ফালৰপৰা সক্রিয় আৰু গতিশীল হ'বলৈ লণ্ডন এক উপযুক্ত ঠাই। এনে এখন ঠাইত অসমীয়া সমাজৰ প্ৰায় পঞ্চাছটামান পৰিয়াল স্থায়ীভাৱে বসবাস কৰিব পৰাটো সন্তুষ্টিৰ কথা নহ'লেও ই এক গৌৰবৰ কথা।

(ৰাতি ১ বজা। হেইজ, লণ্ডন। অঞ্জন পাঠকৰ ঘৰ)

'নৰকৰ অন্য এক নাম ভাৰতবৰ্ষ'

১ নৱেম্বৰ, ২০০৮। শনিবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজি আঠ বজাত লণ্ডনৰ হেইজত বসবাস কৰা তৰুণ অসমীয়া অভিযন্তা অঞ্জন পাঠকৰ গৃহৰ পৰা বিদায় লৈ ভিক্টোৰিয়ালৈ আহি তাৰপৰা বাছেৰে ব্ৰেডফোৰ্ড আহি পালোঁ। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে আজি তেখেতৰ গৃহত পাঞ্জাবী, পাকিস্তানী আৰু ইংৰাজ পৰিয়ালৰ কেইগৰাকীমান বন্ধুৰ উপস্থিতিত ভোজমেলৰ আয়োজন কৰিছিল। সেই ভোজমেললৈ তেখেতৰ পাকিস্তানী বন্ধু ছাগিৰ, ইংৰাজ বন্ধু পল উইণ্টাৰ, পাঞ্জাবী বন্ধু কাহেৰ গিল, অপিন্দৰজিৎ গুৰায়া, মনজিৎ কৌৰ গুৰায়া আদি আহিল। ভোজমেল চলি থাকোতে দেশ-বিদেশৰ বিভিন্ন প্ৰসংগ উত্থাপন হ'ল। আলোচনাত মুখ্য স্থান দখল কৰিলে ভাৰতৰ দুৰ্নীতি, মহাৰাষ্ট্ৰত শিৱসেনাৰ নেতা ৰাজথাকৰে, বাল থাকৰে আদিৰ অমাৰাঠা বিৰোধী দৌৰাত্ম্য, অসমৰ বোমা বিস্ফোৰণ আদি। আলোচনাৰ মাজতে অপিন্দৰজিৎ গুৰায়াৰ মুখৰ পৰা ওলাই আহিল,— "দ্য এনাদাৰ নেম অব্ হেল ইজ ইণ্ডিয়া"; অৰ্থাৎ 'নৰকৰ অন্য এক নাম ভাৰতবৰ্ষ'।

অপিন্দৰজিতে ভাৰতীয় বায়ুসেনাত চাকৰি কৰি অৱসৰ লৈ বৈবাহিকসূত্ৰে ইংলেণ্ডৰ ব্ৰেডফোৰ্ডত বসবাস কৰি আছে। চিন্তাশীল মানুহ। ভাৰতবৰ্ষ সম্পৰ্কে বহুত কথাই ভাবে। যোৱা ৩০ অক্টোবৰত গুৱাহাটী, কোক্ৰাঝাৰ আদিত সংঘটিত বোমা বিস্ফোৰণৰ কথা ওলাল। সমগ্ৰ ভাৰতবৰ্ষখন সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতাবাদ আৰু বৰ্ণবাদে কিদৰে গ্ৰাস কৰিবলৈ ধৰিছে তাৰ এক সুন্দৰ ছবি অপিন্দৰজিতে পাঞ্জাব, অসম আৰু মহাৰাষ্ট্ৰৰ উদাহৰণেৰে দাঙি ধৰিলে। অপিন্দৰজিতে ভাৰতীয় ৰাজনীতিত হিংসা আৰু গোষ্ঠী-বিদ্বেষৰ অন্যতম নিদৰ্শন স্বৰূপে ১৯৮৪ চনত ইন্দিৰা গান্ধীৰ হত্যাকাণ্ডৰ পিছত ভাৰতবৰ্ষৰ বিভিন্ন নগৰত মুক্তভাৱে শিখ হত্যাৰ কথা উল্লেখ কৰি ক'লে— "যি স্বাধীন দেশত নাগৰিকৰেই জীৱন বিপন্ন সেই দেশক পাঞ্জাবীসকলে নিজৰ দেশ বুলি কেনেকৈ ক'ব?" অপিন্দৰজিতৰ কথাৰ আঁত ধৰি কাহেৰ গিল নামৰ প্ৰায় পঁয়সত্তৰ বছৰীয়া পাঞ্জাবী ভদ্ৰলোকজনে ক'লে,

— "যি মহাৰাষ্ট্ৰৰ পৰা বিহাৰী লোকক খেদিবলৈ শিৱসেনাৰ নেতা ৰাজ থাকৰেই মুকলি ঘোষণা দিছে সেই দেশত গণতন্ত্ৰ ক'ত? সঁচাকৈয়ে নৰক, এই ভাৰতবৰ্ষ এতিয়া নৰক।"

ইংলেণ্ডৰ ব্ৰেডফোৰ্ডত ভৰি থৈ যিগৰাকী অনা-অসমীয়া মানুহৰ সৈতে প্ৰথমে কথা পাতিছিলো তেঁৱেই আছিল কাহেৰ গিল। আমি উৰাজাহাজৰ পৰা নমাৰ পিছত ইংলেণ্ডৰ লীড্‌চ বিমান বন্দৰত কাহেৰ গিলে আমাক আদৰিছিল। তাৰ পিছৰ পৰা তেওঁ প্ৰায় প্ৰতিদিনেই গধূলিৰ ভাগত আমাক সংগ দিয়ে। আজি লণ্ডনৰ পৰা ব্ৰেডফোৰ্ডলৈ উভতি অহাৰ পিছত ভাব বিনিময়ৰ বাবে যি ভোজমেল আয়োজন কৰা হৈছিল তাত কাহেৰ গিলে এক চাঞ্চল্যকৰ স্বীকাৰোক্তি দি ক'লে যে তেওঁ এসময়ত ভাৰতীয় পুলিচৰ হাতত স্মাগলাৰ (চোৰাং কাৰবাৰী) ৰূপে ধৰা পৰিছিল। স্মাগলাৰৰ দৰে অভিধাৰে বিভূষিত নোহোৱাহেঁতেন কাহেৰ গিলে কোনোকালেই নিজৰ জন্মভূমি ভাৰতবৰ্ষ এৰি ইংৰাজৰ দেশলৈ আহি ইয়াৰ নাগৰিকত্ব নল'লেহেঁতেন।

কাহেৰ গিলে কৈছিল, তেওঁ হেনো এবাৰ সাময়িকভাৱে বিদেশলৈ যাবলৈ মুম্বাই বিমান বন্দৰত সোমাইছিল। নিৰাপত্তাৰক্ষীসকলে খানাতালাচ কৰোঁতে তেওঁৰ বেগৰ পৰা এক কিলোগ্ৰাম পৰিমাণৰ কৰ্ণফ্লাৱাৰৰ গুটি ওলাল। সেই গুটিবোৰ ক'ৰপৰা আনিছে বুলি কোৱাত কাহেৰ গিলে ক'লে যে তেওঁ সেইবোৰ এজন বন্ধুলৈ বুলি নিবলৈ বেগত ভৰাইছে। কাহেৰ গিলৰ কথাত নিৰাপত্তাৰক্ষীৰ বিশ্বাস নহ'ল। তেওঁক লৈ যোৱা হ'ল কুৰি কিলোমিটাৰ দূৰৰ থানালৈ। তাত আটক কৰি পিছদিনা পঁচিছ কিলোমিটাৰ দূৰৰ কোৰ্টত হাজিৰ কৰা হ'ল। তাৰ পিছত বিভাগীয় শাস্তি। তেওঁ হৈ পৰিল স্মাগলাৰ।

বৰ বেজাৰ মনেৰে কাহেৰ সিঙে কথাবোৰ কৈ গৈছিল। কৈ যাওঁতে মানুহজনৰ মুখত যন্ত্ৰণা আৰু ঘৃণাৰ অবুজন ভাব এটা প্ৰকাশ পোৱা দেখিছিলোঁ। 'তাৰ পিছত কি হ'ল?' বুলি কৌতূহলেৰে সোধাৰ পিছত তেওঁ ক'লে, — "মোৰ বয়স তেতিয়া কুৰি বছৰ। দেশ আৰু জাতিৰ হকে জীৱন উৎসৰ্গিত কৰাৰ বয়স। সেই বয়সত মই যেতিয়া সৎ ডেকাজনে মাত্ৰ এক কিলোগ্ৰাম কৰ্ণফ্লাৱাৰৰ গুটিৰ বাবে স্মাগলাৰ বুলি শাস্তি পালো তেতিয়া সেইখন দেশক নিজৰ দেশ যেন নেলাগিল। মই ক্ৰমান্বয়ে নিজৰ দেশতেই নিৰাপত্তাহীন বুলি অনুভৱ কৰিবলৈ ধৰিলোঁ। .... আৰু অৱশেষত এদিন মই ইংলেণ্ডলৈ গুচি আহি ব্যৱসায়-বাণিজ্যৰে ইয়াত থাকি এইখন দেশৰ নাগৰিকত্ব

ল'লোঁ। এতিয়া, মই এইখন দেশত নিৰাপদ। কাৰণ যোৱা ছাপন্ন বছৰে এই দেশত মই মুহূৰ্তৰ বাবেও নিৰাপত্তাহীনতাত ভোগা নাই। কাৰণ, ইয়াত নাগৰিকৰ অধিকাৰ আছে, মানুহৰ মৰ্যাদা আছে, আটায়ে আত্মসন্মান ৰক্ষা কৰি চলিব পাৰে। এইখন দেশত মোৰ জন্ম নহ'লেও দেশখনে মোক নাগৰিকত্ব দিয়াত মই গৰ্বিত। একে বৰণৰ ছালৰ মানুহে ভাৰতবৰ্ষত আমাক ঘৃণা কৰে; কিন্তু বগা ছালৰ মানুহৰ দেশত তেওঁলোকৰ মাজত ছাপন্ন বছৰ বসতি কৰাৰ পিছতো ক'তো অৱহেলাৰ সন্মুখীন হোৱা নাই। আনকি বগা ছালৰ লোকৰ সৈতে সমানভাৱে নাগৰিক অধিকাৰ ভোগ কৰি আছোঁ।"

কাহেৰ গিলৰ জোঁৱাই হ'ল পল উইণ্টাৰ। তেওঁ বগা ছালৰ মানুহ। ব্ৰেডফোৰ্ডৰ এখন বিদ্যালয়ৰ শিক্ষক। তেওঁ মোক সুধিলে আমাৰ ৰাজ্যৰ শিক্ষকৰ দায়িত্বৰ কথা। ক'লোঁ। তেওঁ শুনি অবাক। প্ৰশ্ন কৰিলে, — "আঁচনি নোহোৱাকৈ স্কুল খোলে? আচনি নোহোৱাকৈ শিক্ষক নিযুক্তি? কেনে দেশ সেইখন?" অপিন্দৰজিতে মোৰ হৈ উত্তৰত ক'লে, — "সমাজ আৰু প্ৰশাসনৰ তলৰ পৰা ওপৰলৈকে দুৰ্নীতি। য'ত চৰকাৰী চাকৰি কিনা-বেচা হয়, য'ত ধনী কেৱল ধনী হয় আৰু গৰীব হয়গৈ অধিক গৰীব— তাৰেই নাম ভাৰতবৰ্ষ।"

ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা দুজন ব্ৰিটিছ নাগৰিকৰ পৰা নিজৰ জন্মভূমি সম্পৰ্কে এনেদৰে শুনাৰ পিছত ভিতৰি ভিতৰি যথেষ্ট উত্তেজনাত ভুগিবলৈ ধৰিলোঁ। হয়তো, য'ত লালু প্ৰসাদ যাদৱৰ দৰে মন্ত্ৰী, নৰেন্দ্ৰ মোদী, ৰাজ থাকৰে, বাল থাকৰে আদিৰ দৰে সাম্প্ৰদায়িক ৰাজনীতিবিদ, মায়াৱতী, জয়াললিতা আদিৰ দৰে দুৰ্নীতিগ্ৰস্তা আৰু নীতিহীন মহিলা ৰাজনীতিবিদৰ ৰাজত্ব— তাত গণতন্ত্ৰ, ন্যায় আৰু নাগৰিক অধিকাৰ ক'ত? আৰু আমাৰ ৰাজ্য— য'ত ধন সংগ্ৰহ মানে বিপ্লৱ, য'ত মানুহৰ প্ৰতি ঘৃণা মানে দেশসেৱা, য'ত মুক্তভাৱে মানুহ হত্যা কৰিব পৰাটো বীৰত্বৰ প্ৰকাশ - তাত সভ্য, সৎ আৰু ন্যায়-পৰায়ণ মানুহৰ ঠাই ক'ত?

গধূলি ছয় বজাৰ পৰা আৰম্ভ হোৱা আমাৰ আলোচনাই ৰাতি এঘাৰ বজালৈকে শিপাইছে। ওচৰতে কাহেৰ গিলৰ পুত্ৰ, বোৱাৰী, জোঁৱাই, নাতি আদিয়েও নিজৰ নিজৰ কথাত ব্যস্ত। তেওঁলোকৰ কথাতো ঠাই পাইছে ইংলেণ্ডৰ শেহতীয়া অৰ্থনৈতিক চিত্ৰপট, শিক্ষা ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা আদিয়ে। তেওঁলোকৰ মাজত বিৰাজ কৰা হাঁহি-স্ফূৰ্তিৰে ভৰা পৰিৱেশ দেখি

মনত পৰিল আমাৰ গাঁৱলীয়া সমাজ-জীৱনলৈ। আমি এনে এটা পৰিয়ালত জন্ম গ্ৰহণ কৰিছোঁ য'ত পিতৃ-মাতৃ, ভাই-ককাই, ভনী-বাইদেউ আদিৰ সৈতে একেলগে বহি আমি হাঁহি-ধেমালি কৰি একেলগে ভোজন কৰি পোৱা নাই; ইজনে সিজনৰ চকুলৈ চাই কথা পাতি পোৱা নাই। ভাৰতবৰ্ষৰ প্ৰায়বোৰ সমাজতেই আমাৰ সমাজৰ দৰে এক শ্বাসৰুদ্ধ পৰিৱেশ। ইংলেণ্ডৰ সমাজত তেনে পৰিৱেশ ক'তো নেদেখিলোঁ। সকলোতে এক সুশৃঙ্খলিত আৰু পৰিমাৰ্জিত আচৰণ। কাৰো প্ৰতি কাৰো ঘৃণা, অৱহেলা আৰু বিদ্বেষ নাই। ফলত আটায়ে একেলগে হাঁহিব পাৰিছে, মন খুলি কথা পাতিব পাৰিছে। কাহেৰ গিল আৰু অপিন্দৰজিৎ গুৰায়াৰ পৰিয়ালৰ মাজতো তেনে পৰিৱেশেই দেখিলোঁ। কথা প্ৰসঙ্গত কাহেৰ গিলৰ পুত্ৰই পঞ্চাছ লাখটকীয়া গাড়ীৰ কথা ওলালে। ডাঃ কৰুণা সাগৰ দাস ককাইদেউক সুধিলোঁ,— "তেওঁ ব্ৰিটিছ চৰকাৰৰ উচ্চ পৰ্যায়ৰ বিষয়া বা প্ৰভাৱশালী ৰাজনীতিক নেকি?" দাস ককাইদেৱে ক'লে — "নহয়, পিতৃ কাহেৰ গিলৰ চিলাই মেছিন ভাল কৰা আৰু বিক্ৰী কৰা ব্যৱসায়টো পুত্ৰই চম্ভালি লোৱাৰ পিছত কম দিনৰ ভিতৰতে কে'বাকোটি টকাৰ মালিকত পৰিণত হৈছে। অলপতে পঞ্চাছ লাখটকীয়া গাড়ীও কিনিছে। সেইবাবে মাহে মাহে গাড়ী সলনি কৰাৰ কথা পাতিব পৰা হৈছে।"

ইংলেণ্ডত যিকোনো মানুহে সততা আৰু নিষ্ঠাৰে ব্যৱসায় কৰিলে কৰ ফাঁকি নিদিয়াকৈয়ো দোপতদোপে আগবাঢ়ি যাব পাৰে। এই দেশখনত কৰ্ম-সংস্কৃতিক সন্মান জনোৱা মানুহৰ মৰণ নাই। কাহেৰ গিল আৰু তেওঁৰ ল'ৰায়ো সততাৰে ব্যৱসায় কৰি আজি স্বনিৰ্ভৰশীল হ'বলৈ সক্ষম হৈছে। অপিন্দৰজিতে আমাৰ দেশৰ ব্যৱসায়ৰ প্ৰসঙ্গ টানি আনি ক'লে, — "ভাৰতত নিষ্ঠাৰে ব্যৱসায় কৰা টান। সেই দেশখনত সবাতোকৈ লাভজনক ব্যৱসায় হ'ল ৰাজনীতি। এই লেতেৰা ৰাজনীতিৰেই আজি ভাৰতবৰ্ষ নামৰ দেশখন বিদেশৰ হাতত বিক্ৰী কৰি খোৱাৰ যো-জা কৰিছে দেশৰ ৰাজনীতিকসকলে। তেওঁলোকে দেশপ্ৰেম আৰু জাতিৰ স্বাৰ্থত সংসদত কাজিয়া কৰা দেখুৱাইছে পৰস্পৰ বিৰোধী গোট হিচাপে। কিন্তু লুণ্ঠনৰ স্বাৰ্থত তেওঁলোকে সহজতে মিলিত হৈছে সংসদৰ বাহিৰত। আনকি দেশৰ মানুহক অনাহাৰী কৰি ৰাখি তেওঁলোকে একেলগে ভোজন কৰিছে পৰস্পৰ বিৰোধী পক্ষ হৈ। সেই দেশ আজি তেজপিয়া আৰু পৰজীৱীৰ দেশ নহৈ নহ'বনো কি?"

যোৱা ১৮ অক্টোবৰৰ পৰা ইংলেণ্ড আৰু স্কটলেণ্ডৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি যিবোৰ অভিজ্ঞতা সঞ্চয় কৰিছিলো, আজি গধূলিটোত ব্ৰেডফোৰ্ডৰ তিনিটা ভিন্ ভিন্ সম্প্ৰদায়ৰ লোকৰ সৈতে ভাৱৰ বিনিময় কৰি বহুগুণে উপকৃত হ'লোঁ। আজিৰ আলোচনাৰ পৰা এই শিক্ষাই পালো যে ভাৰতবৰ্ষৰ ভিতৰত সবাতোকৈ প্ৰাকৃতিক আৰু সাংস্কৃতিকভাৱে চহকী ৰাজ্যৰ বাসিন্দা হোৱা সত্বেও অসমীয়া জাতি আজি পিছপৰি থকাৰ অন্যতম কাৰণ হ'ল দূৰদৰ্শিতা আৰু মহত্ত্বৰ অভাৱ। 'ইজি মানি', 'মাচল পাৱাৰ' আৰু 'পলিটিকেল পাৱাৰ'ৰ ৰাগীয়ে আজি অসমীয়া মধ্যবিত্তক মোহগ্ৰস্ত কৰি পেলাইছে। ক্ৰমান্বয়ে এটা লেহুকা জাতিত পৰিণত হ'বলৈ ধৰিছে অসমৰ সমাজ। পৰস্পৰে পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা, নিম্নতম নৈতিকতাৰ বান্ধোন, সততাৰ মূল্য আদি সকলো সোণসেৰীয়া কথাই ক্ৰমান্বয়ে পাহৰি যাবলৈ ধৰিছে অসমৰ নতুন প্ৰজন্মই।

আমাৰ আলোচনাৰ মাজতে ৰুমী বাইদেৱে কিছু পৰে পৰে চাহ, ফলমূলৰ ৰস আদি পৰিৱেশন কৰিবলৈ ধৰিলে। কোন সময়ত ৰাতি বাৰটা বাজিল ক'বকে নোৱাৰিলোঁ। কাহেৰ গিলে ক'লে, — "আজিৰ বাবে উঠোঁ। আপুনি গুৱাহাটীলৈ যোৱাৰ আগতে মাত এষাৰ দিবলৈ আহিম। এনেদৰে দেশ আৰু সমাজৰ কথা গভীৰভাৱে আলোচনা কৰাৰ পৰিৱেশ বহুদিন ধৰি পোৱা নাছিলোঁ। আপোনাৰ আৰু ডাঃ কৰুণা সাগৰ দাসৰ সান্নিধ্যত যোৱা দুটা সপ্তাহত কে'বাদিনো আমি মুকলিভাৱে কথাবোৰ পাতিলোঁ। ভৱিষ্যতে আকৌ আপোনাক আমাৰ মাজত পাম নিশ্চয়।"

(ৰাতি ১২-৩০ বাজিল। শুবলৈ গ'লো।)

ফাটবিহু আৰু 'স্বাধীন অসম'ৰ প্ৰসঙ্গ

২ নৱেম্বৰ, ২০০৮। দেওবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজি সাত বজাত ৰুমী বাইদেউৰ কীৰ্তন পাঠ শুনি সাৰ পালোঁ। হাত-মুখ ধুই চাহ-পানী খাই লিখিবলৈ বহাৰ পিছত টেলিফোন আহিল। ডাঃ কৰুণা সাগৰ দাস ককাইদেৱে ক'লে, — "নিউকাচলৰ ওচৰৰ এলটনৰপৰা ডাঃ মুকুল হাজৰিকা আহিব আপোনাক লগ কৰিবলৈ। গতিকে আজি আবেলি বাহিৰলৈ যোৱা নহ'ব।"

কথাষাৰ শুনি ভালেই পালোঁ। কাৰণ, কিন্‌কিনীয়া বৰষুণ দিয়াৰ পিছত বাহিৰত ইমানেই ঠাণ্ডা পৰিছে যে মই ওলাই গ'লে কোনোপধ্যেই ঠাণ্ডাৰ প্ৰকোপ সহ্য কৰিব নোৱাৰিম। আজি গধূলি অপন্দিৰজিতৰ সৈতে ব্ৰেডফোৰ্ডৰ মন্দিৰ আৰু গীৰ্জালৈ যোৱাৰ কথা আছিল। সেয়াও ঠাণ্ডাৰ বাবে বাতিল কৰিলোঁ।

আবেলি তিনি বজাত ডাঃ মুকুল হাজৰিকা আহিল। আহিয়েই চিনাকি হৈ বিহুৰ কথা পাতিবলৈ আৰম্ভ কৰিলে। তেখেতে ফাটবিহুৰ কথা সুধিলে। বিমোৰত পৰিলোঁ। কাৰণ অবতৰত ফাটবিহুৰ কথা কিনো কওঁ। কথা পাতি জানিব পাৰিলোঁ যে— হাজৰিকাদেৱ অসমৰ সমাজ-ইতিহাসত অন্বেষণৰত এগৰাকী পণ্ডিত ব্যক্তি। ফাটবিহুৰ সৈতে আহোম যুগৰ হাবুং ৰাজ্যৰ অতীত ইতিহাস আৰু ঐতিহ্যৰ কথা জনাৰ বাবে তেখেত আগ্ৰহী। ময়ো তেখেতৰ আগ্ৰহৰ কথা জানি ফাটবিহুৰ ইতিহাস আৰু ঐতিহ্যৰ কথা ক'লোঁ। প্ৰাচীন হাবুং ৰাজ্যৰ ইতিহাস, 'ফাট'ৰ অৰ্থ আদি বিষয়ত কিছু কথা ক'লোঁ। তাহানি সোতৰ শতিকাতে চাৰিকড়ীয়া নদীৰ পাৰত বেহা-বেপাৰ আৰু কৰ-কাটলৰ বাবে গোট খাওঁতে সাতদিন-সাতৰাতিলৈকে আহোম, মিচিং, দেউৰী, সোণোৱাল-কছাৰী, চুতীয়া, কোচ, কলিতা, বামুণ আদি জনগোষ্ঠীৰ অসমীয়াসকলে একেলগে বিহুনাচ নাচিছিল, বিহুনাম গাইছিল আৰু জনগোষ্ঠীগত সংস্কৃতি প্ৰদৰ্শন কৰিছিল। তেনেদৰেই আজিৰ ফাটবিহু এক মৰ্যাদাসম্পন্ন ৰূপ পাইছে। অতীতত, অৰ্থাৎ কুৰি শতিকাৰ সত্তৰৰ দশকলৈ ফাটবিহু আছিল স্বতঃস্ফূৰ্ত সংস্কৃতিৰ প্ৰকাশ। ১৯৭৬ চনমানৰপৰা ফাটবিহু তিনিদিনীয়াকৈ আনুষ্ঠানিক ৰূপ পায়। বৰ্তমানৰ ফাটবিহুত আগৰ প্ৰাকৃতিক ৰূপ নাই যদিও বিহুনাম আৰু বিহুনাচবোৰত

বৈশিষ্ট্য আছে। মই ডাঃ মুকুল হাজৰিকাক ফাটবিহুৰ বিষয়ে কোৱাত তেখেতে ফাটবিহুৰ বিহুনাম গাই নাচি দেখুৱাবলৈ ক'লে। মই নাচি-গাই দেখুৱালোঁ। হাজৰিকাদেৱে ক'লে,— "সুৰবোৰ অপূৰ্ব। গীতবোৰো প্ৰাচীন গাঁথনিৰ, নাচৰ ছেওবোৰো অগতানুগতিক।" তেখেতে ফাটবিহুৰ ঐতিহ্যক বিদেশত প্ৰদৰ্শনৰ কথা ক'লে। মই ক'লোঁ,— "২০০৩ চনতেই উদ্যোগ লৈছিলোঁ। এচাম চকুচৰহাই আমাৰ সেই আন্তৰিক উদ্যোগত বাধা দিলে। ভৱিষ্যতে চেষ্টা কৰিম।" ডাঃ হাজৰিকায়ো এই ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াব বুলি ক'লে।

ডাঃ মুকুল হাজৰিকাৰ ঘৰ নগাঁও জিলাৰ পুৰণিগুদামৰ পতিয়াবালিত (কাষৰি গাঁৱত)। তেখেতে ১৯৭৭ চনৰপৰাই সংযুক্ত যুক্তৰাজ্যৰ বিভিন্ন ঠাইত চিকিৎসক হিচাপে সেৱা আগবঢ়াই আহিছে। বৰ্তমানে পত্নী বীণা হাজৰিকাৰ সৈতে যুক্তৰাজ্যৰ ষ্টকটন অন টিজৰ এলটন গাঁৱত স্থায়ীভাৱে বসবাস কৰি আছে। তেখেতে ফাটবিহুৰ উপৰি অসম আন্দোলন, সাঁচিপাতৰ পুথিৰ সংৰক্ষণ, ব্ৰিটিছ যাদুঘৰত ভাগৱতৰ সংৰক্ষণ, বাংলাদেশ আৰু অসমৰ অৰ্থনীতি, চট্টগ্ৰাম অঞ্চলৰ জনবসতিত অসমীয়া সমাজ, বৌদ্ধৰ দৰ্শন, আমেৰিকা-ভাৰত আণৱিক চুক্তি, স্বাধীন অসমৰ প্ৰশ্ন ইত্যাদি বিষয়ে প্ৰায় চাৰিঘণ্টা ধৰি কথা পাতিলে। এগৰাকী প্ৰবাসী অসমীয়া চিকিৎসক হৈয়ো হাজৰিকাদেৱৰ অসম সম্পৰ্কীয় চিন্তাৰ কথা জানি ভাল লাগিল। আমাৰ আলোচনাত ফাটবিহু, অসমৰ জনজাতীয় সংস্কৃতি, চৰ-চাপৰি, নৈপৰীয়া জীৱন, মিচিং জীৱন, বড়োলেণ্ডৰ শেহতীয়া অৱস্থিতি, ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণ আদিৰ উপৰি যিটো বিষয়ে সবাতোকৈ গুৰুত্ব পাইছিল সেইটো আছিল যোৱা প্ৰায় ত্ৰিছ বছৰে সংযুক্ত মুক্তি বাহিনী, অসম (আলফা) নামৰ সংগঠনটিয়ে অসম, তথা উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ ভৌগোলিক সীমাৰ পৰা পৃথক কৰি স্বাধীন ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ আন্দোলন। এই বিষয়টোত আমি দুয়োৱে দুঘণ্টাৰ অধিক সময় ধৰি আলোচনা কৰিলোঁ। আমাৰ আলোচনাৰ কেইটামান কথোপকথন আছিল এনে ধৰণৰ ঃ

মুকুল হাজৰিকা ঃ স্বাধীন অসম হ'লে অসমৰ বাইজৰ হাতত সম্পদৰ অধিকাৰ থাকিব।

ইছমাইল হোছেইন ঃ স্বাধীন অসমৰ ভৌগোলিক পৰিসীমা কোনখিনি হ'ব সেই সম্পৰ্কে দেখোন আলফাৰ নিৰ্দিষ্ট মানচিত্ৰ নাই। উত্তৰ-পূৰ্বাঞ্চলৰ সকলোবোৰ ৰাজ্যই স্বাধীন অসমৰ দাবী মানি ল'বনে?

মুকুল হাজৰিকা : তেনেহ'লে বিকল্প কি?

ইছমাইল হোছেইন : আমি স্বাধীন অসমৰ এনে এক বিকল্পৰ সন্ধান কৰিব লাগিব যাতে তাৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ সামাজিক আৰু অৰ্থনৈতিক জীৱন চহকী হয়। সেইবুলি কেৱল ভৌগোলিক বিচ্ছিন্নতাৰে স্বাধীন অসম বা স্বাধীন উত্তৰ-পূৰ্বাঞ্চলৰ কথা কৈ জনসাধাৰণৰ মুক্তি আনিব নোৱাৰি।

মুকুল হাজৰিকা : ভাৰতীয় ৰাষ্ট্ৰ-ব্যৱস্থাইচোন উত্তৰ-পূৰ্বাঞ্চলক শোষণ কৰাৰ বাহিৰে অৰ্থনৈতিক উন্নয়ন আৰু মুক্তি সম্পৰ্কে বিশেষ চিন্তা কৰা দেখা নাই।

ইছমাইল হোছেইন : এই চিন্তাটো কেৱল ভাৰতীয় ৰাষ্ট্ৰ-ব্যৱস্থাৰেই নহয়; এই ক্ষেত্ৰত আমাৰো যথেষ্ট দায়িত্ব আছে। তাৰ বাবে আমি পোন প্ৰথমে মানসিক দাসত্বৰ পৰা মুক্ত হ'ব লাগিব, নাগৰিক হিচাপে আমাৰ দায়িত্বখিনি সচেতনতাৰে পালন কৰিব লাগিব। সমাজৰ মুক্তিৰ চিন্তা কৰিবলৈ যাওঁতে আমি লোভ আৰু ক্ষমতা আহৰণৰ পৰা মুক্ত হ'ব লাগিব। আমাৰ 'স্বাধীন অসম'ৰ প্ৰবক্তাসকলৰ বেছিভাগেই মানসিক দাসত্বৰপৰা মুক্ত হ'ব পৰা নাই। সেইবাবেই তেওঁলোকৰ বেছিভাগেই মানসিক দাসত্বক মানি নিজ স্বাৰ্থ পূৰণ কৰিছে। কোটি কোটি টকা অবৈধভাৱে গোটাই ৰাতিৰ ভিতৰতে আত্মসমৰ্পণ কৰি 'স্বাধীন অসম'ৰ অনেক সমৰ্থক আৰু কৰ্মীয়ে সমাজৰ অন্যতম ধনী ব্যক্তিত পৰিণত হৈছে। প্ৰকৃত অৰ্থনৈতিক স্বাধীনতা সম্পৰ্কে ধাৰণা নথকা এনে বিপ্লৱীয়ে কেৱল ধনৰ লালসাত বিপ্লৱৰ পথাৰত নামি পিছত ধন আৰু ভোগৰ মাজতেই স্বাধীনতাৰ সপোন দেখিলে সমাজ-জীৱনে মুক্তিৰ বাট বিচাৰি নাপায়। স্বাধীনতাৰ প্ৰকৃত পথ বিচাৰিব লাগিব অৰ্থনৈতিক মুক্তিৰ দাবী উত্থাপনৰ মাজেৰে।

মোৰ যুক্তিখিনি হাজৰিকাদেৱে মানি ল'লে যদিও তেখেতে আন কিছুমান প্ৰশ্নও উত্থাপন কৰিলে। মই প্ৰায়বোৰ প্ৰশ্নৰেই যথাযথ উত্তৰ দি এই কথাকেই ক'লো যে 'কেৱল ভৌগোলিক বিচ্ছিন্নতাৰে এখন স্বাধীন ৰাষ্ট্ৰৰূপে ঘোষণা কৰি স্বাধীন অসম গঢ়ি তুলিব নোৱাৰি; যদিহে স্বাধীন অসমৰ নেতাসকলৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি, নদী, পথাৰ, পাহাৰ, প্ৰাকৃতিক আৰু খনিজ সম্পদ, জলবায়ু, জীৱন-ধাৰণৰ পদ্ধতি, সংস্কৃতি আদি সম্পৰ্কে সিদ্ধান্তমূলক ধাৰণা নাথাকে। এই দিশবোৰ গভীৰভাৱে চিন্তা নকৰাকৈ

অসমখনক ভৌগোলিকভাৱে বিচ্ছিন্ন কৰিলেই অসমৰ ৰাইজ শোষণৰ পৰা মুক্ত নহয়। শোষক কেৱল অসমৰ বাহিৰতেই নাই, ভিতৰতো আছে। আনকি অসমীয়া প্ৰজাক কৰা শোষণৰ হাৰ অসমীয়া শোষকৰ মাজতেই বেছি।

যিয়ে নহওঁক, বিদেশৰ বুকুত অসমৰ কল্যাণৰ কথা চিন্তা কৰা এগৰাকী চিন্তাশীল ব্যক্তিক লগ পাই বৰ ভাল পালোঁ। মুকুল হাজৰিকাদেৱৰ সৈতে মোৰ চিন্তাৰ ভিন্নতা থাকিলেও তেখেতৰ চিন্তাৰ গভীৰতা দেখি আপ্লুত হ'লোঁ। হাজৰিকাদেৱ বৌদ্ধ ধৰ্মৰ দৰ্শনৰ প্ৰতি কিছু দুৰ্বল। সেই সম্পৰ্কে মোক কিছু কথা সোধাত তেখেতক ক'লো যে বৌদ্ধ দৰ্শনতকৈ আমি শঙ্কৰদেৱৰ দৰ্শনতহে আমাৰ সমাজখনক আৰু বিশ্বখনকো বিচাৰি পাওঁ। বৌদ্ধ দৰ্শনে বিশ্বজনীনতাক আঁকোৱালি ল'লেও সাংস্কৃতিক সমন্বয় সম্পৰ্কে বিশেষ একো কোৱা নাই। সেইবাবে এই দৰ্শনটো কেৱল ধৰ্ম-দৰ্শন। কিন্তু শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শনে ধৰ্মৰ উপৰি সমাজ আৰু সংস্কৃতিকো আঁকোৱালি লৈছে। সেইবাবেই শঙ্কৰদেৱৰ ধৰ্মই ধৰ্মনিৰপেক্ষ চৰিত্ৰও বহন কৰে।

ডাঃ মুকুল হাজৰিকাৰ সৈতে বিভিন্ন বিষয়ত কথা পাতি নতুন চিন্তাৰ আভাস পালোঁ। গধূলি আঠ বজাত তেখেতে বিদায় ল'লে। ভৱিষ্যতে মোৰ সৈতে দুসপ্তাহমান লণ্ডনত থাকি তাৰে যাদুঘৰ আৰু পুথিভঁৰালত অসমৰ ঐতিহ্যৰ সন্ধান কৰিব বুলি ক'লে। তেখেতে ১৯৮০ চনত ব্ৰিটিছ যাদুঘৰত অসমীয়া ভাষাত প্ৰকাশিত ভাগৱত এখন দেখা বুলি জনালে।

ৰাতি ১১ টা বাজিছে। গধূলিৰ ভাগত গুৱাহাটীৰ কুলেশ গোস্বামীৰ পৰা ফোন আহিল। মই কেতিয়াকৈনো গুৱাহাটীলৈ উভতিম তাৰে খবৰ ল'লে। ঘৰলৈকো ফোন কৰি অসমৰ সমাজ-জীৱনৰ সবিশেষ ল'লোঁ। শ্ৰীমতীয়ে জনালে যে ৩০ অক্টোবৰৰ বিস্ফোৰণৰ পিছত গুৱাহাটীখন নিমাওমাও হৈ আছে। ইণ্টাৰনেটৰ জৰিয়তে 'দ্য আছাম ট্ৰিবিউন' কাকতৰ পাতত অসমৰ বাতৰিবোৰ পঢ়িলোঁ, বোমা বিস্ফোৰণৰ দৃশ্যবোৰো দেখিলোঁ। বীভৎস!

আজি অধিক ঠাণ্ডা বাবে এঘণ্টা আগতেই শোৱাৰ প্ৰস্তুতি চলালোঁ।

(ৰাতি ১১.১০ বজা। ব্ৰেডফোৰ্ড।)

যুক্তৰাজ্যৰ ক'ত ক'ত অসমীয়াসকল থাকে?

৩ নৱেম্বৰ, ২০০৮। সোমবাৰ। ব্রেডফোর্ড, ইংলেণ্ড : পুৱা ছয় বজাতেই সাৰ পালোঁ। ৰাতি জ্যোতি প্রকাশনৰ শ্রীনগেন শর্মা, দিপলো ৰঞ্জন শর্মা, বনলতাৰ অনন্ত হাজৰিকা, ৰঞ্জন শর্মা আদিক সপোনত দেখিলোঁ। সপোনত তিনিঘণ্টা সময় পাণবজাৰত কটালোঁ।

পুৱাৰ চাহ খাই লিখিবলৈ আৰম্ভ কৰিলোঁ। আজিৰ লেখাৰ বিষয় বাছি ল'লোঁ সংযুক্ত যুক্তৰাজ্যৰ অসমীয়া সমাজ। যোৱা ওঠৰটা দিনে যুক্তৰাজ্যৰ লণ্ডন, ব্রেডফোর্ড, ষ্ট্রেটফোর্ড, বার্মিংহাম, গ্লাচগো, এডিনবার্গ আদিত অনেক অসমীয়া পৰিয়াল লগ পাইছোঁ; তেওঁলোকৰ সৈতে কথা-বতৰা পাতি নতুন নতুন অভিজ্ঞতা সঞ্চয় কৰিছোঁ। এইসকল অসমীয়াৰ প্রথম প্রজন্মৰ বিদায়ৰ পিছত দ্বিতীয় প্রজন্মই যে পৰিচয়ৰ সংকটত ভূগিব সেই সম্পর্কে বহুতেই আমাক উনুকিয়াই দিছিল। কাৰণ, দ্বিতীয় প্রজন্মৰ বহুতে অসমীয়া ক'ব বা পঢ়িব নাজানে। সেয়ে অসমৰ সৈতে বা অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে তেওঁলোকৰ পৰিচয় দুর্বল হৈ আহিব। এটা সময়ত হয়তো তেওঁলোক যুক্তৰাজ্যৰ থলুৱা সমাজৰেই অঙ্গ হৈ পৰিব।

সংযুক্ত যুক্তৰাজ্যৰ বিভিন্ন ঠাইলৈ গৈ অসমীয়া পৰিয়ালে স্থায়ীভাৱে বসতি কৰাৰ পাঁচটা দশক পাৰ হৈ গৈছে। আজি সমগ্র দিনটো ডাঃ কৰুণা সাগৰ দাসৰ গৃহত বহি তেখেতে সম্পাদনা কৰা 'লুইতৰ পৰা টেমচলৈ' আলোচনীখনৰ বিগত দিনৰ নটা সংখ্যাৰ (১৯৯৯ চনৰপৰা ২০০৮ চনলৈকে) উল্লেখযোগ্য লেখাবোৰ পঢ়িলোঁ। তাৰে প্রথম বছৰ প্রথম সংখ্যা (১৯৯৯) আলোচনীত প্রকাশ পোৱা ড° দিলীপ কুমাৰ দত্তৰ 'বিলাতলৈ অহা প্রথম অসমীয়া কেইজন' শীর্ষক লেখাটো পঢ়ি জানিব পাৰিলোঁ যে বিলাতলৈ (ইংলেণ্ডলৈ) পঢ়িবলৈ যোৱা প্রথমগৰাকী অসমীয়া আছিল, প্রথম অসমীয়া আই.চি.এছ. আনন্দৰাম বৰুৱা। তেওঁ ১৮৬৯ চনত ব্রিটিছ চৰকাৰৰ বৃত্তি লৈ 'প্রথম অসমীয়া' হিচাপে বিলাতলৈ পঢ়িবলৈ যায়। লণ্ডনত তেওঁ বি. এছ. চি.ৰ ছাত্র আছিল। লণ্ডনত পঢ়ি থাকোতেই বৰুৱাই ১৮৭১ চনত আই. চি.

এছ্. আৰু ১৮৭২ চনত বেৰিষ্টাৰী পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৭১ চনত বৰুৱা বি. এছ্. চি. পৰীক্ষাত উত্তীৰ্ণ হৈ সেই বছৰৰে আগষ্ট মাহত ঘৰলৈ গুচি আহে।

আনন্দৰাম বৰুৱাৰ পিছত ইংলেণ্ডলৈ অহা অন্যান্য অসমীয়াসকল আছিল কৰ্ণেল জালনুৰ আলি (১৮৪৮-১৯৩১), বলিনাৰায়ণ বৰা (১৮৭২ চনত), ৰাধিকাৰাম ঢেকিয়াল ফুকন (১৮৭৩ চনত), কৰ্ণেল শিৱৰাম বৰা (১৮৭৫ চনত), গোলাপ চন্দ্ৰ বেজবৰুৱা (১৮৭৮ চনত), আওৰংগ শ্বাহ (১৮৮৪ চনত), আব্দুল মজিদ (১৮৮৯ চনত) আদি। তেওঁলোকে পঢ়া সংক্ৰান্তত ইংলেণ্ডলৈ আহিছিল যদিও স্থায়ী বসতি কৰা নাছিল। অসমীয়াসকলে সংযুক্ত যুক্তৰাজ্যত স্থায়ীভাৱে বসতি কৰে কুৰি শতিকাৰ পঞ্চাছৰ দশকৰপৰা। যিসকলে সেই সময়ত যুক্তৰাজ্যলৈ আহিছিল তেওঁলোকৰ বেছিভাগেই আছিল চিকিৎসক, অভিযন্তা, অধ্যাপক, বিষয়া আদি। ইংলেণ্ডলৈ আহি স্থায়ীভাৱে বসতি কৰা প্ৰথমগৰাকী চিকিৎসক আছিল ডাঃ শ্যামাঙ্গ বৰুৱা।

অসম সাহিত্য সভাৰ সংযুক্ত যুক্তৰাজ্য শাখা, অসম এছোচিয়েছন আদি সংগঠনৰ জৰিয়তে আমি সংগ্ৰহ কৰিবলৈ সক্ষম হোৱা সংযুক্ত যুক্তৰাজ্যৰ অসমীয়া সমাজৰ অসম্পূৰ্ণ তালিকাখন এনেধৰণৰ ঃ

(১) ডাঃ কৰুণা সাগৰ দাস আৰু অৰুন্ধতী দাস (ব্ৰেডফোৰ্ড)
(২) ডাঃ আলতাফ আহমেদ আৰু ছামিম আহমেদ (লণ্ডন)
(৩) ডাঃ কদম আজাদ আৰু আজমীৰা আজাদ (অটন, বিৰকেনহেড)
(৪) ডাঃ দীনেশ কাকতি আৰু ভৱানী কাকতি (হৰ্ণচাৰ্চ, লণ্ডন)
(৫) ডাঃ অনিল বৰঠাকুৰ আৰু লাহৰী বৰঠাকুৰ (চুইনডন)
(৬) ডাঃ তৰুণ চৌধুৰী আৰু মঞ্জিৰা চৌধুৰী (লেষ্টাৰ),
(৭) গীতা বৰুৱা (ব্লেকহেথ, লণ্ডন)
(৮) ডাঃ খগেশ্বৰ লাহন আৰু সুৰভি লাহন (গ্ৰীণফ'ৰ্ড, মিডল ছে)
(৯) ডাঃ নীলমণি চিকদাৰ আৰু গীতা চিকদাৰ (হাৰ্টলি, কেণ্ট)
(১০) কমল হাজৰিকা আৰু ধীৰা হাজৰিকা (টুটিংবেক, লণ্ডন)
(১১) ডাঃ দ্বিজা মহন্ত আৰু কুঞ্জ মহন্ত (কভেণ্ট্ৰী)
(১২) ডাঃ বেণু কাকতি আৰু ইভা কাকতি (লিভাৰপুল)
(১৩) ডাঃ অপূৰ্ব বৰুৱা আৰু কৃষ্ণা বৰুৱা (চিডকাপ, কেণ্ট)
(১৪) গগন হাজৰিকা আৰু পুষ্পা হাজৰিকা (ছাটনছাৰে কাউণ্টি, লণ্ডন)

(১৫) ডাঃ লক্ষ্মী দাস (ডালেচ, লণ্ডন)
(১৬) ডাঃ বিমল চলিহা আৰু গায়ত্ৰী চলিহা (লণ্ডন)
(১৭) ডাঃ সতীশ মহন্ত আৰু কৃষ্টি মহন্ত (বাৰ্মিংহাম),
(১৮) ডাঃ লীলা বৰা আৰু জেউতি বৰা (টুটিং, চাউথ-ৱেষ্ট লণ্ডন)
(১৯) অঞ্জন পাঠক আৰু বাবলি পাঠক (হেজ, লণ্ডন)
(২০) ডাঃ সাৰদা শৰ্মা আৰু বিণু শৰ্মা (ৱৰচেষ্টাৰ পাৰ্ক, ছুৰী)
(২১) ডাঃ দীনা চৌধুৰী আৰু মঞ্জু চৌধুৰী (ফাৰেহাম হাটচ)
(২২) ডাঃ জয়ন্ত মল্ল বৰুৱা আৰু উৰ্বশী বৰুৱা (ছিগৱেল, এছে)
(২৩) ডাঃ ৰঞ্জিৎ কাকতি আৰু জাহ্নবী কাকতি (নৰ্থ ৱেলচ্)
(২৪) মিত ৰয় আৰু মিনু ৰয় (ছুৰী)
(২৫) ডাঃ দ্বিজেন বৰুৱা (চাউথ ৱেলচ্)
(২৬) তপন শৰ্মা আৰু নীতা শৰ্মা (কলিনডেল, লণ্ডন)
(২৭) ৰিণি কাকতি (লণ্ডন)
(২৮) ডাঃ কুমুদ শৰ্মা আৰু ডাঃ ইন্দিৰা শৰ্মা (লিডচ্)
(২৯) ডাঃ আদিত্য শইকীয়া আৰু গীতিকা শইকীয়া (স্কিপটন)
(৩০) ডাঃ ছিৰাজুল মণিৰুল হক (কটিংলি)
(৩১) ডাঃ অমিত শৰ্মা (কেণ্ট)
(৩২) ৰমেন গোস্বামী আৰু জান গোস্বামী (উডফৰ্ড গ্ৰীণ, লণ্ডন)
(৩৩) ড° জিতেন্দ্ৰলাল বৰকাকতি আৰু ড° নীৰা বৰকাকতি (নৰ্থ বাৰ্ণ, ব্ৰবৰ্ণ, হাটচ)
(৩৪) ডাঃ ৰনেন শৰ্মা (ষ্ট্ৰেটহাম কমন)
(৩৫) মেনকা পি পি. বৰা (কিংষ্টন ইউনিভাৰচিটি, লণ্ডন)
(৩৬) ডাঃ জগদীশ শৰ্মা (গ্লাচগো)
(৩৭) ডাঃ দেবেন ভাগৱতী আৰু শ্ৰীমতী জি. ভাগৱতী (ৱেকফিল্ড)
(৩৮) ডাঃ ৰমা ভাৰতীয়া (বাৰ্ণচলি)
(৩৯) ডাঃ আশ্ৰফ বৰা আৰু জুলি বৰা (হুইটবাৰ্ণ, চাণ্ডাৰলেণ্ড)
(৪০) ডাঃ আফতাব আহমেদ খান (এয়াৰড্ৰি, স্কটলেণ্ড)
(৪১) ডাঃ লিয়াকত হাজৰিকা (হেমিলটন, স্কটলেণ্ড)
(৪২) ডাঃ সমুদ্ৰ শৰ্মা আৰু অনিমা শৰ্মা (কাৰ্লুক, স্কটলেণ্ড)
(৪৩) জিতেন বৰুৱা (লণ্ডন)
(৪৪) ডাঃ জিতেন দত্ত আৰু কৃষ্ণা দত্ত (হুইটবাৰ্ণ)

(৪৫) ডাঃ ৰথীন খাউণ্ড (এবাৰডিন)
(৪৬) দেবেন ফুকন আৰু ৰঞ্জিতা ফুকন (ডাবলিন, আয়াৰলেণ্ড)
(৪৭) ৰীণা শৰ্মা (বেলফাষ্ট, নৰ্থাৰ্ণ আয়াৰলেণ্ড)
(৪৮) ডাঃ বিনয় পাঠক (নটিংহাম)
(৪৯) ডাঃ প্ৰকাশ কাকতি (বাৰ্ণচলি)
(৫০) তৰুণ কুমাৰ বৰুৱা (হেম্পটন)
(৫১) ডাঃ দ্বিজেন বৰুৱা (ছোৱানচি, ৱেলচ্)
(৫২) নিৰলা বৰুৱা (গ্লাচগো, স্কটলেণ্ড)
(৫৩) ৰয়ল চৌধুৰী (গ্লাচগো, স্কটলেণ্ড)
(৫৪) বিপুল কটকী আৰু ড° ৰিতু কটকী (ডাৰহাম)
(৫৫) ডাঃ উৎপল বৰুৱা আৰু বিৰিণা বৰুৱা (বৃৰ্কশ্বপ)
(৫৬) প্ৰবীণ হাজৰিকা আৰু শ্ৰীমতী টি. হাজৰিকা (লেষ্টাৰ)
(৫৭) ডাঃ পদ্ম হাজৰিকা আৰু ৰীণা হাজৰিকা (কভেণ্ট্ৰী)
(৫৮) ডাঃ অজিত কুমাৰ তামুলী আৰু অনিমা তামুলী (শ্বেফিল্ড)
(৫৯) ডাঃ যদুমণি বৰা (নটিংহাম)
(৬০) ডাঃ ভূপেন্দ্ৰ দেৱ শৰ্মা (নটিংহাম)
(৬১) ভুবন বৰুৱা আৰু জীৱনকুমাৰী বৰুৱা (এছে, লণ্ডন)
(৬২) নজমুল হুছেইন (চাউথ উডফোৰ্ড, লণ্ডন)
(৬৩) ডাঃ বাছেৰ (হাৰলো)
(৬৪) ইকবাল ৰছুল আৰু তাচ্‌কিন ৰছুল (হেৰো, লণ্ডন)
(৬৫) আছফাক হুছেইন আৰু ছাহানা হুছেইন (ছেনহাৰ্জ)
(৬৬) দিলীপ মেধি (ৱালথামচ্ ষ্ট', লণ্ডন)
(৬৭) জাবেদ আৰু আফৰিন (হেজ)
(৬৮) ডাঃ চিদা দাস (স্লাউ)
(৬৯) ডাঃ দ্বিজেন ভাগৱতী (লেষ্টাৰ)
(৭০) ডাঃ অংকুৰণ কাকতি (পূব লণ্ডন)
(৭১) ডাঃ জয়ন্ত বিশ্বশৰ্মা (নিউকাচল)
(৭২) ডাঃ মুকুল হাজৰিকা আৰু বীণা হাজৰিকা (এলটন, নিউকাচল)
(৭৩) ডাঃ ধৰণী বৰা আৰু মীৰা বৰা (বলটন)
(৭৪) ডাঃ অক্ষয় ঠাকুৰীয়া

(৭৫) ত্ৰৈলোক্য বৰা
(৭৬) ডাঃ এন. বৰকাকতি আৰু শ্ৰীমতী এম. বৰকাকতি (ছিহাম),
(৭৭) ডাঃ প্ৰভাত বৰুৱা আৰু শ্ৰীমতী ছুচান বৰুৱা (পণ্টিফ্ৰেক্ট)
(৭৮) দেৱ কুমাৰ চাংকাকতি (ব্ৰেডফোৰ্ড)
(৭৯) ননি গগৈ আৰু জাহ্নবী গগৈ (কভেণ্ট্ৰী)
(৮০) ডাঃ প্ৰতীম চৌধুৰী আৰু শ্ৰীমতী এন. চৌধুৰী (এছেক্স)
(৮১) ডাঃ পি. দাস আৰু শ্ৰীমতী এন. দাস (নৰ্থ হামবাৰচাইড)
(৮২) শ্ৰীমতী ৰাণী দুৱৰা (লণ্ডন)
(৮৩) প্ৰদ্যুম্ন বৰুৱা আৰু ৰীতা বৰুৱা (এছে)
(৮৪) ডাঃ নৃপেন শইকীয়া (লংটন, প্ৰিষ্টন)
(৮৫) বিনোদ গোস্বামী আৰু নিৰ্মালী গোস্বামী (এলড্ৰিজ)
(৮৬) বিশ্বজিৎ পৰাশৰ আৰু উৰ্বশী পৰাশৰ (হেমেল হেমষ্টিড)
(৮৭) ডাঃ দীপক দত্ত (নৰ্থামটন)
(৮৮) শেৱালী বৰুৱা (ছাটন ক'ল্ডফিল্ড)
(৮৯) ডাঃ পল্লৱ দাস (হাল)
(৯০) ডাঃ পি. কে. ভট্টাচাৰ্য (লিডচ্)
(৯১) বাপ শইকীয়া আৰু লিলি শইকীয়া (ছেলী অৱাক, ব্ৰিষ্ছ)
(৯২) ডাঃ স্নেহা হাজৰিকা (নটিংহাম)
(৯৩) ডাঃ এছ্. শইকীয়া (ৱেষ্ট মিডলেণ্ডচ্)
(৯৪) ডাঃ এন. কে. শইকীয়া (নটিংলে, ৱেষ্ট য়ৰ্কশায়াৰ)
(৯৫) ডাঃ মঞ্জু বৰকটকী (ডাৰহাম, ছিহাম)
(৯৬) এম. বৰা (বল্টন, লেংকচ্)
(৯৭) উৰ্মি মেধি
(৯৮) শ্ৰীমতী ইলু আহমেদ
(৯৯) শ্ৰীমতী মামানু বৰুৱা
(১০০) শ্ৰীমতী নৱমল্লিকা চৌধুৰী
(১০১) ডাঃ এছ্. হক
(১০২) পাঞ্চালী গোস্বামী
(১০৩) জ্যোতিশ্ৰী নাথ
(১০৪) ডাঃ ডি. এন. চৌধুৰী

সংযুক্ত যুক্তৰাজ্যৰ এইসকল অসমীয়াৰ অসম্পূৰ্ণ তালিকা প্ৰস্তুত কৰাৰ পিছত ৰাতিৰ আহাৰ গ্ৰহণ কৰিলোঁ আৰু দুদিন পিছতেই যুক্তৰাজ্য এৰি নিজ ৰাজ্যলৈ গুচি যাব লাগিব। অহা দুদিন কি কি কাম কৰিম সেই সম্পৰ্কে আগতীয়াকৈ কিছু কথা গুণা-গঁথা কৰিলোঁ।

আজি আবেলি সুৰভি লাহন বাইদেৱে ফোন কৰিছিল। বিগত দিনৰ যুক্তৰাজ্যৰ অভিজ্ঞতাৰ কথা সুধিলে। ক'লোঁ। আজি আবেলি ব্ৰেডফোৰ্ডৰ বাংলাদেশী দোকানলৈ যোৱাৰ অভিজ্ঞতাৰ কথা ক'লোঁ। যুক্তৰাজ্যৰ ইংলেণ্ড, স্কটলেণ্ড, ৱেলচ্, আয়াৰলেণ্ড আদিত কে'বালাখ বাংলাদেশীয়ে স্থায়ী নাগৰিকত্ব গ্ৰহণ কৰিছে। তেওঁলোক মূলতঃ ব্যৱসায়ী। বাংলাদেশৰপৰা বৰালি, গৰৈ, শ'ল, শাল, মিছা, মাগুৰ আদি মাছ যুক্তৰাজ্যলৈ ব্যাপক হাৰত ৰপ্তানি কৰা হয়।

ডাঃ কৰুণা সাগৰ দাসৰ ব্ৰেডফোৰ্ডৰ বাসভৱনৰ দাঁতিত বাংলাদেশী পৰিয়ালে স্থায়ীভাৱে বসতি কৰে। আজি আবেলি সেই ঘৰৰ এগৰাকী বৃদ্ধ লোকক ৰাস্তাৰে গৈ থাকোতে মাতিলোঁ। দুদিনমান আগতেও তেখেতক লগ পাইছিলোঁ। ঘৰলৈ মাতিছিল যদিও সময়ৰ অভাৱত যোৱা নহ'ল। আজি আবেলি ব্ৰেডফোৰ্ডৰ বজাৰৰ বাংলাদেশী দোকানত সোমাওঁতে জানিব পাৰিলোঁ যে তেওঁলোকৰ পৰিয়ালত ছটা সন্তান। জনসংখ্যা সমস্যাৰ কোবত দেশ এৰিবলৈ বাধ্য হোৱা বাংলাদেশী নাগৰিকসকল ইংলেণ্ডলৈ আহি নাগৰিকত্ব গ্ৰহণ কৰাৰ পিছতো তেওঁলোকে জনসংখ্যা নিয়ন্ত্ৰণ কৰা নাই। বাংলাদেশ জন্মৰ আগতেই অসমলৈ অহা বঙ্গীয় (প্ৰাচীন কামৰূপীয়) মুছলমানসকল অসমৰ জাতীয় জীৱনৰ সৈতে মিলি যোৱাৰ পিছতো তেওঁলোকে জন্ম নিয়ন্ত্ৰণ ব্যৱস্থা মানি নচলাত আজি তেওঁলোকক জনসংখ্যা সমস্যাই পীড়া কৰিছে; বহুতো দুখীয়া মানুহ কেৱল দৰিদ্ৰতা, ভূমিহীনতা আৰু জনসংখ্যা সমস্যাৰ বাবেই 'সন্দেহযুক্ত বাংলাদেশী' বুলি নিন্দিত হৈছে। জনসংখ্যাৰ সমস্যা অসমীয়া হিন্দু সমাজত তেনেদৰে নাই; সেইবাবেই তেওঁলোক বিভিন্ন ক্ষেত্ৰত উন্নত মানসিকতা আৰু সুচল জীৱন ব্যৱস্থাৰ অধিকাৰী। যুক্তৰাজ্যৰ অসমীয়াসকলো এই দিশত অতিকৈ চহকী।

(ৰাতি ১২ বজা। ব্ৰেডফোৰ্ড।)

ইংলেণ্ডৰ শেষ দিন

৪ নৱেম্বৰ, ২০০৮। মঙ্গলবাৰ। ব্ৰেডফোৰ্ড, ইংলেণ্ড ঃ আজি পুৱা ৬.০০ বজাত ৰুমী বাইদেৱে (অৰুন্ধতী দাস) কীৰ্তন পাঠ কৰি থাকোতে সাৰ পালোঁ। হাত-মুখ ধুই ৭.০০ বজাত পুৱাৰ চাহ খালোঁ। কৰুণাদাও উঠিল। ক্ষন্তেক পিছতে আমি দুয়ো বিগত দিনৰ ভ্ৰমণ আৰু অভিজ্ঞতাৰ বিষয়ে আলোচনা কৰিলোঁ। আমাৰ আলোচনাত ঠাই পালে ভাৰতবৰ্ষ আৰু যুক্তৰাজ্যৰ নাগৰিকসকলৰ মানসিকতাৰ কথা। যুক্তৰাজ্য আৰু ইউৰোপৰ জনসাধাৰণৰ মানসিকতা যে আমাৰ ভাৰতীয় মানসিকতাতকৈ বহুগুণে উন্নত সেই কথা কৰুণাদাই স্বীকাৰ কৰিলে। তেখেতে ক'লে — "বিদেশীসকলে ভাৰতীয়ক হীনমন্য আৰু দুৰ্বল বুলি কয়। এই বদনামৰপৰা উদ্ধাৰ পাব নোৱাৰিলে ভাৰতীয়ৰ মুক্তি নাই।"

হয়, বিদেশীসকলৰ দৃষ্টিত আজিও ভাৰতীয়সকল হীনমন্য আৰু মানসিকভাৱে দুৰ্বল হৈ আছে। সেইবাবেই কোনো দিশতে ভাৰতীয়সকল আগবাঢ়ি যাব পৰা নাই। ব্ৰিটিছৰপৰা স্বাধীনতা কাঢ়ি লোৱাৰ ষাঠি বছৰ পিছতো ভাৰতীয়সকলে দাসত্বৰ বোজা কঢ়িয়াই ফুৰিছে। ভাৰতীয়সকলে কে'বাটাও দিশত দাসত্বক মানি লৈছে। তাৰে প্ৰথমটো হ'ল ৰাজনৈতিক দাসত্ব, দ্বিতীয়টো অৰ্থনৈতিক দাসত্ব আৰু তৃতীয়টো হ'ল সামাজিক দাসত্ব। সামাজিক দাসত্বক ধৰ্মীয় অনুশাসনে নিয়ন্ত্ৰণ কৰে। সেইবাবেই আধ্যাত্মিকতাৰ পৃষ্ঠভূমি ভাৰতৰ সৰহভাগ নাগৰিককেই ধৰ্মীয় অনুশাসন আৰু পৰম্পৰাই নিয়ন্ত্ৰণ কৰি আছে। যি ধৰ্মত কেৱল ধৰ্মীয় অনুশাসন বা পৰম্পৰা থাকে তেনে ধৰ্মৰ অনুগামীসকল মানসিকভাৱে মুক্ত নহয়। এইক্ষেত্ৰত শঙ্কৰদেৱৰ ধৰ্ম কিছু সুকীয়া। ভাৰতবৰ্ষত সনাতন ধৰ্মকেন্দ্ৰিক যিবোৰ ধৰ্মীয় পৰম্পৰা বা পন্থা আছে সেইবোৰৰ ভিতৰত একমাত্ৰ শঙ্কৰদেৱৰ ধৰ্ম-ব্যৱস্থাৰ মাজতে আছে বিকল্প জাতীয় সংস্কৃতি আৰু ধৰ্মনিৰপেক্ষ জাতীয় সমাজ। সেইবাবেই শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শনত জাত-পাত আৰু উচ্চ-নীচ প্ৰাধান্য কম।

আজি মোৰ যুক্তৰাজ্য ভ্ৰমণৰ শেষদিন। পুৱাৰ ভাগতে আমাৰ দেশ সম্পৰ্কে চিন্তা-ভাৱনা কৰোঁতে উপৰি উক্ত কথাবোৰ মনলৈ আহিছে। যোৱা

কুৰিটা দিনে যুক্তৰাজ্যৰ বিভিন্ন ঠাইত ঘূৰি-পকি ইউৰোপৰ বিভিন্ন দেশৰ মানুহৰ আচাৰ-ব্যৱহাৰ দেখি ভিতৰি-ভিতৰি দগ্ধ হৈছো বহুবাৰ। ভাল নাগৰিক নহ'লে যে ভাল দেশ গঢ়ি তুলিব নোৱাৰি সেই কথা বাৰে বাৰে উপলব্ধি কৰিছোঁ। এই মুহূৰ্তত এৰিষ্টটলৰ এষাৰ কথা মনলৈ আহিছে। এৰিষ্টটলে কৈছিল ঃ "জীয়াই থকাটোৱেই একমাত্ৰ উদ্দেশ্য নহয়, ভালদৰে জীয়াই থকাটোহে জীৱনৰ সাৰ কথা।" কথাটো হয়। ভাৰতবৰ্ষৰ বেছিভাগ মানুহেই নাজানে ভালদৰে জীয়াই থকাৰ কথা।

আজিৰ দিনলিপি প্ৰস্তুত কৰি থাকোতে ডাঃ দীনেশ কাকতিৰ পৰা টেলিফোন আহিল। ডাঃ কাকতিৰ জন্ম শুৱালকুছিত; তেখেত বৰ্তমানে লণ্ডনৰ হৰ্ণচাৰ্চ অঞ্চলত থাকে। তেখেতৰ সম্পূৰ্ণ ঠিকনা ঃ 99 Ardleigh Green Road, Horn Church, RM11 2LE, London ; ডাঃ কাকতিৰ সৈতে টেলিফোনত কথা পাতি লণ্ডনত শঙ্কৰদেৱৰ চৰ্চাৰ কিছু অতীত খতিয়ান ল'লোঁ। তেখেতে জনালে যে ১৯৮৩ চনতেই লণ্ডনৰ হাৰ্চডেনত পোন প্ৰথমবাৰৰ বাবে শঙ্কৰদেৱৰ ৫৩৫ তম্ জন্মোৎসৱৰ আয়োজন কৰা হৈছিল। সেই বছৰৰ ৩০ অক্টোবৰত আয়োজন কৰা জন্মোৎসৱৰ উদ্যোক্তাসকলৰ অন্যতম আছিল লণ্ডনস্থ অসমীয়া মহিলা ৰিণি কাকতি, ডাঃ দীনেশ কাকতি, পদ্মকান্ত দত্ত (তেজপুৰ), খৰ্গেশ্বৰ শইকীয়া (তেজপুৰ), সুভদ্ৰা বালা কাকতি আদি। তেজপুৰৰ কুমাৰগাঁৱৰ শঙ্কৰ মন্দিৰৰ সভাপতি পদ্মকান্ত দত্ত ৰিণি কাকতিৰ জেঠু। তেওঁ ১৯৮৩ চনৰ ছেপ্টেম্বৰত লণ্ডনলৈ বুলি ফুৰিবলৈ গৈছিল। একে সময়তে তেজপুৰৰ কমাৰ চুবুৰীৰ খৰ্গেশ্বৰ শইকীয়াই তেওঁৰ ছোৱালী মীৰা বৰাৰ (স্বামী ডাঃ ধৰণী বৰা, মানচেষ্টাৰ) ঘৰলৈ ফুৰিবলৈ গৈছিল। পদ্মকান্ত দত্তই ৰিণি কাকতিৰ সৈতে আলোচনা কৰি খৰ্গেশ্বৰ শইকীয়া, ডাঃ দীনেশ কাকতিৰ মাতৃ সুভদ্ৰাবালা কাকতি আদিৰ সহযোগত শঙ্কৰদেৱৰ ৫৩৫ তম্ জন্মোৎসৱটি লণ্ডনত পতাৰ আয়োজন কৰিলে। এনেদৰেই আৰম্ভ হোৱা জন্মোৎসৱটিয়ে ২০০৮ চনত ৰূপালী জয়ন্তী বৰ্ষ পাৰ কৰিলে। ডাঃ দীনেশ কাকতিৰ পৰা এইখিনি কথা জনাৰ পিছত পদ্মকান্ত দত্ত, খৰ্গেশ্বৰ শইকীয়া আৰু সুভদ্ৰা বালা কাকতিৰ (আটায়ে তেওঁলোকৰ ইংলেণ্ডৰ আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ গৈছিল) প্ৰতি মনটো শ্ৰদ্ধাত গদ্‌গদ হৈ উঠিল। শ্ৰীমতী ৰিণি কাকতি আৰু ডাঃ দীনেশ কাকতিৰো শলাগ ল'লোঁ। তেওঁলোকে আৰম্ভ কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱটিয়ে লণ্ডনত ৰূপালী জয়ন্তী বৰ্ষ সম্পন্ন কৰিলে। মই গৌৰৱান্বিত যে শঙ্কৰদেৱৰ লণ্ডনস্থ জন্মোৎসৱৰ

ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰাৰ সুযোগ পালোঁ। মোৰ প্ৰতি জনোৱা এই সন্মানৰ সম্পূৰ্ণ কৃতিত্ব ব্ৰেডফোৰ্ডত বসবাস কৰা অসমীয়া চিকিৎসক তথা সমাজসেৱক ডাঃ কৰুণা সাগৰ দাস, তেখেতৰ পত্নী অৰুন্ধতী (ৰুমী) দাস আৰু সংযুক্ত যুক্তৰাজ্য অসম সাহিত্য সভাৰ।

মই কাইলৈ অসমলৈ গুচি যাম বুলি জানি ডাঃ কৰুণা সাগৰ দাসৰ পাঞ্জাবী বন্ধু অপিন্দৰ, কাহেৰ গিল, পাকিস্তানী বন্ধু ছাগিৰ আদিয়ে মাত দিবলৈ আহিল। ছাগিৰে মোক টুপী এটা, সুগন্ধি এবটল আৰু কুৰি পাউণ্ড ধন উপহাৰ দিলে। মই ধনখিনি ল'বলৈ অস্বীকাৰ কৰাত ছাগিৰে ক'লে— "আলহী আহিলে আমি ধনেৰে সন্মান জনোৱাটো আমাৰ নিয়ম। বেয়া নেপাব। এইখিনি সন্মানসূচক উপহাৰহে।" ডাঃ কৰুণা সাগৰ দাসদেৱেও ক'লে— "লওঁক, নহ'লে বেয়া পাব। এয়া এওঁলোকৰ নিয়ম। বস্তু উপহাৰ দিয়াতকৈ তেওঁলোকে ধন উপহাৰ দি ভাল পায়।" উপায় নেপাই ল'লোঁ। কুৰি পাউণ্ড মানে এহেজাৰ আঠশ টকা। আমাৰ নব্বৈ টকাত তেওঁলোকৰ এক পাউণ্ড। ছাগিৰক মোৰ দিব লগা একোৱেই নাছিল। মোৰ লণ্ডন ভাষণৰ ইংৰাজী আৰু অসমীয়া ছপা গ্ৰন্থ (Why Sankaradeva Would Not Be The Greatest Man In The World?) আৰু অসমীয়া গামোচা এখন ছাগিৰক উপহাৰ দিলোঁ। বিদায় মুহূৰ্তত ছাগিৰে ক'লে, — "এইকেইদিন আপোনাৰ সৈতে কথা পাতি অনেক নতুন কথাই জানিলোঁ। ডাঃ কৰুণা সাগৰ দাস মোৰ বন্ধু। তেখেতক লগ পোৱাৰেপৰা মোৰ ধাৰণা হৈছে যে ভাৰতৰ অসম ৰাজ্যৰ অসমীয়াসকল বহল অন্তৰৰ, তেওঁলোকে ধৰ্ম আৰু জাত-পাতত গুৰুত্ব নিদিয়ে; তেওঁলোকে মানুহক ভাল পায় ধৰ্ম-বৰ্ণৰ ঊৰ্দ্ধৰ মানুহক। মই অসমৰ সেই উদাৰ মানুহবোৰৰ সান্নিধ্য পাবলৈ এবাৰ অসমলৈ যাম। তেতিয়া আপোনাকো লগ পাম।"

ছাগিৰক অসমলৈ আমন্ত্ৰণ জনাই বিদায় দিলোঁ। এইকেইদিন ইংলেণ্ড, স্কটলেণ্ড আদিত অনেক পাকিস্তানীক লগ পালোঁ। সেইসকলৰ ভিতৰত সবাতোকৈ ভাল লাগিল ছাগিৰক।

ৰাতি ১০.৩০ বাজিছে। পুৱা ৫ বজাতেই উৰাজাহাজ। অৰুন্ধতী বাইদেৱে ভাতখিনি খাবলৈ দি ক'লে,— "আজি সোনকালে শুৱক। কাইলৈ পুৱাতেই যাব লাগিব।" সেয়ে শুবলৈ বুলি ওপৰ মহলাৰ অতিথি কোঠালৈ যোৱাৰ প্ৰস্তুতি চলাই কলম সামৰি থ'লোঁ।

(ৰাতি ১১ বজা। ব্ৰেডফোৰ্ড।)

ইংলেণ্ডৰ ভূমিৰপৰা বিদায় লওঁতে হোৱা উপলব্ধি

৫ নৱেম্বৰ, ২০০৮ ঃ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰ, নতুন দিল্লীঃ আজি পুৱা ৩.৩০ বজাত সাৰ পাই গা-পা ধুই চাৰি বজাত এমুঠিমান ভাত খালোঁ। পুৱা ৫.৩০ বজাত বিমান। সেয়ে ব্ৰেডফোৰ্ডৰপৰা পঁচিছ কিলোমিটাৰ দূৰৰ লিডচলৈ বুলি পুৱা ৪.১৫ বজাত ডাঃ কৰুণা সাগৰ দাস আৰু অৰুন্ধতী বাইদেৱে গাড়ী চলালে। বাটত খাবলৈ বুলি কিছু খাদ্য-সামগ্ৰীও বেগত ভৰাই দিলে।

কিন্‌কিনীয়া বৰষুণ। বিমান বন্দৰত সোমালোঁ। শেষবাৰৰ বাবে চাই ল'লো ইংলেণ্ডৰ আকাশ। ডাৱৰীয়া বতৰ। ৫.৩০ বজাত ইণ্ডিগোৰ বিমানে উৰা মাৰিলে। এঘণ্টা পিছত নেডাৰলেণ্ডৰ আমষ্টাৰডাম বিমান বন্দৰ আহি পালোঁ। তাৰপৰা পুৱা ৯.৩০ বজাত নতুন দিল্লীৰ বিমান। সেয়ে আমষ্টাৰডামতেই প্ৰায় তিনিঘণ্টা অপেক্ষা কৰিব লগা হ'ল। ৰাতি ১১ বজাত নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰ আহি পালোঁ। আবকাৰী আৰু অন্যান্য বিভাগৰ তালাচীৰ মুখামুখি হৈ জিৰণি চ'ৰালৈ যাওঁতে ৰাতি ১২.৩০ বাজিল। সেই সময়ত হোটেললৈ যোৱাৰ সময় নাই। সেয়ে বিমান বন্দৰৰ জিৰণি চ'ৰাত বহি বহিয়েই ৰাতিটো কটালোঁ। ৰাতিৰ আহাৰ বিমানতেই খালোঁ। তৎসত্ত্বেও ভোক লাগিল। অৰুন্ধতী বাইদেৱে দিয়া খাদ্যখিনি খালোঁ। জিৰণি চ'ৰাত বিভিন্ন দেশৰ যাত্ৰী আছিল। দুই-চাৰিজনৰ সৈতে কথা পাতিলোঁ। কিমি নামৰ কোৰিয়ান ডেকাল'ৰা এজনৰ সৈতে চিনাকি হ'ল। তেওঁ দিল্লীলৈ ফুৰিবলৈ আহিছে। মোক লগ পাই বৰ ভাল পোৱা বুলি ক'লে।

এতিয়া ৰাতি ২.৩০ বাজিছে। নতুন দিল্লীৰ আন্তৰ্জাতিক বিমান বন্দৰৰ জিৰণি চ'ৰাত বহি আজিৰ দিনলিপি লিখি আছোঁ। ইতিমধ্যে ৰাতি বাৰটা বজাতেই ৫ নৱেম্বৰ পাৰ হৈ গ'ল। এতিয়া ৬ নৱেম্বৰ, ৰাতি (আগবেলা) আঢ়ৈটা বাজিছে। এই মুহূৰ্তত যুক্তৰাজ্যত পাৰ কৰা দিনকেইটাৰ প্ৰতিটো মুহূৰ্তৰ স্মৰণ কৰি আছোঁ। হঠাৎ মনত পৰিল যুক্তৰাজ্যলৈ যোৱাৰ আগতে

বিভাগীয় অনুমতি বিচাৰি অসম সচিবালয়ত হোৱা হাৰা-শাস্তিৰ কথা। আমি ইছলামধৰ্মী সমাজৰ সন্তান হিচাপে বিদেশত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ দিবলৈ আমন্ত্ৰণ পোৱাটো অসমৰ ৰাইজৰ বাবে এটা সুখবৰ আছিল। কিন্তু মই যি চৰকাৰী বিভাগত চাকৰি কৰো সেই বিভাগৰ দুই-চাৰিজন কৰ্মচাৰীৰ বাবে সেয়া আছিল দুঃখবৰ। তাৰে এগৰাকী কৰ্মচাৰীয়ে ইচ্ছা কৰিয়ে মোৰ ফাইলটো পাঁচদিনমান পেলাই থৈছিল দু-পইচাৰ আশাত। মই দু-পইচা পকেটত সুমুৱাই দি বা মেজৰ তলেৰে পেকেট দি কাম কৰা ব্যক্তি নহয়। সেইবাবে কৰ্মচাৰীগৰাকীক ক'লো, — "আমাৰ কাৰিকৰী শিক্ষা বিভাগৰ বাবে ই এক লজ্জাৰ কথা। মোৰ ফাইলটো পাঁচদিন ধৰি পৰি আছে কিয়? আজি ফাইলটো মুকলি নহ'লে মই মুখ্যমন্ত্ৰী বা মুখ্য সচিবলৈকে যাম।" কথাটো মই দায়িত্ববান উপ-সচিবকো ক'লোঁ। তেখেতে বুজি পালে আৰু তৎক্ষণাৎ ফাইলটো মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিলে। উপ-সচিবজন সম্পৰ্কে এজন কৰ্মচাৰীয়ে কোৱা আপত্তিজনক কথাটিও বিষয়াগৰাকীক ক'লোঁ। তেখেতে ক'লে,— "সচিবালয়ৰ একাংশ কৰ্মচাৰীৰ বাবেই আজি উচ্চপদস্থ বিষয়াসকলৰ বদনাম হৈছে। আপুনি চিন্তা নকৰিব, আজিয়েই ফাইলটো প্ৰধান সচিবৰ কাৰ্যালয়লৈ যাব।" উপ-সচিবে কোৱামতেই ফাইলটো ওপৰ মহলৰ এগৰাকী সচিবৰ কাৰ্যালয়লৈ গ'ল। তালৈ পিছদিনা গ'লো ফাইলৰ অগ্ৰগতিৰ খবৰ ল'বলৈ। দেখিলোঁ, পিছে পিছে এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। তাক ধন লাগে, তেতিয়াহে ফাইলটো সোনকালে মুকলি হ'ব। দিনটো তাৰ আচৰণ লক্ষ্য কৰি আবেলি সময়ত ধমকনি দিলোঁ। ক্ষন্তেক পিছতে গ'লো বিভাগীয় কৰ্মচাৰী এগৰাকীৰ ওচৰলৈ। ফাইলটোৰ অগ্ৰগতিৰ কথা সুধিলোঁ। আমি জনাত সেইগৰাকী দায়িত্ববান সচিবৰ কাৰ্যালয়ত ফাইল বৈ নাথাকে। কিন্তু সেই কাৰ্যালয়ৰেই এগৰাকী কৰ্মচাৰীয়ে ক'লে,— "আপুনি লণ্ডনলৈ যাব যেতিয়া আমাক পাৰ্টি দিব লাগিব।" মই ক'লোঁ— "হ'ব বাৰু, একেলগে চাহ-মিঠাই খাম।" কৰ্মচাৰী গৰাকীয়ে ক'লে,— "চাহ মিঠাই আমি নেখাওঁ। ভাল পাৰ্টি দিব লাগিব।" মই ক'লোঁ,— "হ'ব বাৰু। বিভাগীয় অনুমতি-পত্ৰ ওলালে এদিন আপোনালোক দুজনক মোৰ আবাসলৈ নি এসাঁজ ভাত খুৱাম।" কৰ্মচাৰীজনে বেপৰুৱাভাৱে ক'লে, — "আমি কাৰো ঘৰত ভাতৰ পাৰ্টি নেখাওঁ। আমাক বাৰত পাৰ্টি দিব লাগিব। আমি দামী ব্ৰাণ্ডি খাওঁ। টকা দিলেই হ'ব। সচিবালয়ৰপৰা যাওঁতে এ.চি. বাৰত বহি খাই যাম।"

কৰ্মচাৰীজনৰ ৰেপেৰুৱা মানসিকতা দেখি মই লজ্জিত হোৱাই নহয়, ঘৃণাত নাক কোঁচ খাই গ'ল। চৰম উত্তেজনা আৰু ক্ষোভত ঘামিবলৈ ধৰিলোঁ। এনে নিলাজ আৰু অনৈতিক চৰিত্ৰৰ কৰ্মচাৰীসকলক লৈয়েই আমি 'সোণৰ অসম' গঢ়িব খুজিছোঁ। প্ৰায় পাঁচ মিনিট সময় নিজকে নিয়ন্ত্ৰণ কৰি ভদ্ৰভাৱে ক'লোঁ, — "চাওঁক, মই ইঞ্জিনিয়াৰিঙৰ এগৰাকী প্ৰবক্তা। মোৰ বিভাগীয় বা ব্যক্তিগত লাভালাভৰ বাবে মই ইংলেণ্ডলৈ যাবলৈ বিভাগীয় অনুমতি বিচাৰি ইয়ালৈ অহা নাই। মই ইংলেণ্ডলৈ যাম অসমীয়া জাতিৰ প্ৰাণপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সম্পৰ্কে ভাষণ দিবলৈ। মোৰ ইংলেণ্ড যাত্ৰাটো জাতীয় অভিযানৰ অঙ্গ। এনেস্থলত মই আপোনালোকক ধনেৰে সন্তুষ্ট কৰি বিভাগীয় অনুমতি নলওঁ। যদিহে আপোনালোকক ধন আৰু মদেৰে সন্তুষ্ট নকৰিলে বিভাগীয় অনুমতি নেপাওঁ তেনেহ'লে তেনে অনুমতি মোক নালাগে।" মোৰ মুখৰ বজ্ৰকঠিন ভাষা শুনি বিভাগীয় প্ৰধান কৰ্মচাৰীজনে ক'লে,— "তেখেতে খুজিছে যেতিয়া কিবা এটা দি যাওঁক। এইবোৰতো আজিকালি নিয়ম।" এইবাৰ মই কিছু খঙেৰে ক'লোঁ, — "চাওঁক ডাঙৰীয়া, মই মেৰুদণ্ডহীন মানুহৰ নিয়মত চলা নাগৰিক নহয়। শঙ্কৰদেৱৰ সম্পৰ্কে ভাষণ দিবলৈ যাওঁতে প্ৰয়োজন হোৱা বিভাগীয় অনুমতিৰ বাবে মদ খাবলৈ ধন দিব লগা হোৱাটোও কোনো নিয়ম নহয়। শঙ্কৰদেৱৰ দৰ্শন আৰু চিন্তা-কৰ্মই মদ খোৱা, ঘোচ দিয়া লোৱা আদিৰ বিৰুদ্ধেহে কয়। মই লজ্জিত, চৰম লজ্জিত আপোনালোকৰ আচৰণত। আপোনালোকৰ এই কাৰ্যালয়লৈ মই বিভাগীয় অনুমতি বিচাৰি দুনাই নাহোঁ। আপোনালোক সম্পৰ্কে মোৰ ধাৰণা সলনি হ'ল।" এইবুলি কৈ মই ওলাই আহিব খোজোতে বিভাগীয় প্ৰধান কৰ্মচাৰীজনে ক'লে, — "আপুনি নাহিলেও হ'ব, আপোনাৰ ফাইলটো আবেলি উলিয়াই দিয়াৰ ব্যৱস্থা কৰিম।"

এনেদৰে অনেক তিক্ত অভিজ্ঞতাৰ সন্মুখীন হৈ বিভাগীয় অনুমতি, ভিছা আদি লৈ ইংলেণ্ডলৈ গৈছিলোঁ। এই মুহূৰ্ত্তত সেই তিক্ত অভিজ্ঞতাবোৰৰ কথা মনত পৰিছে। মই শপত লৈছোঁ, এবছৰলৈকে মই সচিবালয়লৈ কোনো কামৰ বাবেই নাযাওঁ।

সংযুক্ত যুক্তৰাজ্যৰপৰা বিদায় লওঁতে মোৰ যি অভিজ্ঞতা সঞ্চয় হৈছে তাৰ ভিত্তিত এইকেইটা কথা নতুন প্ৰজন্মলৈ বুলি লিপিবদ্ধ কৰি থ'ব খোজো। যথাঃ

(১) আমি য'তেই জন্ম গ্ৰহণ নকৰো কিয়, প্ৰথমতে আমি এজন ভাল আৰু সৎ নাগৰিক হ'বলৈ যত্ন কৰিব লাগিব।

(২) ইউৰোপৰ দেশসমূহ আগবাঢ়ি যোৱাৰ প্ৰধান কাৰণ হ'ল তেওঁলোকে সৎ নাগৰিক জন্ম দিব পাৰিছে। সৎ নাগৰিকে জানে দেশক কেনেদৰে ভাল পাব লাগে। আনহাতে অসৎ নাগৰিকে জানে দেশক কেনেদৰে লুণ্ঠন কৰিব লাগে। আমাৰ দেশত অসৎ নাগৰিকৰ সংখ্যাই বেছি। আনহাতে ইউৰোপৰ উন্নত দেশসমূহত সৎ নাগৰিকৰ সংখ্যা সৰহ। সেইবাবেই তেওঁলোক চহকী, তেওঁলোকৰ হাতত নিজৰ দেশখন সুৰক্ষিত।

(৩) দেশ আৰু জাতিক চহকী কৰিবলৈ হ'লে মন বহল কৰিব লাগিব। হীনমন্যতা আঁতৰাই দৃষ্টি প্ৰসাৰিত কৰিব লাগিব। দেশৰ স্বাৰ্থ আৰু নিজৰ স্বাৰ্থক একেধৰণে বিচাৰ কৰিব লাগিব।

(৪) চকী বা আৰামী কোঠাত বহি বিশ্ৰাম কৰিব নালাগে, চিন্তা আৰু কৰ্মৰ সফল ৰূপায়ণেৰেহে প্ৰকৃতাৰ্থত বিশ্ৰাম কৰিব পাৰি। তেনে বিশ্ৰামৰপৰা আত্মসন্তুষ্টি আহে, আত্ম-মনোবলো বাঢ়ে। সংযুক্ত যুক্তৰাজ্যৰ অভিজ্ঞতাই মোৰ আত্ম-মনোবল বঢ়াইছে।

(৫) আমাৰ দেশৰ মানুহবোৰে পৰনিন্দা আৰু পৰচৰ্চাতহে বেছিভাগ সময় নষ্ট কৰে; সেইখিনি সময় দেশ আৰু সমাজৰ কল্যাণকামী কামত ব্যৱহাৰ কৰিব পাৰিলে মানুহ ক্ৰমে মহত্ত্বৰ অধিকাৰী হয়।

(৬) নিজৰ উপৰি সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সময়ৰ গুৰুত্ব বৰ অপৰিসীম। সময়ৰ সদ্ব্যৱহাৰ কৰিব জানিলে অসহজ কামকো সহজ কৰি তুলিব পাৰি। জীৱনত সময়ৰ মূল্য কি সেই সম্পৰ্কে মই আগৰে পৰা সচেতন; কিন্তু এই সচেতনতা অধিক বৃদ্ধি কৰিলে মোৰ তিনিসপ্তাহজোৰা সংযুক্ত যুক্তৰাজ্য ভ্ৰমণে।

(৭) সদায় প্ৰশংসা বিচৰাটো হীনমন্যতাৰ পৰিচায়ক। নিন্দা আৰু দ্ৰোহিতাক ভৰিৰ তলৰ মাটি বুলি ধৰি লৈ তাক ভেটি হিচাপে ব্যৱহাৰ কৰি আগবাঢ়ি যাব পাৰিলে হীনমন্যতা দূৰ হয়। অন্যথা হীনমন্যতা এক ব্যাধিত পৰিণত হোৱাৰ সম্ভাৱনা থাকে।

(৮) জীৱনত আমি কিমান দীঘল, ওখ আৰু সুশোভন অট্টালিকা সাজিব পাৰো সেইটো ডাঙৰ কথা নহয়; ডাঙৰ কথা হ'ল আমি মানুহৰ হৃদয়ত স্থায়ী অট্টালিকা গঢ়িব পৰাটোহে। প্ৰেম, ভালপোৱা আৰু সৎ কৰ্মৰে তেনে অট্টালিকা গঢ়ি তুলিব পাৰি। ইটা আৰু চিমেণ্টৰ অট্টালিকা এদিন বিধ্বস্ত হ'ব; কিন্তু হৃদয়ৰ অট্টালিকা চিৰদিন অলংঘনীয় হৈ থাকিব।

(৯) কেৱল নিজৰ ঘৰ আৰু সমাজকেই আপোন বুলি ভাবিব নালাগে; আনৰ ঘৰ আৰু সমাজকো আপোন কৰি ল'বলৈ চেষ্টা কৰিব লাগে।

(১০) সম্ভৱ হ'লে দেশ ভ্ৰমণ কৰিব লাগে। দেশ ভ্ৰমণে মনৰ দিগন্তৰ বিস্তৃতি ঘটায়, সংকীৰ্ণতা দূৰ হয়, দৃষ্টিভঙ্গী বহল হয়।

(১১) যিসকলে নিজৰ জন্মভূমিক লুণ্ঠন কৰি ব্যক্তিগত ধনৰ পাহাৰ গঢ়ে তেওঁলোক হীন; পশুতকৈয়ো নীচ প্ৰকৃতিৰ।

(১২) কেৱল ধৰ্মীয় চিন্তাই মানুহক সংকীৰ্ণ কৰি তোলে; ধৰ্মৰ সৈতে যদিহে সংস্কৃতি আৰু সমাজ-চিন্তা জড়িত হৈ থাকে তেনেহ'লে তেনে ধৰ্মই মানুহৰ মন বহল আৰু কোমল কৰে। শঙ্কৰদেৱৰ ধৰ্ম-ব্যৱস্থাত তেনে সমল থকা দেখা যায়।

(১৩) শঙ্কৰদেৱ আমাৰ জাতীয় জীৱনৰ নায়ক; আদৰ্শ পুৰুষ, মহাপুৰুষ। তেনে মহান ব্যক্তিক যিসকলে নাজানে তেওঁলোক অসমীয়া বা অসমবাসী বুলি পৰিচয় দিয়াৰ যোগ্য নহয়। কাৰণ, শঙ্কৰদেৱৰ পৰিচয় অবিহনে অসমবাসীৰ পৰিচয় অসম্পূৰ্ণ।

(১৪) শঙ্কৰদেৱ-চৰ্চাই মোৰ মন অধিক বহল কৰিলে। লণ্ডনত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ প্ৰদান কৰি মই মানসিকভাৱে শক্তিশালী হ'লোঁ। ২০০৮ চনৰ ১৮ অক্টোবৰৰপৰা মোৰ শঙ্কৰদেৱ অভিযানক এক জাতীয়, আন্তঃৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক অভিযানৰ ৰূপ দিয়াৰ সংকল্প ল'লোঁ। মোৰ এই অভিযান হ'ব সমন্বয়ৰ, প্ৰগতিৰ, বিশ্বজনীনতাৰ, মানৱতাৰ আৰু নৈতিকতাৰ অভিযান।

(ৰাতি ৪ বজা। ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰ। নতুন দিল্লী)

অতিৰিক্ত সংযোজন ঃ

২০০৮ চনৰ ৬ নৱেম্বৰৰ পুৱা ৫ বজাত নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা টেক্সীৰে আহি পায় ৫.৫০ বজাত দিল্লীৰ ঘৰুৱা বিমান বন্দৰ পালোঁ। তাৰ পৰা ১২.৩০ বজাৰ বিমানেৰে আহি বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ পাওঁতে আবেলি তিনিটা বাজিল। বিমান বন্দৰত স্ত্ৰী ছাবেৰা বেগম, মা কানন বৰদলৈ, পাতি-লোৱা জী চুমি আদিয়ে আদৰিবলৈ ৰৈ আছিল। ঘৰ (আবাস) পাওঁতে আবেলি ৫.৩০ বাজিল। মই ইংলেণ্ডত থাকোতে সাংবাদিক গোলাপ মজুমদাৰে ফোন কৰি কৈছিল, — "আমি চাৰিখনমান গাড়ী আৰু বেনাৰ লৈ আপোনাক আদৰি আনিবলৈ যাম।" মই ধমকনি দি গোলাপক কৈছিলোঁ, — "কিহৰ বাবে মোক আদৰি নিব লাগে।" গোলাপে কৈছিল— "কিয়, শঙ্কৰদেৱ সম্পৰ্কে লণ্ডনত ভাষণ দি আপুনি যে আমাক চহকী কৰিলে?"

গোলাপ মজুমদাৰ মোৰ নিজৰ ভাতৃৰ দৰে। বৰপেটা জিলাৰ বালিকুৰিৰ সন্তান গোলাপ মজুমদাৰ গুৱাহাটীত থাকে। তেওঁৰ অনুভূতি বুজি পালোঁ যদিও অনুশাসনৰ সুৰত ক'লোঁ, — "মইতো কোনো ছাত্ৰনেতা বা যুৱনেতা নহয় যে দিল্লীৰ ৰাজনীতিবিদসকলৰ সৈতে অসম সম্পৰ্কে বৈঠকত অংশ গ্ৰহণ কৰি অহাৰ পিছত ডজনে ডজনে গাড়ীৰে আদৰিব লাগিব। প্ৰেমৰ সস্তীয়া হিন্দী গীত গাই আঠাইছ কোটি টকাৰ এছ.এম.এছেৰে জয়ী হৈ, বহুজাতিক নিগমৰ স্বাৰ্থ ৰক্ষা কৰি অসমলৈ বুলি ধনৰ ব্যৱসায় কৰিবলৈ আহোতে কোনোবা গায়কক বিমান বন্দৰৰ পৰা অৰ্ধ-শতাধিক গাড়ীৰে আদৰি অনাৰ দৰে মইতো সস্তীয়া মানসিকতাক প্ৰাধান্য দিয়া ব্যক্তি নহয়। মই লণ্ডনত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ দি অভিযানৰ আৰম্ভণিহে ঘটাইছোঁ। মোৰ মনত এইটো এটা সাধাৰণ কামহে। কৰিবলগা বহুত আছে, সম্বৰ্ধনা ল'বলৈ সময় নাই। মোৰ বাবে খৰচ কৰিবলগা ধন আৰু সময়খিনি গাঁৱৰ ৰাইজৰ বাবে কৰা। তোঁমালোকলৈ মোৰ সদ্ভাৱ সদায় থাকিব।" মোৰ কথাখিনি শুনি গোলাপ মজুমদাৰ নিশ্চুপ হৈ পৰিল।

আজি বিমান বন্দৰত গোলাপ মজুমদাৰক নেদেখিলোঁ। ঘৰ পাই তালৈ ফোন কৰোঁতে জানিব পাৰিলোঁ যে সি গাঁৱতেই আছে।

এক দীৰ্ঘ যাত্ৰাৰ অন্তত মই গুৱাহাটী আহি পালেও মহানগৰীৰ পৰিৱেশটো গোমা গোমা যেন ধাৰণা হ'ল। উপস্থিতি সেৰেঙা। খবৰ লৈ জানিব পাৰিলোঁ যে ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণে পৰিস্থিতি সলনি কৰিলে। মোৰ সংযুক্ত যুক্তৰাজ্য ভ্ৰমণৰ তিনিটা সপ্তাহৰ সেই অভিশপ্ত দিনটোৱেই আছিল সবাতোকৈ ক'লা দিন; বাকী দিনবোৰ আছিল উজ্জ্বল; অভিজ্ঞতাৰে ভৰা।

বেগবোৰ খোলোতে ৬.৩০ বাজিল। ব্ৰেডফোৰ্ডৰ পৰা ডাঃ কৰুণা সাগৰ দাস ককাইদেউৰ মাত, — "ভালে ভালে ঘৰ পালেগৈনে?" মই ক'লোঁ, — "আপোনালোকৰ সেউজীয়া স্মৃতি কঢ়িয়াই অনা হৃদয়ৰ মোনা খুলি এয়া পৰিয়ালৰ সৈতে বহি কথা পাতি আছোঁ। দাসদেৱে ক'লে, — "তেনেহ'লে জিৰণি লওঁক। পিছলৈ ফোনত কথা পাতিম।"

(গধূলি ৬.৪০ বজা। গুৱাহাটী। আবাস নং ৪০। এ.ই.আই.)

দ্বিতীয় খণ্ড

(পৰিশিষ্ট)

পৰিশিষ্ট (ক)

ইংলেণ্ডলৈ আমন্ত্ৰিত ইছমাইল হোছেইন

গুৱাহাটী, ১৪ অক্টোবৰ ঃ কবি, সাহিত্যিক, শংকৰী সংস্কৃতিৰ বিশ্লেষক ইছমাইল হোছেইন অসম সাহিত্য সভাৰ যুক্তৰাজ্য শাখা আৰু ইংলেণ্ডৰ প্ৰবাসী অসমীয়া সমাজৰ দ্বাৰা আমন্ত্ৰিত হৈছে। অহা ১৮ অক্টোবৰত লণ্ডনত অনুষ্ঠিত হ'ব লগা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱ আৰু আলোচনা সভাত তেওঁ মুখ্য অতিথিৰূপে 'শংকৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়?' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব। ইংলেণ্ডৰ ব্ৰেডফোৰ্ডত কৰ্মৰত বিশিষ্ট অসমীয়া চিকিৎসক, সংস্কৃতিপ্ৰাণ ব্যক্তি তথা 'লুইতৰ পৰা টেমচ্‌লৈ' শীৰ্ষক আলোচনীৰ পৰিচালন সম্পাদক ডাঃ কৰুণা সাগৰ দাসৰ বিশেষ উদ্যোগত হোছেইনে 'শংকৰদেৱ' সম্পৰ্কে ভাষণ প্ৰদান কৰাৰ উপৰি তিনি সপ্তাহৰ কাৰ্যসূচী লৈ ইংলেণ্ডৰ প্ৰবাসী অসমীয়া সমাজৰ অতীত আৰু বৰ্তমানৰ ঐতিহ্য আৰু গৌৰৱ-গাথা সম্পৰ্কে ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাব আৰু ইংলেণ্ডৰ যাদুঘৰ আৰু পুথিভঁৰাল- সমূহত সংৰক্ষিত হৈ থকা অসমীয়া সামগ্ৰী, বয়ন শিল্প, গ্ৰন্থ আদি সম্পৰ্কে বুজ লোৱাৰ উপৰি তথ্য সংগ্ৰহ কৰিব। বৰপেটা জিলাৰ কয়াকুছিৰ সন্তান তথা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ বিদ্যুৎ-পাৰমাণৱিক আৰু দূৰসংযোগ অভিযান্ত্ৰিক বিভাগৰ প্ৰবক্তা ইছমাইল হোছেইনে অসমৰ শত্যাধিক নামঘৰ, থান আৰু সত্ৰানুষ্ঠান ভ্ৰমণ কৰি অনেক গুৰুত্বপূৰ্ণ তথ্য উদ্‌ঘাটন কৰাৰ উপৰি 'গড়মূৰীয় সংগ্ৰামী সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ জীৱন আৰু দৰ্শন' (২০০৭), 'শ্ৰীমন্ত শংকৰদেৱ আৰু সমন্বয়ৰ ঐতিহ্য' (২০০৮) আদি গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰিও শঙ্কৰদেৱ সম্পৰ্কীয় চিন্তা, সংস্কৃতি আৰু সামাজিক সম্পৰ্কক চহকী কৰিছে। তদুপৰি হোছেইনে সত্ৰৰ ভাওনা সমাৰোহ, জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা আদিত শংকৰদেৱ সম্পৰ্কে শতাধিক বক্তৃতা প্ৰদান কৰাৰ উপৰি শংকৰদেৱৰ অংকীয়া নাট 'ৰামবিজয়', 'ৰুক্মিণী হৰণ', 'মহাভাৰতৰ উদ্যোগ-পৰ্ব' আদিত ভাও লৈ, ইছলামধৰ্মী শিল্পীৰ দ্বাৰা 'চান্দসাই ভাওনা দল' গঠন কৰি অসমীয়া ঐতিহ্য আৰু সংস্কৃতিৰ পৰিসৰ বৃদ্ধি আৰু সমৃদ্ধিশালী কৰিছে।

(অসমীয়া প্ৰতিদিন । ১৫ অক্টোবৰ, ২০০৮)

লণ্ডনত শংকৰদেৱৰ ৫৬০তম্ জন্মোৎসৱত ইছমাইল হোছেইনঃ শ্বেইক্সপীয়েৰতকৈ বহুগুণে শ্ৰেষ্ঠ শংকৰদেৱৰ নাট্যশৈলী

লণ্ডন-ব্ৰেডফোৰ্ড, ২১ অক্টোবৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱ যোৱা ১৮ অক্টোবৰত লণ্ডনৰ ছাউথ গে'টৰ ছেণ্ট এন্দ্ৰিউছ চাৰ্চ হলত অসম সাহিত্য সভাৰ যুক্তৰাজ্য শাখাৰ উদ্যোগত বৰ উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আয়োজিত দিনজোৰা অনুষ্ঠানত সংযুক্ত যুক্তৰাজ্যৰ ইংলেণ্ড, স্কটলেণ্ড, ৱেলছ আদি ৰাজ্যৰ পৰা অহা শতাধিক অসমীয়া পৰিয়াল গোট খাই ৰজনজনাই তোলে লণ্ডনৰ ছাউথ গে'টৰ ছেণ্ট এন্দ্ৰিউছ চাৰ্চ হল। যুক্তৰাজ্য শাখা অসম সাহিত্য সভাৰ আমন্ত্ৰণত আৰু ইংলেণ্ডৰ ব্ৰেডফোৰ্ডৰ বিশিষ্ট অসমীয়া চিকিৎসক তথা 'লুইতৰ পৰা টেমচ্‌লৈ' শীৰ্ষক দ্বিভাষিক আলোচনীৰ পৰিচালন সম্পাদক ডাঃ কৰুণা সাগৰ দাসৰ একক পৃষ্ঠপোষকতাত এই অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰি অসমৰ বিশিষ্ট কবি-সমালোচক, শংকৰী তথা বিহু সংস্কৃতিৰ গৱেষক ইছমাইল হোছেইনে অসমীয়া আৰু ইংৰাজী ভাষাত 'শংকৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়?' শীৰ্ষক ভাষণ দিয়ে। শংকৰদেৱক বিশ্বৰ এগৰাকী শ্ৰেষ্ঠ ধৰ্মগুৰু, সমাজগুৰু আৰু সংস্কৃতিগুৰু বুলি অভিহিত কৰি হোছেইনে তেওঁৰ সুদীৰ্ঘ ভাষণত কয় ঃ 'শংকৰদেৱক আমি জগতগুৰু বুলি এই কাৰণেই কওঁ যে তেৰাই ধৰ্ম আৰু নৈতিকতাৰ উপৰি জাতীয় সংস্কৃতি দি গৈছে; যিটো কাম বিশ্বৰ অন্য ধৰ্মগুৰুৰ ক্ষেত্ৰত পৰিলক্ষিত নহয়। তেৰাৰ বৰগীত, সত্ৰীয়া বা শংকৰী নৃত্য আৰু অংকীয়া ভাওনা অসমৰ সকলো ধৰ্ম-বৰ্ণৰ লোকৰ সংস্কৃতিত পৰিণত হোৱাটোৱেই শংকৰদেৱৰ শ্ৰেষ্ঠত্বৰ প্ৰমাণ।' হোছেইনে লণ্ডনৰ বুকুত শংকৰদেৱৰ নামত সাংস্কৃতিক কেন্দ্ৰ ভৱন নিৰ্মাণ কৰাৰ পোষকতা কৰি কয়,— 'মই বিশ্ববিশ্ৰুত নাট্যকাৰ শ্বেইক্সপীয়েৰৰ জন্মভূমিত থিয় হৈ কওঁ যে শংকৰদেৱে শ্বেইক্সপীয়েৰতকৈ এশ পোন্ধৰ বছৰ আগতে জন্ম গ্ৰহণ কৰি ছখন অংকীয়া নাটেৰে পৃথিৱীৰ নাট্য আন্দোলনৰ সূচনা কৰা সত্বেও অৱহেলিত হৈ থকাৰ একমাত্ৰ কাৰণ হ'ল আমাৰ হীনমন্যতা আৰু তেৰাৰ প্ৰতি আমাৰ অৱহেলা। মই বুকু ফুলাই ক'ব পাৰো যে শংকৰদেৱৰ নাটকৰ শৈলী শ্বেইক্সপীয়েৰৰ নাটকৰ শৈলীতকৈ আছিল বহুগুণে শ্ৰেষ্ঠ। শ্বেইক্সপীয়েৰ ইংলেণ্ডৰ ষ্ট্ৰেটফোৰ্ডত জন্ম গ্ৰহণ কৰা বাবে আজি বিশ্ববন্দিত; কিন্তু শংকৰদেৱ বিশ্বশ্ৰেষ্ঠ হৈও তেৰাৰ প্ৰচাৰ বিশ্বজুৰি নোহোৱাৰ কাৰণ হ'ল তেৰাই

অসমত জন্ম গ্ৰহণ কৰিছিল। সেইবাবে যুক্তৰাজ্যৰ অসমীয়াসকলে কেমব্ৰিজ, অক্সফোৰ্ড আদি বিশ্ববিদ্যালয়ৰ বৈষ্ণৱী আন্দোলন সম্পৰ্কীয় শাখা আৰু নাট্যকোষৰ জৰিয়তে বিদেশৰ লোকক শংকৰদেৱ সম্পৰ্কে গৱেষণাৰ সুযোগ দি গুৰুজনাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাত আগভাগ ল'ব লাগিব'।

যুক্তৰাজ্য অসম সাহিত্য সভাৰ সভাপতি গগন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত শংকৰদেৱৰ ৫৬০ বছৰীয়া জন্ম-জয়ন্তীৰ এই সভাত বিশিষ্ট অতিথিৰূপে অংশ গ্ৰহণ কৰি লণ্ডনৰ ছাউথ হলৰ সাংসদ ভীৰেন্দ্ৰ শৰ্মাই শংকৰদেৱক বিশ্ব-ভ্ৰাতৃত্বৰ প্ৰতিনিধিৰূপে অভিহিত কৰি কয়, — 'মই শংকৰদেৱ সম্পৰ্কীয় চিন্তা-চৰ্চাৰ বিকাশত ইংলেণ্ডৰ অসমীয়া সমাজক যৎপৰোনাস্তি সহায় কৰিম।' এই অনুষ্ঠানৰ প্ৰাৰম্ভণিত নাম-প্ৰসংগ আৰু প্ৰসাদ বিতৰণৰ পিচত সুৰভি লাহন, ধীৰা হাজৰিকা, জীৱন কুমাৰী বৰুৱা, মঞ্জিৰা চৌধুৰী, পুষ্পা হাজৰিকা, ডাঃ খগেশ্বৰ লাহন, গীতা চিকদাৰ, ডাঃ নীলমণি চিকদাৰ, বাবলি পাঠক, কমল হাজৰিকা, নিশা গোস্বামী, অনিৰ্বেদ বৰুৱা আদিয়ে গীত-মাতৰ অনুষ্ঠান পৰিবেশন কৰে। মুকলি আলোচনা সভাৰ প্ৰাৰম্ভণিতে মঞ্জিৰা চৌধুৰীয়ে সম্ভাষণী আৰু আদৰণী পৰ্বৰ আঁত ধৰাৰ পিচত সভাপতি গগন হাজৰিকাই লণ্ডনৰ ব্ৰিটিছ মিউজিয়াম আৰু এলবাৰ্ট মিউজিয়ামত সংৰক্ষিত হৈ থকা 'বৃন্দাবনী বস্ত্ৰ' সম্পৰ্কে এটি টোকা পাঠ কৰাৰ উপৰি বস্ত্ৰটিৰ ছায়া-চিত্ৰ প্ৰদৰ্শন কৰা হয়। হাজৰিকাই তেওঁৰ লিখিত ভাষণত কয় ঃ 'শংকৰদেৱ আছিল শান্তি আৰু সংহতিৰ দূত। মহাত্মা গান্ধীৰ বহু বছৰ আগতে তেওঁ বিশ্বত শান্তিৰ বাণী বিলাইছিল।'

'শংকৰগুৰু আমাৰে মাধৱগুৰু আমাৰে' শীৰ্ষক গীতৰ ধ্বনিৰে মুখৰিত হোৱা শংকৰদেৱৰ জন্মোৎসৱৰ সভাখনিৰ মাজেৰে যুক্তৰাজ্যবাসী অসমীয়া ৰাইজে অসমীয়া জাতিৰ এক নতুন দিগন্তৰ সূচনা হোৱা বুলি অনুভৱ কৰিছে। এই অনুষ্ঠানতেই সদ্যপ্ৰয়াত শিল্পী দিলীপ শৰ্মাৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনাই এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়।

(অসমীয়া প্ৰতিদিন । ২২ অক্টোবৰ, ২০০৮)

Sankardev's birth anniversary observed in London

GUWAHATI, Oct. 24 – Mahapurush Srimanta Sankardev's 560th birth anniversary was observed at St Andrew's Hall, Southgate, London on October 18 last.

After a *naam-prasanga* headed by Manjira Choudhury, Jivan S Barua, Pushpa Hazarika etc., the purpose of the function was explained by Manjira Choudhury, secretary of Asam Sahitya Sabha, UK branch. She also extended a special welcome to the noted poet, critic and scholar of Sankari literature and culture Ismail Hossain, who was invited by Sabha treasurer Dr. Karuna Sagar Das as the chief guest of the 560th birth anniversary celebration of Sankardev.

Hossain, in his speech on the topic 'Why Sankaradeva would not be the greatest man in the world', pointed out that the saint was the initiator of moral and alternative ways of life, torch-bearer of secularism and integration, great social scientist, protector of women's honour, builder of the golden bridges of universality who stirred up the souls of everyone, whose philosophy and thoughts influenced the jikirs of Azan peer and all people.

Hossain further said, "Long before Shakespeare, Sankardev introduced drama and dramatic performance in Assam; but his creations were not spread out abroad due to the negligence of our country men. He is the only religious teacher in the world who was able to create national culture besides creating Satriya dance, *'ankiya nat'* and composing *Borgeets*. Moreover, this noble *guru* had united us all with the help of culture. Therefore,

we have accepted him as the *guru* of our socio-cultural field inspite of our different religious identity." Hossain also appealed to establish Sankardev in the religious and socio-cultural fields of the universities of U. K. taking initiatives in research on Sankardev's philosophy and activities. He also requested the Assamese people of UK to make a plan to establish a socio-cultural centre in the name of Sankardev. Virendra Sharma, the member of parliament from Southall of London said in his speach, "Sankardev was the builder of universal brotherhood before five hundred years taking initiative to unite all classes of people on a common platform. We are also influenced by his creation and philosophical thoughts." Sharma also assured to help to establish Sankardev in the broad society of London.

The day-long programme started at 1 pm and come to end at 10 pm. The local artistes of Assamese society Surabhi Lohan, Manjira Choudhury, Dhira Hazarika, Puspa Hazarika, Gita Sikder, Babli Pathak, Kamal Hazarika, Dr. Khageswar Lahon, Dr. Nilamoni Sikdar, Anirved Barua, Nisha Goswami etc. also performed *Borgeet* and devotional songs. In the beginning of the meeting, Gagan Hazarika, the president of Asam Sahitya Sabha, UK branch explained about the *Vrindavani Vastra* with photographs. He told in his speech, "Sankardev's teachings and ideology are still relevant and could transform today's volatile world we live". This was stated in a press release.

(The Assam Tribune, 25th October, 2008)

লণ্ডনত জিলিকিল তিনিগৰাকী অসমীয়া

সুদীৰ্ঘ বত্ৰিছ বছৰ ধৰি আমি ইংলেণ্ডৰ ব্ৰেড্‌ফোৰ্ডত বসবাস কৰি আছোঁ। এই বত্ৰিছ বছৰে আমি সংযুক্ত যুক্তৰাজ্য (ইউ কে) ৰ ইংলেণ্ড, স্কটলেণ্ড, ৱেলচ্, আয়াৰলেণ্ড আদিৰ বিভিন্ন ঠাইত ৰঙালী বিহু, ভোগালী বিহু, শংকৰদেৱৰ জন্মোৎসৱ, জ্যোতি দিৱস, বিষ্ণু ৰাভা দিৱস আদি অনুষ্ঠিত কৰি অসমীয়া ঐতিহ্যক বিদেশৰ সমাজত তুলি ধৰি আহিছোঁ। এই অনুষ্ঠানবোৰলৈ বিভিন্ন সময়ত ড° ভূপেন হাজৰিকা, ড° নগেন শইকীয়া, দিলীপ শৰ্মা, সুদক্ষিণা শৰ্মা, ড° লক্ষহীৰা দাস, ড° ধ্ৰুৱজ্যোতি বৰা, শাৰদী শইকীয়া, দীনেশ দাস, ইন্দিৰা পি পি বৰা, মেনকা পি পি বৰা, ৰমেন চৌধুৰী আদি কৃতী অসমীয়াই অতিথিৰূপেও অংশ গ্ৰহণ কৰিছে।

এইবেলি আমাৰ যুক্তৰাজ্যৰ অসমীয়াসকলৰ বাবে অক্টোবৰ মাহটো আছিল অতি গুৰুত্বপূৰ্ণ সময়। এই মাহটোতেই যুক্তৰাজ্যৰ প্ৰকৃতিয়ে বৰণ সলাই ন-ৰূপ ধৰে। সুদীৰ্ঘ ৭৪ বছৰ পাছত এই মাহৰেই যোৱা ২৯ তাৰিখে লণ্ডনত বৰফ পৰিছে। প্ৰকৃতিৰ গছ-গছনি আৰু বৰফৰ দৰেই এই মাহটোতে তৰুণ প্ৰজন্মৰ তিনিগৰাকী অসমীয়াই লণ্ডনৰ বুকুত উজলাই তুলিলে অসমীয়া ভাষা, সংস্কৃতি, সাহিত্য আৰু বোলছবিৰ ঐতিহ্য। ইয়াৰে প্ৰথম গৰাকী অসমীয়া হ'ল— অসমৰ বৰপেটা জিলাৰ কয়াকুছিৰ সন্তান, কবি-সাহিত্যিক তথা অসম ইঞ্জিনিয়াৰিং ইন্‌ষ্টিটিউটৰ অধ্যাপক ইছমাইল হোছেইন। তিৰাল্লিছ বছৰীয়া এইগৰাকী কবি-সাহিত্যিক তথা শংকৰী সংস্কৃতিৰ গৱেষক ইছমাইল হোছেইনক এইবেলি আমি যুক্তৰাজ্য শাখা অসম সাহিত্য সভাৰ উদ্যোগত আৰু আমাৰ পৃষ্ঠপোষকতাত শংকৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে আমন্ত্ৰণ কৰি আনিছিলোঁ। যোৱা ১৮ অক্টোবৰত লণ্ডনৰ ছাউথ গে'টৰ ছেন্ট এন্দ্ৰিউছ হলত ধুতী, পাঞ্জাবী, চেলেং চাদৰ আৰু গামোচা পিন্ধি হোছেইনে যেতিয়া এঘণ্টাৰো অধিক সময় শংকৰদেৱ আৰু অসমীয়া সংস্কৃতি সম্পৰ্কে ভাষণ প্ৰদান কৰিছিল, তেতিয়া সভাকক্ষৰ শ্ৰোতাৰ মাজত লক্ষ্য কৰিছিলো নতুন চেতনাৰ উন্মেষ। হোছেইনৰ 'শংকৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়' শীৰ্ষক ইংৰাজী আৰু অসমীয়া ভাষাৰ অতিকৈ গুৰুত্বপূৰ্ণ ভাষণটো শেষ হোৱাৰ লগে লগে প্ৰেক্ষাগৃহ ভৰ্তি শ্ৰোতাই থিয় হৈ হাত-চাপৰি আৰু আলিংগন তথা মৰমৰ চুম্বনেৰে হোছেইনক যিদৰে সন্মান জনাইছিল, তেনে দৃশ্য লণ্ডনতেই নহয় অসমৰ বুকুতো বিৰল।

শংকৰদেৱক বুজিবলৈ সেই ছপা ভাষণটো এটা গুৰুত্বপূৰ্ণ সম্পদৰূপে বিবেচিত হ'ব। হোছেইনে ভাষণ দিওঁতে শ্ৰোতাৰ যি নীৰৱতা আৰু মন্ত্ৰমুগ্ধ দৃশ্য দেখিছিলোঁ, তেনে দৃশ্য যুক্তৰাজ্যৰ অসমীয়া সমাজৰ সভা-সমিতিত বিৰল।

তৰুণ প্ৰজন্মৰ আন এগৰাকী অসমীয়া গাভৰু মেনকা পি পি বৰাৰ সত্ৰীয়া নৃত্যৰ এটা অনুষ্ঠান যোৱা ২৩ অক্টোবৰত লণ্ডনৰ নেশ্যনেল পট্ৰেইট গেলাৰীত অনুষ্ঠিত হৈছিল। সেই অনুষ্ঠানত বত্ৰিছ বছৰীয়া মেনকাই সত্ৰীয়া নৃত্য পৰিৱেশন কৰাৰ উপৰি মুখাশিল্প, নামঘৰ, সত্ৰ আদিৰ গঠন প্ৰণালী আৰু সামাজিক ভূমিকা সম্পৰ্কেও ইংৰাজী ভাষাত স্লাইডসহ ব্যাখ্যা আগবঢ়াইছিল। শংকৰদেৱ আৰু মাধৱদেৱৰ কৃতিত্ব সম্পৰ্কেও তেওঁ অনা-অসমীয়া শ্ৰোতাক মনোগ্ৰাহীকৈ বুজাই দিছিল।

মেনকাৰ এই অনুষ্ঠানৰ দুদিন পাছতেই, অৰ্থাৎ যোৱা ২৫ অক্টোবৰত লণ্ডন বিশ্ববিদ্যালয়ৰ গ'ল্ডস্মিথ কলেজত অনুষ্ঠিত লণ্ডন ফিল্ম ফেষ্টিভেলৰ এক আন্তৰ্জাতিক কাৰ্যসূচীত অসমীয়া আৰু ভাৰতীয় বোলছবি সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ দিছিল কবি-সাংবাদিক মনোজ বৰপূজাৰীয়ে। সেই ভাষণে শ্ৰোতা-দৰ্শকৰ দৃষ্টি বিশেষভাৱে আকৰ্ষণ কৰিছে বুলি আমি জানিব পাৰিছোঁ।

মাত্ৰ এসপ্তাহৰ ভিতৰতে (১৮ অক্টোবৰৰ পৰা ২৫ অক্টোবৰলৈকে) তৰুণ প্ৰজন্মৰ তিনিগৰাকী অসমীয়া ডেকা-গাভৰুৱে লণ্ডনৰ বুকুত অসমীয়া আৰু অনা-অসমীয়া শ্ৰোতা, দৰ্শক, গৱেষক, শিল্পী, সমাজকৰ্মী, ৰাজনীতিবিদ, শিক্ষাবিদ, চিকিৎসক, অভিযন্তা, সাহিত্যিক আদিৰ মাজত অসমীয়া ভাষা, সংস্কৃতি, শিল্পকলা, বোলছবি, সত্ৰীয়া সংস্কৃতি, শংকৰদেৱ, মাধৱদেৱ, জনজাতীয় সংস্কৃতি আদি সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ দি অসমীয়া জাতিক বিদেশৰ বুকুত মহীয়ান কৰি তোলাটো এটা উল্লেখযোগ্য নিদৰ্শন। আমি যুক্তৰাজ্যবাসী অসমীয়াই এই তিনিগৰাকী তৰুণ অসমীয়াক আমাৰ হৃদয়ভৰা শুভেচ্ছা আৰু কৃতজ্ঞতা জনালোঁ।

ডাঃ কৰুণা সাগৰ দাস

ব্ৰেড্‌ফৰ্ড, ইংলেণ্ড।

(দৈনিক জনমভূমি । ১০ নৱেম্বৰ, ২০০৮)

পৰিশিষ্ট (খ) ঃ কবিতা

লণ্ডনত শঙ্কৰদেৱৰ মাত

১৮ অক্টোবৰ ২০০৮, ১ কাতি ৫৬০ শঙ্কৰাব্দ, শনিবাৰ;
ছেইণ্ট এন্দ্ৰিউছ চাৰ্চ হল, ছেজ ছাইড, ছাউথ গে'ট, লণ্ডন ঃ
সেয়াই আছিল আমাৰ দিনটোৰ প্ৰাৰ্থনাৰ ঠাই আৰু সমূহীয়া ঠিকনা।

লণ্ডন নগৰীখন সেইদিনা অধিক ধুনীয়া হৈ উঠিছিল, গছে-পাতে সলাইছিল বৰণ; আমিও বৰণীয়া হৈ সালসলনি কৰিছিলো পৰস্পৰৰ হৃদয় আৰু মন।

তেওঁলোক আহিল আমিও আহিলো আৰু একেলগ হ'লোঁ; টেমচৰ পাৰত বহি সমস্বৰে জুৰিলোঁ লুইতৰ গীত ঃ 'এৰি থৈ আহিলোঁ নিজৰ ঘৰেখনি এৰি থৈ আহিলোঁ গাঁও, দিহিঙে-দিপাঙে বিচাৰি ফুৰিছোঁ কিজানি আপোনক পাওঁ'।

তেনেতে এটা আপোন মাত ভাঁহি আহিল ক'ৰবাৰ পৰা। লুইতখন ওচৰত নাই, বৰপেটা মাজুলী বৰদোৱাও বহুদূৰ; নাই নামঘৰ থান আৰু সত্ৰৰ সুৰ মন্দাকিনী। তথাপিওচোন ছেইণ্ট এন্দ্ৰিউজ চাৰ্চ হলত শুনিছোঁ লুইত আৰু টেমচ্‌ৰ বুকু বাগৰি অহা আপোন মাত, বৰগীতৰ অমিয়া সুৰ—'মন মেৰি ৰাম চৰণহি লাগু,
তত্ৰিঞ দেখনা অন্তকু আগু...........'।

মাতটো শুনি লণ্ডনৰ বুকুত সম্ভাষণৰ বৰষুণ, সুৰৰ প্ৰতিধ্বনি;
নিজান দুপৰীয়াটোত থমকি ৰ'ল ব্যস্ত নগৰী, বৈ গ'ল বাটৰুৱা। আৰু মুহূৰ্ততে টেমচখন সাতোৰঙী হৈ উজাই আহিল আমাৰ বুকুৰ ভিতৰলৈ।

তেনেতে গীৰ্জাৰপৰা ওলাই আহিল যীচু; কোনোবাই চিঞৰি উঠিলঃ ইমান ধুনীয়া ইমান ধুনীয়া এই মাত; বিচাৰি যাওঁ বিচাৰি যাওঁ ব'লা হৃদয় ধুনীয়া কৰা এই যাদুকৰী মাতটি ওলাই অহা বাট।

মছজিদৰ দুৱাৰ খুলি মাতটোৰ সন্ধানত ওলাই আহিল হজৰত ৰছুল ঃ
ক'ৰপৰা আহিছেনো আজানৰ দৰে এই শুৱলা সুৰীয়া মাত?
মাতটো শুনি বুদ্ধয়ো চিঞৰি উঠিল ঃ 'সত্যধৰ্মং সমাশ্ৰিত্য যৎকৰ্ম
কুৰুতে নৰঃ, তদেৱ সুফলং কৰ্ম সত্যং জানীতি সুব্ৰতে'।
অৰ্থাৎ, সত্যক আশ্ৰয় কৰি কৰা কৰ্ম নিঃসন্দেহে সফল।

তেনেতে ছেইণ্ট এন্দ্ৰিউজ হলত বাজি উঠিল খোল-তাল মেদিনী কঁপাই।
ব্ৰিটিছ যাদুঘৰৰ পৰা ওলাই আহিল ভূটীয়াৰ দামোদৰ, হাতত ভোৰতাল;
বৃন্দাবনী বস্ত্ৰৰ টুকুৰাটি কান্ধত লৈ ভিক্টোৰিয়া আৰু এলবাৰ্ট যাদুঘৰৰ পৰা
আহি এন্দ্ৰিউজ হলত বহিলহি গোপাল তাঁতী; পিছে পিছে চান্দসাই, জয়হৰি,
নাৰায়ণদাস ঠাকুৰ, পৰমানন্দ, গোবিন্দ আৰু বহুতো। দৃশ্যটো দেখি চিঞৰি
উঠিল কৰুণা সাগৰঃ ইছমাইল, চোৱা চোৱা, লণ্ডনত যে ইমানবোৰ
চিনাকি মানুহ, আপোন মানুহ! শঙ্কৰগুৰুও আছে নেকি ইয়াত!!

লণ্ডনৰ মনোৰম দুপৰীয়াটো গৈ গৈ গভীৰ নিশা; আকৌ পোহৰ, ধলপুৱা।
সাৰ পাই উঠিছে বাকিংহাম পেলেচ, পিকাডিলী চাৰ্কাচ, মেডাম টুচুডচ্,
ট্ৰেফেলগাৰ স্কোৱাৰ, বিগ বেন এণ্ড পাৰ্লিয়ামেণ্ট আৰু লণ্ডন টাৱাৰ।
সকলোতে মাতটো বগাই ফুৰিছে; টেমচ্ হৈ ভাঁহি আহিছে প্ৰভাতী সুৰঃ
'তেজৰে কমলাপতি পৰভাত নিন্দ,
তেৰি চান্দ মুখ পেখো উঠৰে গোবিন্দ ....।'

কবিতাটিৰ ৰচনাকাল ঃ ১৯ অক্টোবৰ, ২০০৮। ব্ৰেডফোৰ্ড, ইংলেণ্ড।
পুনৰীক্ষণ আৰু লিপিকৰণ ঃ ৯ জুলাই, ২০০৯। গুৱাহাটী।

ষ্ট্ৰেটফোৰ্ডত শ্বেইক্সপীয়েৰৰ সৈতে মুখামুখি

১৯ অক্টোবৰ ২০০৮ দেওবাৰ, ষ্ট্ৰেটফোৰ্ড আপন দ্য এভন, ইংলেণ্ডঃ
এটি উবলি যোৱা পুৰণি গৃহৰ সন্মুখত বৈ আছিল উইলিয়াম শ্বেইক্সপীয়েৰ।

বিখ্যাত নাট্যকাৰজনে দেখা পাই সম্ভাষণ জনাই সুধিলে আমাকঃ
ক'ৰপৰা আহিছে আপোনালোক? আহক, আমাৰ গৃহত বহক।

আমি নমস্কাৰ জনাই ক'লোঃ শঙ্কৰদেৱৰ নাম শুনিছেনে আপুনি?
আমি তেওঁৰ দেশৰপৰাই আহিছো আপোনাক চাবলৈ।

তেনেতে উচপ্ খাই ক'লে শ্বেইক্সপীয়েৰেঃ শঙ্কৰদেৱ, অ' গড্!
সেই মহান নাট্যকাৰজন, মই তেখেতৰ নাম শুনিছো বহুবাৰ;
নমস্কাৰ জনাওঁ, নমস্কাৰ জনাওঁ তেখেতক শত-কোটিবাৰ।

শ্বেইক্সপীয়েৰৰ কথা শুনি শ্ৰদ্ধাত মূৰ দোঁ খাই গ'ল আমাৰ;
আমি সুধিলোঃ কওঁকচোন কওঁক, তেখেত কেনেকৈ চিনাকি আপোনাৰ?

তেনেতে শ্বেইক্সপীয়েৰে দুপিয়লা চাহেৰে আদৰি আমাক ক'লেঃ
ছপাশালৰ জন্ম নৌহওঁতেই শঙ্কৰদেৱে সাঁচিপাতত লিখিছিল ভাগৱত,
মোৰ জন্মৰ এশ পোন্ধৰ বছৰ আগতেই লিখিছিল ছখন অংকীয়া নাট;
তেখেতৰ সেই যে নাট্যশৈলী, মোৰ বাবেতো সেয়া বহু যোজন বাট।

নক'ব নক'ব শ্বেইক্সপীয়েৰ, আপোনাৰ হেমলেটে উচুপি উঠিব; চাওঁক,
আপোনাৰ মুখত শঙ্কৰদেৱৰ নাম শুনি উচুপি উঠিছো আমি।

কি ক'লে? যাৰ কণ্ঠত ধ্বনিত হৈছিল 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম,

সবাকো জানিয়া পৰি কৰিবা প্ৰণাম' - সেইজনৰ দেশৰ মানুহে নাজানে
শঙ্কৰদেৱৰ নাম? ৰামৰ দেশৰ মানুহৰ ই নহয়নে বদনাম?

বেলি লহিয়াইছিল; শ্বেইক্সপীয়েৰৰ কথা শুনি ৰ'দে বাখৰসনা
আপেল গছজোপালৈ চালো। নিউটন বহি আছে তলত;
দলিয়াই দিয়া আপেলটি মাটিত নপৰি পৰিলেহি মোৰ হাতত।

আপেলটো খাব খোজোতে নিউটনে ঘোপাকৈ চাই আছিল আমালৈ;
আমি তলমূৰ কৰি আছিলো বহু সময়। তেনেতে শ্বেইক্সপীয়েৰে
কলম এটা উপহাৰ দি ক'লেঃ দুঃখ কৰি লাভ নাই, লিখা — এই বহীখনত
তোমাৰ নাম ঠিকনা আৰু মনৰ কথা লিখা। কলমটো হাতত লৈ লিখিলোঃ
"ইছমাইল হোছেইন, অসম। ধন্যবাদ শ্বেইক্সপীয়েৰ, আপুনি সৌভাগ্যবান;
জীৱিত কালতেই বুটলিছে ব্ৰিটিছসকলৰ সন্মান। আমি দুৰ্ভগীয়া, কাৰণ
শঙ্কৰদেৱ যে জন্মিছিল অসমত; সেয়ে দেশবাসীয়ে নাজানে তেওঁৰ নাম।"

মন্তব্যটি পঢ়ি শ্বেইক্সপীয়েৰ নিশ্চুপ হৈ ৰ'ল; আন এটি সূত্ৰৰ সন্ধানত
আপেলজোপালৈ চালে নিউটন। 'আহোহে' বুলি বিদায় মাগিলো আমি;
ক্ৰমাৎ এন্ধাৰে আগুৰি ধৰিলে ষ্ট্ৰেটফোৰ্ড আপন দ্য এভন।

ৰচনাকাল ঃ ১৯ অক্টোবৰ, ২০০৮। ব্ৰেডফোৰ্ড। ৰাতি ১২.২৫ বজা।
পুনঃ লিপিকৰণ ঃ ১৩ জুলাই, ২০০৯। গুৱাহাটী।

ব্ৰিটিছ যাদুঘৰত গোপাল তাঁতীৰে কথোপকথন

৩০ অক্টোবৰ ২০০৮, বিয়লি বেলা, বৃহস্পতিবাৰ, লণ্ডনঃ
সাত বৈকুণ্ঠৰ পট চাই চাই ব্ৰিটিছ যাদুঘৰত
মই করুণাসাগৰ আৰু ৰিচাৰ্ড ব্লাৰটন।

তেনেতে দেখা পালোঁ গোপাল তাঁতীক; নমস্কাৰ জনাই সুধিলোঁঃ
বাপ, বহু বছৰ দেখা নাই আপোনাক; কেনে আছে বাৰু আপুনি?

সচকিত হৈ তাঁতী বাপে ক'লে ঃ ভালেই আছোঁ গুৰুজনাৰ কৃপাত;
কোন বাৰু আপোনাসৱ, ইমানকৈ চিনাকি চিনাকি মাত!

আমাৰ পৰিচয় দি ক'লোঁ ঃ অসমৰপৰা আহিছোঁ, বৰপেটা সত্ৰৰ নিচেই
ওচৰত আমাৰ ঘৰ; গুৰুজনাৰ সন্ধানত এয়া ব্ৰিটিছ যাদুঘৰত।

পৰিচয় পাই গোপাল তাঁতীৰ আনন্দ-উল্লাস ঃ কেনে আছে বাৰু
বৰপেটাৰ বাপ-বান্ধৱসকল; কেনে আছে সত্ৰখন? চান্দসাই
জয়হৰি গোবিন্দ পৰমানন্দসৱে আবেলিপৰত বহেনে তাত?
আৰু আমাৰ মৰমৰ আইসৱ-আজিও কৰেনে কীৰ্তন সত্ৰৰ ভিতৰত?

তাঁতী বাপৰ প্ৰশ্ন শুনি মোৰ বুকুত যন্ত্ৰণাৰ অগ্নি। বেজাৰ মনেৰে ক'লোঃ
নাই, বহুদিন দেখা নাই চান্দসাই জয়হৰি আৰু আইসৱক সত্ৰৰ বাকৰিত।
সেই যে ই টি ডেল্টন আৰু মাইকেল কেন— তেওঁলোকে জোতা পিন্ধি
প্ৰৱেশ কৰাৰে পৰাই সত্ৰলৈ অহা নাই জয়হৰি আৰু চান্দসাই।

কথাবাৰ শুনি উচুপি উঠিল গোপাল তাঁতী ঃ হৰি হৰি কি কথা শুনিলো
কি কথা জানিলো এই বয়সত; আমি বাৰু পাহৰিলো নেকি গুৰুজনাৰ বচনঃ

'গাৰো ভোট যৱনে হৰিৰ নাম লয়,
হেনয় হৰিৰ নাম সজ্জনে নিন্দয়!'

ক্ষন্তেকৰ বাবে আমি নিমাত হৈ পৰিলো। কৰুণা সাগৰে ক'লেঃ নক'ব নক'ব, ব্লাৰটনে বুজি পাব! আমালৈ চাই ব্লাৰটনে ক'লেঃ ৰিলা', ৰিলা'। সকলো বুজি পাইছো তোমালোকৰ মুখলৈ চাই; হ'ব হ'ব, আহা—কফিবাৰত বহো, কথাবোৰ ভাৱি দুঃখ কৰি লাভ নাই।

নগাভনীয়ে উপহাৰ দিয়া মোনাটোত আছিল এখন পাটৰ চেলেং চাদৰ, গুটিফুলৰ গামোচা, মিচিং কনেঙে দিয়া মিবু গালোক আৰু দুমেৰ, বড়ো চিখ্‌লাই দিয়া আৰ্‌নাই, কাৰ্বি নায়চুৱে দিয়া পহ', দেউৰীৰ বচে, ৰাভাৰ পাচাৰ, তিৱাৰ ক্ৰাম্‌চা, ডিমাচাৰ ৰিচা আৰু গাঁৱৰ ভনীহঁতে বৈ দিয়া ৰেচমৰ ৰুমাল। ব্লাৰটনক দেখুৱাই ক'লোঃ বৃন্দাবনী বস্ত্ৰৰ স'তে বৰণীয়া এই বস্ত্ৰবোৰ থাকক বুলি ব্ৰিটিছ যাদুঘৰত, লৈ আহিছোঁ অসমৰপৰা বৰণ সলোৱা লণ্ডনৰ এই হিমপৰা অক্টোবৰত।

ব্লাৰটনে আগ্ৰহেৰে হাত মেলোতে তেওঁৰ হাতত বস্ত্ৰখিনি তুলি দিবলৈ মেলিলোঁ আমাৰ হাত। তেনেতে এক প্ৰচণ্ড বিস্ফোৰণ, তেজৰ চিটিকনি আৰু পোৰা মঙহৰ টুকুৰা আহি পৰিলহি আমাৰ গাত! চাৰিওফালে ধুঁৱলি-কুঁৱলী, লুইতৰপৰা টেমচ্‌লৈ ভাঁহি আহিছে আৰ্তজনৰ কৰুণ মাত।

দৃশ্যটো দেখি উচুপি উঠিল গোপাল তাঁতী; হতবাক হতবাক! চকুলো মচি মচি তেওঁ সোমাই পৰিল বৃন্দাবনী বস্ত্ৰৰ কোঠাত। কি আচৰিত, যাদুঘৰত সাক্ষী হৈ থকা ইজিপ্ত বেবিলন সিন্ধু চেমেটিক আদি সভ্যতাৰ স্মাৰকৰ উচুপনিত ম্ৰিয়মাণ হৈ পৰিছে পৰ্যটক! আমাৰ হাতত বস্ত্ৰবোৰ নাই, আছে তেজ; দুটোপাল চকুলো পেলাই এৰি থৈ আহিলোঁ ব্ৰিটিছ যাদুঘৰ।

ৰচনাকাল ঃ ৩০ অক্টোবৰ, ২০০৮। ৰাতি ১২.৩০ বজা। লণ্ডন।

পুনঃ লিপিকৰণ ঃ ১৬ জুলাই, ২০০৯। গুৱাহাটী।

শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়?

(শ্ৰীমন্ত শঙ্কৰদেৱ সম্পৰ্কীয় লণ্ডন ভাষণ)

১৮ অক্টোবৰ, ২০০৮ চন। লণ্ডন, ইংলেণ্ড

১ কাতি, ৫৬০ শঙ্কৰাব্দ

সূচনা

মাননীয় সভাপতি, সম্মানীয় অতিথিসকল, যুক্তৰাজ্যৰ প্ৰবাসী ভাৰতীয় সমাজ, উদ্যোক্তাসকল আৰু লণ্ডনবাসী ৰাইজ।

আপোনালোক সদৌটিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই আৰু জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি দু-আষাৰ কোৱাৰ মানসেৰে আপোনালোকৰ আগত থিয় হৈছোঁ। আমাৰ দৰে এগৰাকী অতি সাধাৰণ অসমীয়াক সুদূৰ অসমৰ পৰা ইংলেণ্ডলৈ 'মুখ্য অতিথি' হিচাপে আমন্ত্ৰণ কৰি আনি এগৰাকী অসাধাৰণ মহাপুৰুষৰ জীৱন-কৰ্ম আৰু অৱদান সম্পৰ্কে আজিৰ লণ্ডনৰ ৫৬০তম জন্মোৎসৱৰ এই গুৰুত্বপূৰ্ণ আলোচনা সভাত দু-আষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে অসম সাহিত্য সভাৰ যুক্তৰাজ্য শাখা আৰু আপোনালোকৰ ওচৰত চিৰঋণী হৈ ৰ'লোঁ। ব্ৰেডফোৰ্ড নিবাসী ডাঃ কৰুণা সাগৰ দাসদেৱে মোৰ পৃষ্ঠপোষকতা কৰি মুঠ তিনি সপ্তাহৰ যুক্তৰাজ্য যাত্ৰাৰ সম্পূৰ্ণ খৰচ বহন কৰা বাবে তেখেতৰ ওচৰতো মই বিশেষভাৱে কৃতজ্ঞ হৈ ৰ'লোঁ। আপোনালোকে দিয়া এই সুযোগে মোৰ চিন্তাৰ দিগন্ত বিস্তৃত কৰাত অৰিহণা যোগাব, অসমীয়া সমাজ আৰু সংস্কৃতিৰ ন-ন দিশ উন্মোচন কৰাত সহায় কৰিব।

আজি আপোনালোকৰ আগত এনে এগৰাকী জগতগুৰু সম্পৰ্কে আলোচনা কৰিবলৈ ওলাইছোঁ যাৰ তুলনা আধুনিক যুগত খুউব কম মানুহৰ সৈতেহে হয়। এইগৰাকী মহাপুৰুষে পোন্ধৰ-ষোল্ল শতিকাৰ অসমত ধৰ্ম আৰু সংস্কৃতিৰ মাজেৰে যি এক বিপ্লৱৰ সূচনা কৰিছিল তেনে বিপ্লৱ সম্ভৱতঃ আন কোনো ধৰ্মগুৰুৱেই অন্য কোনো দেশত আৰম্ভ কৰিব পৰা নাছিল। সেয়ে এইগৰাকী এগৰাকী ধৰ্মগুৰু হোৱাৰ উপৰিও আমাৰ বাবে সমাজ আৰু সংস্কৃতিৰ গুৰু। এই গৰাকী ধৰ্মগুৰুৰ বাদে পৃথিৱীত এনে কোনো ধৰ্মগুৰু নাই যিয়ে ধৰ্ম আৰু নৈতিকতাৰ সৈতে এটা জাতীয় সংস্কৃতিও দান দি থৈ গৈছে। ধৰ্ম-বৰ্ণ নিৰ্বিশেষে আমাৰ অসমীয়া জাতি

ধন্য এইগৰাকী ধৰ্মগুৰুৰ অৱদানৰ বাবে; কাৰণ ধৰ্মৰ উপৰিও এইগৰাকী মহাপুৰুষে আমাক জাতীয় সংস্কৃতিৰ ভৱিষ্যতে একতাৰ ডোলেৰে বান্ধি থৈ গৈছে। সেইবাবেই আমি ভিন্নধৰ্মী হৈয়ো এইগৰাকী মহাপুৰুষক জাতীয় সমাজ আৰু সংস্কৃতিৰ গুৰুৰূপে মানি লৈছোঁ। এইগৰাকী গুৰু আন কোনো নহয়; পোন্ধৰ-ষোল্ল শতিকাৰ অসমত নৱ-বৈষ্ণৱবাদৰ আদৰ্শেৰে একশৰণ নামধৰ্ম প্ৰৱৰ্তন কৰি যোৱা অসাধাৰণ ব্যক্তি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। শঙ্কৰদেৱক আমি জগতগুৰু বুলিয়ো কওঁ। এইগৰাকী জগতগুৰু আছিল একাদিক্ৰমে ধৰ্ম-প্ৰৱৰ্তক, সমাজ-সংস্কাৰক, সমন্বয়ৰ সাধক, সঙ্গীতজ্ঞ, নৃত্য-বিশেষজ্ঞ, সত্ৰীয়া নৃত্যৰ জন্মদাতা, বৰগীতৰ ৰচয়িতা, ভাৱৰীয়া, অংকীয়া নাটৰ ৰচয়িতা, নামঘৰ আৰু থান-সত্ৰানুষ্ঠানৰ প্ৰতিষ্ঠাতা, চিত্ৰশিল্পী, অসমীয়া বয়ন-শিল্পৰ অন্যতম নিদৰ্শন বৃন্দাবনী বস্ত্ৰৰ উদ্ভাৱক, সমাজ-বিজ্ঞানী আৰু সমন্বয়ৰ সাধক। এইগৰাকী ধৰ্ম আৰু সংস্কৃতি সাধকক আমি এগৰাকী অন্যতম 'শ্ৰেষ্ঠ বিশ্বগুৰু' বুলি ক'ব পাৰোঁ। বিশ্বৰ শ্ৰেষ্ঠ মানৱ হ'বলৈ এগৰাকী ব্যক্তিৰ যি গুণ, কৰ্ম, প্ৰজ্ঞা, সাধনা আৰু দৃষ্টিভঙ্গীৰ প্ৰয়োজন সেই আটাইখিনিয়েই শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন-কৰ্মৰ মাজত বিদ্যমান। কাৰণ,

(ক) শঙ্কৰদেৱ আছিল এগৰাকী শ্ৰেষ্ঠ সমাজ-বিজ্ঞানী।

(খ) শঙ্কৰদেৱ ধৰ্মগুৰু হৈয়ো ধৰ্মনিৰপেক্ষতাৰ বাটকটীয়া আছিল।

(গ) শঙ্কৰদেৱ আছিল অসম তথা উত্তৰ-পূব ভাৰতৰ জনজাতি-অজনজাতি তথা হিন্দু-মুছলমান সমন্বিতে সৰ্বস্তৰৰ লোকৰ গ্ৰহণযোগ্য এগৰাকী সাধক। তেৰা আছিল জনগোষ্ঠীগত সম্প্ৰীতিৰ বাহক।

(ঘ) শঙ্কৰদেৱে পোন্ধৰ শতিকাতে প্ৰৱৰ্তন কৰা ধৰ্মকেন্দ্ৰিক সমাজ ব্যৱস্থাটো আছিল বহুগুণে বিজ্ঞানসম্মত আৰু প্ৰগতিশীল। তেৰাই এক বিকল্প উন্নত জীৱন-ব্যৱস্থাৰ সন্ধান দিছিল।

(ঙ) নামঘৰ আৰু থান-সত্ৰসমূহক কেন্দ্ৰ কৰি তেৰা আছিল অসমত প্ৰথম পুথিভঁৰাল স্থাপক।

(চ) শ্বেইক্সপীয়েৰৰ জন্মৰ বহু বছৰ আগতেই তেওঁতকৈ অধিক বিচক্ষণতাৰে নাটকৰ সংলাপ, পৰিৱেশনশৈলী, নৃত্য, গীত, চৰিত্ৰ আদিৰ ওপৰত তেৰাই পৰীক্ষা-নিৰীক্ষা কৰি অংকীয়া নাটৰ জন্ম দিছিল। সেয়ে মই বিশ্ববিশ্ৰুত নাট্যকাৰ শ্বেইক্সপীয়েৰৰ জন্মভূমিত থিয় হৈ পাতনিতেই কৈ থওঁ যে শঙ্কৰদেৱে শ্বেইক্সপীয়েৰতকৈ এশ পোন্ধৰ বছৰ আগতে জন্ম গ্ৰহণ কৰি ছুখন অংকীয়া নাটেৰে পৃথিৱীৰ নাট্য আন্দোলনৰ সূচনা কৰা সত্ত্বেও অৱহেলিত হৈ থকাৰ একমাত্ৰ কাৰণ হ'ল আমাৰ হীনমন্যতা আৰু তেৰাৰ প্ৰতি আমাৰ অৱহেলা। মই বুকু ফুলাই ক'ব

পাৰো যে শঙ্কৰদেৱৰ নাটকৰ শৈলী শ্বেইক্সপীয়েৰৰ নাটকৰ শৈলীতকৈ আছিল বহুগুণে শ্ৰেষ্ঠ। শ্বেইক্সপীয়েৰ ইংলেণ্ডৰ ষ্ট্ৰেটফোৰ্ডত জন্ম গ্ৰহণ কৰা বাবে আজি বিশ্ববন্দিত; কিন্তু শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ হৈও তেৰাৰ প্ৰচাৰ বিশ্বজুৰি নোহোৱাৰ কাৰণ হ'ল তেৰাই অসমত জন্ম গ্ৰহণ কৰিছিল। সেইবাবে যুক্তৰাজ্যৰ অসমীয়াসকলে কেমব্ৰিজ, অক্সফোৰ্ড আদি বিশ্ববিদ্যালয়ৰ বৈষ্ণৱী আন্দোলন সম্পৰ্কীয় শাখা আৰু নাট্যকোষৰ জৰিয়তে বিদেশৰ লোকক শঙ্কৰদেৱ সম্পৰ্কে গৱেষণাৰ সুযোগ দি গুৰুজনাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাত আগভাগ ল'ব লাগিব।

আমাৰ আজিৰ এই বক্তৃতাৰ জৰিয়তে শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন, কৰ্ম আৰু সংস্কৃতি চৰ্চাৰ মাজেৰে উপৰি উক্ত দিশসমূহ বিশ্লেষণ কৰাৰ চেষ্টা কৰিম।

নৈতিকতা আৰু বিকল্প জীৱন-ব্যৱস্থাৰ প্ৰৱৰ্তক শঙ্কৰদেৱ

শ্ৰীমন্ত শঙ্কৰদেৱে সুদীৰ্ঘ বাৰ বছৰ তীৰ্থ ভ্ৰমণৰ অন্ততঃ ভাগৱত, গীতা, ব্ৰহ্মসূত্ৰ, উপনিষদ আদিৰ সাৰতত্ত্ব আধাৰিত যি একশৰণ হৰিনাম ধৰ্ম (যাক ভাগৱতী ধৰ্ম, মহাপুৰুষীয়া ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্ম বুলিও কোৱা হয়) প্ৰৱৰ্তন কৰিছিল তাৰ মুল উদ্দেশ্যাই আছিল পূজা-পাতল, বলি-বিধান, যাগ-যজ্ঞ, শ্ৰাদ্ধ-সৎকাৰ আদিক কেন্দ্ৰ কৰি আগম ক্ষেত্ৰত গঢ় লৈ উঠা ব্যভিচাৰৰ পৰা জনসাধাৰণক ৰক্ষা কৰি নিগম ক্ষেত্ৰলৈ নিয়া। তাকে কৰিবলৈ যাওঁতে শঙ্কৰদেৱে একশৰণক দৰ্শন আৰু হৰিনাম কীৰ্তনক সাধন পথৰূপে গ্ৰহণ কৰিছিল। তাৰ জৰিয়তে শঙ্কৰদেৱে শাক্তধৰ্মৰ বিপৰীতে একশৰণ হৰিনাম ধৰ্মক গণধৰ্মৰ ৰূপ দিছিল। 'হৰিনামত মুক্তি' —এয়াই আছিল শঙ্কৰদেৱৰ মূলমন্ত্ৰ। শঙ্কৰদেৱৰ শিষ্য মাধৱদেৱে কৈছে—

"হৰিনাম কীৰ্তনত নাহি দেশ কাল পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্তন কৰন্তে হোৱে সিদ্ধি।"

হৰিনাম কীৰ্তনৰ জৰিয়তে শঙ্কৰদেৱে যি ধৰ্ম প্ৰৱৰ্তন তথা প্ৰচাৰ কৰিছিল তাৰ উদ্দেশ্য আছিল সৰল জীৱন-যাপন (সততা, ভদ্ৰতা, সুস্থ সংস্কৃতি-চিন্তা), নৈতিকতা (শ্ৰদ্ধা, ভক্তি, সহনশীলতা) চৰিত্ৰ-গঠন (কাম, ক্ৰোধ, লোভ, মোহ, মদ, ভাং, অন্যান্য ৰাগিয়াল বস্তু বৰ্জন), মানৱীয় মূল্যবোধ, অহিংসা,সমন্বয়-চিন্তা আদিৰ উত্তৰণ ঘটোৱা। ধৰ্ম আৰু সংস্কৃতিৰ মাজেৰে সামাজিক-সাম্যবাদ প্ৰতিষ্ঠা কৰি সকলোৰে সমান অধিকাৰক স্বীকৃতি দিয়া একমাত্ৰ ধৰ্মগুৰু গৰাকীয়েই আছিল শ্ৰীমন্ত শঙ্কৰদেৱ। 'ভাগৱত'ত শঙ্কৰদেৱে কৈছে—

"স্ত্রী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰেঁ নামে তেখনে উদ্ধাৰ।।"

একেদৰে 'পাষণ্ড-মৰ্দন'ত কৈছে—

"চণ্ডালে কৰিছে নাম কীৰ্তন।
বুলিয়া নিন্দে যিটো অজ্ঞজন।।
তাক সম্ভাষণ যিজনে কৰে।
আজন্মৰ পুণ্য তেখনে হৰে।।"

এইখিনি উদ্ধৃতিৰেই আমি প্ৰমাণ কৰিব পাৰো যে শঙ্কৰদেৱৰ ধৰ্ম আছিল এক মুক্ত উদাৰ ধৰ্ম,—যাৰ মাজত বিচাৰি পোৱা যায় নৈতিকতা, নৈতিক জীৱন আৰু বিকল্প জীৱন-ব্যৱস্থা। সনাতন বা হিন্দু ধৰ্মৰ বিভিন্ন পন্থাৰ বেদ-নিৰ্ভৰ নীতি-নিয়ম আৰু আচাৰ-অনুষ্ঠানক কেন্দ্ৰ কৰি মধ্যযুগৰ অসমত যি বিশৃঙ্খল জীৱন-ব্যৱস্থাই গা কৰি উঠিছিল তাৰ বিপৰীতে শঙ্কৰদেৱৰ ধৰ্ম-ব্যৱস্থা আছিল জীৱনৰ উত্তম সাধন পথ। এই সাধন পথৰ সন্ধান কৰিবলৈ যাওঁতে শঙ্কৰদেৱে আড়ম্বৰপূৰ্ণতা, জাক্‌জমকতা আৰু বিলাসিতা ত্যাগ কৰি যি নৈষ্ঠিক জীৱন যাপনৰ কথা কৈছিল— তাৰ মাজত আছিল উচ্চ সাংস্কৃতিক চিন্তা। ধৰ্মৰ স'তে প্ৰচলিত সংস্কৃতিক শঙ্কৰদেৱে বৌদ্ধিক চিন্তাৰ উত্তৰণৰ হকে ব্যৱহাৰ কৰি মানুহক সুস্থ আৰু উচ্চ আধ্যাত্মিক ভাৱ-সম্পন্ন ধৰ্মীয় জীৱন-ধাৰাৰ অধিকাৰী কৰি তুলিবলৈ প্ৰচেষ্টা চলাইছিল। শঙ্কৰদেৱৰ এনে প্ৰচেষ্টাৰ বাবেই তেওঁৰ ধৰ্ম হ'ল 'পৰম নিৰ্মল ধৰ্ম'। তেওঁৰ শিষ্য মাধৱদেৱে কৈছে—

"পৰম নিৰ্মল ধৰ্ম হৰিনাম কীৰ্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ,
এতেকেসে হৰিনাম সমস্ত ধৰ্মৰ ৰাজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ।"

শঙ্কৰদেৱৰ এই 'পৰম নিৰ্মল ধৰ্ম'ৰ পাঠশালা হ'ল নামঘৰ, সত্ৰ বা থান। সত্ৰ মানে হ'ল যি সৎ লোকক ত্ৰাণ কৰে। শঙ্কৰদেৱৰ জ্ঞাতিভাই ৰামৰায়ে 'গুৰুলীলা'ত কৈছে—

"যাত প্ৰৱেশিলে তিনি তাপ দূৰ হয়।
সংসাৰক চেৰ কৰি বৈকুণ্ঠে চলয়।।"

এই বৈকুণ্ঠ যাত্ৰাৰ মূল আধাৰ হ'ল কৃষ্ণত শৰণ লৈ যাগ-যজ্ঞ, পূজা-পাতল আদি ত্যাগ কৰা।

ধৰ্মনিৰপেক্ষতা আৰু সমন্বয়ৰ ধ্বজাবাহক শঙ্কৰদেৱ

ধৰ্মৰ তত্ত্ব বিশ্লেষণ কৰিলে আমি প্ৰায়বোৰ ধৰ্মৰ মাজত পৰধৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা দেখোঁ। সনাতনধৰ্মীয় আখ্যানমূলক গ্ৰন্থ 'মহাভাৰত'ৰ কিছুমান ঘটনাৱলীৰ বিশ্লেষণ কৰিলে আমি দেখিবলৈ পাওঁ যে, প্ৰাচীন কালৰে পৰা ধৰ্মই মানুহক শ্ৰদ্ধা কৰিবলৈ আৰু উচ্চ নৈতিক জীৱনৰ অধিকাৰী হ'বলৈ শিকাইছে। 'মহাভাৰত'ৰ শান্তিপৰ্বত শৰ-শয্যাৰ ভীষ্মই যেতিয়া যুধিষ্ঠিৰক উপদেশ দিয়া দেখোঁ তেতিয়া ভীষ্মৰ মুখেৰে নিসৃত হয় অন্য ধৰ্মৰ প্ৰতি শ্ৰদ্ধা আৰু সহনশীলতাৰ বাণী। যথাঃ 'ধৰ্মং য বাধ্যতে ধৰ্মোঃ ন স ধৰ্মঃ কুধৰ্মতৎ'; অৰ্থাৎ সেই ধৰ্ম ধৰ্মই নহয় যি ধৰ্মই আন ধৰ্মক বাধা প্ৰদান কৰে বা বাধ্যবাধকতাৰ সৃষ্টি কৰে ; তেনে ধৰ্ম সদায় অধৰ্মৰ নামান্তৰ।

ধৰ্মৰ এই সহনশীল দৃষ্টিভঙ্গীৰ কথা 'কোৰাণ বা হাদিছ'তো পোৱা যায়। যথা-(ক) 'লা ইক্ৰাহা ওৱা ফি-দ্দীন'—ধৰ্মৰ ক্ষেত্ৰত বাধ্যবাধকতা বা জোৰ-জুলুম নাই। কোঁৰাণৰ মতে, যিসকলে আল্লাহৰ বাহিৰে আন কাৰো উপাসনা কৰে তেওঁলোকক নিন্দা নকৰিবা। যদিহে নিন্দা কৰা তেনেহ'লে তেওঁলোকেও অজ্ঞানবশতঃ তোমাৰ আল্লাহকো নিন্দা কৰিব। (কোৰাণ ৬ ঃ ১০৯)। (খ) "লাকুম দীনুকুম ওৱালিয়া দ্দীন"— তুমি তোমাৰ পথ অনুসৰণ কৰা আৰু মই অনুসৰণ কৰোঁ মোৰ ধৰ্মপথ (কোৰাণ)। (গ) "কানান্নাছু উম্মতাওঁ ওৱাহিদাতা"— সকলো মানৱ এক জাতিভুক্ত (কোৰাণ)। (ঘ) "হুব্বুল ওতানে মিনাল ঈমান"— স্বদেশপ্ৰেম হ'ল ঈমান বা ধৰ্মবিশ্বাসৰ অঙ্গ (হাদিছ)।

বিধৰ্ম্মী সম্পৰ্কে কোৰাণত কৈছে— "বিধৰ্মীৰ মাজত যদিহে কোনোবাই তোমাৰ ওচৰত আশ্ৰয় বিচাৰে তেনেহ'লে তেওঁক আশ্ৰয় দিয়া যাতে তেওঁ ঈশ্বৰৰ বাণী শুনিব পাৰে আৰু তাৰ পিছত তেওঁক এনে স্থানলৈ লৈ যোৱা য'ত তেওঁ নিৰাপত্তা লাভ কৰিব পাৰে।" (কোৰাণ ১০ ঃ ৬)

শঙ্কৰদেৱ বৰ্ণিত কৃষ্ণৰ মাজেৰেও আমি ধৰ্মৰ এনে উদাৰ বাণী শুনিবলৈ পাওঁ। সখা উদ্ধৱৰ এক প্ৰশ্নৰ উত্তৰত শ্ৰীকৃষ্ণই কৈছিল ঃ "কাকো হিংসা নকৰা, সঁচা কথা কোৱা, কাৰো বস্তু চুৰি নকৰা, কাম-ভাব দমন কৰা, খং নোতোলা, লোকৰ বস্তুলৈ লোভ নকৰা আৰু সংসাৰৰ সকলো প্ৰাণীয়ে ভাল পোৱা কাম কৰা আদি কামেই সৰ্বসাধাৰণৰ ধৰ্ম।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ চিন্তা আৰু দৰ্শনতো ধৰ্মৰ এক উদাৰ আৰু প্ৰগতিশীল দৃষ্টিভঙ্গী প্ৰকাশ পাইছে। 'নিমি-নৱসিদ্ধ সম্বাদ'ত শঙ্কৰদেৱে কৈছিল ঃ

"ভাগৱত শাস্ত্রে শ্রদ্ধা কৰিব নিতান্ত।
নকৰিব নিন্দা আন শাস্ত্রকো একান্ত।।"

আনহাতে শঙ্কৰদেৱে 'ভক্তি-প্রদীপ'ত কৈছে ঃ

"পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত।।"

এনে ধৰণৰ উদাৰ চিন্তাৰে শঙ্কৰদেৱে কেৱল ধৰ্মই প্রচাৰ কৰা নাছিল; তেৰাই ধৰ্মনিৰপেক্ষতা আৰু সমন্বয়ৰ এখন বহল মঞ্চ গঢ়ি তুলিছিল। সেইবাবেই শঙ্কৰদেৱৰ ধৰ্মই সংকীৰ্ণতা, জাত-পাত আৰু বৰ্ণ-বিভাজনৰ গণ্ডী পাৰ হৈ অসমৰ বাহিৰতো বিস্তাৰ লাভ কৰিছিল। প্রাচীন কামৰূপ, আহোম ৰাজ্য, কোচবিহাৰ, উৰিষ্যা আদিৰ ভূমিত ধৰ্মনিৰপেক্ষ দৃষ্টিভঙ্গী আৰু সমন্বয় চিন্তাৰ বাবেই শঙ্কৰদেৱে ৰোপণ কৰিব পাৰিছিল এটা বৈপ্লৱিক ধৰ্মৰ বীজ। সেই বীজ পৰৱৰ্তী সময়ত এক বিশাল মহীৰুহত পৰিণত হৈছিল। ইয়াৰ মূলতেই আছিল শঙ্কৰদেৱৰ এই বাণী—

"নাহি ভক্তিত জাতি অজাতি বিচাৰ।
হৰিৰ ভক্তিত সমস্তৰে অধিকাৰ।।"

'ভক্তিত জাতি অজাতি বিচাৰ' নথকা তথা 'সমস্তৰে অধিকাৰ' থকা একশৰণ হৰিনাম ধৰ্ম হ'ল সত্যবিক্রম। কাৰণ, 'মহাভাৰত'ত কৈছে— "অধিৰোধাৎ তু যো ধৰ্মঃ স ধৰ্মঃ সত্যবিক্রমঃ।" অৰ্থাৎ যি ধৰ্মত কোনো ধৰ্মৰেই বিৰোধ নাই সেই ধৰ্মই হ'ল সত্যবিক্রম। এই কথা 'মহানিৰ্বাণ তন্ত্ৰ'য়ো স্বীকাৰ কৰিছে ঃ

"সত্যধৰ্মং সমাশ্রিত্য যৎকৰ্ম কুৰুতে নৰঃ।
তদেৱ সুফলং কৰ্ম সত্যং জানীহি সুব্রতে।।
নহি সত্যাৎ পৰোধৰ্মো ন পাপমনৃতাৎ পৰম।
তস্মাৎ সৰ্বাত্মনা মৰ্ত্যঃ সত্যমেকং সমাশ্রয়েৎ।।
সত্যহীনা বৃথা পূজা সত্যহীনো বৃথা জপঃ ।
সত্যহীনং তপো ব্যৰ্থম্ উষৰে ৱপনং যথা।।
সত্যৰূপং পৰংব্রহ্ম সত্যং হি পৰমং তপঃ।
সত্যমূলাঃ ক্রিয়াঃ সৰ্বাঃ সত্যাং পৰতৰো নহি।।"

(সত্যক আশ্রয় কৰি মানুহে যি কৰ্ম কৰে নিঃসন্দেহে সি সফল হয়। সত্যতকৈ শ্রেষ্ঠ ধৰ্ম নাই, অসত্যতকৈ অধিক পাপ আন একো নাই; সেইবাবে সৰ্বান্তকৰণে একমাত্র সত্যকেই আশ্রয় কৰিবা। সত্যহীন পূজা, সত্যহীন জপ, সত্যহীন তপস্যা

সকলোবোৰ মৰুভূমিত গুটি সিঁচাৰ দৰেই নিষ্ফল। পৰমব্ৰহ্ম সত্যস্বৰূপ, সত্যই পৰম তপ, সমস্ত ক্ৰিয়াৰ মূলাধাৰ হ'ল সত্য, সত্যতকৈ মহান আৰু একোৱেই নাই।)

'মহাভাৰত' আৰু 'মহানিৰ্বাণ তন্ত্ৰ'ত কোৱা এনে ধৰণৰ চৰম সত্যৰ কথা শ্ৰীমন্ত শঙ্কৰদেৱেও কোৱা বাবে এই ধৰ্মত আন ধৰ্মৰ বিশেষ বিৰোধ নাই। সেয়ে এই ধৰ্ম ধৰ্মনিৰপেক্ষতা আৰু সমন্বয়ৰ প্ৰতীক। শঙ্কৰদেৱৰ ধৰ্ম আৰু সংস্কৃতিৰ এই সমন্বয়ৰ ধাৰা লুকাই আছে শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ মাজত। শঙ্কৰদেৱৰ মতে 'কৃষ্ণৰ কিঙ্কৰ' হ'ল সংস্কৃতিৰ প্ৰতীক। সেইবাবে জ্যোতিপ্ৰসাদ আগৰৱালাই শঙ্কৰদেৱৰ সংস্কৃতিৰ নামকৰণ কৰিছিল 'কৃষ্ণ সংস্কৃতি' বুলি। কৃষ্ণৰ বৈয়াকৰণিক অৰ্থই হ'ল সংস্কৃতি। সেয়েহে কৃষ্ণ হ'ল ভাৰতীয় ঐতিহ্যৰ প্ৰতীক। বিষ্ণুপ্ৰসাদ ৰাভাই এই কৃষ্ণক 'কৃষ' বা 'কৃষ্টি'ৰ আঁকৰ বা সৰ্বগুণনিধি বুলি কৈছে। শঙ্কৰদেৱে ৰাসলীলা আৰু ভাওনাৰ মাজেৰে কৃষ্ণকেন্দ্ৰিক এই 'সৰ্বগুণ সংস্কৃতি'ৰ প্ৰদৰ্শন কৰি গৈছে।

ভাৰতীয় সংস্কৃতিৰ প্ৰতিভূ এই কৃষ্ণ চৰিত্ৰটিৰ মাজেৰে আমি প্ৰেম, ন্যায়, ক্ষমা, সংস্কৃতি, বিবেক, ৰূপ, বীৰ্য, জ্ঞানমূৰ্তি, সাৰথি, চিৎচোৰ, সাধনা, মনোবল, পালক, বিপদ-বাৰক, দুষ্কৃতিৰ বিনাশকাৰী আদি যি গুণৰ অধিকাৰীৰূপে এগৰাকী মহামানৱক পাওঁ সেই মহামানৱ কৃষ্ণ হ'ল— গাইগৰুৰ বাবে বিপদ-বাৰক, যমুনাৰ বাবে চিৰ-বাঞ্ছিত, তৃণ-তৰুৰ বাবে পোষক, যশোদাৰ বাবে মাখন-চোৰ পুত্ৰ, গোপ-বালকৰ বাবে সখাকৃষ্ণ, গোপীৰ বাবে চিৎচোৰ, অৰ্জুনৰ বাবে পাৰ্থসাৰথি, ব্যাসৰ বাবে জ্ঞানমূৰ্তি, উদ্ধৱৰ বাবে সখা-ভগৱান, দ্ৰৌপদীৰ বাবে নিৰপেক্ষ প্ৰেমিক, জৰাব্যাধৰ বাবে ক্ষমামূৰ্তি, সাধকৰ বাবে মনোহৰ আৰু মোমায়েক কংসৰ ক্ষেত্ৰত দুষ্কৃতিকাৰীৰ বিনাশী শক্তিস্বৰূপ। শঙ্কৰদেৱেই একমাত্ৰ ধৰ্মগুৰু, সমাজগুৰু তথা সাহিত্যকাৰ যিগৰাকীয়ে কৃষ্ণৰ বিচিত্ৰ ৰূপক কেন্দ্ৰ কৰি ধৰ্ম-কাহিনী আৰু সাহিত্য সৃষ্টি কৰি ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সৰ্বস্তৰৰ মানুহৰ মনত কৃষ্ণকেন্দ্ৰিক ধৰ্মটিক সমন্বয় আৰু সংহতিৰ বাহকৰূপে প্ৰতিষ্ঠা কৰি গৈছে। যিসকলে ধৰ্মক কেন্দ্ৰ কৰি ৰাজনীতি আৰু ব্যৱসায় কৰিব খোজে তেওঁলোকে শঙ্কৰদেৱ বৰ্ণিত শ্ৰীকৃষ্ণ চৰিত্ৰটিৰ পৰা শিক্ষা গ্ৰহণ কৰা উচিত। 'মহাভাৰত'ত ধৰ্মৰ এই বাণিজ্যিকীকৰণ সম্পৰ্কে কৈছে— "ধৰ্মবাণিজ্যিকো হীনো জঘন্যো ধৰ্মবাদিনাম্।" অৰ্থাৎ, "ধৰ্মৰ যোগেদি যদিহে কোনোবাই কিবা সুবিধা আদায় কৰিবলৈ বিচাৰে, তাকে ধৰ্মবাণিজ্য বোলে। সেই কাম অতি হীন আৰু জঘন্যতম।" সেইবাবেই শঙ্কৰদেৱে ধৰ্মক বাণিজ্যিক আৰু ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ নকৰি মানুহৰ মাজত সমন্বয়ৰ বাণী বিলাবলৈ ব্যৱহাৰ কৰিছিল।

যিয়ে আলোড়িত কৰিব পাৰে সৰ্বস্তৰৰ লোকৰ হৃদয়

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম মূলতঃ ভাগৱত আধাৰিত ধৰ্ম। শাস্ত্ৰকাৰ আৰু পণ্ডিতসকলে 'ভাগৱত'ৰ ব্যাখ্যা এনেদৰে দিছে—

ভ— কাৰং ভাবুকং জ্ঞেয়ং (উৎসুক, অনুসন্ধিৎসু, আগ্ৰহ, জনাৰ কাৰণে মন)

গ— কাৰং জ্ঞানম উদ্ভৱম্ (জ্ঞান অৰ্জন)

ৱ— কাৰং বৈষ্ণৱী জ্ঞানম্ (বৈষ্ণৱী জ্ঞান)

ত— কাৰং তত্ত্ব ভাৱকম্ (পৰমতত্ত্ব)

আন এক ব্যাখ্যামতে, 'ভা' মানে জ্ঞানৰ পোহৰ দিয়া, 'গ' মানে গীত গোৱা, নাম-কীৰ্তন কৰা, 'ৱ' মানে বৰ্তি থকা বা সন্নিৱিষ্ট হৈ থকা আৰু 'ত' মানে ত্ৰাণ কৰা।

ভাগৱত শাস্ত্ৰৰ এনে ধৰণৰ নাম-ব্যাখ্যাৰ মাজতেই নিহিত হৈ আছে উদাৰ ধৰ্মতত্ত্বৰ বাণী। শঙ্কৰদেৱৰ ধৰ্ম তেনে এটা ধৰ্ম য'ত অসম, ভাৰত তথা বহিৰ্বিশ্বৰ কোনো ধৰ্মৰেই বিৰোধ নাই। সেইবাবেই পোন্ধৰ শতিকাৰ পৰা শঙ্কৰদেৱৰ ধৰ্মই অসম তথা অসমৰ বাহিৰৰ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ হৃদয় স্পৰ্শ কৰিছিল। সেইসকল লোকক শঙ্কৰদেৱে শৰণ ব্যৱস্থাৰ মাজেৰে তেৰাৰ ধৰ্মব্যৱস্থাৰ মাজত আঁকোৱালি লৈছিল। শঙ্কৰদেৱৰ তেনে কেইজনমান শিষ্য আছিল—মুছলমানৰ চান্দসাই, মিচিঙৰ পৰমানন্দ, গাৰোৰ গোবিন্দ, ভূটীয়াৰ দামোদৰ, কছাৰীৰ ৰমাই আদি। এইসকলৰ উপৰিও শঙ্কৰদেৱৰ জীৱন-দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হৈ উৰিষ্যাৰ গোবিন্দ নায়কে উৰিয়া ভাষাত ৰচনা কৰিছিল 'শঙ্কৰ গোসাঁই চৰিত' নামৰ জীৱনী গ্ৰন্থ। তদুপৰি যিগৰাকী শঙ্কৰদেৱে নৰনাৰায়ণৰ দৰে কোচ ৰজাক শৰণ নিদি শাসককূল আৰু ৰাজনীতিৰ পৰা ধৰ্মক পৃথক কৰি ৰাখিছিল সেইগৰাকী শঙ্কৰদেৱৰ ওচৰত শৰণ লৈছিল ৰজা নৰনাৰায়ণৰ ভাতৃ বিশ্ববীৰ চিলাৰায়ে। বিশ্ববিখ্যাত বুৰঞ্জীবিদ আৰ্নল্ড টয়নবীৰ মতে পৃথিৱীত যি তিনিগৰাকী শ্ৰেষ্ঠ বীৰ আছিল তাৰে এগৰাকী হ'ল চিলাৰায়। আন দুগৰাকী হ'ল ছত্ৰপতি শিৱাজী আৰু ফ্ৰান্সৰ নেপোলিয়ান বোনাপাৰ্ট। চিলাৰায় আছিল এগৰাকী পণ্ডিত। তেওঁ জয়দেৱৰ 'গীতা গোবিন্দ'ৰ ওপৰত সংস্কৃত ভাষাত 'সাৰাৱতী টিকা' নামৰ পাতনি লিখি পাণ্ডিত্যৰ পৰিচয় দিছিল। তেনে এগৰাকী বীৰে শঙ্কৰদেৱক গুৰু মানি লোৱাটো যোল্ল শতিকাৰ অসমত এক উল্লেখযোগ্য ঘটনা আছিল।

শঙ্কৰদেৱৰ যি ধৰ্ম আৰু সংস্কৃতি সেয়া বিশ্বজনীন। সেইবাবেই নামঘৰ আৰু

সত্ৰকেন্দ্ৰিক একশৰণ হৰিনাম ধৰ্মক শ্ৰদ্ধা জনাই অনেক ইছলামধৰ্মীয়েও এই অনুষ্ঠানসমূহৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আহিছে। নামঘৰৰ ক্ষেত্ৰত দুটামান উদাহৰণ দিলেই যথেষ্ট হ'ব। অসমৰ এক প্ৰাচীন নামঘৰ হ'ল যোৰহাট জিলাৰ ঢেঁকীয়াখোৱা বৰনামঘৰ। শঙ্কৰদেৱৰ শিষ্য শ্ৰীশ্ৰীমাধৱদেৱে নিৰ্মাণ কৰা এই নামঘৰটি পুনৰ নিৰ্মাণ কৰোঁতে এটি লাইখুঁটা দান কৰিছে ইছলামধৰ্মী ইমদাদ আলী বৰাই। এই নামঘৰটিত ইছলামধৰ্মী লোকে সেৱা জনোৱা আৰু শৰাই দিয়াৰ উপৰিও চাকি-বন্তি দান দিয়ে। আন এটি উদাহৰণ হ'ল গুৱাহাটীৰ পূব জ্যোতিনগৰ নামঘৰ। এই নামঘৰটিৰ ভূমিখিনি ১৯৮০ চনত ওচমান গণি নামৰ এগৰাকী ইছলামধৰ্মীয়ে দান দিছিল। বৰপেটা সত্ৰ আৰু বৰদোৱা সত্ৰ নিৰ্মাণৰ সৈতেও শঙ্কৰদেৱৰ ইছলামধৰ্মী শিষ্য চান্দসাইৰ নাম জড়িত হৈ আছে বুলি জনবিশ্বাস প্ৰচলিত আছে। এই সম্পৰ্কে গৱেষণাৰ প্ৰয়োজন আছে। এনে ধৰণৰ উদাহৰণ আন কিছুমান নামঘৰ আৰু সত্ৰতো আছে। উদাহৰণস্বৰূপে, বৰপেটাৰ পাটবাউসী সত্ৰৰ (থান) নামঘৰৰ কাথিত শঙ্কৰদেৱে ইছলামধৰ্মী চান্দসাইক শৰণ দিয়াৰ পিছত চান্দসায়ে নিয়মিতভাৱে সত্ৰখন চোৱা-চিতা কৰাৰ উপৰিও চাকি-বন্তি জ্বলাইছিল। আনকি এই সত্ৰৰ চৌহদত শিলা (চিলা)ৰ পৰা অহা অনেক ব্ৰাহ্মণ শিষ্যৰ সৈতে হোৱা ধৰ্মসম্পৰ্কীয় তৰ্কযুদ্ধত একাধিকবাৰ চান্দসায়ে ব্ৰাহ্মণ শিষ্যক যুক্তিৰে পৰাজিত কৰি শঙ্কৰদেৱৰ প্ৰিয় আৰু শ্ৰেষ্ঠ শিষ্যৰূপে স্বীকৃতি লাভ কৰিছিল। বৰপেটাৰ আন এক সত্ৰানুষ্ঠান সুন্দৰীদিয়া সত্ৰৰ নামঘৰৰ টুপৰ কাথিত শ্ৰীশ্ৰীমাধৱদেৱে ইছলামধৰ্মী যৱন জয়হৰিক শৰণ দি সত্ৰটি চোৱা-চিতা আৰু চাকি-বন্তি জ্বলোৱাৰ ভাৰ অৰ্পণ কৰিছিল। এই দুয়োখন সত্ৰৰ ঐতিহ্যক সুঁৱৰি মাজুলীৰ গড়মূৰ, সৰুগড়মূৰ, উত্তৰ কমলাবাৰী, জামুগুৰিহাটৰ দিহিং ন-মাটি সত্ৰ, পশ্চিমবঙ্গৰ মধুপুৰ সত্ৰ আদিত অনেক ইছলামধৰ্মী লোকে শৰণ লৈছিল। ঘিলাজাৰী সত্ৰ, কনৰা সত্ৰ, মইনবৰী সত্ৰ আদিত ইছলামধৰ্মীসকলে যুগ যুগ ধৰি চাকি-বন্তি জ্বলাই সমন্বয়ৰ ধাৰাটোক চহকী কৰি আহিছে। সত্ৰ আৰু নামঘৰ সমূহত সমন্বয়ৰ এনে ইতিহাস গঢ়োতা মহান ব্যক্তি গৰাকী আছিল শ্ৰীমন্ত শঙ্কৰদেৱ। এইগৰাকী শঙ্কৰদেৱ আৰু তেওঁৰ ইছলামধৰ্মী শিষ্য চান্দসাইৰ প্ৰতি সন্মান জনাই ভাৰতবৰ্ষৰ অসমৰ ইছলামধৰ্মী শিল্পীসকলে গঢ়ি তুলিছে 'চান্দসাই ভাওনা দল'। সেই ভাওনা দলত শ্ৰীমন্ত শঙ্কৰদেৱৰ 'ৰামবিজয়' অঙ্কীয়া নাটত আমিও শ্ৰীৰামচন্দ্ৰৰ ভাও লৈছোঁ। তেওঁৰ এই সংস্কৃতিৰ সৈতে আমি ইছলামধৰ্মীসকলে জড়িত হ'বলৈ পাই গৰ্বিত। কাৰণ, তেওঁ আছিল 'প্ৰাচীন অসম মুলুক'ৰ কিৰাত, কছাৰী, খাছী, গাৰো, মিৰি, যৱন আদিৰ আদৰ্শবান গুৰু আৰু সমাজনেতা। এইগৰাকী সমাজনেতাই লিখিছিলঃ

"কিৰাত কছাৰী খাছী গাৰো মিৰি
যৱন কঙ্ক গোৱাল,
অসম মুলুক ৰজত তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।"

শঙ্কৰদেৱে তেৰাৰ ৰচনা-ৰাজিত 'অসম বা অহম' নামটো মাত্র এবাৰেই ব্যৱহাৰ কৰিছে; কিন্তু 'ভাৰত' শব্দটো ব্যৱহাৰ কৰিছে বহুবাৰ। এই এবাৰ মাত্র 'অসম' নামটো ব্যৱহাৰ কৰি শঙ্কৰদেৱ অসমীয়া জাতিৰ জাতীয় গুৰুত পৰিণত হ'ল; কিন্তু ভাৰত নামটো বহুবাৰ ব্যৱহাৰ কৰিয়ো তেৰা অসম, উৰিষ্যা আৰু কোচবিহাৰৰ বাদে ভাৰতৰ সকলোতে উপেক্ষিত হৈ ৰ'ল; তেৰাক বুজি নাপালে ভাৰতবাসীয়ে। বুজি পোৱাহেঁতেন, শঙ্কৰদেৱেই হ'লহেঁতেন ভাৰতক প্রতিনিধিত্ব কৰিব পৰা বিশ্বশ্রেষ্ঠ ধর্মগুৰু।

আজান পীৰৰ জিকিৰত যাৰ চিন্তা-দর্শনৰ প্রতিধ্বনি

নামঘৰ আৰু সত্রত শৰণ, চাকি-বন্তি জ্বলোৱা, শৰাই দিয়া আদি ব্যৱস্থাৰ মাজেৰেই কেৱল অসমৰ মুছলমানসকলে শঙ্কৰদেৱৰ ধর্ম-দর্শন আৰু সংস্কৃতিৰ সৈতে সম্পর্ক ৰক্ষা কৰি অহা নাই; ইছলামধর্মী অনেক চুফী সাধকৰ চিন্তা-দর্শনতো মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ ধর্ম আৰু সংস্কৃতিৰ প্রভাৱ পৰিছে। উদাহৰণস্বৰূপে সোতৰ শতিকাৰ অসমৰ চুফী সাধক আজান পীৰৰ কথাকে ক'ব পাৰি। আজান পীৰে সোতৰ শতিকাৰ প্রথম ভাগত সুদূৰ ইৰাকৰ বাগদাদৰ পৰা বাটকুৰি বাই ভায়েক নবীৰ সৈতে অসমলৈ আহি উজনি অসম আৰু দৰং অঞ্চলত খোপনি পুতি ইছলাম ধর্ম প্রচাৰ কৰিছিল। আজান পীৰে অসমলৈ আহোতে লক্ষ্য কৰিছিল যে ইয়াৰ সমাজ-জীৱনৰ সিংহভাগ শঙ্কৰদেৱৰ চিন্তা আৰু দর্শনে আচ্ছন্ন কৰি ৰাখিছে। সেয়ে তেওঁ জিকিৰ গীতসমূহ ৰচনা কৰোঁতে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ চিন্তা-দর্শনৰ দ্বাৰা যথেষ্ট পৰিমাণে প্রভাৱান্বিত হৈছিল। সেইবাবেই আজান পীৰৰ জিকিৰত শঙ্কৰদেৱ, মাধৱদেৱ, সন্ত-মহন্ত, বেদ, প্রসাদ, হিন্দু-মুছলমান আদি প্রসঙ্গৰ উল্লেখ পোৱা যায়। যেনে—

"কাৰ ঘৰৰ জীয়াৰী কাৰ ঘৰৰ বোৱাৰী
ভাঙ্গি কথাষাৰি কোৱা।
ভাঙ্গি কথাষাৰি ক'বকে নোৱাৰি
হাততে ৰসৰে বাটি।।

শঙ্কৰদেউৰ জীয়াৰী মাধৱদেউৰ বোৱাৰী
ৰহেপুৰ নগৰত ঘৰ।
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি
দিয়া সকলোকে বাটি।।"

"মোৰ মনত আন ভাৱ নাই ঔ আল্লা
মোৰ মনত নাই আন ভাৱ।
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম।।"

"চাৰিবেদ গিয়ানকে কয় ঔ আল্লা
চাৰিবেদ গিয়ানকে কয়,
চাৰিবেদ পঢ়িলো গিয়ানকে নুবুজিলো
গিয়ানৰ নাই পৰিচয়।"

"ওঁঠেই কলম জিভাই কাগজ
দাঁতে চাব চিয়াহী বাটে,
সন্ত মহন্ত আউলিয়া সকলে
একেটি নামতে খাটে।"

এনেদৰেই শঙ্কৰদেৱ-মাধৱদেৱৰ চিন্তা-দৰ্শনৰ প্ৰভাৱ জিকি্ৰসমূহত পৰাৰ উপৰিও শঙ্কৰদেৱ আৰু আজান পীৰৰ লেখাশৈলীৰ মাজতো এই প্ৰভাৱ পৰা পৰিলক্ষিত হয়। যথা, শঙ্কৰদেৱে কৈছে—

"ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ।"

আনহাতে আজান পীৰৰ জিকিৰতো পোৱা যায়:

"তললৈ মূৰকৈ চোৱা মনে কৰি
সবাৰো ঘটে ঘটে আল্লা।"

এনেধৰণৰ উদাহৰণ অনেক আছে। এইগৰাকী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্যাপক প্ৰভাৱ যে জিকিৰসমূহত পৰিছিল তাৰ অন্যতম প্ৰমাণ হ'ল এটা জিকিৰৰ এই স্তৱক দুটা—

"শঙ্কৰদেৱে ৰীতি মাধৱদেৱে পিৰীতি
গোপালদেৱে স্বৰূপৰ মণি,

শ্ৰীকৃষ্ণৰে মণি কণ্ঠতে পিন্ধি লৈ
ব্ৰহ্মাণ্ডত লগাই গ'ল ধ্বনি।"

ইয়াত শঙ্কৰদেৱ বুলি কওঁতে হজৰত মহম্মদ (ছঃ), মাধৱদেৱ বুলি কওঁতে খাজা মইনুদ্দিন চিছ্‌তী, গোপালদেৱ বুলি কওঁতে গিয়াচুদ্দিন আউলিয়া আৰু শ্ৰীকৃষ্ণৰ মণি বুলি কওঁতে তচবীহ্‌ক বুজাইছে। এই তচবীহ্ হ'ল ইছলামৰ 'লা ইলাহা ইল্লাল্লাহু মোহাম্মাদুৰ ৰাছুলুল্লাহ'—অৰ্থাৎ, আল্লাহৰ বিনে আন কোনো সৃষ্টিকৰ্তা নাই। শঙ্কৰদেৱৰ 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ' এই বাণীৰ সৈতে ইছলামৰ বাণীটো একে। জিকিৰটিৰ অৰ্থ হ'ল; হজৰত মহম্মদ (ছঃ) ৰ লেখীয়াকৈ শঙ্কৰদেৱেও ৰীতি-নীতি বনালে, খাজা মইনুদ্দিন চিছ্‌তীয়ে মহম্মদৰ বাণী বিলোৱাৰ দৰে মাধৱদেৱেও শঙ্কৰদেৱৰ বাণী পিৰীতিৰে বিলালে, গিয়াচুদ্দিন আউলিয়াই ইছলামৰ বাণীক অধিক উদাৰতাৰে প্ৰচাৰ কৰাৰ লেখীয়াকৈ গোপালদেৱেও শঙ্কৰদেৱৰ বাণীক অধিক উদাৰতাৰে বিলালে, ইছলামৰ একত্ববাদৰ লেখীয়াকৈ শঙ্কৰদেৱেও একত্ববাদক গুৰুত্ব দি বিশ্ব-ব্ৰহ্মাণ্ডত সম্প্ৰীতিৰ ধ্বনি আৰু বাণী প্ৰচাৰ কৰিলে। একেটা জিকিৰত আৰু কোৱা হৈছে—

"শঙ্কৰদেৱে ৰুয়ে গ'ল সোন্দাকল এজুপি
মাধৱদেৱে থাপিলে মাটি,
হেনো কল এজুপি লানি পাতি লাগিলে
বই চাই আনিলে কাটি।"

এগৰাকী শ্ৰেষ্ঠ সমাজ-বিজ্ঞানী শঙ্কৰদেৱ

শঙ্কৰদেৱ আছিল পোন্ধৰ-যোল্ল শতিকাৰ অসমৰ এগৰাকী শ্ৰেষ্ঠ সমাজ-বিজ্ঞানী। শঙ্কৰদেৱৰ তেতিয়াৰ দিনৰ সমাজ-চিন্তা একৈছ শতিকাতো প্ৰাসঙ্গিক হৈ আছে। আজিৰ যুগত যোগবিদ্যাই জনপ্ৰিয়তা লাভ কৰিলেও শঙ্কৰদেৱে পোন্ধৰ শতিকাতেই নামঘৰ, থান আৰু সত্ৰৰ চৌহদত যোগবিদ্যাৰে শৰীৰ-চৰ্চাৰ এক নতুন ইতিহাস গঢ়িছিল। শঙ্কৰদেৱৰ সত্ৰীয়া নৃত্য-কৌশলৰ প্ৰাথমিক স্তৰটোৱেই আছিল যোগবিদ্যাৰ জৰিয়তে শৰীৰ চৰ্চা। মাটি-আখৰাৰ পৰা আৰম্ভ কৰি কৃষ্ণ-নৃত্যলৈকে শঙ্কৰদেৱে যিবোৰ শাৰীৰিক ব্যায়াম আৰু নৃত্যৰ উদ্ভাৱন কৰিছিল সেইবোৰ আছিল কলা-নিৰ্ভৰ শৰীৰ-চৰ্চা। নাম-কীৰ্তন কৰোঁতে হাত-চাপৰি বজোৱা ব্যৱস্থাটোও সম্পূৰ্ণৰূপে স্বাস্থ্যসন্মত যোগ-ব্যায়ামৰ উদাহৰণ। সত্ৰীয়া বা শঙ্কৰী নৃত্যৰ বিভিন্ন মুদ্ৰাৰ মাজতো আছে শৰীৰ-চৰ্চাৰ ন-ন কৌশল। সত্ৰ-নামঘৰকেন্দ্ৰিক গীত-নৃত্যৰ

সৈতে বিভিন্ন ভঙ্গীৰে খোল-তাল বজোৱা ব্যৱস্থাবোৰো শাৰীৰিক ব্যায়ামৰ একো একোটা নিদৰ্শন। আজি পৃথিৱীজুৰি ৰামদেউৰ যি যোগ-ব্যায়ামে আলোড়ন সৃষ্টি কৰিছে তেনে যোগ-ব্যায়াম আৰু বনৌষধি তথা আয়ুৰ্বেদিক দ্ৰব্যৰ প্ৰচলন শঙ্কৰদেৱে পোন্ধৰ-যোল্ল শতিকাতে কৰি থৈ গৈছে। শঙ্কৰদেৱে নৈতিকতা, সততা আৰু সৰলতাক মূল্য দি ধৰ্ম প্ৰচাৰ কৰোঁতে ভাবিছিল যে ধৰ্ম-চৰ্চাৰ সৈতে শৰীৰ-চৰ্চাৰ সম্পৰ্ক নাথাকিলে ব্যক্তি এজন পূৰ্ণাঙ্গ মানুহৰূপে গঢ়ি উঠাত অসুবিধা আছে। সেয়ে তেৰাই খাদ্যাভাস, পোছাক-পাতি আদিৰ উপৰিও সময় মানি বিভিন্ন প্ৰসঙ্গ পালন কৰি ভকত-শিষ্যসকলক সুস্থ মানুহৰূপে গঢ়ি তোলাৰ পথ দেখুৱাইছিল। মূৰ্তিপূজাক কেন্দ্ৰ কৰি প্ৰদান কৰা মাহ-প্ৰসাদ খোৱাৰ বিৰোধিতা কৰা শঙ্কৰদেৱে নামঘৰ-সত্ৰত যি মাহ-প্ৰসাদ বিতৰণৰ ব্যৱস্থা কৰিছিল তাত স্বাস্থ্যজনিত কথাই গুৰুত্ব লাভ কৰিছিল। উদাহৰণস্বৰূপে, নামঘৰত বিলোৱা গাজ মেলা মাহৰ কথাকে ক'ব পাৰি। এনে মাহে শৰীৰৰ পুষ্টি সাধনত যথেষ্ট সহায় কৰে। নহৰু-পিয়াঁজৰ দৰে সামগ্ৰী ব্যৱহাৰ নকৰি শঙ্কৰদেৱে যি সৰল নিৰামিষ খাদ্যাভাসৰ পোষকতা কৰিছিল তাৰ মাজতো সুষম আহাৰ গ্ৰহণেৰে দেহা নিৰোগী কৰি ৰখাৰ সূত্ৰ বিচাৰি পোৱা যায়।

শঙ্কৰদেৱক বহুতেই কেৱল হৰিনাম-কীৰ্তনৰ উদ্ভাৱক বুলি ক'ব খোজে। সমাজ-ব্যৱস্থা আৰু কৰ্ম-সংস্কৃতিৰ পিনে পিঠি দি হৰিনাম-কীৰ্তনেৰে শঙ্কৰদেৱে কেৱল ভগৱৎ সাধনা কৰাৰ যি কথা কোৱা হয় সেয়া সম্পূৰ্ণৰূপে শুদ্ধ নহয়। দিনত কে'বাটাও প্ৰসঙ্গৰ মাজেৰে সত্ৰ আৰু নামঘৰত ভগৱৎ সাধনাৰ নিয়ম প্ৰৱৰ্তন কৰিলেও শঙ্কৰদেৱে কৰ্ম-সংস্কৃতিৰ পিনে পিঠি দিয়াৰ কথা কোৱা নাছিল। তেনে হোৱা হ'লে শঙ্কৰদেৱৰ চিন্তাপ্ৰসূত আঁচনিৰে পোন্ধৰ-যোল্ল শতিকাতেই অসমৰ কাঁহ-পিতল আৰু বয়ন-শিল্পই বিশ্বজোৰা খ্যাতি অৰ্জন কৰিব নোৱাৰিলেহেঁতেন। শঙ্কৰদেৱ নিজেই আছিল তাল, খোল আদিৰ উদ্ভাৱক। তদুপৰি তেৰাৰ চিন্তাপ্ৰসূত কল্পনাৰ ফলস্বৰূপে সাত-বৈকুণ্ঠৰ চিত্ৰপট অংকন কৰি বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া মথুৰাদাস বুঢ়াআতাই (যাক তাঁতীকুছিৰ গোপাল তাঁতী বুলি জনা যায়) বৃন্দাবনী বস্ত্ৰ নিৰ্মাণ কৰিব পাৰিছিল। লণ্ডনৰ ব্ৰিটিছ মিউজিয়াম, ভিক্টোৰিয়া আৰু এলবাৰ্ট মিউজিয়াম আৰু পেৰিচৰ গুইমেট মিউজিয়ামত সংৰক্ষিত হৈ থকা বৃন্দাবনী বস্ত্ৰৰ টুকুৰাই অসমীয়া বয়ন-শিল্পৰ সোণালী যুগ ৰচনা কৰিছিল শংঙ্কৰদেৱৰ জৰিয়তেই। বিকল্প গ্ৰাম্য-অৰ্থনীতিৰ অন্য এক নাম বৰপেটা সত্ৰকেন্দ্ৰিক হাটীপুঁজিৰ গঢ় দিওঁতা মথুৰাদাস বুঢ়াআতাৰ মূল প্ৰেৰণা দিওঁতা আছিল শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ। সত্ৰ-ব্যৱস্থাই এই হাটীপুঁজিক পৰিকল্পিত আঁচনিৰে ৰূপায়ণ কৰিলে ই এক বিশ্বজনীন ক্ষুদ্ৰ অৰ্থনীতিৰূপে স্বীকৃতি পালেহেঁতেন।

শঙ্কৰদেৱ আছিল প্ৰকৃতিপ্ৰেমী তথা জীব-জন্তু প্ৰেমী। তেৰাই 'এক বৃক্ষ দশ পুত্ৰসম' বুলি ঘোষণা কৰি পৃথিৱীক সেউজীয়া কৰাৰ কথা কৈছিল। আধুনিক যুগৰ চৰকাৰৰ সামাজিক বনানিকৰণৰ যি সূত্ৰ তাৰ উদ্ভাৱক আছিল শঙ্কৰদেৱ। শঙ্কৰদেৱৰ দৰে পৃথিৱীৰ কোনো এজন প্ৰকৃতিপ্ৰেমী বা সমাজপ্ৰেমীৰ চিন্তাত আজিৰ পৰা প্ৰায় পাঁচশ বছৰ আগতে প্ৰকৃতি সম্পৰ্কীয় কথাই প্ৰাধান্য পোৱা নাছিল। তদুপৰি শঙ্কৰদেৱেই আছিল বিশ্বৰ প্ৰথমগৰাকী সমাজ-বিজ্ঞানী যিয়ে ভাৰতত ছপাশালৰ ব্যৱহাৰৰ বহু আগতেই সাঁচিপাতত লিখি আৰু গছৰ ৰস, ফল-মূল, গুটি আদিৰে চিয়াঁহী তৈয়াৰ কৰি পোন্ধৰ শতিকাৰ অসমৰ মুদ্ৰণ শিল্পত বিপ্লৱৰ সূচনা কৰিছিল। শঙ্কৰদেৱে তেৰাৰ ধৰ্ম-সংস্কৃতি আৰু সমাজ-চিন্তাৰ সমান্তৰালকৈ ভাষা-চিন্তাকো সমানে গুৰুত্ব প্ৰদান কৰিছিল। বিভিন্ন জনগোষ্ঠীৰ মুখৰ ভাষা বুটলি আনি তেৰাই ব্ৰজাৱলী নামেৰে যি নতুন ভাষা প্ৰৱৰ্তন কৰিছিল, তাত ঠাই পাইছিল অসমীয়া, প্ৰাচীন কামৰূপী, হিন্দী, সংস্কৃত, বাংলা, উৰিয়া, মৈথেলী আদি ভাষাই। সেয়ে শঙ্কৰদেৱক আমি এক বিকল্প ভাষাৰ সৃষ্টিকাৰক বুলি ক'ব পাৰোঁ। এই ভাষাই এসময়ত ভাৰতৰ বিভিন্ন প্ৰদেশৰ লোকৰ মাজত সমন্বয়ৰ সেঁতু গঢ়িছিল।

শঙ্কৰদেৱ আছিল পাৰিপাৰ্শ্বিকতাৰ ৰক্ষক। তেৰাই স্থাপন কৰি যোৱা নামঘৰ, থান, সত্ৰ আদিৰ স্থান আৰু পৰিৱেশ পৰ্যবেক্ষণ কৰিলেই ওলাই পৰে যে এক বিকল্প ধৰ্মীয় আৰু সাংস্কৃতিক জীৱন-ব্যৱস্থাৰ বাবে সেই ধৰ্মীয় প্ৰতিষ্ঠানবোৰ কোলাহলৰ পৰা নিলগত নিৰ্জন ঠাইত স্থাপন কৰা হৈছিল। তদুপৰি সত্ৰ-নামঘৰক কেন্দ্ৰ কৰি যি হাটী গঢ় লৈ উঠিছিল তাৰ মাজেৰে শৃঙ্খলাবদ্ধ জীৱন-ব্যৱস্থাও গঢ়ি তোলা হৈছিল।

নাৰী-মৰ্যাদাৰ ৰক্ষক শঙ্কৰদেৱ

শ্ৰীমন্ত শঙ্কৰদেৱ আছিল নাৰী-মৰ্যাদাৰ ৰক্ষক। তেৰাৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ এক বিস্তৃত অধ্যায় সূৰ্যৱতী আই, কালিন্দী আই, খেৰসুতী, চন্দৰী মাতৃ, ৰাধিকা সতী আদিয়ে আগুৰি আছে। 'বৃন্দাবনী বস্ত্ৰ' তৈয়াৰ কৰা কালত ধাইমাতৃ চন্দৰীয়ে ভাণ্ডিৰ পট আৰু কেশীঘাটৰ ক্ৰম লৰা বুলি আঙুলিয়াই দিয়া আৰু কল্পতৰু বৃক্ষৰ স্থান নিৰ্ণয় কৰি দিয়াৰ পিছত শঙ্কৰদেৱে তাক গ্ৰহণ কৰাৰ মাজেৰে তেৰাৰ নাৰীৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱ পোষণ কৰাকে বুজায়। শঙ্কৰদেৱৰ আদেশমৰ্মে ৰাধিকা সতীয়ে টেম্বুৱানী নৈৰ পানী মাটি আৰু গছেৰে বান্ধ বান্ধি বোধ কৰাৰ মাজেৰে শঙ্কৰদেৱে কৈৱৰ্ত সমাজৰ নাৰীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাকে

বুজায়। শঙ্কৰদেৱৰ অঙ্কীয়া নাট, বৰগীত আৰু উপাখ্যানৰ মাজত লুকাই থকা ৰুক্মিণী, সুমালিনী, চণ্ডালিনী, ৰাণী শৈব্যা আদি চৰিত্ৰৰ মাজেৰে অসমীয়া নাৰীৰ মাহাত্ম্য প্ৰকাশ কৰাৰ উপৰি সমগ্ৰ বিশ্বৰ নাৰী-সমাজৰ এক উজ্জ্বল প্ৰতিচ্ছবি দাঙি ধৰিছে। প্ৰায় প্ৰতিটো চৰিত্ৰৰ মাজেৰে শংকৰদেৱে নাৰীৰ কমনীয়তা, সৌন্দৰ্য, ভক্তিভাৱ, সততা আৰু প্ৰেমৰ পৱিত্ৰ চিত্ৰ আঁকিছে।

শঙ্কৰদেৱে ভাগৱত, কীৰ্তন আদি পুথিৰ পাতত নাৰী-মৰ্যাদা আৰু নাৰী-অধিকাৰক কিদৰে তুলি ধৰিছে তাৰ দুটামান উদাহৰণ দিব খুজিছোঁ। নাৰীৰ ধৰ্মচৰ্চা আৰু হৰিনাম-কীৰ্তনৰ অধিকাৰ সম্পৰ্কে শঙ্কৰদেৱে 'ভাগৱত'ত উল্লেখ কৰিছে ঃ

"স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।।"

পুনৰ 'ভাগৱত'ত কৈছে—

"কাক বুলি হৰি কথা হৰিৰ কীৰ্তন কিবা
যিটো সবে একোৱে নজানে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি তাকো শিক্ষা দিবা মাতি
ধৰিবে সিসবে অহোপ্ৰাণে।"

শঙ্কৰদেৱে কীৰ্তন পুথিৰ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' খণ্ডত প্ৰিয়বন্ধু উদ্ধৱক কেন্দ্ৰ কৰি শ্ৰীকৃষ্ণৰ মুখেৰে কোৱাইছে ঃ

"স্ত্ৰী শূদ্ৰ কৰে যদি আমাত ভকতি।
তাহাতো কহিবা এহি জ্ঞান মহামতি।।"

আনকি হৰি-ভকতিৰ ক্ষেত্ৰত স্ত্ৰী-পুৰুষ এক হোৱাৰ কথাকো কৈছে। যেনেঃ

"নাৰীয়ে পুৰুষে হৈবা এক মতি।
তেৱেসে সিজিব হৰিত ভকতি।।"

যি সময়ত একাংশ সত্ৰ, মছজিদ আৰু গীৰ্জাত নাৰীৰ প্ৰৱেশ নিষিদ্ধ, তাৰো পাঁচশ বছৰ আগতে শঙ্কৰদেৱে ধৰ্মচৰ্চাৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ 'একমতি'ৰ কথা কৈ নাৰীক এক উচ্চ আসনত প্ৰতিষ্ঠা কৰি গৈছে।

ৰামচৰণ ঠাকুৰ বিৰচিত চৰিত পুথিত শঙ্কৰদেৱে ৰজা, স্ত্ৰী আৰু কৰ্মকাণ্ডী ব্ৰাহ্মণক শৰণ নিদিয়াৰ কথা কোৱা হৈছে। তাত মাধৱদেৱক উদ্দেশ্য কৰি শঙ্কৰদেৱে কোৱা বুলি এনেদৰে উল্লেখ আছে ঃ

"ৰাজা স্ত্ৰী কৰ্মকাণ্ডী ব্ৰাহ্মণ সবৰ।
কদাচিতো আমি গুৰু নোহোই সবৰ।।"

অথচ সেই একেগৰাকী চৰিতকাৰ ৰামচৰণ ঠাকুৰে একেখন চৰিতপুথিত শঙ্কৰদেৱে নাৰীক শৰণ দিয়া সম্পৰ্কে কৈছে ঃ

"চিলাৰায় দেৱানৰ শতেক ৰমণী।
সেবিলন্ত সকলোৱে বিত বস্তু আনি।।"
"তাৰ পিছে ৰাণীসবে প্ৰাৰ্থনা কৰিলা।
এক চিত্ত জানি গুৰু শৰণক দিলা।।"

চৰিতপুথিত ৰামচৰণ ঠাকুৰে পুনৰ শঙ্কৰদেৱে কোৱা বুলি উল্লেখ কৰি লিখিছেঃ

"পৰম অধৰ্মী স্ত্ৰী পাপৰ শৰীৰ।
তাই কিবা জানিবে মহিমা ভকতিৰ।।"

বহুতৰ মতে, শঙ্কৰদেৱৰ এইষাৰ নাৰীৰ প্ৰতি অপমানসূচক কথা। কিন্তু স্তৱকটিৰ অৰ্থোদ্ধাৰ কৰিলে দেখা যায় যে উক্ত স্তৱকটিৰ মাজেৰে শঙ্কৰদেৱে কেৱল 'অধৰ্মী স্ত্ৰী' ৰ কথাহে কৈছে; সামগ্ৰিকভাৱে নাৰী সমাজক উদ্দেশ্য কৰি কোৱা নাই। একেদৰে বৰদোৱা গুৰু-চৰিতত উল্লেখ কৰা হৈছে ঃ "স্ত্ৰী পাপমতি, মিছা কথা কয়। মিছা ভিন্ন সচাঁ নাই।" ইয়াতো শঙ্কৰদেৱে কেৱল 'পাপমতি' নাৰীৰ কথাহে কৈছে; সকলো নাৰীক সামৰি কোৱা নাই। সেয়ে দেখা যায় যে শঙ্কৰদেৱৰ চিন্তা-দৰ্শনত সৎ নাৰীয়ে সদায় উচ্চ আসন দখল কৰি আহিছে। আজিৰ দিনত অসমীয়া সমাজত নাৰীৰ যি মৰ্যাদা সেয়া মুলতঃ শঙ্কৰদেৱৰেই অৱদান বুলি ক'ব পাৰি। কাৰণ, সাজ-পাৰ, মাত-কথা, লোক-সংস্কৃতি, কৃষ্টি-পৰম্পৰা, বৈবাহিক জীৱন, সামাজিক আৰু ধৰ্মীয় স্বাধীনতা আদিৰ ক্ষেত্ৰত অসমীয়া সমাজৰ নাৰীৰ যি স্বকীয়তা সেয়া পৃথিৱীৰ আন কোনো সমাজত ইমান সমৃদ্ধ ৰূপত দেখা নাযায়। শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শনত কনকলতা আয়ে ধৰ্মাধিকাৰৰ ভূমিকা পালন কৰাটোও এক উল্লেখযোগ্য ঘটনা। তেওঁ আছিল শঙ্কৰদেৱৰ নাতি চতুৰ্ভূজ ঠাকুৰৰ প্ৰথমা ভাৰ্যা। শঙ্কৰদেৱে কালিন্দী আই, খেৰসুতী, ধাইমাতৃ চন্দৰী, ৰাধিকা সতী আদিৰ প্ৰতি প্ৰদৰ্শন কৰি অহা শ্ৰদ্ধাই প্ৰতিগৰাকী অসমীয়া নাৰীক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। শঙ্কৰদেৱৰ দ্বিতীয়া পত্নী কালিন্দী আয়ে তেৰাৰ ধৰ্ম-কৰ্মৰ সৈতে বিশেষ মনোযোগ দিয়া নাছিল যদিও তেৰাই কোনোদিনে পত্নীক দুৰ্ব্যৱহাৰ কৰা বা টানকৈ কোৱাৰ উদাহৰণ নাই। কেৱল এবাৰহে শঙ্কৰদেৱে একশৰণ নামধৰ্মৰ প্ৰতি পত্নী কালিন্দী আইৰ অমনোযোগীতাৰ কথা উল্লেখ কৰি আক্ষেপেৰে মাধৱদেৱৰ আগত কৈছিল; "এ গৃহৰ স্ত্ৰীহে বুজাব নাপাইলো।"

শঙ্কৰদেৱৰ দিনৰ পৰা আজিৰ দিনলৈকে অসমীয়া নাৰীয়ে কৃষি-কৰ্ম, বয়ন-শিল্প, শিক্ষা-সংস্কৃতি, ধৰ্ম-পৰম্পৰা, গৃহী-জীৱন, সামাজিক-ৰাজনৈতিক জীৱন

আদিত যি স্বাধীনতা অৰ্জন কৰি আছে তেনে স্বাধীনতা অন্য ধৰ্ম আৰু সমাজ-সংস্কৃতিত পৰিলক্ষিত নহয়। অসমীয়া নাৰী যি উচ্চ সাংস্কৃতিক প্ৰতিভূৰ অধিকাৰী তাৰ লাইখুঁটাডাল হ'ল শঙ্কৰদেৱৰ ধৰ্ম আৰু সংস্কৃতিকেন্দ্ৰিক চিন্তা আৰু দৰ্শন। নামঘৰসমূহত পুৰুষৰ সৈতে একেলগে অসমীয়া নাৰীয়ে নাম-কীৰ্তন কৰা, মাহ-প্ৰসাদ বিলোৱা আদি কৰ্মৰে যি পৰম্পৰা দাঙি ধৰিছে তেনে পৰম্পৰা কেইখন সমাজত দেখা যায় বাৰু?

গণতন্ত্ৰৰ সুৰক্ষক তথা বামপন্থী শঙ্কৰদেৱ

শঙ্কৰদেৱে ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায় আৰু এশগৰাকী ৰাণীক শৰণ দিছিল; কিন্তু ৰজাই বিচৰা সত্ত্বেও তেওঁক শৰণ দিয়া নাছিল। কাৰণ, শঙ্কৰদেৱে ভাবিছিল যে ৰজাক শৰণ দিলে তেওঁ ধৰ্মবস্তুক পবিত্ৰৰূপে ধৰি ৰাখিব নোৱাৰিব বা ধৰ্মক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰিব। সেইবাবেই তেৰাই একশৰণ নামধৰ্মক ৰজাৰ ধৰ্মত পৰিণত কৰাৰ সলনি প্ৰজাৰ ধৰ্মলৈ ৰূপান্তৰ কৰিছিল। আনেকি ৰজাৰ সৈতে আপোচ নকৰা বাবে শঙ্কৰদেৱে জন্মস্থান এৰি মধুপুৰলৈকে গমন কৰিছিল। সামন্তবাদী ব্যৱস্থাৰ মাজত থাকিয়ো শঙ্কৰদেৱে প্ৰতিষ্ঠানিক চিন্তা-চৰ্চাৰ বিপৰীতে সমাজত নতুন চিন্তা-চৰ্চাৰ সূচনা কৰিছিল। সেয়ে শঙ্কৰদেৱক আমি তেতিয়াৰ দিনৰ এগৰাকী বামপন্থী বুলি অভিহিত কৰিব পাৰোঁ; কাৰণ, তেৰাই সোঁপন্থা বুলি পৰিচিত গতানুগতিকতাৰ বিপৰীতে নতুন পন্থাৰে বাট বুলিছিল, যি বাটক আমি বাওঁপন্থা বুলি ক'ব পাৰোঁ।

শঙ্কৰদেৱে ৰাজনীতি কৰা নাছিল যদিও তেৰাৰ চিন্তাধাৰা আছিল সম্পূৰ্ণৰূপে গণতান্ত্ৰিক। উদাহৰণস্বৰূপে শঙ্কৰদেৱৰ উত্তৰাধিকাৰ নিৰ্বাচনৰ কথাকে ক'ব পাৰি। তেৰাই জীৱিত কালতেই ধৰ্মৰ উত্তৰাধিকাৰ পাতিছিল বঢ়াৰপো মাধৱদেৱক। নিজৰ পুত্ৰ ৰামানন্দ ঠাকুৰৰ সলনি এগৰাকী প্ৰিয় শিষ্যক উত্তৰাধিকাৰ নিৰ্বাচন কৰাটোৱে শঙ্কৰদেৱৰ গণতান্ত্ৰিক চিন্তাধাৰাৰ প্ৰতিফলন ঘটায়। কেৱল সেয়াই নহয়। লোভ-মোহ আৰু ক্ষমতা আহৰণৰ সপোন নেদেখি শঙ্কৰদেৱে ৰজাই প্ৰদান কৰা 'গোমস্তা' পদটোকো গ্ৰহণ কৰা নাছিল। ৰজা নৰনাৰায়ণে দিয়া 'গোমস্তা পদ'টোক তেৰাই ত্যাগ কৰি জ্ঞাতিভাই ৰামৰায়ক দিছিল। তদুপৰি তেৰাই শিৰোমণি ভুঞাৰ গিৰীপদো ত্যাগ কৰিছিল। বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰয়োগ কৰা গণতান্ত্ৰিক পদ্ধতিয়েও শঙ্কৰদেৱৰ গণতান্ত্ৰিক চিন্তাৰেই প্ৰতিফলন ঘটায়। সেয়ে এনেবোৰ কথাৰ আধাৰত ক'ব পাৰি যে এগৰাকী ধৰ্মগুৰু হোৱা সত্ত্বেও শঙ্কৰদেৱ আছিল গণতন্ত্ৰ আৰু সাম্যবাদী চিন্তাধাৰাৰ প্ৰতি শ্ৰদ্ধাশীল।

বিশ্ব-ভাতৃত্বৰ সোণালী সাঁকো নির্মাতা শঙ্কৰদেৱ

শঙ্কৰদেৱ আছিল বিশ্ব-ভাতৃত্বৰ সোণালী সাঁকো নির্মাতা। তেৰাৰ ধৰ্মীয় আৰু সাংস্কৃতিক চিন্তা তথা দর্শনে সংকীর্ণতাৰ সীমা ভেদি দূৰ-দিগন্তলৈ বিয়পি পৰিছিল। এইগৰাকী ধৰ্মগুৰুক আমি মহাপুৰুষ বুলি কওঁ। কাৰণ, মাধৱদেৱেও কৈছে ঃ

"ত্রিভুবন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জনগণ তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।"

একেদৰে 'গুৰুভটিমা'ত কোৱা হৈছে ঃ

"চাৰি বেদ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক কয়লি কলিকো
শঙ্কৰদেৱ পৰকাশ।।"

মহাপুৰুষ এগৰাকীৰ যি বত্ৰিছটা লক্ষণ তাৰ কথা মাধৱদেৱে 'নামঘোষা'ত কৃষ্ণৰ প্ৰসঙ্গৰে অতি সুন্দৰকৈ বৰ্ণনা কৰিছে। তেনেদৰে 'গুৰুভটিমা'তো শঙ্কৰদেৱৰ মহাপুৰুষীয় গুণ-গৰিমাৰ বৰ্ণনা কৰি কোৱা হৈছে ঃ

"দৰশিত সুন্দৰ গৌৰ কলেৱৰ
যৈচন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।।
বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহীন গম্ভীৰ ধীৰমতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহু জ্যোতি।।"

এনে এগৰাকী মহাপুৰুষ বাস্তৱিকতে আছিল বিশ্ব-ভাতৃত্বৰ ভাষ্যকাৰ। কাৰণ, তেৰাৰ চিন্তা-দৰ্শনত সংকীৰ্ণতা, জাত-পাতৰ বিচাৰ, ধৰ্মীয় বিভেদ আদি সম্পূৰ্ণৰূপে অনুপস্থিত। তেৰাৰ ধৰ্ম-দৰ্শনে (এক দেৱ এক সেৱ এক বিনে নাই কেৱ) ইছলামৰ বিশ্ব-ভাতৃত্ব আৰু একেশ্বৰবাদক গ্ৰহণ কৰিছে, খৃষ্টান ধৰ্মৰ উদাৰতা আৰু প্ৰেমভাৱক মূল্য দিছে, তথা বৌদ্ধধৰ্মৰ মহানুভৱতাক স্বীকাৰ কৰিছে। সেইবাবেই শঙ্কৰদেৱে জাত-পাত, বৰ্ণ-সম্প্ৰদায়ৰ উৰ্ধ্বত থাকি ক'ব পাৰিছে ঃ

"জাতি-কূল বিচাৰিয়া বৈৰীও নিন্দয়।
পঞ্চম পাতকি হুয়া নৰকে পৰয়।।"
(ভক্তিপ্ৰদীপ)

"কুক্কুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"
(কীৰ্তন-ঘোষা)

"সমস্ত প্ৰাণী দেখিবে আত্মাসম।
উপায় মধ্যত ইটো আতি মুখ্যতম।।"
(কীৰ্তন, ভাগৱত)

"ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কূল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।"

শঙ্কৰদেৱৰ এনে চিন্তা-দৰ্শনৰ বাবেই তেৰা বিশ্ববন্দিত, বিশ্বৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক। এইগৰাকী শঙ্কৰদেৱে কৃষ্ণকেন্দ্ৰিক যি সংস্কৃতিৰ কথা কৈছিল সেয়া সাৰ্বজনীন সংস্কৃতি। ৰাস, ভাওনা, বৰগীত, অংকীয়া নাট আৰু বিভিন্ন আখ্যানৰ মাজেৰে শঙ্কৰদেৱে কৃষ্ণক বিশ্বজনীন ৰূপ দিছে। কেৱল অসম বা ভাৰতবৰ্ষতেই নহয়, বিশ্বৰ বিভিন্ন প্ৰান্ততো কৃষ্ণ এক সাৰ্বজনীনতাৰ প্ৰতীক। উদাহৰণস্বৰূপে আমি ইণ্ডোনেছিয়া, মালয়েছিয়া আদি দেশৰ কথাকে ক'ব পাৰোঁ। সেইবোৰ দেশত সোতৰ শতিকালৈকে সনাতন ধৰ্মৰ প্ৰভাৱ আছিল। সোতৰ শতিকাৰ মাজভাগৰ পৰা সেই সনাতন ধৰ্মীসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পিছতো মহাভাৰত আৰু ৰামায়ণৰ শ্ৰীকৃষ্ণ আৰু ৰামক দেশপ্ৰেম আৰু সংস্কৃতিৰ প্ৰতীকৰূপে শ্ৰদ্ধা কৰি আহিছে। ইণ্ডোনেছিয়াৰ মুছলমানসকলৰ ঘৰে ঘৰে ৰামৰ ছবি আছে। আনকি ইণ্ডোনেছিয়া আৰু মালয়েছিয়াত নিয়মিতৰূপে ভাওনা সংস্কৃতি অনুষ্ঠিত হয়। ইণ্ডোনেছিয়াৰ বিমান বন্দৰৰ নামো 'গৰুড় বিমান বন্দৰ'। কৃষ্ণ আৰু ৰামৰ প্ৰভাৱ থকা কাৰণেই ইণ্ডোনেছিয়া, মালয়েছিয়া আদি ইছলামধৰ্মী সংখ্যাগৰিষ্ঠ দেশত মৌলবাদ আৰু সাম্প্ৰদায়িকতাবাদৰ প্ৰভাৱ নাই।

অসমতো শঙ্কৰদেৱৰ ধৰ্ম আৰু সংস্কৃতি আধাৰিত শ্ৰীকৃষ্ণৰ ব্যাপক প্ৰভাৱ থকা বাবে ৰাজ্যখনত সাম্প্ৰদায়িকতা, ধৰ্মীয় মৌলবাদ, সামাজিক সংকীৰ্ণতা আদি নাই। এনে এগৰাকী বিশ্বশ্ৰেষ্ঠ মহাপুৰুষৰ চৰ্চা কেৱল অসম বা ভাৰততেই নহয়;

সমগ্র বিশ্বজুৰি হোৱা উচিত আৰু তেৰাৰ চিন্তা-দৰ্শনৰ আধাৰত বিশ্ব-শান্তি, সুস্থ-সংস্কৃতি আৰু মানৱতাবোধৰ এক নতুন বৌদ্ধিক আন্দোলন গঢ়ি তোলা উচিত। শঙ্কৰদেৱৰ চিন্তা-দৰ্শনে ইতিমধ্যে বিশ্বৰ কে'বাগৰাকী বিশিষ্ট লোকৰ দৃষ্টি আকৰ্ষণ কৰিছে। যেনে—

(১) "মহৎ আৰু সু-সংস্কৃতিসম্পন্ন ধৰ্মীয় সংস্কাৰক শঙ্কৰদেৱে সমগ্র জীৱন জুৰি মানুহৰ মাজত শান্তিৰ মাজেৰে অসাধাৰণ আৰু বিপ্লৱী দৃষ্টিভঙ্গী তথা লক্ষ্য-উদ্দেশ্য প্ৰচাৰ কৰিছিল, ...তেওঁৰ শিষ্যসকলক ধৰ্মীয় সান্ত্বনা-বাণী শুনাইছিল, অন্য এক পৃথিৱীৰ সুখৰ বতৰা বিলাইছিল, বিশ্বভাতৃত্বৰ মহৎ বাণীৰে দেশবাসীৰ মাজত শ্রদ্ধা-ভক্তি আৰু সততাৰ দীক্ষা দিছিল।" (ষ্টিফেন ফাক্‌চ। অষ্ট্ৰেলিয়া)

(২) "ষোল্ল শতিকাত গঢ়ি তোলা এক মহৎ বৈষ্ণৱ পুনৰুত্থানৰ মাজেৰে শঙ্কৰদেৱে অসমীয়া জনসাধাৰণক দয়াশীল, সহনশীল আৰু মানৱতাবাদী কৰি গঢ়ি তুলিছিল।" (মহাত্মা গান্ধী। ভাৰত)

(৩) "যেতিয়া সমগ্র দেশখন বহু বৰ্ণ আৰু গোত্ৰত বিভক্ত হৈছিল তেতিয়া তেওঁ তেওঁৰ সৃষ্টি-কৰ্মৰ মাজেৰে এক ভাৰত আৰু এক ভাৰতীয় সংস্কৃতিৰ বাবে আহ্বান জনাইছিল।" (আচাৰ্য বিনোৱাভাবে। ভাৰত)

(৪) "শঙ্কৰদেৱ পৃথিৱীৰ ভিতৰত মুকলি মঞ্চ আৰু মুকলি অভিনয়ৰ জন্মদাতা।" (অধ্যাপক ফাৰ্লি ৰিচ্‌মণ্ড। আমেৰিকা)

অসমৰ বিপ্লৱী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাই পৃথিৱীৰ যি তিনিগৰাকী কৃষ্টিৰ আঁকৰ মহাপুৰুষৰ নাম উল্লেখ কৰিছিল সেই তিনিগৰাকীৰ এগৰাকী হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ। বাকী দুগৰাকী হ'ল শ্ৰীকৃষ্ণ আৰু লিউনাৰ্ড দ্যা ভিঞ্চি। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই এইগৰাকী শঙ্কৰদেৱক অভিহিত কৰিছিল 'পূৰ্ণ সংস্কৃতিৰ প্ৰতীক' বুলি। আনকি মহাত্মা গান্ধীৰ দৰে বিশ্ববৰেণ্য লোকে ১৯২১ চনত অসমলৈ আহোতে কৈছিল যে তেওঁ অস্পৃশ্যতা নিৰ্মূলৰ হকে যি আন্দোলন কৰি আছে সেই কাম শঙ্কৰদেৱে পাঁচশ বছৰ আগতে কৰিছিল। এনে এগৰাকী মহাপুৰুষ শঙ্কৰদেৱক অসমৰ বিভিন্ন ফৈদে বিভাজন কৰিব খোজাটো দুৰ্ভাগ্যৰ কথা। অসমীয়া জাতিক সমৃদ্ধ কৰি বিশ্বৰ বুকুত সুকীয়াকৈ পৰিচয় কৰাই দিবলৈ হ'লে সত্ৰ, নামঘৰ, থান আদিক কেন্দ্ৰ কৰি চলা বিভাজন পৰিহাৰ কৰিব লাগিব। শঙ্কৰদেৱক বাদ দি এইসমূহ ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ কোনো অস্তিত্ব নাথাকে। কাৰণ, শঙ্কৰদেৱ নিজেই আছিল এনে বিভাজনৰ উৰ্দ্ধত। এইগৰাকী শঙ্কৰদেৱৰ প্ৰভাৱতেই ব্ৰাহ্মণ-

শিষ্য হৰিদেৱে কৈছিল— "সকলোৱে একত্রে ভোজন কৰিবা" বুলি। এই দীক্ষা মূলতঃ সকলো মানুহ এক হোৱাৰ দীক্ষা, বিশ্ব-ভাতৃত্বৰ দীক্ষা। শঙ্কৰদেৱৰ হৰিনাম-কীৰ্তনত এনে দীক্ষাকেই দিয়া হয়। সেইবাবেই শঙ্কৰদেৱে ব্ৰহ্মাণ্ড ভেদি এই ধৰ্ম আৰু সংস্কৃতিৰ সোঁত বোৱাই থৈ গৈছে। ভকতে গাইছে—

"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

আহক, এনে এগৰাকী সমাজ-বিজ্ঞানী, গণধৰ্মৰ প্ৰতিষ্ঠাতা, জাতীয় সংস্কৃতিৰ উদ্ভাৱক, সংহতিৰ প্ৰতীক, গণতান্ত্ৰিক আৰু মানৱীয় প্ৰমূল্যবোধৰ জন্মদাতা শঙ্কৰদেৱক লৈ আমি প্ৰগতিশীল দৃষ্টিভংগীৰে মূল্যায়ন কৰি পৃথিৱীৰ যিকোনো প্ৰান্তত থকা অসমীয়াই গৌৰৱেৰে কওঁঃ

"জয় জয় শঙ্কৰ বিশ্বৰূপী খনিকৰ
তোমাৰ মহিমা অপাৰ;
নামতে তোমাৰ পৰিচয় আমাৰ
বিলালা বিশ্বত পোহৰ।
হেনুৱা পোহৰত আমি বাট বুলিছোঁ
তোমাৰ গুণ-গান গাই;
অসমীয়া জাতিকে তুমি ধন্য কৰিলা
তোমাৰ যে তুলনা নাই ।"

জয় গুৰু শঙ্কৰ

ছেন্ট এণ্ড্ৰিউজ চাৰ্চ হল,
ছেজ ছাইড, ছাউথগেট,
লণ্ডন, ইংলেণ্ড (যুক্তৰাজ্য)
১৮ অক্টোবৰ, ২০০৮

ইছমাইল হোছেইন

শ্ৰীমন্ত শঙ্কৰদেৱ, সত্ৰীয়া সংস্কৃতি আদি সম্পৰ্কে ইছমাইল হোছেইনৰ ভাষণ

১। ৪ অক্টোবৰ, ১৯৯৫	:	মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৪৭ তম্ জন্মোৎসৱ। বৰদধি শঙ্কৰদেৱ বালিকা বিদ্যাপীঠ প্ৰাঙ্গণ। (বিশিষ্ট অতিথি হিচাপে)।
২। ৬ অক্টোবৰ, ২০০৩	:	মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৫৫ তম্ জন্মোৎসৱ। শ্ৰীমন্ত শঙ্কৰদেৱ শাখা সত্ৰ, তামুলপুৰ। (মুখ্য অতিথি হিচাপে)।
৩। ২৭ ছেপ্টেম্বৰ, ২০০৪	:	চিলচৰ নামঘৰ (শঙ্কৰ মন্দিৰ)। চিলচৰ, কাছাৰ।
৪। ২৩ ডিচেম্বৰ, ২০০৪	:	শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ সমিতিৰ সোণালী জয়ন্তী সমাৰোহৰ যুৱ সমাৰোহ। পল্টন বজাৰ নামঘৰ, গুৱাহাটী। (বিশিষ্ট অতিথি হিচাপে)।
৫। ১ অক্টোবৰ, ২০০৬	:	মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৫৮ তম্ জন্মোৎসৱ। বৃহত্তৰ গুৱাহাটী শ্ৰীমন্ত শঙ্কৰদেৱ কেন্দ্ৰীয় সমিতি। (নিৰ্দিষ্ট বক্তা হিচাপে)।
৬। ৩ অক্টোবৰ, ২০০৬	:	মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৫৮ তম্ কেন্দ্ৰীয় আবিৰ্ভাৱ মহোৎসৱ। জোনাই। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ। (নিৰ্দিষ্ট বক্তা হিচাপে)।
৭। ৮ অক্টোবৰ, ২০০৬	:	শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৫৮ তম্ জন্মোৎসৱ। ২নং বৰবিল সাৰ্বজনীন নামঘৰ, ডিগবৈ। (মুখ্য অতিথি হিচাপে)।
৮। ৯ ডিচেম্বৰ, ২০০৬	:	পূৱ জ্যোতিনগৰ নামঘৰ (গুৱাহাটী) ৰ ৰূপালী জয়ন্তী উৎসৱৰ আলোচনা চক্ৰ (বিশিষ্ট বক্তা হিচাপে। বিষয় ঃ বৰ্তমান সময়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰাসঙ্গিকতা)।
৯। ৭ জানুৱাৰী, ২০০৭	:	ডিগবৈৰ ৰামনগৰ নামঘৰৰ সোণালী জয়ন্তীৰ ধৰ্মালোচনী সভা। (মুখ্য অতিথি হিচাপে)।
১০। ২৮ জানুৱাৰী, ২০০৭	:	শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ৰঙিয়া জিলা শাখাৰ ২৬ তম্ অধিবেশন। গোৰেশ্বৰ। (বিশিষ্ট অতিথি হিচাপে)।

১১। ৭ ফ্রেব্রুৱাৰী, ২০০৭ : মইনবড়ী সত্ৰৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা অনুষ্ঠান। চন্তাবাৰী, সৰভোগ। (নিৰ্দিষ্ট বক্তা হিচাপে)।

১২। ১৯ ফেব্রুৱাৰী, ২০০৭ : অসম সত্ৰ মহাসভাৰ ৯১ তম্ বাৰ্ষিক অধিবেশনৰ যুৱ-সমাৰোহৰ আলোচনা চক্ৰ। ছমৰীয়া সত্ৰ। (সঞ্চালক হিচাপে। বিষয়ঃ সত্ৰীয়া সংস্কৃতি সম্প্ৰসাৰণত যুৱ সমাজৰ দায়বদ্ধতা)।

১৩। ৫ এপ্ৰিল, ২০০৭ : ২ আৰু ৪ এপ্ৰিলত জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনাত মহাভাৰতৰ উদ্যোগ পৰ্বত ৰজা সত্যব্ৰতৰ ভাও দিয়াৰ উপৰি ৫ এপ্ৰিলৰ গধূলি বিশাল সাংস্কৃতিক সমাৰোহত শ্ৰীমন্ত শংকৰদেৱ আৰু ভাওনা সংস্কৃতি সম্পৰ্কে ভাষণ।

১৪। ৭ এপ্ৰিল, ২০০৭ : শ্ৰীশ্ৰীগড়মূৰ সত্ৰ শিষ্য মহাসন্মিলন, ২০০৭। আলোচনা চক্ৰ। গড়মূৰ, মাজুলী। (মুখ্য বক্তা। বিষয় ঃ পীতাম্বৰদেৱ গোস্বামীৰ সংস্কাৰ বিপ্লৱ)।

১৫। ২ জুন, ২০০৭ : শ্ৰীশ্ৰীকোৱামৰা সত্ৰৰ সন্ত অভিৱৰ্তনৰ মুকলি সভা। (নিৰ্দিষ্ট বক্তা হিচাপে)।

১৬। ১৩ ছেপ্টেম্বৰ, ২০০৭ : মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোধান তিথি। নিউ গুৱাহাটী আদৰ্শ উচ্চ বিদ্যালয়। (নিৰ্দিষ্ট বক্তা হিচাপে)।

১৭। ২২ ছেপ্টেম্বৰ, ২০০৭ : শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৫৯ তম্ জন্ম-জয়ন্তী। শংকৰ মাধৱ প্ৰতিভা কেন্দ্ৰ। দুৰ্গাসৰোবৰ, গুৱাহাটী। (বিশিষ্ট অতিথি)।

১৮। ২৩ ছেপ্টেম্বৰ, ২০০৭ : শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৫৯ তম্ জন্মোৎসৱ। বৰপেটা বৰবজাৰ যুৱক সংঘ। (নিৰ্দিষ্ট বক্তা হিচাপে)।

১৯। ৩০ ছেপ্টেম্বৰ, ২০০৭ : শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৫৯ তম্ জন্মোৎসৱ। শ্ৰীমন্ত শংকৰদেৱ সংঘ। ৰঙিয়া জিলা শাখা। বালাগাঁও। (সন্মানীয় অতিথি হিচাপে)।

২০। ৭ অক্টোবৰ, ২০০৭ : শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৫৯ তম্ জন্মোৎসৱ। শ্ৰীমন্ত শংকৰদেৱ সংঘ, হাজো জিলা শাখা। হালোগাঁও। (নিৰ্দ্দিষ্ট বক্তা হিচাপে)।

২১। ৯ নৱেম্বৰ, ২০০৭ : শ্ৰীমন্ত শংকৰদেৱৰ ৫৫৯ তম্ জন্মোৎসৱ। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পাৰ্থসাৰথি আঞ্চলিক শাখা। মাজগাঁও নামঘৰ প্ৰাঙ্গণ। (মুখ্য অতিথি হিচাপে)।

২২। ১৫ নৱেম্বৰ, ২০০৭ : পঞ্চম সত্ৰীয়া সংস্কৃতি দিৱস আৰু যুৱতীৰ্থ অভিৱৰ্তন। অসম সত্ৰ মহাসভাৰ পশ্চিম নগাঁও জিলা শাখা। মাজগাঁও সাৰ্বজনীন ৰাস মন্দিৰ।

(মুখ্য আলোচক। বিষয় ঃ জাতীয় ঐক্য-সংহতি ৰক্ষাৰ ক্ষেত্ৰত সত্ৰ সংস্কৃতিৰ ভূমিকা)।

২৩। ৬ জানুৱাৰী, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৰঙিয়া জিলা শাখাৰ বাৰ্ষিক অধিবেশনৰ মুকলি সভা। নাওকাটা। (নিৰ্দিষ্ট বক্তা হিচাপে)।

২৪। ২৫ জানুৱাৰী, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মাধবদেৱ আঞ্চলিক শাখাৰ বাৰ্ষিক অধিবেশনৰ মুকলি সভা। (মুখ্য অতিথি হিচাপে)।

২৫। ১ ফেব্ৰুৱাৰী, ২০০৮ : অসম ভাওনা সমাৰোহ ঃ ২০০৮। মণিকাঞ্চন ৰঙ্গক্ষেত্ৰ। আউনীআটী সত্ৰ, মাজুলী। (শ্ৰীমন্ত শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' অংকীয়া নাটত মূল ৰজাৰ ভাও। আগদিনাৰ মুকলি সভাত ভাওনা সংস্কৃতি সম্পৰ্কে বক্তৃতা প্ৰদান)।

২৬। ৬ ফেব্ৰুৱাৰী, ২০০৮ : শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৭৭ তম্ বাৰ্ষিক অধিবেশনৰ সাহিত্য শাখাৰ মুকলি অধিবেশন। সৰুপথাৰ (বিশিষ্ট অতিথি হিচাপে)।

২৭। ৭ মাৰ্চ, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জাপিয়া প্ৰাথমিক শাখাৰ বাৰ্ষিক ধৰ্মালোচনী সভা। জাপিয়া শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰ প্ৰাঙ্গণ। (নিৰ্দিষ্ট বক্তা হিচাপে)।

২৮। ৩০ মাৰ্চ, ২০০৮ : অসম মহাপুৰুষীয়া সত্ৰ সমাজৰ বিংশতিতম ত্ৰিবাৰ্ষিক সন্মিলন। ঢালিগাঁও। (মুকলি সভাৰ আমন্ত্ৰিত অতিথি)। মহন্ত উপাধি ঘোষণা।

২৯। ৩ মে', ২০০৮ : পালনাম আৰু ধৰ্মালোচনী সভা। বালিসিঠা শ্ৰীমন্ত শঙ্কৰদেৱ শাখা সত্ৰ। (নিৰ্দিষ্ট বক্তা হিচাপে)।

৩০। ১ছেপ্টেম্বৰ , ২০০৮ : প্ৰগতিশীল মঞ্চ, ভেটাপাৰা, গুৱাহাটী। শঙ্কৰদেৱ সম্পৰ্কীয় স্মাৰক বক্তৃতা ।

৩১। ৮ অক্টোবৰ, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত গুৱাহাটীত আয়োজিত শঙ্কৰদেৱৰ জন্মোৎসৱত বিশিষ্ট অতিথি হিচাপে ভাষণ।

৩২। ৯ অক্টোবৰ, ২০০৮ : কৃষ্ণনগৰ (জাপৰিগোগ, গুৱাহাটী) নামঘৰত আয়োজিত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ।

৩৩। ১০ অক্টোবৰ, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্যোগত নলবাৰী জিলাৰ উদয়পুৰ নামঘৰ প্ৰাঙ্গণত আয়োজিত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ।

৩৪। ১২ অক্টোবৰ, ২০০৮ : যোৰহাটত অনুষ্ঠিত সদৌ অসম ভাওনা সমাৰোহৰ

উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে শঙ্কৰদেৱ আৰু ভাওনা সংস্কৃতি সম্পৰ্কে ভাষণ।

৩৫। ১৮ অক্টোবৰ, ২০০৮ : প্ৰবাসী অসমীয়া সমাজ আৰু অসম সাহিত্য সভাৰ যুক্তৰাজ্য শাখাৰ উদ্যোগত লণ্ডনত আয়োজিত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱৰ মুকলি সভাত মুখ্য অতিথি হিচাপে "শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়?" শীৰ্ষক ভাষণ।

৩৬। ১৩ নৱেম্বৰ, ২০০৮ : চিনামৰা মহাবিদ্যালয়ৰ উদ্যোগত আয়োজিত শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা প্ৰদৰ্শনৰ উদ্বোধনী অনুষ্ঠানত 'শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ সাংস্কৃতিক চিন্তা' শীৰ্ষক বিষয়ত মুখ্য অতিথিৰূপে ভাষণ।

৩৭। ১৪ নৱেম্বৰ, ২০০৮ : যোৰহাট চি. কে. বি. বাণিজ্য মহাবিদ্যালয়ত 'শংকৰদেৱৰ বিশ্বজনীন প্ৰচাৰ আৰু আমাৰ কৰণীয়' শীৰ্ষক বিষয়ত ভাষণ।

৩৮। ১৫ নৱেম্বৰ, ২০০৮ : গীতা মহাসন্মিলনৰ উদ্যোগত ডিফুত আয়োজিত গীতা সম্পৰ্কীয় আলোচনা চক্ৰত 'গীতা আৰু মহাপুৰুষ শঙ্কৰদেৱৰ একশৰণ তত্ত্ব' সন্দৰ্ভত মুখ্য আলোচক হিচাপে ভাষণ।

৩৯। ২২ নৱেম্বৰ, ২০০৮ : গুৱাহাটী গাৰ্লচ পলিটেক্‌নিকৰ ছাত্ৰী নিবাসত আয়োজিত সভাত অতিথিৰূপে 'লণ্ডনত শঙ্কৰদেৱ সম্পৰ্কীয় ভাষণ আৰু অভিজ্ঞতা' শীৰ্ষক বিষয়ত ভাষণ।

৪০। ১৭ ডিচেম্বৰ, ২০০৮ : বৰপেটা জিলাৰ গজিয়া সত্ৰত আয়োজিত শ্ৰীশ্ৰীনাৰায়ণ দাস ঠাকুৰ আতাৰ ৪১৯ তম্ তিৰোভাৱ তিথি মহোৎসৱত বিশিষ্ট অতিথি হিচাপে 'শঙ্কৰদেৱ আৰু নাৰায়ণদাস ঠাকুৰ আতাৰ দৰ্শন' শীৰ্ষক বিষয়ত ভাষণ।

৪১। ২৫ ডিচেম্বৰ, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নতুন দেহৰ আঞ্চলিক শাখাৰ অধিবেশনত বিশিষ্ট অতিথি হিচাপে শংকৰদেৱ সম্পৰ্কীয় ভাষণ।

৪২। ২৬ ডিচেম্বৰ, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শ্ৰীৰাম আতা আঞ্চলিক শাখাৰ (গুৱাহাটী) অধিবেশনত ' শ্ৰীমন্ত শঙ্কৰদেৱ আৰু অসমীয়া সমাজ' শীৰ্ষক আলোচনা চক্ৰত মুখ্য অতিথিৰূপে ভাষণ।

৪৩। ২৮ ডিচেম্বৰ, ২০০৮ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বদুলা আতা ডিমৰীয়া

আঞ্চলিক শাখাৰ অধিবেশনত বিশিষ্ট অতিথিৰূপে শংকৰদেৱ সম্পৰ্কীয় ভাষণ।

৪৪। ৪ জানুৱাৰী, ২০০৯ : গোগামুখৰ চিনাকি প্ৰকাশনে ২৩তম্ গুৱাহাটী গ্ৰন্থমেলাত আয়োজন কৰা অন্তৰঙ্গ আলাপ অনুষ্ঠানত মুখ্য অতিথিৰূপে শংকৰদেৱৰ আন্তৰ্জাতিক স্বীকৃতি সম্পৰ্কীয় ভাষণ।

৪৫। ১৮ জানুৱাৰী, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বৰপেটা জিলা শাখাৰ ২৬ তম্ বাৰ্ষিক অধিবেশনৰ (ভৱানীপুৰ) মুকলি সভাত মুখ্য অতিথিৰূপে শংকৰদেৱ সম্পৰ্কীয় ভাষণ।

৪৬। ২৪ জানুৱাৰী, ২০০৯ : নিউজ লাইভ (NEWS LIVE) টি. ভি চেনেলৰ উদ্যোগত আয়োজিত 'অকথ্য' শিতানত কু-চক্ৰী তথা শঙ্কৰদেৱ -বিদ্বেষী শ্ৰীকান্তদেৱ শৰ্মাৰ 'শঙ্কৰ বিভ্ৰাট' নামৰ নিকৃষ্ট গ্ৰন্থৰ বিৰুদ্ধে হোৱা আলোচনাত মুখ্য আলোচকৰূপে অংশগ্ৰহণ কৰি গ্ৰন্থখন নিষিদ্ধ কৰা সম্পৰ্কে বলিষ্ঠ পদক্ষেপ গ্ৰহণ।

৪৭। ২৫ জানুৱাৰী, ২০০৯ : শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোৱালপাৰা জিলা সমিতিয়ে বাগডোবা নামঘৰ প্ৰাঙ্গণত আয়োজন কৰা অধিবেশনত মুখ্য অতিথিৰূপে শংকৰদেৱ সম্পৰ্কীয় ভাষণ।

৪৮। ২৬ জানুৱাৰী, ২০০৯ : ৰঙিয়াৰ শ্ৰীশ্ৰীগৰখীয়া গোপাল মাৰলী থানৰ বাৰ্ষিক উৎসৱত 'শ্ৰীকৃষ্ণ আৰু শংকৰদেৱ' শীৰ্ষক বিষয়ত ভাষণ।

৪৯। ২৯ জানুৱাৰী, ২০০৯ : DY365 টি. ভি চেনেলে আয়োজন কৰা 'জনমঞ্চ'ত 'শংকৰ বিভ্ৰাট' গ্ৰন্থখন নিষিদ্ধকৰণ সম্পৰ্কে যুক্তি প্ৰদৰ্শন।

৫০। ৩১ জানুৱাৰী, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰং জিলা শাখাৰ বাৰ্ষিক অধিবেশনৰ (আদ্ধেৰীঘাট) সাহিত্য শাখাৰ মুকলি সভাত 'শ্ৰীমন্ত শঙ্কৰদেৱ আৰু অসমীয়া সাহিত্য-সংস্কৃতি' শীৰ্ষক বিষয়ত ভাষণ।

৫১। ৩ ফেব্ৰুৱাৰী, ২০০৯ : মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ উদ্যোগত আয়োজন কৰা 'সদৌ অসম ভাওনা সমাৰোহ'ৰ আলোচনা চক্ৰত 'যুৱ মানসিকতাৰ উত্তৰণত অংকীয়া ভাওনাৰ প্ৰয়োজনীয়তা' শীৰ্ষক বিষয়ত মুখ্য আলোচকৰূপে ভাষণ। গধূলি চান্দসাই ভাওনা দলৰ 'ৰামবিজয়'ত ৰামৰ ভাও।

৫২। ৯ ফেব্ৰুৱাৰী, ২০০৯ একশৰণ ভাগৱতী সমাজৰ প্ৰাদেশিক অধিবেশনৰ (বোৰেজীয়া) মুকলি সভাত বিশিষ্ট অতিথিৰূপে

'শ্ৰীমন্ত শঙ্কৰদেৱ আৰু একশৰণ দৰ্শন' শীৰ্ষক বিষয়ত ভাষণ।

৫৩। ৭ মাৰ্চ, ২০০৯ : গুৱালকুছিৰ হুৱালকৃষ্ণ কৃষ্টি বিকাশ কেন্দ্ৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ অধিবেশনত নিৰ্দিষ্ট বক্তাৰূপে 'শ্ৰীমন্ত শঙ্কৰদেৱ আৰু কৃষ্ণ-সংস্কৃতি' শীৰ্ষক বিষয়ত ভাষণ।

৫৪। ১১ মাৰ্চ, ২০০৯ : শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিয়ে আয়োজন কৰা দৌল উৎসৱৰ মুকলি সভাত 'শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন আৰু দৌল উৎসৱৰ সাৰ্বজনীনতা' শীৰ্ষক বিষয়ত ভাষণ।

৫৫। ১২ মাৰ্চ, ২০০৯ : বৃহত্তৰ গুৱাহাটী দৌল উৎসৱ উদ্‌যাপন সমিতিয়ে আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি 'দৌল উৎসৱ আৰু জাতীয় সমন্বয়' শীৰ্ষক বিষয়ত ভাষণ।

৫৬। ১৮ মাৰ্চ, ২০০৯ : মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ প্ৰথম বাৰ্ষিক অধিবেশনৰ (ছেৰাগুৰি, বৰপথাৰ। গোলাঘাট) মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে শংকৰদেৱ সম্পৰ্কীয় ভাষণ।

৫৭। ২৪ মাৰ্চ, ২০০৯ : একশৰণ ভাগৱতী সমাজৰ কপিলী দক্ষিণপৰীয়া আঞ্চলিক শাখাৰ ত্ৰিছতম্ পালনাম অধিবেশনৰ মুকলি সভাত বিশিষ্ট অতিথিৰূপে 'শঙ্কৰদেৱ আৰু নামধৰ্ম' বিষয়ত ভাষণ।

৫৮। ৩০ মাৰ্চ, ২০০৯ : প্ৰাগজ্যোতিষপুৰ থিয়'ছফিকেল লজৰ উদ্যোগত আয়োজিত প্ৰয়াত শ্ৰীচৰণ বৰুৱাদেৱৰ দ্বাদশ বাৰ্ষিক স্মাৰক বক্তৃতামালাত মুখ্য অতিথিৰূপে 'ধৰ্মীয় একত্ববাদ আৰু বিশ্বভ্ৰাতৃত্ব' শীৰ্ষক বিষয়ত ভাষণ।

৫৯। ৪ এপ্ৰিল, ২০০৯ : একশৰণ ভাগৱতী সমাজৰ যোৰহাট জিলা শাখাৰ ২৯ তম্ বাৰ্ষিক পালনামৰ মুকলি সভাত (কাকজান গড়োৱালচুম্বী নামঘৰ প্ৰাঙ্গণ) বিশিষ্ট অতিথিৰূপে 'শংকৰদেৱৰ একশৰণ নামধৰ্মত সমন্বয় চিন্তা' শীৰ্ষক বিষয়ত ভাষণ।

৬০। ২০ এপ্ৰিল, ২০০৯ : মানিকপুৰীয়া কৃষ্ণ আতৈৰ কীৰ্তন মহোৎসৱ আৰু ২৪ ঘণ্টীয়া অখণ্ড পালনাম উপলক্ষে কামৰূপ জিলাৰ সোণেশ্বৰৰ সুন্দৰীশাল সত্ৰত 'অসমীয়া জাতি গঠনত সত্ৰৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰত আলোচকৰূপে ভাষণ।

৬১। ১ মে', ২০০৯ : লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ শক্ৰাহী সত্ৰত অনুষ্ঠিত কমলাবাৰী সত্ৰৰ শিষ্য সমাৰোহত 'অসমৰ জাতি গঠন প্ৰক্ৰিয়াত সত্ৰসমূহৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰত আলোচকৰূপে ভাষণ।

৬২। ১০ মে', ২০০৯ : অসম অনুসূচীত জাতি যুব ছাত্ৰ সন্থাৰ তেলাহী আঞ্চলিকৰ সৌজন্যত লক্ষীমপুৰ জিলাৰ আমতলা জইনপুৰ পালনাম থানত অনুষ্ঠিত সতী ৰাধিকা উৎসৱত নিৰ্দিষ্ট বক্তাৰূপে 'শঙ্কৰদেৱ আৰু সতী ৰাধিকা' শীৰ্ষক বিষয়ত ভাষণ।

৬৩। ২৯ মে', ২০০৯ : তেজপুৰৰ লেঙাচুবুৰীৰ মাধৱ মন্দিৰ প্ৰতিষ্ঠা মহোৎসৱৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে 'শংকৰদেৱ আৰু মাধৱদেৱৰ দৰ্শন' সন্দৰ্ভত ভাষণ।

৬৪। ৭ জুন, ২০০৯ : ঢেঁকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ সোণালী জয়ন্তী আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ ৫২১ তম্ জন্মোৎসৱত উদ্বোধকৰূপে 'শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাংস্কৃতিক চিন্তা' সন্দৰ্ভত ভাষণ।

৬৫। ৮ জুন, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গুৱালকুছি শাখাই আয়োজন কৰা মাধৱদেৱৰ ৫২১ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে ভাষণ।

৬৬। ১৪ জুন, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নাৰায়ণদাস ঠাকুৰ আতা আঞ্চলিকৰ উদ্যোগত গুৱাহাটীৰ জাপৰিগোগৰ মিচিং মুৰং ঘৰত অনুষ্ঠিত মাধৱদেৱৰ ৫২১তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে 'শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দৰ্শন' সন্দৰ্ভত ভাষণ।

৬৭। ২৫ জুন, ২০০৯ : লণ্ডন নিবাসী ৰিণি কাকতিয়ে গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভাৰ দেশে-বিদেশে প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত আলোচনা' শীৰ্ষক বিষয়ত ভাষণ।

৬৮। ২৬ জুলাই, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গহপুৰ শাখাই আয়োজন কৰা 'শঙ্কৰদেৱৰ সাহিত্য' শীৰ্ষক আলোচনা সভাত মুখ্য অতিথিৰূপে ভাষণ।

৬৯। ২১ আগষ্ট, ২০০৯ : বৰপেটাৰ শঙ্কৰ হল আৰু ৰাজহুৱা পুথিভঁৰালে আয়োজন কৰা শঙ্কৰদেৱৰ সোঁৱৰণী সভাত নিৰ্দিষ্টবক্তা ৰূপে ভাষণ। (ৰাতি ৯.০০ বজাৰ পৰা ১০.৩০ বজালৈ)।

৭০। ২১ আগষ্ট, ২০০৯ : বৰপেটাৰ বৃন্দাবনহাটীৰ বাটচ'ৰাৰ সম্মুখত আয়োজিত শঙ্কৰদেৱৰ তিৰোভাৱ তিথিত অতিথিৰূপে ভাষণ। (ৰাতি ১০.৪৫ বজাৰ পৰা ১১.১৫ বজালৈ)।

৭১। ২৮ ছেপ্টেম্বৰ, ২০০৯ : ছয়গাঁৱৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত আয়োজিত শংকৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ।

৭২। ২৯ ছেপ্টেম্বৰ, ২০০৯ : বৰপেটা জিলাৰ বাঘমাৰাৰ ভূতেপোৰাত অনুষ্ঠিত শঙ্কৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত অতিথিৰূপে ভাষণ। (আবেলি ৩.০০ বজাৰ পৰা ৪.০০ বজালৈ)।

৭৩। ২৯ ছেপ্টেম্বৰ, ২০০৯ : বজালী শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘই আয়োজন কৰা শংকৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত (স্থান : বৰবাং চৌধুৰীপাৰা) নিৰ্দিষ্ট বক্তাৰূপে ভাষণ। (গধূলি ৬.০০ বজাৰ পৰা ৭.০০ বজালৈ)।

৭৪। ২৯ ছেপ্টেম্বৰ, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ভূৰকুছি মিলন প্ৰাথমিক শাখাৰ উদ্যোগত (নলবাৰী জিলা) আয়োজিত শঙ্কৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত অতিথিৰূপে ভাষণ (ৰাতি ৮.০০ বজাৰ পৰা ৯.০০ বজালৈ)।

৭৫। ৩০ ছেপ্টেম্বৰ, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্যোগত হাজোৰ পানীপাৰাত অনুষ্ঠিত শঙ্কৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে ভাষণ।

৭৬। ১ অক্টোবৰ, ২০০৯ : বিজনীত আয়োজিত শঙ্কৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত অতিথিৰূপে ভাষণ।

৭৭। ২ অক্টোবৰ, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মিলন প্ৰাথমিক শাখা, বৰমা আঞ্চলিক শাখা, শঙ্কৰী কলাকৃষ্টি সংঘ আৰু শঙ্কৰদেৱ মহিলা শাখাৰ উদ্যোগত বৰমাত আয়োজিত ৫৬১ তম্ জন্মোৎসৱত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ।

৭৮। ৪ অক্টোবৰ, ২০০৯ : কাহিলীপাৰাৰ জনকপুৰ নামঘৰ প্ৰাঙ্গণত আয়োজিত শঙ্কৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত অতিথিৰূপে ভাষণ।

৭৯। ১১ অক্টোবৰ, ২০০৯ : কোকৰাঝাৰত আয়োজিত শঙ্কৰদেৱৰ ৫৬১তম্ জন্মোৎসৱত অতিথিৰূপে ভাষণ।

৮০। ১৭ অক্টোবৰ, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্যোগত লক্ষীমপুৰ জিলাৰ চাবতিত অনুষ্ঠিত শঙ্কৰদেৱৰ ৫৬১ তম্

জন্মোৎসৱত বিশিষ্ট অতিথিৰূপে ভাষণ।

৮১। ৩০ অক্টোবৰ, ২০০৯ : গুৱাহাটীৰ কুমাৰপাৰা নামঘৰৰ সোণালী জয়ন্তী উৎসৱত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ।

৮২। ২ নৱেম্বৰ, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্যোগত বাক্সা জিলাৰ বেটাগাঁৱত আয়োজিত শঙ্কৰদেৱৰ ৫৬১ তম্ জন্মোৎসৱত ভাষণ।

৮৩। ৮ নৱেম্বৰ, ২০০৯ : শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্যোগত বাক্সা জিলাৰ বাগানপাৰাত আয়োজিত সমন্বয়মূলক সভাত শঙ্কৰদেৱ সম্পৰ্কে ভাষণ।

৮৪। ৯ নৱেম্বৰ, ২০০৯ : ৮২ তম্ হাউলী ৰাস মহোৎসৱৰ 'ধৰ্ম, সাৰ্বজনীনতা, মানৱতা আৰু হাউলী ৰাস মহোৎসৱ' শীৰ্ষক আলোচনা-চক্ৰত শঙ্কৰদেৱৰ দৰ্শন আৰু জাতীয় সমন্বয় সন্দৰ্ভত ভাষণ।

ইছমাইল হোছেইনৰ প্ৰকাশিত গ্ৰন্থৰাজি

১। জীৱন আৰু মানুহ বিষয়ক (লোকায়ত প্ৰকাশন, ১৯৯৪, ১৯৯৬, ২০০৪, ২০০৬। অসম সাহিত্য সভাই ১৯৯৫-৯৬ চনত শ্ৰেষ্ঠ মৌলিক অসমীয়া গ্ৰন্থ হিচাপে প্ৰদান কৰা অম্বিকাগিৰী ৰায়চৌধুৰী বঁটাপ্ৰাপ্ত গ্ৰন্থ)
২। জীৱন পথিক ৰাহুল সাংকৃত্যায়ন (লোকায়ত প্ৰকাশন, ১৯৯৪)
৩। ছয়ফ্দৰ হাছমী আৰু বাটৰ নাট (সমন্বয় গ্ৰন্থালয়, ১৯৯৪)
৪। হিন্দু-মুছলমান প্ৰশ্ন ঃ সমন্বয় আৰু সংঘাত (ইম্প্ৰিণ্ট, ১৯৯৪)
৫। সাম্প্ৰদায়িকতাবাদ বিৰোধী অসমীয়া কবিতা (লোকায়ত প্ৰকাশন, ১৯৯৬, সম্পাদনা)
৬। অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান (অনামিকা গ্ৰন্থালয়, ১৯৯৭, ১৯৯৮)
৭। সাহিত্যত সাম্প্ৰদায়িকতাবাদ আৰু ৰবীন্দ্ৰনাথ (লোকায়ত প্ৰকাশন, ১৯৯৮)
৮। গো-হত্যা আৰু সাম্প্ৰদায়িকতা (নন্দন প্ৰকাশন, ১৯৯৮)
৯। সংহতিৰ সন্ধানত (কেম্ব্ৰিজ ইণ্ডিয়া, ১৯৯৯)
১০। বিষ্ণুৰাভাৰ জীৱন আৰু দৰ্শন (জ্যোতি প্ৰকাশন, ১৯৯৯, ২০০০, ২০০২, ২০০৫, ২০০৮)
১১। ঢকুৱাখনাৰ ফাটবিহু (শিৱপ্ৰসাদ গগৈৰ সৈতে যুটীয়াভাৱে সম্পাদিত। কেম্ব্ৰিজ ইণ্ডিয়া, ২০০০)
১২। বিজ্ঞাপন (বনলতা, ১৯৯৯-২০০০, ২০০৪। কাব্যগ্ৰন্থ)
১৩। কুৰি শতিকাৰ নোবেল বঁটাপ্ৰাপ্ত সাহিত্যিক ঃ জীৱন আৰু সাহিত্য (বনলতা, ২০০০)
১৪। চৰ-চাপৰিৰ সমাজ সমীক্ষা (অসম সাহিত্য সভা, সম্পাদনা, ২০০১)
১৫। কিতাপ আৰু সমালোচনা (কবি-সঙ্গম, ২০০১)
১৬। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু দৰ্শন (জ্যোতি প্ৰকাশন, ২০০১, ২০০২, ২০০৪, ২০০৮)
১৭। চাপৰিৰ সূৰ্য (উপন্যাসিকা, জাৰ্ণাল এম্প'ৰিয়াম, ২০০১)
১৮। অসমৰ চৰ-চাপৰিৰ লোক-সাহিত্য (বনলতা, লোক-সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থ হিচাপে ২০০২-২০০৩ চনৰ ৰেবানাথ শৰ্মা বঁটাপ্ৰাপ্ত)
১৯। ফাটবিহুৰ ইতিহাস আৰু ঐতিহ্য (জ্যোতি প্ৰকাশন, ২০০২)
২০। কুৰি শতিকাৰ বিতৰ্ক (নন্দন প্ৰকাশন, ২০০২)
২১। নৈপৰীয়া (বনলতা, ২০০৩। কাব্যগ্ৰন্থ)

২২। কবিতা আৰু আবৃত্তি (বনলতা, ২০০৩)
২৩। জীৱন আৰু জ্ঞানৰ অন্বেষণ (ধেমাজি বুক ষ্টল, ২০০৩)
২৪। জীৱন-প্ৰজ্ঞা (২০০৩, সম্পাদনা)
২৫। জ্যোতিপ্ৰসাদ আৰু চলচ্চিত্ৰ (ধেমাজি বুক ষ্টল, ২০০৪)
২৬। অসমত মৌলানা ভাছানী (অভিমত পাব্লিকেচন, ২০০৫)
২৭। ৰঙালী বিহুৰ ঐতিহ্য বিচাৰ (জ্যোতি প্ৰকাশন, ২০০৬)
২৮। গড়মূৰীয় সংগ্ৰামী সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ জীৱন আৰু দৰ্শন (বনলতা, ২০০৭)
২৯। অসমৰ চৰ-চাপৰিৰ জীৱন আৰু সমাজ (অসম প্ৰকাশন পৰিষদ, ২০০৮)
৩০। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সমন্বয়ৰ ঐতিহ্য (এন. এল. পাব্লিকেশ্বনচ্, ২০০৮)
৩১। শঙ্কৰদেৱ বিশ্বশ্ৰেষ্ঠ নহ'ব কিয়? (লণ্ডন ভাষণ। চিনাকি প্ৰকাশন, ২০০৮)
৩২। বৰাক উপত্যকাৰ অসমীয়াৰ ইতিহাস (জ্যোতি প্ৰকাশন, ২০০৮)
৩৩। আজান পীৰ আৰু জিকিৰ (চন্দ্ৰ প্ৰকাশ, ২০০৮, সম্পাদনা)
৩৪। শঙ্কৰ বিভ্ৰাটৰ প্ৰত্যুত্তৰ (চন্দ্ৰ প্ৰকাশ, ২০০৯)
৩৫। বিহুনামৰ জুৰুলি (বনলতা, ২০০৯)
৩৬। শ্ৰীশ্ৰীমাধৱদেৱ আৰু যৱন জয়হৰি (চন্দ্ৰ প্ৰকাশ, ২০০৯)
৩৭। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু চান্দসাই (জ্যোতি প্ৰকাশন, ২০০৯)
৩৮। কাব্যশিল্পত শঙ্কৰদেৱ (ই.এম. এম. প্ৰকাশন, ২০০৯, সম্পাদনা)
৩৯। চিঠি (জ্যোতি প্ৰকাশন, ২০০৯। কাব্যগ্ৰন্থ)
৪০। ইংলেণ্ডৰ ডায়েৰী (বনলতা, ২০০৯)
৪১। কবিতাৰ নতুন বিচাৰ (বাণী মন্দিৰ, ২০০৯)

পৰিশিষ্ট (ঘ)

ডাঃ কৰুণা সাগৰ দাস আৰু অৰুন্ধতী দাসৰ বাসগৃহত
ইছমাইল হোছেইন (সৌহাতৰজন। ১৭ অক্টোবৰ, ২০০৮)

শ্ৰীমতী অৰুন্ধতী দাস (সৌহাতৰ গৰাকী) আৰু ডাঃ পাপৰি দাসৰ সৈতে
ডাঃ কৰুণা সাগৰ দাসৰ গৃহত ইছমাইল হোছেইন (১৭ অক্টোবৰ, ২০০৮)

ডাঃ কৰুণা সাগৰ দাস (সোঁফালৰজন) আৰু অৰুন্ধতী দাসৰ (মাজৰ গৰাকী) সৈতে ব্ৰেডফোৰ্ডৰ ৰাজপথত ইছমাইল হোছেইন (বাওঁফালৰজন। ১৮ অক্টোবৰ, ২০০৮। পুৱা)

লণ্ডনৰ ছেইণ্ট এণ্ড্ৰিউজ চাৰ্চ হলত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে নাম-প্ৰসঙ্গত অংশ গ্ৰহণ কৰোঁতে ইছমাইল হোছেইন (সোঁফালৰপৰা তৃতীয়জন। ১৮ অক্টোবৰ, ২০০৮। পুৱা)

লণ্ডনৰ ছেইণ্ট এণ্ড্ৰিউজ চাৰ্চ হলত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে প্ৰদান কৰা ভাষণৰ (Why Sankaradeva Would Not Be The Greatest Man In The World?) গ্ৰন্থৰূপ এটি বিশিষ্ট অতিথি তথা লণ্ডনৰ সাংসদ ভীৰেন্দ্ৰ শৰ্মাৰ হাতত অৰ্পণ কৰোঁতে ইছমাইল হোছেইন। বাওঁহাতৰগৰাকী গগন হাজৰিকা আৰু সোঁহাতৰগৰাকী ডাঃ খগেশ্বৰ লাহন (১৮ অক্টোবৰ, ২০০৮)



লণ্ডনৰ ছেইণ্ট এণ্ড্ৰিউজ চাৰ্চ হলত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে ভাষণ দিওঁতে ইছমাইল হোছেইন (১৮ অক্টোবৰ, ২০০৮)

লণ্ডনত অনুষ্ঠিত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত মুখ্য অতিথিৰূপে ভাষণ প্ৰদান কৰি মঞ্চৰপৰা নামি অহাৰ পিছত ইছমাইল হোছেইন (বাওঁহাতৰজন। ১৮ অক্টোবৰ, ২০০৮)



লণ্ডনৰ ছেইন্ট এন্ড্ৰিউজ চাৰ্চ হলত শঙ্কৰদেৱৰ ৫৬০ তম্ জন্মোৎসৱত উদ্যোক্তাসকলৰ সৈতে আলাপৰত অৱস্থাত ইছমাইল হোছেইন (বাওঁহাতৰজন। ১৮ অক্টোবৰ, ২০০৮)

লণ্ডনৰ ছেইণ্ট এণ্ড্ৰিউজ চাৰ্চ হলত যুক্তৰাজ্যৰ প্ৰবাসী অসমীয়াসকলৰ সৈতে ইছমাইল হোছেইন
(১৮ অক্টোবৰ, ২০০৮)



ষ্ট্ৰেটফোৰ্ড আপন দ্য এভনত শ্বেইক্সপীয়েৰ পেলেচৰ সন্মুখত ডাঃ কৰুণাসাগৰ দাস আৰু
ইছমাইল হোছেইন (১৯ অক্টোবৰ, ২০০৮)



ষ্ট্ৰেটফোৰ্ড আপন দ্য এভনত শ্বেইক্সপীয়েৰৰ পিতৃগৃহৰ দুৱাৰমুখত পাপৰি দাস আৰু পঞ্চমী দাসৰ সৈতে ইছমাইল হোছেইন (১৯ অক্টোবৰ, ২০০৮)

ইংলেণ্ডৰ ব্ৰেডফোৰ্ডৰ লেষ্টাৰ পাৰ্কত চৰাইৰ সৈতে ইছমাইল হোছেইন (২১ অক্টোবৰ, ২০০৮)

লণ্ডনৰ নেশ্বনেল পট্ৰেইট গেলেৰীত মেনকা পি পি বৰাৰ সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শনৰ পিছত আলাপৰত অৱস্থাত ইছমাইল হোছেইন (২৩ অক্টোবৰ, ২০০৮)

লণ্ডনৰ নেশ্বনেল পট্ৰেইট গেলেৰীত ইছমাইল হোছেইন, মেনকা পি পি বৰা আৰু ডাঃ করুণাসাগৰ দাস (২৩ অক্টোবৰ, ২০০৮)



লণ্ডনৰ বাকিংহাম পেলেচৰ ৰাজপথত এক ব্যস্ত মুহূৰ্তত ইছমাইল হোছেইন
(২৪ অক্টোবৰ, ২০০৮)

লণ্ডনৰ বাছ টাৰ্মিনাছত ইছমাইল হোছেইন, সাংবাদিক মনোজ বৰপূজাৰী আৰু
ডাঃ কৰুণাসাগৰ দাস (৩১ অক্টোবৰ, ২০০৮)

লণ্ডনৰ বাকিংহাম পেলেচৰ দুৱাৰমুখত ইছমাইল হোছেইন।
(২৪ অক্টোবৰ, ২০০৮)



লণ্ডনৰ বাকিংহাম পেলেচৰ দুৱাৰমুখত ইছমাইল হোছেইন। (২৪ অক্টোবৰ, ২০০৮)

লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত কৰ্মৰত বিষয়া ৰিচাৰ্ড ব্লাৰটনক অসমৰ সত্ৰীয়া আৰু বিভিন্ন জনগোষ্ঠীয় সাজ-পাৰ দেখুৱাই থকা অৱস্থাত ইছমাইল হোছেইন। (৩০ অক্টোবৰ, ২০০৮)

স্কটলেণ্ডৰ গ্লাচগো চহৰত অসমীয়া পৰিয়ালৰ বিয়াত প্ৰবাসী অসমীয়াসকলৰ সৈতে ইছমাইল হোছেইন। (থিয় হৈ থকাজন। ২৫ অক্টোবৰ, ২০০৮)